# জুবিন গাৰ্গ

## জীৱনৰ পৰা গানলৈ

সম্পাদনা ঃ মণ্টু শইকীয়া

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

**Zubeen Garg *Jibanar para Ganaloi*** : A biographical book on prominent artist Zubeen Garg, Edited by Montu Saikia and published by Rajendra Mohan Sarma on behalf of Chandra Prakash, Panbazar, Guwahati-1.

প্ৰকাশক : ৰাজেন্দ্ৰমোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১
দূৰভাষ ঃ ২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০০৯ চন

বেটুপাত ঃ নেকিব আহমেদ

মূল্য ঃ ১৬০.০০ টকা

ডিটিপি ঃ টেকনো এড, পেঞ্চনপাৰা ৰোড,
গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩
দূৰভাষ - ৯৮৬৪২-৯৬০৩০

মুদ্ৰণ ঃ কম্পটেন প্ৰিন্টাৰ্ছ ইণ্ডিয়া
উদ্যোগপাম, বামুণীমৈদাম,
গুৱাহাটী -২১

# মোৰ কথা

জীৱনৰ পয়ত্ৰিশটা বসন্ত পাৰ কৰিলো। কি কৰিলো, কিমান কৰিলো নেজানো। যি কৰিছো ৰাইজৰ বাবে কৰিছোঁ আৰু অসমৰ বাবে কৰিছোঁ। মোক যিসকল লোকে ভালদৰে লগ পাইছে বা বুজি পাইছে তেওঁলোকে এই কিতাপখনত মোক বিশ্লেষণ কৰিছে। তেওঁলোকৰ ওচৰত মই কৃতাৰ্থ কাৰণ মই ভাবোঁ এই বিশ্লেষণে মোক নিজকে শুদ্ধ কৰাত সহায় কৰিব। কিতাপখনৰ প্ৰকাশক দাদাস্বৰূপ শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মাদেৱক আৰু সম্পাদক বন্ধু মণ্টু শইকীয়াক মোৰ অশেষ ধন্যবাদ। ৰাইজে কিতাপখন পঢ়ি আনন্দ পাব বুলি আশা ৰাখিলো। পুনৰ মৰমেৰে—

[illegible]

[illegible]

# কৃতজ্ঞতা একাষাৰ

কোৱা হয় সংসাৰ মৰুভূমিত সংগীত সৰোবৰ। সংগীত দেৱতাৰ দান। ভগৱানে নাৰী সৃষ্টি কৰি পৃথিৱীলৈ পূৰ্ণতা আনিলে আৰু সংগীত সৃষ্টি কৰি তাতে ৰং সানিলে। ভাষা বুজি নোপোৱাজনেও সংগীত বুজি পায়। গ্যেটেয়ে কৈছিল— 'সদায় পুৱা এটা ভাল গান শুনিবা।' দাৰ্শনিক ভল্টেয়াৰে কোৱাৰ দৰে আধুনিক পৃথিৱীখন শাসন কৰিছে কেৱল কিতাপে; সেইদৰে ক'ব পাৰি মানুহক শাসন কৰিছে কেৱল সংগীতে।

জুবিন গাৰ্গ। নাম নহয় সংগীতৰ এক মনোৰম অনুষ্ঠান। জুবিন গাৰ্গৰ গীত যুৱ-প্ৰজন্মৰ এক প্ৰকাৰে চিকিৎসা। যাৰ কণ্ঠত বৰষে অমৃতৰ সুৰ, যাৰ গীত শুনি তন্দ্ৰাৰতৰ তন্দ্ৰা ভাগে, নিদ্ৰাহীনৰ চকুত টোপনিৰ ভাব জাগে। এক প্ৰকাৰে 'মিউজিক থেৰাপি'। জুবিন গাৰ্গ অসমীয়া সংগীতৰ জগতৰ নিঃসন্দেহে এক মাইলৰ খুঁটি। শিল্পীগৰাকীয়ে অসমৰ সংগীত জগতলৈ এক 'ট্ৰেণ্ড' আনিলে। সংগীতেই জুবিন গাৰ্গৰ সংগ্ৰামৰ এক অস্ত্ৰ।

লেখাতো মোৰ নিচা আৰু পেছা যদিও শব্দৰ ওপৰত মোৰ দখল কম। তথাপি বন্ধুবৰ শিল্পী জুবিন গাৰ্গৰ একান্ত ভক্ত তথা প্ৰকাশক ৰাজেন্দ্ৰ মোহন শৰ্মাৰ দুবছৰীয়া ফৰ্মাইছৰ বাবেই বিশ্ব বিশ্ৰুত শিল্পীগৰাকীৰ জীৱনভিত্তিক গ্ৰন্থ এখন সম্পাদনাৰ বাবে কলম তুলি ল'লো। মনোৰম শব্দৰ প্ৰেমিক তথা গীত-সুৰৰ যাদুকৰ জুবিন গাৰ্গৰ 'লাইফ ষ্টাইল', তেওঁৰ দৰ্শন অনুধাৱন কৰি শিল্পীগৰাকীৰ ঘনিষ্ঠ ব্যক্তিৰ কাষ চাপিলো। জুবিন গাৰ্গৰ দেউতাক মোহিনী মোহন বৰঠাকুৰে দিয়া গ্ৰন্থখনৰ নামটোৰেই অভিযান আৰম্ভ কৰিলো। গ্ৰন্থখন সম্পাদনা কৰোতে একাংশ জুবিন গাৰ্গপ্ৰেমী ব্যক্তিৰ সহায়-সহযোগে মোক চালিকা শক্তি হিচাপে কাম কৰিছিল। এই ক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব

জুবিন গাৰ্গ, তেওঁৰ দেউতাক আৰু পত্নী গৰিমা শইকীয়া গাৰ্গৰ। সততে উৎসাহ যোগাই আহিছে দেউতাক মোহিনীমোহন বৰঠাকুৰে। বিভিন্ন ধৰণে মোক সহায় কৰিছে দেবকুমাৰ বৰকটকী, পবিত্ৰ মাৰ্ঘেৰিটা, মানস ৰবীন, অমৃত কৃষ্ণ বড়া, বিৰিঞ্চি কুমাৰ শৰ্মা, নেকিব আহমেদ, মুক্তি হাতীমূৰীয়া, উৎপল বৰা, মানিক ৰায়ে। বিচৰা ধৰণেই গ্ৰন্থখনৰ কেঁচামাল স্বৰূপ লেখা সমূহ দি সহায় কৰিছে হীৰুদা, ফণীন্দ্ৰকুমাৰ দেব চৌধুৰী, পবিত্ৰ কুমাৰ ডেকা, মুনিন বৰুৱা, ডাঃ অজিত বৰুৱা, পবিত্ৰ মাৰ্ঘেৰিটা, নয়ন প্ৰসাদ, মানস ৰবীন, দেব কুমাৰ বৰকটকী, গৌতম চক্ৰবৰ্তী, ভাগবত প্ৰীতম, ডলী হাজৰিকা, দিগন্ত ভাৰতী, বিদ্যুৎ কুমাৰ ভূঞা, মনি মহন্ত, ৰাজেশ ভূঞা, মানস ৰবীন, গৰিমা শইকীয়া গাৰ্গ, সুশান্ত কৌৰৱ, হেমচন্দ্ৰ পাঠক, কবি দেব প্ৰসাদ তালুকদাৰ আৰু জুবিনৰ দেউতাক কপিল ঠাকুৰে।

প্ৰায় একুৰি পাঁচগৰাকী কবি-লেখক-সাংবাদিক-অভিনেতা-সংগীতশিল্পীয়ে প্ৰাঞ্জল ভাষাত জুবিন গাৰ্গৰ জীৱনৰ বহু অলিখিত অধ্যায় আলোকপাত কৰিছে। শিল্পীগৰাকীয়ে ডেই অহা জীৱনৰ বহু বিচিত্ৰ ঘটনা, শৈশৱ-কৈশোৰ-যৌৱন। প্ৰেম-ৰোমাঞ্চ-বিবাহ, হাঁহি-বিষাদ-চকুলো আদিৰ লগতে জীৱনৰ সত্যবোৰ কলমেৰে অস্ত্ৰোপচাৰ চলাইছে।

প্ৰকাশক ৰাজেন্দ্ৰ মোহন শৰ্মা, ডা ৰবীন্দ্ৰ মোহন শৰ্মা, ডিটিপি টেকনো এড, আৰ্হি চাওতা সৌন্দৰ্য ঠাকুৰীয়া, আলোকচিত্ৰ চিকাৰী মানিক ৰায়, বেটুপাত নেকিব আহমেদ। ফটো যোগান ধৰা মোহিনী মোহন বৰঠাকুৰ বন্ধু গৌতম চক্ৰবৰ্তী, শিল্পী বন্ধু মানস ৰবীন, পবিত্ৰ মাৰ্ঘেৰিটা, মুক্তি ·হাতীমুৰীয়া 'মায়া' পৰিয়াল, ডি জি ষ্টুডিঅ', জ্ঞানম পৰিয়াল, বন্ধু গোপাল জালান, ভাস্কৰ বৰ্মন আদিক আমি কৃতজ্ঞতাৰে মনত ৰাখিম।

ঋষি বিশ্বামিত্ৰৰো ভুল হৈছিল। কম সময়ৰ ভিতৰতে প্ৰকাশকৰ তাগিদাত গ্ৰন্থখন প্ৰস্তুত কৰিবলৈ যাওতে কিছু ভুল বৈ গ'ল, তাৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী। গ্ৰন্থখন পাঠকে আদৰি ল'লে আনন্দিত হ'ম।

মন্টু শইকীয়া
সম্পাদক

## মোৰ পৰা আপোনালৈ...

# সংগীতেৰে বিশ্ব জয় কৰাৰ সপোন

সংগীতৰ জগতখনৰ পৰিসৰ অতি বিশাল। এই বিশাল ক্ষেত্ৰখনত ধাৰাবাহিকভাৱে শ্ৰোতাৰ প্ৰিয়ভাজন হৈ থকাটো অতি কঠিন কাম। বৰ্তমান সংগীতৰ জগতখনত শিল্পীসকলৰ জনপ্ৰিয়তাক দিক্ নিৰ্ণয়কাৰীসকল হ'ল আমাৰ যুৱ প্ৰজন্ম। শেহতীয়াভাৱে ভাৰতৰ সংগীত জগতত নবীন শিল্পীৰ আত্মপ্ৰকাশৰ জোৱাৰ উঠিছে। তাৰ ভিতৰত এগৰাকী অন্যতম শিল্পী হ'ল অসমৰ সু-সন্তান, অসম গৌৰৱ জুবিন গাৰ্গ।

ড° ভূপেনদাৰ পিছতে জুবিন গাৰ্গে অসমভূমিৰ পৰাই দেখিছে সংগীতেৰে বিশ্ব জয় কৰাৰ সপোন। সংগীত বিশ্বখন হাতৰ মুঠিলৈ আনিব বিচৰা, ইউকেলিপ্টাচৰ দৰে ওখ হ'ব বিচৰা জুবিন গাৰ্গে আজি সাফল্যৰ আকাশ চুব পাৰিছে কিঞ্চিত হ'লেও। গীতৰ পৰা কবিতালৈ, লোকগীতৰ পৰা পশ্চিমীয়া সংগীতলৈ সংগীতৰ মহাসমৰত জঁপিয়াই পৰা জুবিন গাৰ্গ এজন লাচিতৰ দেশৰ সাংস্কৃতিক সৈনিক। জুবিনৰ সংগীতৰ জয়যাত্ৰাৰ আমি সহযাত্ৰী হিচাপে শিল্পীগৰাকীক উৎসাহ দিয়াতো অতি প্ৰয়োজন। ওপজা গাঁৱৰ পৰা ৰাজ্য তথা দেশৰ পৰিসীমা অতিক্ৰম কৰি সাত সাগৰ তেৰ নদী পাৰ হৈ বিদেশতো কণ্ঠৰ অমৃত বিলাইছে জুবিন গাৰ্গে। লুইতৰ পাৰৰ গীত-সুৰক সিন্ধু-গংগা-কাবেৰীৰ সৈতে মিলাই টেমছ-মিছিছিপিৰ পাৰত বিলাইছেগৈ জুবিন গাৰ্গে। এয়া অসমবাসীৰে গৌৰৱ দেশৰ গৌৰৱ।

জুবিনৰ গান মানেই জনপ্ৰিয়তা। অন্ততঃ অসমত আজিৰ তাৰিখত এয়াই সত্য। শিল্পীগৰাকীৰ জীৱনৰ ৰঙীন সপোন, শৈশৱৰ ধেমালী, জীৱন

ৰামধেনুৰ বিচিত্ৰ ৰঙবোৰ, ভাবৰ বুৰবুৰণিবোৰ কেইবাজনো লেখক-সাংস্কৃতিক শিল্পীৰ দ্বাৰা নিৰ্ভেজাল ৰূপত থুঁপ খুৱাবলৈ যত্ন কৰা হৈছে এই গ্ৰন্থখনিত। গ্ৰন্থখন সম্পাদনা কৰিছে লেখক-সাংবাদিক 'নাৰী আৰু প্ৰেম' খ্যাত মণ্টু শইকীয়াই। ভ্ৰাতৃ প্ৰতীম শিল্পী জুবিন গাৰ্গৰ উৎসাহে মোক গ্ৰন্থখনি প্ৰকাশ কৰাত সহায় কৰিলে। এইখিনিতে মই জুবিন গাৰ্গলৈ আৰু তেওঁৰ পৰিয়াললৈ কৃতজ্ঞতা জনালো। কম সময়ৰ ভিতৰতে যি ২৫ গৰাকী লেখকে জুবিন গাৰ্গক আলোকপাত কৰিলে তেওঁলোকক মই কৃতজ্ঞতা প্ৰকাশ কৰিলো।

জুবিন গাৰ্গ, তুমি আগুৱাই যোৱা
তোমাৰ আলোক সন্ধানী পথত
আমি হৈ ৰ'ম প্ৰেৰণা...।

ৰাজেন্দ্ৰমোহন শৰ্মা
প্ৰকাশক, চন্দ্ৰ প্ৰকাশ

# সূচীপত্ৰ


- জুবিন অসমীয়া সংগীতৰ ক্ষেত্ৰত এক জোকাৰণি — হীৰেন ভট্টাচাৰ্য ১
- এক ঐতিহাসিক দায়িত্ব — ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী ৩
- আহিলোঁ, গান গালোঁ, জয় কৰিলোঁ — পবিত্ৰকুমাৰ ডেকা ৬
- জুবিন গাৰ্গক ময়ো ভালপাওঁ — ডাঃ অজিত বৰুৱা ১১
- জুবিনৰ কথাৰে — মুনিন বৰুৱা ১৫
- গান জুবিন গাৰ্গৰ তেজত আছে — কপিল ঠাকুৰ ১৮
- গানৰ জুবিন — নয়ন প্ৰসাদ ২১
- জুবিন গাৰ্গকো এদিন কৰা হৈছিল 'ব্ৰেক আউট'!
  — বিদ্যুৎ কুমাৰ ভূঞা ২৪
- সুৰৰ সোপানে সোপানে — মণি মহন্ত ২৯
- গ'ল্ডী... এটি সোণালী কণ্ঠ — পবিত্ৰ মাৰ্ঘেৰিটা ৩৫
- গুণী পিতৃ-মাতৃৰ গুণী পুত্ৰ — মণ্টু শইকীয়া ৪২
- মোৰ দৃষ্টিত জুবিন জুবিনৰ বিষয়ে কিছু কথা
  — দেৱ কুমাৰ বৰকটকী ৪৮
- মোৰ অনুভৱৰ জুবিন — ভগৱৎ প্ৰীতম ৫৫
- আমাৰ চিনাকিৰ আগলি বেলা — দিগন্ত ভাৰতী ৫৯
- জুবিনৰ মৰম আৰু খং — ৰাজেশ ভূঞা ৬২
- জুবিন হেজ গ'ট এ হাৰ্ট অফ্ গোল্ড — গৰিমা শইকীয়া গাৰ্গ ৬৬

- জুবিন ঃ অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ
  — ভনি হাজৰিকা (মুম্বাই) ৭৪
- সংগীতৰ অমিয়া সন্ধানত জুবিন — গৌতম চক্ৰৱৰ্তী (মুম্বাই) ৭৬
- লুইতৰ পাৰৰ গীত-সুৰক সিন্ধু-গংগাৰ পাৰত
  বিলাইছে জুবিনে — গোপাল জালান ৮৪
- বন্ধু মেলি দে তোৰ দুখৰ দুখনি হাত এবাৰ জিৰাওঁ
  তোৰ বুকুৰ শীতল ছাঁত — হেমচন্দ্ৰ পাঠক ৮৮
- নষ্টালজিয়া — সুশান্ত কোঁৱৰ ৯৩
- সৰ্বভাৰতীয় প্ৰেক্ষাপটত জুবিনৰ সবল খোজ
  হিন্দী ছবিত অসমীয়া প্ৰাৰ্থনা —মাণিক ৰায় ৯৮
- জুবিন আৰু মই — মানস ৰবীন ১০২
- ক্লজ আপত জুবিন ১১২
- জুবিনে লাভ কৰা বঁটাসমূহ ১১৩
- জীৱন-পঞ্জী ১১৪
- জুবিন গাৰ্গৰ এমুঠি জনপ্ৰিয় গান ১১৭
- জুবিনৰ হাতত আন্তৰিকতাৰে — দেৱপ্ৰসাদ তালুকদাৰ ২৭৭

# জুবিন অসমীয়া সংগীতৰ ক্ষেত্ৰত এক জোকাৰণি

□ হীৰেন ভট্টাচাৰ্য

গান লেখিলেই গান নহয়। সকলো সময়ত ভাল মাতেৰেই গায়ক নহয়। ভাল গানে, ভাল গানৰ কথাই মানুহক আকৰ্ষণ কৰে। গানৰ স্থায়িত্ব গানৰ কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰে। গানৰ সুৰ মনত নাথাকিলেও গীতৰ কথা মনত থাকি যাব পাৰে। আমি ড° ভূপেন হাজৰিকা বা ড° বীৰেন্দ্ৰনাথ দত্তৰ গানৰ ক্ষেত্ৰত দেখো গীতৰ কথা সুন্দৰ বাবে গীতবোৰ মনত থাকি যায়। অসমৰ একে ধাৰাৰ, একে সুৰীয়া গীতৰ মাজতে জুবিনে জোকাৰণি এটা দিলে।

গান ভালপাওঁ, ল'ৰা-ছোৱালী ভালপাওঁ। সৰুৰে পৰাই গান শুনি ভালপাওঁ। এবাৰ এটা বিশেষ কামত গুৱাহাটীৰ পৰা যোৰহাটলৈ গৈছিলো। মই যোৰহাটলৈ যোৱাৰ কথা গম পাই দুজন ল'ৰা মোৰ ওচৰলৈ আহিল। ল'ৰা দুজনক মই চিনি নাপাওঁ। ল'ৰা দুজনে মোক ক'লে— 'আপোনাৰ গীত এটা গাইছো কেছেটত। লগতে ল'ৰা দুজনে মোক টকা তিনিশ দি গ'ল মোৰ

গানটো কেছেটত ব্যৱহাৰ কৰাৰ বাবে। ল'ৰা দুজন আছিল জুবিন গাৰ্গ আৰু দেৱ বৰকটকী।। কেছেটতো আছিল 'অনামিকা'। গীতটো হ'ল 'গানে কি আনে...।'

সেয়াই জুবিনৰ লগত প্ৰথম চিনাকি। বহুদিনৰ পিছত জুবিন আকৌ আহিছিল।গান এটা দিছিলো। জুবিনে মোৰ চাৰিটামান গীতত কণ্ঠ-সুৰ দিছে। জুবিন সঁচাই আচৰিত। ইমান কম বয়সতে, ইমান সোনকালে জনপ্ৰিয়তা লাভ কৰা দেখি আচৰিত হওঁ। জুবিন কোনো ৰেডিঅ'ৰ শিল্পী নহয়। দূৰদৰ্শনৰ শিল্পী নহয় বা তেনেধৰণৰ কোনো বেকগ্ৰাউণ্ডো নাই। জুবিনে যোগ্যতাৰ ভিত্তিত জনপ্ৰিয়তা পাইছে নিঃসন্দেহে।

অসমীয়া গানৰ 'ট্ৰেণ্ডটো' জুবিনে সলনি কৰি দিলে। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো জুবিনৰ ভাল জ্ঞান আছে। অ' জুবিনৰ দেউতাকৰ লগত মোৰ আগৰে পৰাই চিনাকি। জুবিনৰ দেউতাক কপিল বৰঠাকুৰক গোলাঘাটত এছ ডি অ' চি (চিভিল) হৈ থাকোঁতেই লগ পাইছিলো গোলাঘাট এমেচৰি থিয়েটাৰ হ'লত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত।

জুবিনৰ ওচৰত নিশ্চয় শিকা কিবা এটা আছে। নহ'লে মানুহে ইমান নিবিচাৰিলেহেঁতেন। নহ'লে মুম্বাইৰ 'মিউজিক ৱৰ্ল্ড'ত সুযোগ নাপালেহেঁতেন।

মোৰ নিজা ধাৰণা— জুবিনৰ এই গান কিমান দিন জীয়াই থাকে মই ক'ব নোৱাৰো। গানক জীয়াই ৰাখে গানৰ কথাই। জুবিনৰ গান সম্পৰ্কে মই মন্তব্য নিদিওঁ। জুবিনৰ সকলো গান মই শুনা নাই। জুবিনৰ অভিনয় চাইছো, শেহতীয়াৰৈ মন যায়' নামৰ ছবিখনত জুবিনে সুন্দৰ অভিনয় কৰিছে।

অনুলেখন ঃ মণ্টু শইকীয়া

# এক ঐতিহাসিক দায়িত্ব

□ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

জুবিনক মই প্ৰথম আৱিষ্কাৰ কৰিলো চলন্ত গাড়ীতে। বহু বছৰ আগতে মোৰ এগৰাকী আত্মীয় ছোৱালী বি বৰুৱা কলেজৰ ছাত্ৰী আছিল। যেতিয়াই সিহঁতৰ ঘৰলৈ যাওঁ, তাইৰ সৈতে পঢ়া-শুনা, কলেজৰ কথা পাতোঁ। প্ৰতিবাৰেই উত্তেজিত স্বৰেৰে তাই কৈছিল সিহঁতৰ কলেজত এগৰাকী সাংঘাতিক প্ৰতিভাৱান গায়ক আছে। মই বিশেষ গুৰুত্ব দিবলগীয়া কথা বুলি ধৰা নাছিলো। প্ৰতিখন কলেজতে একোগৰাকী শ্ৰেষ্ঠ গায়ক আৰু গায়িকা থাকে আৰু কলেজীয়া জীৱনৰ উন্মাদনা স্তিমিত হৈ অহাৰ লগে লগে সেই কণ্ঠৰ মাধুৰ্যৰো অন্ত পৰে।

গুৱাহাটীৰ পৰা দুলীয়াজানলৈ গাড়ী ড্ৰাইভ কৰি আহিলে প্ৰতিবাৰেই তাইৰ পৰা দুই-এটা গানৰ শেহতীয়া কেছেট লৈ আহোঁ, ৰাস্তাত শুনিবৰ বাবে। সেইবাৰো লৈ আহিছিলো দুটামান কেছেট। গুৱাহাটীৰ যান জঁটৰ ভিৰ আৰু যোৱাবাটৰ ধূলিয়ৰি ৰাস্তাৰ একা-বেঁকা অতিক্ৰম কৰাৰ পিছত তাইৰ পৰা লৈ অহা কেছেট এটা গাড়ীৰ কেছেট

প্লেয়াৰটোত সুমুৱাই দিছিলো। সোণাপুৰৰ বহল খেতিপথাৰ। অদূৰত কেউফালে পাহাৰৰ টিলা, লুংলুঙীয়া ৰাস্তা এটা ওপৰলৈ উঠি গৈ অদৃশ্য হৈ গৈছে পাহাৰৰ শিলাময় গৰ্ভত। ঠিক সেই সময়তে বাজি উঠিছিল কেছেটটো— মায়া মায়া মাথোঁ মায়া... তাৰ এই গভীৰ, সুদূৰৰ আবেদনেৰে ভৰা উদাসী কণ্ঠ। চমকি উঠিছিলো বহুদিনৰ মূৰত নতুন প্ৰজন্মৰ কোনো গায়কৰ কণ্ঠত বিচাৰি পালোঁ সেই 'কিবা এটা', যিয়ে আমাৰ আকৰ্ষণ, আমাৰ মুগ্ধতা, আমাৰ অপেক্ষা, আমাৰ আশা দাবী কৰে কেছেটতো বি বৰুৱা কলেজৰ গুৰুত্ব দিব নোখোজা সেই ল'ৰাজনৰ । জুবিনৰ। মোৰ পিছৰ যিটো প্ৰজন্ম তেওঁলোকৰ বয়স এতিয়া কুৰিতকৈ অলপ বেছি অথবা কুৰিতকৈ অলপ কম। আমাৰ প্ৰজন্মত ভূপেন হাজৰিকা, খগেন মহন্ত আদিয়ে এনেদৰে আজিও আচ্ছন্ন কৰি ৰাখিছে যে কেতিয়াও আমি  অসমীয়া গীতৰ ভৱিষ্যতক লৈ শঙ্কিত হ'বলগীয়া হোৱা নাই। খগেন মহন্তৰ কণ্ঠৰ এটা শব্দই যদি আমাক বিহুৰ পথাৰত এপাক মাৰিবলৈ কল্পনাৰে হলেও বাধ্য কৰাইছিল। ভূপেন হাজৰিকাই তেখেতৰ কণ্ঠৰে নিগৰিত প্ৰতিটো শব্দতে আমাক উদ্বুদ্ধ কৰিবলৈ শিকাইছিল— সংগীত কি, সংগ্ৰাম কি, প্ৰেম কি, স্বদেশ কি, বিশ্ব কি, মানৱীয়তা কি। অসমীয়া গীতৰ মাজত লুকাই থকা লোক-সংস্কৃতিৰ ঐতিহ্য, মানুহৰ গভীৰ চিন্তাৰ বৈচিত্ৰ্যময় প্ৰকাশে আমাক বাৰে বাৰে গভীৰ আস্থাৰে সোঁৱৰাই আছিল যে এই অসমীয়া গীতৰ কোনোকালেই শ্ৰোতাৰ অভাৱ নহ'ব, ব্যক্তিগতভাৱে মোক এক বেলেগ আস্বাদ দিছিল কামৰূপীয়া লোকগীতসমূহে।

কিন্তু এটা সময়ত এচাম নতুন প্ৰজন্মক অসমীয়া গীতৰ প্ৰতি অনীহাই যেন শংকিত কৰি তুলিছিল, প্ৰতিখন সংস্কৃতিক অনুষ্ঠানতে আনকি বিহুৰ মেলাতো হিন্দী আৰু পাশ্চাত্যৰ গীতৰ পয়োভৰে ভাবিবলৈ বাধ্য কৰাইছিল, যিবোৰ গীতে এদিন আমাক উপহাৰ দিছিল ভালপোৱা। এদিন আমাক সোঁৱৰাই আছিল পাহাৰ আৰু ভৈয়ামৰ প্ৰীতি, সেইবোৰ গীত নতুন প্ৰজন্মই লাহে লাহে বিস্মৃতিৰ গৰ্ভত হেৰাই যাবলৈ এৰি দিব নেকি। কিন্তু সেই সময়তে এক আশাৰ বতৰা লৈ উপস্থিত হৈছিল জুবিন। জুবিনে যিমান কালজয়ী গীত সৃষ্টি কৰিব, সেইবোৰ হিচাপ লোৱাৰ সময় এতিয়াও হোৱা নাই। কিন্তু এটা কথা আমি নিঃসন্দেহে এতিয়া ক'ব পৰা হৈছোঁ যে অসমৰ সংগীত জগতত জুবিনে ইতিমধ্যে অতি প্ৰয়োজনীয় ঐতিহাসিক দায়িত্ব পালন কৰিছে আৰু সেয়া হ'ল নতুন প্ৰজন্মৰ যিসকল তৰুণ-তৰুণী অসমীয়া গীতৰ জগতৰ পৰা আঁতৰি যোৱাৰ উপক্ৰম হৈছিল সেইসকল তৰুণ-তৰুণীক পুনৰ অসমীয়া গীতৰ শ্ৰোতা ৰূপত ওভতাই আনিছে। যিসকলে অসমীয়া গীতৰ যাদুখেল শেষ হৈ যাব বুলি হতাশাত ভুগিবলৈ আৰম্ভ কৰিছিল, সেইসকলক

অসমীয়া গীতৰ মাজত যে এতিয়াও অনাবিষ্কৃত, অপ্রদর্শিত এক ৰহস্যময় যাদুৰ ভঁৰাল আছে সেই সন্দৰ্ভত প্ৰশস্ত কৰিছে। অসমীয়া গীতৰ সন্ধিক্ষণৰ এই অতি প্ৰয়োজনীয় ঐতিহাসিক দায়িত্ব সুকলমে পালন কৰি জুবিনে আমাৰ সকলোৰে মনত এনে এক উচ্চাকাংক্ষাৰ সঞ্চাৰ কৰিছে যি পূৰণ কৰা যোগ্যতা অৰ্জনৰ বাবে জুবিন আৰু অধিক গভীৰ, প্ৰণালীবদ্ধ আৰু কোনো ধৰণৰ তৰলতাক প্ৰশ্ৰয় নিদিয়া এক কঠোৰ নিষ্ঠাবান, সংগীত সাধক হৈ উঠিব লাগিব আৰু মোৰ মনত অকণো সন্দেহ নাই যে বয়সৰ কিছু তাৰল্য আৰু চঞ্চলতা অতিক্ৰম কৰি জুবিনে আমাৰ এই সন্মিলিত উচ্চাকাংক্ষা এদিন সুকলমে পূৰণ কৰিব। জুবিনলৈ আন্তৰিক শুভ কামনাৰে...।

# আহিলোঁ, গান গালোঁ, জয় কৰিলোঁ

◻ পবিত্ৰ কুমাৰ ডেকা

আমি চল্লিছৰ দশকত পাঠশালাত নাম লগোৱা দিনৰ পৰা গ্ৰামোফোনৰ চাবি ঘূৰাই ঘূৰাই ৰেকৰ্ডৰ গান শুনা যুগৰ মানুহ। ঘৰত আৰু আছিল বাল্ব ছেটৰ জাৰ্মান মুলাৰ্ড কোম্পানীৰ ৰেডিঅ' (তেতিয়া টেন্‌জিষ্টাৰেই ওলোৱা নাছিল)। সৰু টাউনখনৰ চিনেমা হল দুটাত প্ৰথমতে মাজে মাজে, পিছলৈ সঘনে চাবলৈ পোৱা হিন্দী আৰু বাংলা ছবি, দেওবাৰৰ পুৱাৰ ইংৰাজী ছবি আৰু বহুদিন মূৰত অহা এৰ্কোখন অসমীয়া ছবি। বছৰেকত দুখনমান কলংপাৰৰ সাংস্কৃতিক অনুষ্ঠান। তেতিয়া এইকেইটাই আছিল আমাৰ গান শুনাৰ মাধ্যম। তাৰ পিছত যাঠিৰ একেবাৰে আৰম্ভণিতেই মহানগৰীলৈ স্থায়ীভাৱে অহাৰ পিছত আৰু শ্ৰব্য কেছেট ওলোৱাৰ সময়লৈকে ৰেকৰ্ড বজোৱা গ্ৰামোফোনটোৰ বিৱৰ্তন হৈ কাৰেণ্ট আৰু বেটেৰীত চলাব পৰা হোৱাৰ বাহিৰে বিশেষ কিবা নতুনত্ব অহা নাছিল। নতুনত্ব আহিছিল আশীৰ দশকত টেলিভিছন অহাৰ পিছত। প্ৰথমবাৰৰ বাবে 'এম টি ভি' আৰু 'ভী টি ভি'য়ে আমাক 'গান শুনা'ৰ সলনি 'গান চাবলৈ শিকালে'।

বহুক্ষেত্ৰত আমি নিজকে সৌভাগ্যবান বুলিয়েই ভাবোঁ, কাৰণ আমি জনা হোৱাৰ পৰা টেলিভিছন অহাৰ আগলৈকে অসমৰ সংগীত জগতত আবিৰ্ভাৱ হৈছিল এজনৰ পিছত আনজন প্ৰতিভাৱান কণ্ঠশিল্পীৰ— ভূপেন হাজৰিক, দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা, ইভা বৰুৱা (ফাগুনৰে পচোৱাই), বীৰেন দত্ত (ব'হাগৰ দুপৰীয়া), গুণদা দাস (পিছত কৌৰ), লক্ষ্যহীৰা দাস, তাৰিকুদ্দিন আহমেদ (ইমান ধুনীয়া মুকুতাৰ মালা), ৰুদ্ৰ বৰুৱাৰ পৰা ব্ৰজেন বৰুৱা, ৰমেন বৰুৱা, দেৱেন শৰ্মা, মিহিৰ বৰদলৈ, জ্যোতিষ ভট্টাচাৰ্য, মৃদুলা দাস, আমাৰ একেলগৰ খগেন মহন্ত, তাৰ পিছত দীপালী বৰঠাকুৰ, জয়ন্ত হাজৰিকা, দ্বীপেন বৰুৱা, অপূৰ্ব কুমাৰ দাস, কুল বৰুৱা, বীণা ভাগৱতী, ৰাণু দাস (পিছত বৈশ্য), জিতেন ডেকা, দিলীপ চৌধুৰী, ডলী ঘোষ (পিছত আঢ্য), পাৰবীন চুলতানা, পুলক বেনাৰ্জী, মহানন্দ মজিন্দাৰ বৰুৱা, মালবিকা বৰুৱা (পিছত বৰা), অণিমা চৌধুৰী, অনিমা ভট্টাচাৰ্য, মিতালী চৌধুৰী, অৰ্চনা দাস (পিছত মহন্ত), নমিতা ভট্টাচাৰ্য (পিছত গোস্বামী), ৰিদীপ দত্ত, ৰুণুমী ভট্টাচাৰ্য (পিছত ঠাকুৰ), চাৰু গোহাঁই, জে পি দাস, পাহাৰী শইকীয়া (দাস), নীলিমা খাতুন, সমৰ হাজৰিকা, দিলীপ দাস, সূৰ্য দাস... কিমানৰ নাম ল'ম? এওঁলোক সকলোৱেই নিজা নিজা গায়কীৰে আমাক মুগ্ধ কৰিছিল।

পিছে লাহে লাহে গুণগত দিশৰ পৰা আগবঢ়া কণ্ঠশিল্পীৰ জনপ্ৰিয় গীতৰ সংখ্যা তেনেই কমি আহিল। কিছু কণ্ঠশিল্পীৰ মৃত্যু হ'ল, কিছুৱে বয়সৰ বাবে গীত গোৱা এৰিলে বা আগৰ দৰে সুৰত গাব নোৱৰা হ'ল, কেইজনমানেহে সময়ে সময়ে গীত গোৱা হ'ল। সেই পঞ্চাশ-ষাঠিৰ পৰা সত্তৰৰ এটা সময়লৈকে চলা অসমীয়া আধুনিক গীতৰ সোণালী সময়খিনিৰ অন্ত পৰি আহিছিল। এই প্ৰসংগতে ক'ব লাগিব যে অসমীয়া আধুনিক গীতৰ উত্তৰণত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যথেষ্ট অৱদান আছিল, তাৰ পিছতে কিছু পৰিমাণে ডিব্ৰুগড় কেন্দ্ৰৰ, তাৰ পিছত আমাৰ অসমীয়া চলচ্চিত্ৰৰ গুণী সংগীত পৰিচালক কেইগৰাকীমানৰ।

## 'আহিলোঁ, গান গালোঁ, জয় কৰিলোঁ'

নব্বৈৰ ঠিক লগে লগে নতুনকৈ অহা কণ্ঠশিল্পীসকলৰ ভিতৰতে প্ৰথমতে অতি জনপ্ৰিয় হৈছিল জিতুল সোণোৱাল। তেতিয়া শ্ৰব্য কেছেটৰ যুগ। জিতুলৰ গানৰ কেছেট ঘৰে-ঘৰে, দোকানে-দোকানে বাজিছিল ('নিৰিবিলি গধূলি')। এই দশকটোতে অহা কল্পনা পাটোৱাৰী, দেবজিৎ চৌধুৰী, তৰালি শৰ্মা আদিৰ গীতো শ্ৰোতাই মনোযোগেৰে শুনিলে। পিছে এওঁলোকৰ উপৰি আগৰসকলকো চেৰ পেলাই জনপ্ৰিয়তাৰ ক্ষেত্ৰত সকলোৰে সন্মুখত থিয় হৈ গ'ল জিতুলৰ পিছতে অহা তৰুণ কণ্ঠশিল্পী জুবিন গাৰ্গ। এইটো বাস্তৱ ঘটনা।

ক'বলৈ গ'লে আলেকজেণ্ডাৰ নে কোনে যে কৈছিল ঃ 'ভিনি, ভিচি ভিডি', জুবিনৰ ক্ষেত্ৰতো সেয়ে হ'ল ঃ 'মই আহিলোঁ, গান গালোঁ, জয় কৰিলোঁ।' 'অনামিকা' শ্ৰব্য কেছেটটি ওলোৱাৰ লগে লগে নতুন কণ্ঠশিল্পী জুবিন গাৰ্গৰ গীতক লৈ সকলোৰে কৌতূহল হ'ল। লগে লগে জনপ্ৰিয়ও হ'ল আৰু এটা দশকৰো অধিক কাল বহু সুনাম আৰু বহু দুৰ্নাম কঢ়িয়ায়ো জুবিন গাৰ্গ আজিও সৰ্বাধিক জনপ্ৰিয় কণ্ঠশিল্পী। সেই কথা শত্ৰুৱেও স্বীকাৰ কৰিব।

আজি এটা কথা কোৱাত অসুবিধা নাই যে ইংৰাজী আৰু হিন্দী গীতৰ মোহত পৰি নতুন প্ৰজন্মৰ অসমীয়া তৰুণ-তৰুণীয়ে অসমীয়া গীত শুনাৰ প্ৰতি অনীহা প্ৰকাশ কৰাৰ সময়তে জুবিন গাৰ্গৰ গীতে আকৌ তেওঁলোকৰ বহুতকে অসমীয়া আধুনিক গীতৰ প্ৰতি আগ্ৰহী কৰি তোলে। জুবিনৰ গায়কীত এনে কিবা এটা মাদকতা পালে যে জুবিনে গোৱা লোকগীত, বিহুগীত আৰু ভক্তিগীতো অসমীয়া শ্ৰোতাৰ মাজত জনপ্ৰিয় হ'ল। গায়ক হিচাপে এইবোৰ জুবিনৰ ধনাত্মক দিশ।

আমিও একেবাৰে আৰম্ভণিৰ পৰা জুবিন গাৰ্গৰ গীত শুনি আহিছো বিভিন্ন মাধ্যমত। আটাইবোৰ গীতেই যে প্ৰাণ হৰি নিছে সেইটো নহয়, কিন্তু তেওঁৰ বহু গীতেই বৰ মনোযোগেৰে শুনিব পাৰি। তেওঁৰ বহু গীততেই একোটা মেছেজ বা বক্তব্য থাকে। সেই কথাটো শ্ৰোতাক বৰ স্পষ্টভাৱে জনোৱাৰ বাবে তেওঁ গীতৰ প্ৰতিটো শব্দ বৰ সচেতন হৈ উচ্চাৰণ কৰে। শুদ্ধ উচ্চাৰণেৰে বিশেষ কোনোবা শব্দত জোৰ দিয়ে। হয়তো সিয়েই শ্ৰোতাৰ অন্তৰত টোকৰ দিয়ে। তেওঁৰ কণ্ঠততো সুৰ, তাল, বিশেষ এক গায়কী আছেই। আকৌ ইয়াৰ লগতে থাকে দেশীয় আৰু পাশ্চাত্য সুৰ আৰু সংগীত সজ্জাৰ পৰীক্ষা-নিৰীক্ষা — য'ত এতিয়াৰ গৰিষ্ঠসংখ্যক শ্ৰোতাই ভালপোৱা ৰিডমৰ অৰ্থাৎ লয়ৰ কথা আছে। সংগীতৰ পাঠশালাত পঢ়া-শুনা নথকা এয়া আমাৰ দৰে সংগীতানুৰাগীৰ ব্যক্তিগত ধাৰণা।

গীতৰ শব্দৰ প্ৰতি অতি সচেতন হৈ গীত পৰিৱেশন কৰা স্বনামধন্য শিল্পীজন হ'ল ভূপেন হাজৰিকা। তাৰ পিছতে বিহুগীত আৰু বিহুসুৰীয়া গীতৰ ক্ষেত্ৰত নাম ল'ব পাৰি খগেন মহন্তৰ। এওঁলোকেই এটা সময়ত অসমৰ সৰ্বাধিক সাংস্কৃতিক মঞ্চত অজস্ৰ শ্ৰোতাৰ সন্মুখত ঘণ্টাৰ পিছত ঘণ্টা গীত পৰিৱেশন কৰিছে। কেইটামান দশকৰ পিছত সেই একেই জনপ্ৰিয়তা পাইছে জুবিন গাৰ্গে। সেই একেই অৱস্থা। শ্ৰোতা-দৰ্শকৰ গভীৰ নিশালৈকে অপেক্ষা, এটাৰ পিছত আনটো গীতৰ বাবে অনুৰোধ, বহু গীত শুনাৰ পিছতো বৈ যায় শ্ৰোতাৰ হেঁপাহ।

জুবিনৰ ক্ষেত্ৰত বিশেষভাৱে নতুন প্ৰজন্মৰ শ্ৰোতাৰ আগ্ৰহ মন কৰিবলগীয়া।

ভূপেন হাজৰিকাৰ সৈতে আন দুটামান কথাত জুবিন গাৰ্গৰ ভাল মিল আছে। ভূপেন হাজৰিকা গায়ক হিচাপে এটা সময়ত ইমানেই জনপ্ৰিয় আছিল যে ভালেকেইজন কনিষ্ঠ কণ্ঠশিল্পীয়ে ঠিক তেওঁৰ দৰে থিয় হৈ তেওঁৰ কণ্ঠস্বৰৰ দৰে, তেওঁৰ ষ্টাইলত তেওঁৰে গীত গোৱাৰ প্ৰয়াস কৰিছিল। তেওঁলোকৰ কেইজনমানে সঁচাকৈয়ে 'জুনিয়ৰ ভূপেন হাজৰিকা' হিচাপে প্ৰতিষ্ঠা পাই গ'ল আৰু বহু সাংস্কৃতিক অনুষ্ঠানত ভূপেন হাজৰিকাৰ বিকল্প হিচাপে তেওঁলোকে গীত পৰিৱেশন কৰিবলৈ ল'লে। একে ধৰণৰ কথাকে হৈছে জুবিন গাৰ্গৰ ক্ষেত্ৰতো। ঠিক জুবিন গাৰ্গৰ দৰে, আনকি কাপোৰ-কানি, চুলিকে ধৰি শৰীৰৰ গেট আপ পৰ্যন্ত একে ৰাখি, সাইলাখ জুবিন গাৰ্গৰ ষ্টাইলত জুবিন গাৰ্গৰে জনপ্ৰিয় গীত পৰিৱেশন কৰি আহিছে কেইবাবছৰো ধৰি ভালে কেইগৰাকীমান উদীয়মান কণ্ঠশিল্পীয়ে বিভিন্ন সাংস্কৃতিক মঞ্চত।

এটা সময়ত আমি নিজে বহুবাৰ দেখিছিলো, গান শুনাৰ লগতে সকলো ধৰণৰ, সকলো পৰ্যায়ৰ, সকলো শ্ৰেণীৰ মানুহে ভূপেন হাজৰিকাক চাবলৈ বিচাৰে, দূৰৈৰ পৰা হ'লেও হ'ব, ওচৰৰ পৰা পালেতো কপালেই ভাল, কেনেবাকৈ দু-আষাৰ কথা পাতিব পাৰিলেতো সৰগ ঢুকি পোৱাৰে কথা, জীৱনৰ এক স্মৰণীয় ঘটনা হৈ যায়। অনুষ্ঠানৰ উদ্যোক্তাৰ বাবে অজস্ৰ অনুৰাগীক নিয়ন্ত্ৰণ কৰাটো ডাঙৰ সমস্যা হৈ পৰে। অবিকল সেই ঘটনাটোৱেই হৈছে জুবিন গাৰ্গৰ ক্ষেত্ৰতো। ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ দৰে শিল্পীৰ পৰা মানুহে অকল গানেই শুনিবলৈ নিবিচাৰে, তেওঁলোকক শ্ৰোতা-দৰ্শক ৰাইজে বৰ আপোনভাৱে বৰ ওচৰৰ পৰা সদায় বিচাৰে।

এইখিনিতেই জনসাধাৰণৰ আপোন শিল্পীৰ দায়বদ্ধতাৰ কথাটো আহি যায়। তেতিয়াই জুবিন গাৰ্গৰ দৰে ৰাইজৰ অতি মৰমৰ শিল্পীৰ দা ত্ব বাঢ়ে। নিজৰ প্ৰতিটো কামৰ প্ৰতি সতৰ্ক হোৱাৰ বৰ প্ৰয়োজন হৈ পৰে, আনকি ব্যক্তিগত হ'লেও। ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশ লৈয়েই মানুহ। জুবিনৰ ঋণাত্মক দিশটোৰ বিষয়ে ক'ব নোখোজো, সেয়া তেওঁৰ ব্যক্তিগত, ব্যক্তিগতভাৱেই তেওঁ তাৰ সমাধা কৰিব। তেওঁৰ ধনাত্মক আন দিশো আমাৰ চকুত পৰিছে। নানান সামাজিক আৰু মানবীয় কামৰ প্ৰতি তেওঁ বৰ উৎসাহী। এই উৎসাহ তেওঁৰ অটুত থাকক। দীৰ্ঘায়ু হৈ সুৰেৰে সকলোকে সন্তোষ দিয়ক।

**পুনশ্চ :** ২০০০ চনত যেতিয়া তেওঁৰ কাহিনী আৰু পৰিচালনাৰ প্ৰথমখন ছবি

'তুমি মোৰ মাথোঁ মোৰ' চাইছিলো, তেতিয়া ভাবিছিলো, অভিনয় কৰাৰ বাবে তেওঁৰ াকৰা চখ হৈছে। ২০০৪ চনত যেতিয়া 'দীনবন্ধু' চালো, তেতিয়া অনুভৱ হ'ল, জুবিনে অভিনয়ো কৰিব জানে। চৰিত্ৰটো ভাল লাগিছিল। ২০০৮ চনত যেতিয়া 'মন যায়' চালো, তেতিয়া মোৰ অনুভৱ হ'ল, জুবিন এজন ভাল অভিনেতাই নহয়, সমাজ-সচেতক শিল্পী, যাৰ অন্তৰত অন্যায়ৰ বিৰুদ্ধে ক্ষোভ আছে। সেয়েহে ইমান স্বাভাৱিক অভিনয় ওলাইছে। এয়া জুবিন গাৰ্গৰ আন এটা দিশ।

***

# জুবিন গাৰ্গক মযো ভালপাওঁ

□ডাঃ অজিত বৰুৱা

জুবিন গাৰ্গ— বৰ্তমান অসমৰ সংগীত জগতৰ এটা চিনাকি নাম। এই উতনুৱা ডেকা ল'ৰাটোক লৈ সাম্প্ৰতিক সময়ৰ ডেকা-গাভৰুহঁত কিমান পাগল সেই কথাৰ উমান পালো ৫ জানুৱাৰীৰ মুকলি আকাশৰ তলত গোট খোৱা ডেকা-গাভৰু-হঁতক চাই। পুহমহীয়া হাড় কঁপোৱা জাৰত জুবিনে গান আৰম্ভ কৰিছিল ৯-৩০ বজাৰ পিছত। আয়োজক ডেকাহঁতে মুকলি আকাশৰ তলতে মানুহক বহুৱাইছিল— টিকটৰ দামো কম নাছিল। তথাপি কাৰো ওজৰ-আপত্তি নুশুনিলো।

মই মধ্য বয়সীয়া পিতৃ এজন হৈও জুবিনক ভালপাওঁ। এই লৈ আমাৰ সমবয়সীয়া আৰু বয়স্ক বহুতৰে লগত তৰ্ক-বিতৰ্কও হৈছে। বহুতৰ মতে, জুবিনে সুৰ বিক্ৰিত কৰে, অসমীয়া গানৰ স্বকীয়তা নষ্ট কৰিছে— ইত্যাদি, ইত্যাদি। 'অ' মোৰ আপোনাৰ দেশ'ক লৈ বিতৰ্ক শেষ হোৱাই নাই। মোৰ জুবিনক ভাল লগাৰ কাৰণটো অৱশ্যে সুকীয়া। এনেয়ে জুবিন নামৰ ডেকা ল'ৰাটোক দূৰৰ পৰা মঞ্চত দেখাৰ বাহিৰে মোৰ চা-চিনাকি নাই; গোলাঘটীয়া জোঁৱাই বুলিও কিবা এটা

আছে— সেইটোও নহয়। মই নিজে গান গাবও নাজানো, একো বজাবও নাজানো। পিছে সংগীত মোৰ প্ৰিয়। সুবিধা পালেই গান শুনো। সাংস্কৃতিক কাৰ্যসূচীও চাওঁ। আমি ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, খগেন মহন্ত, দীপালী বৰঠাকুৰ, পুলক বেনাৰ্জীইঁতৰ সমসাময়িক গায়কসকলৰ অসমীয়া গানৰ অনুৰাগী। হিন্দী গান বুলিলে সেই লতা, আশা, মহম্মদ ৰফি, মুকেশতে প্ৰায় সীমাবদ্ধ। গাড়ীত ক'ৰবলৈ দূৰলৈ গ'লে কেছেট শুনো— গোটেই পথছোৱা। এনেয়ে ঘৰত কেছেটত গান শুনিবলৈ সময়কে নাপাওঁ। আচলতে নাপাওঁ বোলাতকৈ সময় উলিয়াব নাজানো বোলাটো বেছি ভাল হ'ব। যি নহওক— মোৰ ল'ৰা-ছোৱালী দুটা একেলগে গাড়ীত গ'লেই আজি কিছুদিনৰ আগৰে পৰা এটা কথা লক্ষ্য কৰিবলৈ লৈছিলো। মই আগৰ আসনত অথবা চালকৰ আসনত বহি মোৰ ভালপোৱা কেছেটবোৰ লগাই দুটামান শেষ হ'লে তাহাঁতি পিছৰ আসনৰ পৰা লাহেকৈ মাত লগায়— 'দেউতা, তোমাৰ হ'ল যদি আমাৰ দুটামান লগাওঁ নেকি?' ল'ৰা-ছোৱালীইঁতৰ ইচ্ছাক আওকাণ নকৰি সন্মতি জনালেই তাহাঁতি আগবঢ়াই দিয়া কেছেটবোৰ টেপ ৰেকৰ্ডাৰটোত ভৰাই দিওঁ। কিছুমান কোলাহলপূৰ্ণ হিন্দী গান আৰম্ভ হয় আৰু মই বাধ্য হৈ শুনি যাওঁ। মোৰ মনত ভাব হয়— ইহঁতে বাৰু এইবোৰ গান কে'লেই ভালপায়— এইবোৰ গান নে হুলস্থূল? অসমীয়া গান ভাল নাপায় বুলিও ক'ব নোৱাৰো। পিছে আকৰ্ষণটো হিন্দী গানলৈ বেছি হোৱা যেন লাগে। লগৰবোৰক সুধিলে— তাহাঁতৰ ল'ৰা-ছোৱালীবোৰৰো একেই কথা বুলি কয়। পিছে আজি কেইবছৰমানৰ পৰা এটা অদ্ভুত পৰিবৰ্তন দেখিবলৈ পালো। সিহঁতে আগবঢ়াই দিয়া কেছেটৰ পৰা অসমীয়া গান ওলাবলৈ আৰম্ভ কৰিলে। 'মায়া মায়া মাথোঁ মায়া', 'মনলৈ উভতি আহে ল'ৰালি', 'সোণেৰে সজোৱা পঁজা জহি খহি যায়', 'পাখী পাখী এই মন পাখী লগা মোৰ মন'— সিহঁতৰ মুখতে শুনিছিলো জুবিনৰ নাম। নামে-উপাধিৰে কিবা যেন বেলেগ বেলেগ পায়— অনাঅসমীয়া বুলিহে ভাবিছিলো যদিও সিহঁতে বৰ উচ্ছ্বাসেৰে খাটি অসমীয়া বুলি চিনাকি দিবলৈ পাই যেন বৰ আনন্দ পালে। লাহে লাহে ল'ৰা-ছোৱালী দুটাই জুবিনে গোৱা টোকাৰী গীত, বৰগীত শুনিবলৈ ভালপোৱা হ'ল। মুঠতে সিহঁতৰ সৈতে গাড়ীৰে দীঘলীয়া যাত্ৰা হ'লেই— অসমীয়া গানকে শুনিবলৈ পোৱা হ'লোঁ। বহুবাৰ ৰাস্তাত গাড়ী ৰখাই জুবিনৰ নতুন কেছেট বিচাৰিবও লগা হ'ল। 'দেউতা— অসমীয়া গান আমি বেয়া নাপাওঁ।' ভূপেন হাজৰিকা, খগেন মহন্তইঁতক জানো বেয়া পাব পাৰি? তথাপি অসমীয়া গানবোৰ বৰ শ্লো যে— সেইবাবে ফাষ্ট গানবোৰ ভাল লাগে। — এনেকৈ কোৱা ল'ৰা-ছোৱালীকেইটাই আজিকালি কাচিৎহে হিন্দী গান শুনে— জুবিনৰ নতুন

কেছেট ওলালেতো কথাই নাই। এই যে পৰিবৰ্তনটো— অকল মোৰ ল'ৰা-ছোৱালীকেইটাৰ ক্ষেত্ৰতে নহয়, সকলো আজিৰ দিনৰ ল'ৰা-ছোৱালীৰ গাতে দেখিবলৈ পাইছো। বেসুৰা হিন্দী গানৰ মায়াজালত হেৰাই যাব খোজা অসমৰ ডেকা-গাভৰুহঁতক জুবিনে পুনৰ অসমীয়া গানৰ জগতখনলৈ ঘূৰাই আনিলে বুলি ক'লে নিশ্চয় বহুতে কথাটো মানি ল'বলৈ টান পালেও, এবাৰ কথাটো ভাবি চাবই লাগিব বুলি নিশ্চয় মানি ল'ব। মোৰ মাজে মাজে ভাব হয়— মঞ্চত জঁপিয়াই ফুৰা উতনুৱা ডেকা ল'ৰা যেন লগা ল'ৰাটোৱে— হয়তো তেওঁ নিজে ক'ব নোৱৰাকৈয়ে কম কাম এটা কৰা নাই। জুবিনে যে সাংঘাতিক কিবা সৃষ্টি কৰিছে বা গাইছে, সেইটো নকওঁ আৰু আমাৰ কৃতবিদ্য গায়কসকলৰ সৈতে তুলনাও কৰিব নোখোজো। জুবিনে কোনো যুগো সৃষ্টি কৰিব বুলি মুঠেই নাভাবো। ইতিমধ্যে সুৰৰ একঘেয়ামি চকুত পৰাবিধৰ হৈছেই। মঞ্চৰ কাৰ্যসূচীবিলাকত সহযোগীসকলৰ যন্ত্ৰসংগীয়েও কাণ তালমৰা পৰিবেশ সৃষ্টি কৰি গানতকৈ বেছি ওপৰলৈ যোৱা পৰিলক্ষিত হৈছে। তৎসত্ত্বেও এটা কথা ক'ব নিশ্চয় পাৰি যে জুবিনে উত্তৰপুৰুষক অসমীয়া গানৰ জগতখনলৈ অন্ততঃ ওভোতাই আনিছে। নহ'লেনো— আজিৰ জীনছ্ পিন্ধি মটৰ চাইকেল-ম'বাইল নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলোৱা, ফাষ্ট ফুড খোৱাৰ দৰে আমাৰ বাবে কোলাহল যেন লগা হিন্দী গানক লৈ মচগুল হোৱা ডেকা-গাভৰুহঁতে জুবিনৰ কণ্ঠৰ টোকাৰী গীত, ভাগৱত পাঠ, বৰগীত, লোকগীত— মন্ত্ৰমুগ্ধ হৈ শুনিবনে? টোকাৰী বজোৱা বুঢ়া ভকত দেখিলে কেৰেচিয়াকৈ হাঁহি মাৰি 'Oh! What a bore. মামী-ডেডীহঁতৰ টেষ্ট আৰু!' বুলি কোৱা আমাৰ ডেকাহঁতে এতিয়া টোকাৰী গীত বিচাৰি বিচাৰি শুনাটো ভাবিলে আচৰিত হ'ব লগা কথা নহয়নে?

মই চুৰ্চুৰীয়াকৈ সাহিত্য চৰ্চা কৰি ভালপাওঁ আৰু সহিত্য-সংস্কৃতিৰ পৰিবেশৰ মাজত থাকিলে মনটো ভাল লাগে। ল'ৰা-ছোৱালীক ডবিয়াই, সাহিত্য-সংস্কৃতিৰ বক্তৃতা দি জাতীয়তাবাদৰ প্ৰয়োজনীয়তাৰ ৰচনা লেখোৱাই সাহিত্য-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব নোৱাৰি। তাতে এতিয়া ইংৰাজী মাধ্যমত পঢ়িব পৰাৰ প্ৰতিযোগিতাৰ দিন। মামা, মামী, পেহা, পেহী— আটাইবোৰ আংকুল, আণ্টী হোৱা বহুত দিনেই হ'ল। দুদিনমানৰ পিছত মা, দেউতা, খুৰা, খুৰী, বৰমা, বৰদেউতা— এইবোৰ উঠিয়েই যাব। ভতিজা, ভাগিন— 'কাজিন' হোৱাতো পুৰণা কথা হ'লেই। এনে এটা পৰিবেশৰ মাজতো আমাৰ 'কাজিন'হঁতে যে জুবিনৰ মুখৰ অসমীয়া গান শুনিবলৈ পাগল হৈ থাকে সেই কথা ভাবিয়েই মই জুবিনক ভালপোৱাৰ নিশ্চয় যুক্তিযুক্ততা আছে। এটা সঁচা কথা কওঁ। আজি কিছুদিনৰ

আগতে গুৱাহাটীলৈ যাওঁতে হয়বৰগাঁৱত চাহ খাবলৈ বুলি খন্তেক ৰৈছিলো। তেতিয়া জুবিনৰ অ' মোৰ আপোনাৰ দেশ'ৰ বিতৰ্ক তুংগত চলি আছিল। কেছেটত জাতীয় সংগীতটো বাজি আছিল আৰু দুজন চৰবাসী মূলৰ ল'ৰাই লগতে তাল মিলাই গাই আছিল। গানটো শেষ হ'লত এটাই নিজৰ উপ-ভাষাতে ক'লে— 'গানটো বৰ ভাল লাগে। কিবা ভুল আছে বুলি কাগজত হেনো লেখিছে, কি ভুল ক'ব নোৱাৰো— গানটো কিন্তু বৰ মজা যেন লাগে দেই।' তেওঁলোকে দুজন ৭১'ৰ ২৫ মাৰ্চৰ আগৰ নে পিছৰ অৱশ্যে নাজানো। কোনোবাই আকৌ মিঞাই 'অ' মোৰ আপোনাৰ দেশ' ভালপোৱাৰ অপপ্ৰচাৰ কৰি ৰাজনীতি কৰিছো বুলি ক'ব পাৰে বাবে কথাটো জনাই থ'লো। জুবিনৰ গানত কি ভুল-ভ্ৰান্তি আছে, সুৰত কি গণ্ডগোল আছে— এইবোৰ মই বুজি নাপাওঁ। নাই বুলিও ক'ব নোৱাৰো— থাকিবও পাৰে। পিছে এটা জাতিৰ, এটা ভাষাৰ স্বকীয় ৰূপটো কোনেও মাৰিবও নোৱাৰে, বিকৃতও কৰিব নোৱাৰে— ইচ্ছা কৰিলেও বা নকৰিলেও। ৪০ বছৰ পঢ়াশালি, আদালতৰ পৰা আঁতৰাই ৰখা এটা ভাষা যদি নমৰি জীযাই থাকিব পাৰে, আমেৰিকান মিছনাৰীয়ে যদি সাত সাগৰ পাৰ হৈ আহি হেনা-হুচা ভাষাৰেই যদি ভাষাটো ৰক্ষা কৰিব পাৰে— জুবিনে কি অসমীয়া গানৰ জাত মাৰিব পাৰিব? এইলৈ চিন্তা কৰাসকলৰ বাবে কথাষাৰ কৈ থ'লোঁ। যি নহওক— অন্ততঃ মোৰ নিজৰ ল'ৰা-ছোৱালী দুটাই এতিয়া অসমীযা গান শুনিবলৈ ল'লে। এতিযা সিহঁতে অকল জুবিনৰ গানেই নহয়— মই ভালপোৱা অসমীয়া গান শুনিও ভালপোৱা হৈছে। আজিকালি সিহঁতে মোৰ লগত গ'লে— মোৰ পছন্দৰ কেছেটবোৰ সলাই দিবৰ বাবে পিছফালৰ পৰা 'দেউতা তোমাৰ হ'লনে' বুলি নোকোৱা হ'ল। সিহঁতে বৰ স্ফূৰ্তি পাই যে সিহঁতৰ দেউতাকে অনাঅসমীয়া কেছেটৰ লগতে জুবিনৰ কেছেট পালেই সিহঁতলৈ কিনি লৈ আহে।

# জুবিনৰ কথাৰে

□ মুনিন বৰুৱা

'অনামিকা' শুনাৰ পৰাই নামটোৰ প্ৰতি মই আকৰ্ষিত হৈছিলো। চিনাকি হোৱা নাছিল। এদিন ভ্ৰাতৃসম বন্ধু পৰেশ চৌধুৰীৰ মুখত তেওঁৰেই কথা শুনি আছিলো। পৰেশক এনেই ক'লোঁ— ল'ৰাটোক এদিন আনিবাচোন চিনাকি হ'ম। তাৰ পিছতো কিছুদিন গ'ল— হঠাতে এদিন ৩-৪ জন বন্ধুৰ লগত তেওঁ আমাৰ ঘৰলৈ আহিল। এটা-দুটা কথাৰ মাজতে তেওঁক ক'লোঁ— এখন ছবিৰ কথা ভাবিছোঁ। যদি সকলো ঠিকে ঠিকে হয় গৈ— তোমাৰ লগতো কাম কৰাৰ মন আছে। অৱশেষত ১৯৯৯ চনৰ মাজভাগত ছবিখন কৰাটো খাটাং হ'ল--- নাম 'হিয়া দিয়া নিয়া'। তেওঁলৈ খবৰ দিলো। আহিল ছবিখনৰ গীতৰ বিষয়ে আলোচনা কৰিলো। কাম আৰম্ভ কৰিবলৈ ক'লোঁ--- তেৰোঁ গ'লগৈ। ছবিৰ সংগীত পৰিচালক হিচাপে প্ৰথম 'ব্ৰেক'।। কিন্তু কোনো ধৰণৰ উৎসাহ নাই। তেওঁ মাত লগাই গ'ল যি গ'লেই— তাৰ পিছত কত মাহ কোনো খবৰ নাই। কথাটো মোৰ বৰ ভাল নালাগিল! যতীন (বৰা)ও তেওঁৰ বন্ধু। যতীনক ক'লোঁ— 'যদি মন নাই বাদ দিবলৈ কোৱা। এনেকৈ কাম কৰা মোৰ বাবে

অসম্ভৱ।' ...আকৌ আহি ওলালহি— নির্বিকাৰ!! 'আমুকে ভাল কাম কৰি আছে— তেওঁকে লৈ লওক— গানকেইটা কিন্তু মই গাই দিম!!' ময়ো বাদ দিলোঁ। কিন্তু যতীন আৰু ছবিৰ প্ৰযোজক— তেওঁৰ লগত যোগাযোগ চলায়েই থাকিল। হঠাৎ এদিন ৰাতি মুম্বাইৰ পৰা তেওঁৰ ফোন— 'কি কৰোঁ? ইহঁতে দেখোন কৰিবলৈ কৈছে' মই ক'লো 'কৰা!!' এইবাৰ কিন্তু গানকেইটা কৰিলে— কিন্তু সময়মতে নহয়। ছবিৰ টাইটেল মিউজিকটো বহুত দিন পিছুৱাই পিছুৱাই এদিন ৰাতি সম্পূৰ্ণ কৰিলে। আমাৰ ল'ৰাৰ লগত তেওঁৰ বেছি সম্বন্ধ। মোৰ ল'ৰাই ক'লে— "তই এনেই খং কৰি নাথাকিবি— আগতে মিউজিকটো শুন"— শুনিলো। তেতিয়া কোৱা নাছিলো যদিও আজি কওঁ— অভিভূত হৈছিলো। আৰু এটা কথা বুজিলোঁ যে জুবিনক তাগিদা দি লাভ নাই— নিজৰ মতে কাম কৰিবলৈ দিব লাগে— ফলাফল ভাল হয়। 'দীনবন্ধু'ক বাদ দি মোৰ বাকী ছবিসমূহৰ সংগীতৰ কামৰ বাবে মোৰ ল'ৰা মানসহে জুবিনৰ লগত বহিছিল— তেওঁলোকৰ সম্বন্ধটোও বৰ আচহুৱা— এই ৰ'দ, এই বৰষুণ!! এটা গানৰ বাবে জুবিনে মানসক কেইবাসপ্তাহ মুম্বাইত বহুৱাই থয়! দুয়োটাৰে কাজিয়া হয— মাত-বোল বন্ধ হয়। আৰু শেষত জুবিনে খণ্ডতে গীত এটা লিখি মানসলৈ দলিয়াই দি কয়— 'লোৱা, তোমাৰ গান' (গীত—'মায়াবিনী', ফিল্ম—'দাগ') আঠখন ছবিত কাম কৰি জুবিনক বাৰু মই কিমান বুজিছো?? ক'ব নোৱাৰো— কিন্তু মোৰ আন এজন ভ্ৰাতৃসম সহকৰ্মী প্ৰয়াত অজান বৰুৱাৰ লগত তেওঁৰ বহুত মিল মই দেখা পাওঁ— নকৰে, নকৰে। যেতিয়া কৰে (বা কৰিবৰ মন যায়) বৰ ভাল কাম কৰে।

'দীনবন্ধু'ৰ সঙ্গীতৰ বাবে মই আন এজন প্ৰবীণ সংগীত পৰিচালকৰ কথা চিন্তা কৰিছিলো। তেওঁ ক'ৰবাত গম পালে— এদিন ৰাতিপুৱাই আহি মোৰ ঘৰত উপস্থিত জুবিন। ক'লে— 'মিউজিক মই কৰিম'। মই আৰু কি কম? এইখিনিতে উল্লেখ কৰিব পাৰি যে ছবিখনৰ সংগীতৰ বাবে জুবিনে 'ছাৰ'ৰ (ড° ভবেন্দ্ৰ নাথ শইকীয়া) প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰিছিল কোনো পাৰিশ্ৰমিক নোলোৱাকৈয়ে!!

দীনবন্ধুত জুবিনে এটা গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয়ো কৰিলে। মোৰ বিশ্বাস তেওঁৰ অভিনয় মোৰ দৰে দৰ্শকসকলৰো ভাল লাগিছিল।

আৰু এতিয়া জুবিন আমাৰ ঘৰখনৰেই এজন সদস্য যেন হৈ পৰিছে। কেতিয়া আহে কেতিয়া যায় ধৰিবকে নোৱাৰো। গৰিমাও আমাৰ সকলোৰে বৰ আদৰৰ ছোৱালী। আমি প্ৰতি মুহূৰ্ততে তেওঁলোকৰ মঙ্গলেই কামনা কৰোঁ! জুবিন

গাৰ্গ বৰ্তমান সময়ত অসমৰ সবাতোকৈ জনপ্ৰিয় শিল্পী। এই কথাটো মনত ৰাখি তেওঁ যদি কাম কৰি যায় তেওঁৰ পৰা অসমবাসীয়ে বহুতো ভাল সৃষ্টি আশা কৰিব পাৰে। শেষত, জুবিনক ক'ব খোজোঁ ডি.জি. মিউজিকত গভীৰ ৰাতি তুমি 'দাগ'ৰ বেকগ্ৰাউণ্ড মিউজিক কৰোঁতে তোমাৰ কাষত প্ৰায় ডেৰ/দুই ঘণ্টা বহি আছিলো। সুৰ সৃষ্টিত বিভোৰ হৈ থকা তোমাৰ সেই ৰূপ মই সদায় মনত ৰাখিবলৈ বিচাৰোঁ। আৰু বহুতো সুন্দৰ সুন্দৰ গীত তোমাৰ পৰা 'আমি' শুনিবলৈ বিচাৰোঁ।

***

# গান জুবিন গাৰ্গৰ তেজত আছে

◘কপিল ঠাকুৰ

'জুবিন শৈশৱতে আছিল বৰ চট্‌ফটীয়া। গানৰ প্ৰতি আকৰ্ষণ বেছি। কিতাপো পঢ়িছিল যথেষ্ট। গান তাৰ তেজত আছিল। জুবিন যেতিয়া পানীকেঁচুৱা আছিল তেতিয়া মই ৮০ টকা দি ফিলিপছ্‌ কোম্পানীৰ বাহাদুৰ ৰেডিঅ' এটা আনি দিছিলো। সেই সময়ত বিবিধ ভাৰতীৰ 'বীণা কা গীত মালা' (অনাতাঁৰ কেন্দ্ৰ, তুৰা), গীতিমালিকা (গুৱাহাটী কেন্দ্ৰ)ৰ গীতেৰে সৰু কালটো পৰিপুষ্ট হৈছিল। পাঁচ বছৰমান হওঁতে তামুলপুৰত থাকোঁতে সৰু কী-বৰ্ড এখন কিনি দিছিলো। আনুষ্ঠানিক সংগীত শিক্ষাৰ ক্ষেত্ৰত জুবিনে তবলা শিকে কৰিমগঞ্জত। ৰবীন বেনাৰ্জীৰ ওচৰত তবলা শিকে। বিজনীত থাকোঁতে হাৰমণিয়াম শিকিছিল গুৰু ৰমণী ৰয়ৰ ওচৰত। গুৰু ৰয়ৰ পৰাই গোৱালপৰীয়া, কামৰূপীয়া আদি লোকগীতৰ পাঠ লৈছিল। সঁচা কথা ক'বলৈ গ'লে মাকেই হ'ল জুবিনৰ সংগীতৰ আদিগুৰু। কী-বৰ্ডত আঙুলি বুলাবলৈ শিকিছিল জুবিনে নিজে। স্কুলৰ বিভিন্ন অনুষ্ঠানত সি তবলা বজাইছিল। যোৰহাটত থাকোঁতে বিভিন্ন ধৰণৰ

বাদ্যযন্ত্র সি নিজে বজাবলৈ শিকিছিল। সেই সময়ত জুবিনৰ সংগীতৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিক শিক্ষা নাছিল। নিজৰ একাগ্ৰতা, নিষ্ঠা সংগীতৰ প্ৰতি ধাউতিৰ বাবেই কী-ব'ৰ্ড, গীটাৰ, তবলা, কংগো, নাল, ঢুলকী, ড্ৰাম .. আদি নিখুঁতকৈ বজাব পাৰিছিল। যোৰহাটৰ ঘৰখনত সেই সময়ত পুৱা-গধূলি সংগীতৰে চৰ্চা। জংকীয়ে সেই সময়ত গান গাই, সৰুজনী মমনে ভাৰত নাট্যম নাচে। ছোৱালী দুজনীকো মাকেই শিকাইছিল নৃত্য-গীত। গতিকে জুবিনে সৰুৰে পৰাই ঘৰখনত এক সংগীতৰ পৰিৱেশ পাই আহিছে।

মোৰ গীত-বৰগীত, কীৰ্তন-ঘোষাত ৰাপ আছিল। কিন্তু তাল-মান ৰাখিব নোৱাৰো। সেয়ে সংগীত শ্ৰৱণ আৰু সংগ্ৰহত মনোনিৱেশ কৰোঁ। জ্যোতি, বিষ্ণু, অম্বিকাগিৰী আদি বহু আপুৰুগীয়া গীতৰ সংগ্ৰহ আজিও মোৰ ঘৰত পাব।

১৯৭৬ চনৰ পৰা ১৯৮২ চনলৈ ছাব ডেপুটী কালেক্টৰ হিচাপে কৰিমগঞ্জত থাকোঁতেআমাৰ ঘৰখনৰ লগত শিল্পী অৰুণ দাসৰ লগত এক সান্নিধ্য গঢ়ি উঠিছিল। অৰুণ প্ৰায়ে আমাৰ ঘৰলৈ আহে। নিশাৰ অতিথি হয়। কেতিযাবা তিনি চাৰিদিনলৈ আমাৰ ঘৰতে থাকে। গানৰ আড্ডা হয়। অৰুণ দাস মোৰ ভাইৰ নিচিনা। অৰুণৰ গান জুবিনে সৰুৰে পৰাই শুনিছে। অৰুণে গীটাৰ বজাই, জুবিনৰ মাকে গীত গায়। তেতিয়া আমি আছিলো সকলো বাংলাভাষীৰ মাজত। ৰবীন্দ্ৰ-নজৰুলৰ গীতৰ চৰ্চাই বিশেষ স্থান পাইছিল কৰিমগঞ্জৰ ঘৰখনত। অৰুণ দাস তেতিয়া আছিল বদৰপুৰত কৃষি সম্প্ৰসাৰণ বিষয়া হিচাপে। গীতৰ চৰ্চা কৰিবলৈকে সি বদৰপুৰৰ পৰা কৰিমগঞ্জলৈ আহিছিল। সেই সময়ত 'ধৰ্মকায' ছবিৰ জয়ন্ত হাজৰিকাই গোৱা গীত এটি অৰুণে বৰ সুন্দৰকৈ গাইছিল। গীতটি আমাৰ বৰ প্ৰিয় আছিল। গীতটি হ'ল—

'ভৰিৰ তলুৱাৰ পৰা যদি
ধৰৰাখন খহি খহি
পৰা যেন লাগে
তিল তিলকৈ যদি
নিজৰেই ঘৰখন
কাৰোবাৰ ৰোষতহে ভাগে।

পুনৰ গঢ়িবা তুমিহে বান্ধৈ
পুনৰ গঢ়িবা তুমি . ।।

এটা সময়ত মোৰ চৰ্চা বেছি আছিল কিতাপৰ লগত। প্ৰচুৰ কিতাপ পঢ়িলোঁ

জীৱনত। বহু কিতাপ সংগ্ৰহ কৰিলোঁ। মোৰ জন্মভূমি শিৱসাগৰৰ বৰহাট কলেজলৈ মই এটা লাইব্ৰেৰী দান দিলো। কলেজৰ লাইব্ৰেৰীলৈ মই প্ৰায় ৬০০ গ্ৰন্থ দান কৰিছিলো। বৰ্তমানো মোৰ ঘৰত সহস্ৰাধিক মূল্যবান গ্ৰন্থ আছে। মই পাঁচটা ভাষাত কিতাপ পঢ়োঁ। সেইকেইটা হ'ল— ইংৰাজী, হিন্দী, অসমীয়া, বাংলা, সংস্কৃত আৰু উৰ্দু। ইয়াৰে উৰ্দু কিতাপ পঢ়াটো ১৯৯৯ চনৰ পৰা বাদ দিলো। ইয়াৰ কাৰণটো হ'ল কিতাপ পাবলৈ নাই আৰু চৰ্চা কৰিবলৈ মানুহ নাই।

... মই আগতেও কৈছো মই বহু গীতৰ এলবাম আৰু বহু মূল্যবান গ্ৰন্থ সংগ্ৰহ কৰিছিলো। কিন্তু মোৰ জীৱনৰ এক দুৰ্ঘটনাৰ বাবে সেয়া ধ্বংস হ'ল। সেই দুৰ্ঘটনা হ'ল মোৰ জীৱনৰ এক ব্যক্তিগত দুৰ্ঘটনা। এগৰাকী মানুহে সেয়া ধ্বংস কৰিলে।...

অনুলেখন ঃ মণ্টু শইকীয়া

# গ্যানৰ জুবিন

□ নয়ন প্ৰসাদ

জুবিনক লগ পোৱাৰ পূৰ্বে লগ পাইছিলো জংকীক। ৰবীন্দ্ৰ ভৱনৰ মঞ্চত ৰবিজিতা গগৈৰ নাট 'দেৱীপীঠ'ৰ তেজ'ত জংকীৰ অভিনয় চাই মুগ্ধ হৈছিলো। সেই সময়ত মই 'জোনাকে ধোৱা অৰণ্য' নাটখনৰ বাবে অভিনেত্ৰী এগৰাকী বিচাৰি আছিলো। জংকীক খবৰ দিয়াত জংকী আহিল, একেলগে আমি নাটক কৰিলো। ইয়াৰ পিছত ২০০৪ চনত 'সূৰ্য্য'ৰ প্ৰযোজনাত 'তদন্ত' নাটখনিত অভিনয়ৰ বাবে পুনৰ জংকীক মাতি আনিলো। কুমাৰ ভাস্কৰ নাট্য মন্দিৰত 'তদন্ত' চাবৰ বাবে জুবিন আহিছিল আৰু জংকীয়ে পৰিচয় কৰাই দিছিল। মৰম লগা মুখেৰে ল'ৰাজনক দেখি ভালো লাগিছিল আৰু অলপ আচৰিতো হৈছিলো এই ভাবিয়ে— এই ল'ৰাজনেই ইমান ধুনীয়া গীত গাই সমগ্ৰ অসমতে খলকনিৰ সৃষ্টি কৰিছে। অভিনেতা কৌশিকনাথে এদিনাখন জুবিনৰ বিখ্যাত গীত 'মায়া' শুনাইছিল। গীতটোত জুবিনৰ স্বৰৰ অনায়াস অহা-যোৱাই চমকিত কৰিছিল। মিঠা মাত, কথা-সুৰত নতুনত্ব, উচ্চ স্বৰলৈ সহজতে আৰোহণ— এইবোৰ কথা ইতিমধ্যেই অসমৰ সংগীতৰ জগতখনত আলোচনা

হৈছিল। যশস্বী সংগীত পৰিচালক ৰমেন চৌধুৰীয়ে এবাৰ জুবিন প্ৰসংগত কৈছিল এইদৰে— 'যিকোনো এটা গীত-সুৰ যিমানেই জটিল নহওক কিয়— ইমান সোনকালে আৰু সহজে জুবিনে আয়ত্ত কৰিব পাৰে যে ভাবিলে আচৰিত লাগে। এয়া এক জুবিনৰ আচৰিত দক্ষতা আৰু সেয়া প্ৰতিভাৱান শিল্পীৰহে থাকে।'

জুবিনৰ নাম যিমান বদনামো সিমান। অৱশ্যে বিখ্যাত মানুহৰে বদনাম থাকে— তাৰে কিছু সঁচা কিছু মিছা। শিল্পীসকল সাধাৰণতে খেয়ালী হয়— তেওঁলোকক লৈ বহু ধৰণৰ কাহিনী শুনা যায়। পূৰ্বে এই ঘটনাবোৰ সিমান প্ৰচাৰ নহৈছিল। একো একোখন সৰু ঠাইতে সীমাবদ্ধ হৈ থাকিছিল। পিছে যোৱা কেইবছৰমানত ইলেকট্ৰনিক মাধ্যম আৰু সংবাদ মাধ্যমৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰখন বহল হৈ যোৱাৰ লগে লগে মানুহে ঘৰতে বহি সকলো খবৰ পাব পৰা হ'ল— নিশা এপৰত নেহৰু ষ্টেডিয়ামৰ মঞ্চত 'জুবিনৰ বান্দৰামি'ৰ পোনপটীয়া প্ৰচাৰ সকলোৱে ঘৰে ঘৰে চাব পৰা হ'ল।

জুবিন আৰু বিতৰ্ক— যেন একেটা টকাৰ ইপিঠি-সিপিঠি। কিন্তু এটা কথা ঠিক যে জুবিনক অৱহেলা বা আওকাণ কৰিব নোৱাৰি। হিন্দী ছবিৰ জগততো জুবিনে নাম কৰিছে। গেংষ্টাৰৰ 'যা আলি' অথবা 'প্যাৰ ছে চাইড ইফেক্ট' ছবিৰ 'জানে ক্যা তুনে'ৰ দৰে সুৰীয়া গীতেৰে দৰ্শকৰ মন জয় কৰিছে। কেছেট আৰু ভিচিডিৰ বজাৰৰ পণ্ডিতসকলৰ মতে হেনো জুবিনৰ গান আৰু ছবি নাথাকিলে বজাৰত একো বিক্ৰী নহয়। সঁচানে মিছা অৱশ্যে মই নাজানো।

জুবিনৰ অন্য এটা ৰূপো আছে। সমাজ সচেতন, ৰাইজৰ বাবে কিবা এটা কৰাৰ মন থকা এই জুবিনজন মাজে মাজে দেখা পাওঁ। বিষ্ণু ৰাভা শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ এখন সভা হৈছিল ভাৰতীয় গণনাট্য সংঘৰ পাণবজাৰত থকা কাৰ্যালয়ত। জুবিন আহিল--- পুৰণি দিনৰ বিষ্ণু ৰাভা আৰু হেমাংগ বিশ্বাসৰ ছবিবোৰ চালে— ৰাভাই বজোৱা হাৰমণিয়ামটোত আঙুলি বুলাই চালে আৰু হঠাৎ কৈ উঠিল— বিষ্ণু ৰাভা মোৰ আইডল। পিছদিনা ওৰেটো দিন আৰু নিশা এপৰলৈ জুবিনে ট্ৰাক এখনত উঠি গুৱাহাটীৰ বিভিন্ন স্থানত অন্যান্য শিল্পীসকলৰ সৈতে, দুই-এপদ বাদ্যযন্ত্ৰৰ সৈতে খোলা গলাৰে শান্তি-সম্প্ৰীতি ৰক্ষাৰ অৰ্থে গীত গাই ফুৰিলে। দেৰিকৈ আহে বুলি জুবিনৰ বিৰাট বদনাম— সিদিনা পিছে পুৱা দহ বজাতে সঠিক সময়ত আহি ওলাল। জুবিনক চাই চাই ভাবিলো— এইজন বাৰু কোন জুবিন?

সিদিনা ক'ৰবাত পঢ়িলো— কেৱল হিন্দী আৰু পপ চং শুনা, ইংৰাজী মিডিয়ামৰ স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে হেনো কেৱল জুবিনৰ গীত শুনি, গাবৰ

বাবে, বুজিবৰ বাবে অসমীয়া ভাষা মন দি শিকিছে। এয়া জানো কম ডাঙৰ কথা।

সুগন্ধী পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য জুবিনৰ প্ৰিয় কবি। মাজে মাজে সময় পালেই হীৰুদাৰ ঘৰলৈ আহে। নতুন গীত, কবিতাৰ কথা পাতে। সেই হীৰুদাই দুশাৰী কবিতাৰে অসমৰ ৰাইজৰ জুবিনৰ প্ৰতি থকা শুভেচ্ছা আৰু মৰম প্ৰকাশ কৰিছে এইদৰে—

গানৰ জুবিন
গান গাই থাকক চিৰদিন।
আমি সকলোৱে ইয়াকে কামনা কৰোঁ।

# জুবিন গাৰ্গকো এদিন কৰা হৈছিল 'ব্লেক আউট'!

◻ বিদ্যুৎ কুমাৰ ভূঞা

আজিৰ পৰা প্ৰায় কুৰি বছৰৰ আগৰ কথা। শীত আৰু বসন্তৰ মাজৰ কোনোবা এটা ৰাতিপুৱা মোৰ চেনীকুঠিৰ ভাড়াঘৰটোলৈ সোমাই আহিছে সুদক্ষ গায়ক সংগীতকাৰ জয়ন্ত নাথ। লগত আহিছে হাতত এটা ক'লা এটাছি কে'চ লৈ এজন ওখ-পখ, দেখনীয়াৰ যুৱক। ইতিমধ্যে যোৰহাটৰ এন কে প্ৰডাকশ্যনৰ 'শৰাইঘাট' কেছেটেৰে জয়ন্ত নাথ সেই সময়ত অতি জনপ্ৰিয় গায়ক সুৰকাৰ। ইতিমধ্যে মোৰ গীততো তেওঁ সুৰাৰোপ কৰিছে। লগত অহা যুৱকক চিনাকি কৰি দি জয়ন্ত নাথে ক'লে— 'এয়া যোৰহাটৰ নৱ বৰকটকী।' সম্ভাষণসূচক হাঁহি এটা মাৰিলো সাধাৰণভাৱে। তাৰ পিছত জয়ন্ত নাথে ক'লে— 'এন কে প্ৰডাকশ্যনৰ ঘাই মানুহ'। এইবাৰ নৱ বৰকটকীৰ প্ৰতি এক মুহূৰ্ততে আচৰণ সলনি হ'ল মোৰ। ইতিমধ্যে জয়ন্ত নাথৰ ইংগিতত নৱ বৰকটকীয়ে নিজৰ আঁঠু দুটাৰ ওপৰত এটাছি কে'চটো 'খিতিক্'কৈ খুলি এজাপ ব্লেক এণ্ড হোৱাইট ফটো উলিয়াই মোৰ ফালে আগবঢ়াই দিলে।—

মুম্বাইত গীত ৰেকৰ্ডিং কৰা মুহূৰ্তৰ অনুৰাধা পড়োৱালৰ ফটো। 'অনুৰাধা' শীৰ্ষক বিগ্ বাজেটৰ কেছেটৰো দুই-এদিনতে আহি পাব। প্ৰচাৰ পৰিকল্পনাৰ সমুদায় দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰি বিদায় লোৱাৰ সময়ত বৰকটকীয়ে মই শুনিবৰ বাবে আৰু ভাল পালে দুই এক বন্ধুকো দিবৰ বাবে দহটা কেছেট টেবুলখনতে থৈ গ'ল। দুয়োকে বিদায় দি টেবুলৰ পৰা এটা কেছেট হাতত তুলি ল'লোঁ -- 'অনামিকা'। শিল্পী কবিতা কৃষ্ণমূৰ্তি আৰু জুবিন গাৰ্গ!

বহুদিন ধৰি গতানুগতিক কথা আৰু সুৰৰ অসমীয়া গীতবোৰ শুনি শুনি এটা সময়ত পুৰণি গীতবোৰ বা আমাৰ পূৰ্বসুৰী গায়ক গায়িকাৰ গীতৰ বাদে নতুন গীত বা নতুন কেছেট বজাবলৈকে ভয় লগা হৈছিল। কবিতা কৃষ্ণমূৰ্তিৰো কণ্ঠ থকাৰ সাহসতে কেছেট ৰেকৰ্ডাৰটোত প্লে' কৰি দিলোঁ— 'অনামিকা..'।

হাঁহিলে তুমি মুকুতা মণি সৰে..
গানে কি আনে সুৰৰ সোপানে সোপানে..
মনৰ নিজানত জোনাক নাছিলে..
প্ৰীতিৰ সুবাসে উৰুৱাই দিলেহি .

বাজি বাজি শেষ হ'ল 'অনামিকা'। আধাতে বন্ধ কৰিব পৰা নগ'ল, বৰং আকৌ এবাৰ কেছেটতো লুটিযাই দিলোঁ এটা নতুন, পৰিচ্ছন্ন, সতেজ প্ৰতিশ্ৰুতি কণ্ঠই মোক আপ্লুত ক'ৰি পেলালে। কেৱল কণ্ঠই নহয়, গীতকেইটিৰ কথাংশ, সু-পৰিকল্পিত, অভূতপূৰ্ব সংগীতসজ্জা আৰু মন পৰশি যোৱা সুৰে মোক বাধ্য কৰিলে এটা নাম বাৰে বাৰে উচ্চাৰণ কৰিবলৈ জুবিন গাৰ্গ. জুবিন গাৰ্গ... জুবিন গাৰ্গ.. ।

কিন্তু মই কাৰ স'তে ভগাই ল'ম 'অনামিকা'ৰ প্ৰাপ্তিৰ সোৱাদ? কাক ক'ম? তেতিয়ালৈকে 'অনামিকা' এজনো শ্ৰোতাৰ ড্ৰয়িংৰুমলৈ যোৱা নাই। বন্ধু-সাংবাদিক মৃণাল কুমাৰ বৰা, অভিনেতা অমূল্য কাকতি, সাংবাদিক বেণী মাধৱ, অভিনেতা তপন দাস, লক্ষ্মী বৰঠাকুৰ, 'দৈনিক অসম'ৰ তেতিয়াৰ 'ডেপুটী এডিটৰ' অনিল বৰুৱাকে ধৰি ভিন্ন ক্ষেত্ৰৰ কেইবাগৰাকীক বিলাই দিলোঁ 'অনামিকা' আৰু এন কে প্ৰডাকশ্যনেৰ ন্যস্ত নকৰা সত্ত্বেও 'দৈনিক অসম'ত 'অনামিকা'ৰ প্ৰথমটো 'ৰিভিউ' ওলাল। লগে লগে প্ৰশস্তি ফোন কিছুমান গাব ধৰিলো। 'দৈনিক অসম'ৰ ৰিভিউ পঢ়া বহুতেও ফোন কৰি কেছেটটো আৰু জুবিনৰ কথা সুধিলে। উত্তৰত কৈছিলো-- বজাৰত কেছেটতো পাব লাগে আৰু জুবিন গাৰ্গক মই চিনিও নাপাওঁ, দেখাও নাই, কেছেটৰ প্ৰচ্ছদৰ ফটোখনত দেখাৰ বাহিৰে। বন্ধু মৃণাল আৰু সাংবাদিক-গীতিকাৰ বেণী মাধৱে কেছেটটোৰ বিশেষভাৱে প্ৰশংসা কৰা মনত আছে।

কেইটামান দিনৰ ভিতৰতে সমগ্ৰ অসমত জনপ্ৰিয়তাৰে বিয়পি গ'ল এটা নাম জুবিন গাৰ্গ। এবিধ অতি সস্তীয়া ৰুচিৰ গীত আৰু এবিধ টোপনিৰ জলা-কলাত ৰচিত সুৰ আৰোপিত গীতৰ একঘেয়ামী, সংগীতৰ মন্দা বজাৰ এৰি অসমীয়া গীতৰ কেছেটৰ প্ৰচলন আৰু নতুন সংকলন বন্ধ কৰি এইচ এম ভিৰ দৰে কোম্পানীৰ প্ৰত্যাৱৰ্তন আদিৰ মাজত অসমৰ সংগীত জগত আৰু সংগীতৰ বজাৰ— এই দুয়োখন ক্ষেত্ৰৰ বাবে এটা প্ৰতিভাসম্পন্ন আশাৰ সূৰ্য যেন— জুবিন গাৰ্গ।

জনপ্ৰিয়তা আৰু সফলতাৰ লগে লগেই অৱধাৰিতভাৱে জুবিনৰো শত্ৰু ওলাল, ভূপেন হাজৰিকাৰ শত্ৰু ওলাইছিল যিদৰে। ব্যৰ্থ, বিফল, জনপ্ৰিযতাবিহীন মানুহৰ শত্ৰু নাথাকে। 'অনামিকা'ৰ সফলতা, জুবিনৰ জনপ্ৰিয়তাৰ প্ৰমাণ পাবলৈ হ'লে বজাৰৰ পৰা 'অনামিকা' কিমান শ্ৰোতাৰ ড্ৰয়িং ৰুমলৈ গ'ল জনাৰ দৰকাৰ নাই— শত্ৰুৰ হিচাপ ল'লেই প্ৰমাণ হ'ব জুবিন কোন— জুবিনৰ আগমন কি!

সাধাৰণতে দেখা যায় প্ৰথম কেছেটটোৰ পিছত দ্বিতীয় কেছেটটো বজাৰত সিমান নচলেঁ। ক্ৰমে উৰ্দ্ধমুখী গ্ৰাফ্ লাইন আছিল একমাত্ৰ ভূপেন হাজৰিকাৰ। পৰৱৰ্তী সময়ত, সুদীৰ্ঘ দশকৰ মূৰত একমাত্ৰ জুবিনৰ সফলতাৰ গ্ৰাফলাইন ক্ৰমে উৰ্দ্ধমুখী হোৱা দেখিছো। লগে লগে দেখা গ'ল যিসকলে জুবিনৰ সৈতে সুস্থ প্ৰতিযোগিতাত নমাৰ সামৰ্থ্যৰে সামথৰান নহয, সেইসকলে চিৰাচৰিত পথটোৰে জুবিনৰ সমালোচনা কৰা আৰম্ভ কৰিলে। বহুতে কোৱা শুনিলো— 'চুলি দীঘল কৰি কেইদিন গান গাব? এটা বৰগীত বা বিহুগীত গাবলৈ দিয়া, পেঁপা কাঢ়ি পেলাব বাপ্লেকে।' বেয়াকৈ বিহুগীত-বৰগীত নাগাই ভালকৈ পপ্ চং গোৱাই ভাল— মই ভাবো। কিন্তু জুবিনে অতি কম সময়তে ইতিবাচক উত্তৰ দি বৰগীত, লেছাৰি, ঘোষা, ভটিমাৰ পৰা বিহুগীতলৈ এনেকৈ আযত্ত কৰিলে যে আধুনিক গীত গোৱাসকলৰ পিছতে বৰগীত-বিহুগীত গোৱাসকলো জুবিনৰ শত্ৰুৰ তালিকাত সোমাই পৰিলহি। নপৰিব কিয? জুবিনৰ আধুনিক গীতৰ দৰেই বৰগীত-বিহুগীততো এনে আধিপত্য বিস্তাৰ কৰিলে যে এতিয়াৰ শ্ৰোতাই বৰগীত-বিহুগীতো জুবিনৰ কণ্ঠতহে শুনি ভালপোৱা হ'ল। অসমৰ একাধিক বিয়াগোম শিল্পীৰ বৰগীত-বিহুগীত শ্ৰোতাই নলয়, ফলত পৰিৱেশকে নলয়, প্ৰযোজকেও নলয়। এটা সময়ত দুগৰাকীমানে বৰগীত-বিহুগীত গোৱাই বাদ দি দিলে, দিব লগা হ'ল। গাব ক'ত? এইখিনি সময়তে 'বিস্ময়'ত জুবিনৰ বিষয়ে এটা টোকা লিখিছিলো। এচাম মুধাফুটা শিল্পীয়ে মোক প্ৰায় অভিযোগৰ সুৰতে ক'লে— 'তুমি আৰু কাম নাপালা? লেখিবলৈ আৰু মানুহ বিচাৰি নাপালা?' ভূপেন হাজৰিকাৰ কথা লিখা মানুহটোৱে

চিধাই নামি আহি জুবিন গাৰ্গত ধৰিলাহিযে? মই উত্তৰ দিয়া উচিত বুলি নাভাবিলো, যিটো প্ৰশ্নৰ উত্তৰ জুবিনে তাৰ দক্ষতাপূৰ্ণ কামৰ মাজেৰে 'অনামিকা'ৰ পৰা আজিৰ 'য়া আলি' পৰ্যন্ত বাৰম্বাৰ দিয়েই আছে। আজুৰি নমাব নোৱৰাসকলে পৰৱৰ্তী সময়ত সাতোটা গান নিজে গাই এটা গান জুবিনক গোৱাই কেছেটৰ ক'ভাৰত জুবিনৰ ফটো আৰু নাম দি বজাৰ লোৱাৰ বুদ্ধিৰে জুবিনক বিচাৰি ঘূৰ্মুটিয়াই ফুৰাও দেখা পাইছিলো।

এইবাৰ জুবিনৰ প্ৰথম হিন্দী এলবাম 'ছান্দনী ৰাত' ওলাব। আনুষ্ঠানিকভাৱে সংবাদ মাধ্যমৰ সৈতে জুবিনৰ প্ৰথম মুখামুখি হ'ব। গুৱাহাটীৰ 'হোটেল নন্দন'ত আয়োজন আড়ম্বৰপূৰ্ণ। অনুষ্ঠানৰ ব্যৱস্থাপনা আৰু সঞ্চালনা ময়ে কৰিছিলো। কিন্তু দুৰ্ভাগ্যজনকভাৱে এই প্ৰথম মুখামুখিতে জুবিনৰ এক অপ্ৰীতিকৰ অভিজ্ঞতা হ'ল। অনুষ্ঠানত ভাগ ন'লৈ এটা আছুতীয়া কক্ষত সোমাই, সুৰৰ পৰিৱৰ্তে সুৰাপ্ৰীতিত মত্ত কেইজনমান সাংবাদিক অ সাংবাদিকে জুবিনক প্ৰশ্ন সোধাৰ নামত কলেজত নতুন ছাত্ৰক ৰেগিং কৰাৰ দৰে ব্যৱহাৰ কৰিব ধৰিলে। এনে এক পৰিস্থিতিৰ বাবে জুবিন এবিন্দুও প্ৰস্তুত নাছিল। বহুতৰ দৰেই জুবিনৰো সাংবাদিকৰ প্ৰতি আছিল একধৰণৰ ভয়ভক্তি– কাৰণ জুবিনে পৰিয়ালতে পাইছে পদ্ম বৰকটকীৰ লেখীয়া বিশিষ্ট সাংবাদিকক। এটা সময়ত সুৰাৰ লগতে ৰেগিঙৰ মাত্ৰাও চৰিল – যিটো কোনো সৃজনীমূলক কৰ্মৰে জড়িত হৃদয়ৰ মানুহৰ বাবে হজম কৰা অসম্ভৱ - জুবিনতো এটা উঠি অহা ডেকা। কাজেই জুবিনে হোটেলৰ কোঠাই নহয়, হোটেলেই এৰি গুচি গ'ল। অনুষ্ঠানটৈতে ভাগ ল'বলৈ অহা এন কে প্ৰডাকশ্যনৰ পিতামহ, নৱৰ পিতৃ, দেৱ আৰু কনিষ্ঠ ভ্ৰাতৃডাঙৰে গ'ল। এনেতে ক্ৰোধান্বিত সাংবাদিকে জুবিনক হাজিৰ হোৱাৰ ফতোৱা জাৰি কৰিলে। জুবিনক নাপাই সিদ্ধান্ত ল'লে - 'জুবিনক ব্ৰেক আউট কৰা হৈছে।' নৱই মোৰ সন্মুখত কান্দি পেলাইছিল। সেই সময়ত মই ফ্ৰি লান্সাৰ যদিও ডেপুটী এডিটৰ অনিল বৰুৱাৰ সদিচ্ছাত 'দৈনিক অসম'ত উভৈনদীকৈ লিখিছিলো- – দুটা পইচাৰ প্ৰয়োজনত। অনিল দাক গৈ ঘটনাটো বিৱৰি ক'লোঁ। মোক বিশ্বাস কৰা অনিলদাই ক'লে - 'দৈনিক অসম'ত লিখিবা। ওলাল লেখা। এইবাৰ মোক জনা-নজনা বহু সাংবাদিকে প্ৰচাৰ চলালে— 'জুবিনে প্ৰেছক অপমান কৰিছে। প্ৰেছে 'ব্ৰেক আউট' কৰা জুবিনৰ বিষয়ে লিখি বিদ্যুৎ ভূঞাই ভাল পইচা ঘটিলে চাগৈ!' কিন্তু কাকতখন 'দৈনিক অসম' হোৱা বাবে মোক লটি-ঘটি নকৰিলে বা ফ্ৰিলেন্স বাবে মোৰ চাকৰি খোৱাৰো সুবিধা নাপালে। এই ঘটনাৰ পৰৱৰ্তী সময়ত বহুতেই মোক আহি কৈছিল যে – 'আপোনাক আমি তেতিয়া বুজা নাছিলো। জুবিনৰ পৰা পইচা লৈ আপুনি সংবাদ

মাধ্যমৰ বিপৰীতে যোৱা বুলি ভাবি দুখ পাইছিলো।' আনহাতে 'নৱাগত' জুবিনক ৰেগিং কৰাসকলৰ কেইবাজনো এতিয়া জুবিনৰ 'শুভাকাংক্ষীৰো শুভাকাংক্ষী'ৰ ৰূপত অৱতীৰ্ণ হৈ গভীৰ নিশালৈ বহি থকাও দেখিছো। সেইসকল এতিয়া জুবিনৰ ইমানেই ভক্ত যে জুবিনে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ সম্পৰ্কে অসংস্কৃত মন্তব্য কৰিলেও নিমাত, 'জাতীয় সংগীত' ভুলকৈ গালেও নিমাত, গান গাই গাই লাইট প'ষ্টত বগালেও নিমাত! আমি পিছে এনেবোৰ মুহূৰ্ততো জুবিনক কঠোৰ সমালোচনা কৰিবলৈ এৰা নাই, জুবিনৰ সৈতে ভাতৃত্বৰ সম্পৰ্ক ৰাখিও সংবাদিকতাৰ ধৰ্মৰ পৰা ধৰ্মচ্যুত হোৱা নাই; কেতিয়াও। মোৰ বাবে পৰম সুখৰ কথা যে একাধিক কঠোৰ সমালোচনাৰ পিছতো জুবিনে মোৰ বিষয়ে ক'তো এটাও কু-মন্তব্য কৰাৰ কথা মোৰ কাণত পৰা নাই। সৌ সিদিনা এন কে প্ৰডাকশ্যনৰ ৰূপালী উছৱত ভাগ ল'বলৈ গৈ জুবিনক মাত নিদিয়াকৈয়ে গুচি আহিছিলো। নিশা ১১.৩০ মান বজাত এটা ফোন পালো—'জুবিন ডি জি মিউজিকত আছে। একেলগে ভাত খাবলৈ যাব লাগে।' দিনটোৰ ব্যস্ততাৰ পিছত এটা 'মুড' আহি গ'ল— গুচি গ'লোঁ। প্ৰথম লগ পোৱাৰ দৰেই একেই আন্তৰিকতা জুবিনে দেখুৱাবনে? ষ্টুডিঅ'ৰ ভিতৰৰ পৰা জুবিনক উলিয়াই আনিছিলো। ক'ব লগা কিছু কথা পোনপটীয়াকৈ কৈছিলো, মোৰ ভাতৰ কাঁহীৰ পৰা পাতত দিয়া মাছ অকণ নিজে লৈ খাইছিল। নেহৰু ষ্টেডিয়ামৰ ঘটনাটোৰ বিষয়ে মই লিখা লেখাটোৰ কথা উনুকিয়াই দিছিল বন্ধু-সাংবাদিক অচ্যুৎ পাটোৱাৰীয়ে। মই সুধিছিলো— 'তই লেখাটো পঢ়িলি জানো?' সি কৈছিল— 'ড° হীৰেন গোহাঁই আৰু আপোনাৰ লেখাটো পঢ়িছো, বাকীবোৰ পঢ়া নাই।'

কেৱল অসমীয়া আধুনিক গীত, বিহুগীত বা বৰগীতেই নহয়, মৃতপ্ৰায় অসমীয়া চলচ্চিত্ৰ সংগীতলৈও জোঁৱাৰ আনিলে জুবিনে। মুনিন বৰুৱাই পৰিচালক জীৱনৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰিছিল 'হিয়া দিয়া নিয়া'ৰে জুবিনক সংগীত পৰিচালক হিচাপে লৈ। মই দৃঢ়তাৰে ক'ব পাৰোঁ যে 'হিয়া দিয়া নিয়া'ৰ সফলতাত ছবিৰ সংগীতৰ জনপ্ৰিয়তাও আছিল অন্যতম কাৰক— যাৰ বাবে মুনিন বৰুৱাৰ পৰৱৰ্তী প্ৰতিখন ছবিতে জুবিন অপৰিহাৰ্যভাৱে আছে।

এতিয়া জুবিন অসমৰে নহয়, ভাৰতৰে এগৰাকী জনপ্ৰিয় গায়ক। কিন্তু অত্যন্ত বিশ্বাসেৰে ক'ব পাৰোঁ— জুবিনৰ অধিক সম্ভাৱনা এতিয়াও পোহৰলৈ আহিবলৈ বাকী। এই পৰ্যন্ত জুবিনে-সংগীত ক্ষেত্ৰত যি কৰিছে, সেয়া সকলোৱে জানে, কিন্তু নাজানে এই ঠাই পাবৰ বাবে জুবিনে কিমান কষ্ট কৰিছে। মই সেই কষ্টৰ কথা জানো বাবেই জুবিনে কি কৰিব পাৰে, সেইলৈহে আশাবাদী আৰু অপেক্ষাৰত।।

# সুৰৰ সোপানে সোপানে

## জুবিন গাৰ্গৰ সুৰ আৰু সংগীতৰ এক আলোচনা

□মণি মহন্ত

জুবিন গাৰ্গ— দুটা দশকজুৰি বয়স নিৰ্বিশেষে সকলো সংগীতপ্ৰেমীৰে হৃদয় জিনিবলৈ আৰু অসমৰ সীমা চেৰাই এক অসাধাৰণ সংগীত প্ৰতিভাৰে অসমীয়া মানুহৰ বাবে গৰ্ব কঢ়িয়াই আনিবলৈ সক্ষম হোৱা এক বিস্ময়ৰ নাম। মোৰ দৃষ্টিত জুবিন গাৰ্গ কেৱল এক প্ৰতিভা নহয়, এক প্ৰডিজী।

'অনামিকা' শ্ৰব্য কেছেটটোৰ মাজেৰে আত্মপ্ৰকাশ কৰিছিল জুবিন গাৰ্গে। প্ৰথমটো এলবামেই তৰুণ গায়কজনলৈ জনপ্ৰিয়তা কঢ়িয়াই আনে। তাৰ পিছত 'মুক্তি', 'মায়া'ৰ সন্মোহিনী ধুমুহা। মেঘৰ বৰণ, শিশু, শব্দ, পাখি, যন্ত্ৰ, মুখা, বৰষুণ, মোৰ প্ৰিয় গীত, ৰুমাল ইত্যাদি তেওঁৰ শ্ৰাব্য কেছেট/চিডিৰ গীতসমূহে তৰুণ প্ৰজন্মক যেনেকৈ আপ্লুত কৰিছে, অভিভূত কৰিছে বয়স্কসকলক, বিস্মিত কৰিছে শিল্পী সমাজক। জুবিন গাৰ্গ একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত ৰচক, চলচ্চিত্ৰৰ সংগীত পৰিচালক আৰু ছবিৰ পৰিচালকো। অৱশ্যে জুবিন গাৰ্গৰ গীতৰ সুৰ আৰু সংগীতক লৈহে এই আলোচনা। সন্দেহ নাই, জুবিন

গাৰ্গৰ স্বৰচিত আৰু তেওঁ কণ্ঠদান কৰা অন্য গীতিকাৰৰো ভালেসংখ্যক গীতিকা অতি উচ্চমানৰ। তথাপি এই আলোচনাত গীত বা Lyric ৰ বিষয়ে আলচ কৰা নহয়; কিয়নো জুবিন গাৰ্গৰ গীতক লৈও এক সুকীয়া আলোচনাৰ অৱকাশ আছে। তদুপৰি, পূৰ্বে অন্য শিল্পীৰ দ্বাৰা পৰিৱেশিত আৰু পৰৱৰ্তী কালত জুবিন গাৰ্গে গোৱা গীতখিনিকো এই আলোচনালৈ অনা হোৱা নাই।

মোৰ বোধেৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত সৰ্বাধিকসংখ্যক ভাষাৰ গীত নিজ কণ্ঠত বাণীবদ্ধ কৰা শিল্পীজন হৈছে জুবিন গাৰ্গ। তেওঁ মাতৃভাষাৰ উপৰি বড়ো, মিচিং, চাহ জনগোষ্ঠী আৰু আন জনগোষ্ঠীয় ভাষাৰ গীত গাইছে। হুঁচৰি, বিহুনাম, বৰগীত, ঘোষা, দিহানাম, উজনিৰ পৰা নামনিলৈকে বিভিন্ন অঞ্চলত প্ৰচলিত বিবিধ লোকগীতত তেওঁ কণ্ঠদান কৰিছে। গতিকে অলেখ জনগোষ্ঠীয় আৰু লোকসংগীতৰ সুৰৰ সৈতে জুবিন গাৰ্গৰ সুপৰিচয় গঢ়ি উঠিছে আৰু তেওঁৰ নিজা সৃষ্টিকো সেইসমূহে বৈচিত্ৰ্য দান কৰিছে। 'এতিয়া জোনাকে ন মায়া ৰচে', 'আঙুলি কাটিলো', 'বেলি পৰোঁ পৰোঁ', 'নায়ক হ'ব খুজি', 'ৰংমন ককাইয়ে', 'সোণেৰে সজোৱা পঁজা' ইত্যাদি গীতত লোকসংগীতৰ সুৰ বিদ্যমান। অৰ্থাৎ জুবিন গাৰ্গৰ সৃষ্টিৰ শিপাই এই অসমৰ মাটিকে খামুচি আছে। মই ভাবো অসমৰ নৱ-প্ৰজন্মৰ কণ্ঠশিল্পীসকলৰ মাজত আৰু জুবিন-অনুৰাগী উদীয়মান গায়ক-গায়িকাসকলৰ বাবে এইখিনিতে জুবিন গাৰ্গ এক দৃষ্টান্ত ঃ অধিক পাশ্চাত্যধৰ্মী হ'লেও তেওঁৰ সংগীত ছিন্নমূল নহয়।

জুবিন গাৰ্গৰ গায়ন শৈলী, শব্দ উচ্চাৰণৰ স্পষ্টতা, শব্দৰ ব্যঞ্জনাসিক্ত আবেদনময় কণ্ঠ, সুৰৰ নতুনত্ব, সংগীত ব্যৱস্থাপনাৰ স্বকীয় ৰীতি আৰু আধুনিক ৰূপত লোক-সংগীতৰ সুৰ আৰু থলুৱা বাদ্যযন্ত্ৰৰ প্ৰয়োগ— এই সকলোখিনিৰে সংগম হৈছে শিল্পীজনৰ গান। বিশেষকৈ, কুৰি শতিকাৰ শেষ দশকটোত জুবিন গাৰ্গৰ গায়ন শৈলী অসমীয়া গীতৰ শ্ৰোতাৰ বাবে হৈ পৰিল এক নতুন অভিজ্ঞতা। বহু কণ্ঠশিল্পীৰ বাবে উচ্চ স্বৰগম স্পৰ্শ কৰাটো কঠিন, দুঃসাধ্যপ্ৰায় যদিও 'তাৰ সপ্তক' (soprano)তো জুবিন গাৰ্গৰ প্ৰগলভ বিচৰণে অসমীয়া গানৰ শ্ৰোতাক দিলে এক নতুন স্বাদ।

জুবিন গাৰ্গৰ বৈশিষ্ট্য কেৱল তেওঁৰ কণ্ঠ বা গায়ন শৈলীতে সীমিত নহয়, তেওঁ ভালেসংখ্যক মেলডীপূৰ্ণ গীতৰো সুৰকাৰ। 'এন্ধাৰ হ'ব নোৱাৰো', 'মায়া মায়া মাথোঁ মায়া', 'তুমি চোৱা যেতিয়া', 'প্ৰীতিৰ সুবাসে', 'পাখি পাখি এই মন', 'মায়াবিনী', 'কঁকাল খামুচীয়া', 'সোণেৰে সজোৱা পঁজা', 'মনৰ নিজানত', 'জ্বলিলা পুৰিলা', 'গানে কি আনে', 'জোনাকে কাণে কাণে', 'পাখি মেলি দিয়ে মোৰ', 'গাগৰি

ককালত', 'কোনোবাই ৰিঙিয়ায়', 'পোহৰৰে চাকি'— এইখিনি হৈছে থিতাতে মনলৈ অহা জুবিন গাৰ্গৰ কেইটিমান মেলডীপূৰ্ণ গান। কেৱল মেলডীয়েই নহয়, গীতৰ কথাৰ সৈতে সুন্দৰ সামঞ্জস্য ৰাখি তেওঁ সুৰ ৰচিছে বহু গীতৰ— 'জ্বলিলা যেতিয়া', 'এন্ধাৰ হ'ব নোৱাৰো', 'সোণেৰে সজোৱা পঁজা', 'দুপৰৰ মোহনাত', 'মৃত্যু এতিয়া সহজ', 'বগাকৈ বগলী', 'তুমি চোৱা যেতিযা', 'বেলি পৰোঁ পৰোঁ', 'সিদিনা ৰাতি' ইত্যাদি। কিন্তু একেজন সুৰকাৰেই যদি গীতৰ কথাৰ সৈতে কোনো সংগতি নৰখাকৈ 'মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে'. বুলি সুৰৰ মাজেৰে দ্ৰুত ছন্দ (উপদ্ৰুত?)ত কয়, শ্ৰোতাই তেতিযা দুখৰ সংজ্ঞা নতুনকৈ বিচাৰিব লগা হয় অভিধানত।

জুবিন গাৰ্গে সুখ, দুখ, প্ৰেম, বিষাদ, ভক্তিৰস, সমাজ চেতনা, মানৱীয় চিন্তা ইত্যাদি বিচিত্ৰ ভাব আৰু বিষয়বস্তুক লৈ যেতিযা গীত লিখিছে, তাৰ ভাবখিনিকো তেওঁৰ কণ্ঠত চমকপ্ৰদভাৱে ফুটাই তুলিছে। ক'ৰবাত প্ৰকাশ হৈছে নষ্টালজিযাৰ অনুভূতি ('পাখি পাখি'), ক'ৰবাত যেন স্বৰত বন্ধা এটা হুমুনিয়াহ (এন্ধাৰ হ'ব নোৱাৰো, এতিযা আছে মাথোঁ তেজ ৰঙা)। গীতৰ বিশেষ একোটা বাক্যাংশৰ পৌনঃপুনিক প্ৰযোগ (Overlapping)ৰ ধ্‌ল জুবিন গাৰ্গেহি অসমীযা গানলৈ আনিলে।

পিছে লক্ষ্যণীয কথাটো হ'ল— জুবিন গাৰ্গৰ গানৰ সংখ্যালৈ চাই তালৰ বৈচিত্ৰ্য কম। তেওঁৰ বেছিভাগ গানেই ৪/৪, ২/২, ৬/৪ তালত বন্ধা। সাত মাত্ৰাৰ ৰূপক, ছয় মাত্ৰা বিশিষ্ট দাদ্‌ৰা বা পশ্চিমৰ অনুৰূপ তাল Waltz তেওঁৰ গানত দুৰ্লভেই বুলিব পাৰি। তাৰ বিপৰীতে ৪/৪ তালৰ বিচিত্ৰ ৰূপ তেওঁ গানত ধৰি ৰাখিছে— 'মায়াবিনী'ৰ দৰে লেটিন সুৰ প্ৰভাৱিত গানৰ বাবে তেওঁ খাপখোৱাকৈ বাছি লৈছে তালৰ বিদেশী পেটাৰ্ণ। তেনে পেটাৰ্ণ ধ্বনিত হৈছে 'জ্বলোৱা হিযা মোৰ'ৰ দৰে গানত। যেনেদৰে Blues শৈলীত বান্ধ খাইছে 'গানে কি আনে'। কোনো কোনো ছবিৰ গানত তেওঁ 'ৰেগে' (Reggae) তালও ব্যৱহাৰ কৰিছে। অসমৰ আৰু বাহিৰৰো বিভিন্ন থলুৱা বাদ্যযন্ত্ৰ (ঢোল, দগৰ, নাগৰা, সাৰেঙ্গী) জুবিন গাৰ্গে তেওঁৰ সংগীতত প্ৰযোগ কৰিছে আধুনিক ৰূপত।

সংগীত ব্যৱস্থাপনাৰ ক্ষেত্ৰত জুবিন গাৰ্গে অসমীয়া গানলৈ নতুনত্ব আনিলে সঁচা। কিন্তু ইলেক্ট্ৰ'নিক্‌ছৰ ক্ৰমবৰ্ধমান নিৰ্ভৰশীলতাই তেওঁৰ কেতবোৰ গানৰ সৌন্দৰ্য সম্ভাৱনাক ম্লান কৰিছে। 'টোপাল টোপাল বৰষুণে' তাৰে এটা মাত্ৰ উদাহৰণ। কিন্তু ইলেক্ট্ৰ'নিক্‌ছৰ সুচিন্তিত প্ৰয়োগ ঘটাই জুবিন গাৰ্গেহি কেইটামান গীতৰ বাবে ৰচনা কৰিলে অবিস্মৰণীয় সংগীত— 'বৈ বৈ বিনালে', 'মোৰ ইযাতো

ৰাতি হয়', 'জগত পোহৰ কৰি', 'পাখি মেলি দিয়ে' ইত্যাদি। নিজৰ চিৰাচৰিত শৈলীৰ পৰা আঁতৰিব খুজিও অৱশ্যে কেতিয়াবা জুবিন গাৰ্গে সংগীত ৰচনা কৰিছে ('দিহিঙৰ গড়া', 'ক'ৰ এজাক সপোন যেন বৰষুণ' আদি) আৰু সাফল্যমণ্ডিতও হৈছে।

কিছু বছৰৰ আগৰ কথা, আমাৰ যোৰহাটৰ সংগীতৰ ক্ষেত্ৰখনত জুবিন গাৰ্গ ব্যস্ত হৈ থকা সময়ত একাংশ সতীৰ্থই ৰসিকতাৰে তেওঁক 'জুবিন ছাছপেন্সন' বুলিয়েই মাতিছিল। সঁচা কথা, জুবিন গাৰ্গৰ ভালেমান গানত প্ৰভাৱী স্বৰবিন্যাস হিচাপে ব্যৱহৃত হৈছে Suspension Chord। দৰাচলতে কী-ব'ৰ্ডত হাত থোৱাৰ লগে লগে জুবিন গাৰ্গৰ আঙুলিবোৰে আপোনা-আপুনি বিচাৰি লয় সেই স্বৰবিন্যাস — এটা খেলৰ প্ৰথম, চতুৰ্থ, পঞ্চম স্বৰৰ যুগপৎ শব্দ। অৱশ্যে হাৰমণি (Harmony)ৰ ক্ষেত্ৰত মূল স্বৰৰ পৰা অধিক মাত্ৰাত আগুৱাব খোজা Augmented Chord বা নামি আহিব খোজা Diminished Chord আৰু অন্যান্য Added Chord ৰ নিচিনা Polyphonic Harmonisation ও জুবিন গাৰ্গে ব্যৱহাৰ নকৰা নহয়। কিন্তু তেওঁৰ সংগীতত তেনে স্বৰবিন্যাস তুলনামূলকভাৱে কম। মোৰ ভাব হয়; জয়ন্ত হাজৰিকা, ভূপেন উজীৰ, আনকি জিতুল সোণোৱালৰ দৰে সংগীত শিল্পীয়ে যি পৰিমাত্ৰাত সংগীতৰ জটিল সম্পৰীক্ষা কৰিছিল বা কৰিছে, তাতোকৈ বহু বেছি প্ৰয়োগৰ সুবিধা-সুযোগ পোৱা সত্ত্বেও জুবিন গাৰ্গ সিমান সম্পৰীক্ষাৰ প্ৰতি যেন আগ্ৰহী নহয়। ব্যতিক্ৰমী উদাহৰণো আছে— সংগীত ৰচনাত তেওঁ বাদ্যযন্ত্ৰৰ তুলনাত কণ্ঠস্বৰকে প্ৰকট ৰূপত লৈ Harmonisation ত যেনেদৰে বহুমাত্ৰিকভাৱে সুখশ্ৰাব্যকৈ প্ৰয়োগ কৰে, সেই দিশত তেওঁৰ সংগীতে এক বৈশিষ্ট্যই দাবী কৰিব পাৰে। আৰু এটা কথা— জুবিন গাৰ্গৰ সংগীতত কেৱল পশ্চিমীয়া সংগীতৰ চাপহে আছে তেনে নহয়, বৰং প্ৰাচ্যৰ সংগীতৰ পেটাৰ্ণো তেওঁ বুটলিছে— 'এন্ধাৰ হ'ব নোৱাৰো'ৰ দ্বিতীয় Interlude ত প্ৰকট হৈছে Oriental সুৰধ্বনি। পিছে জুবিন গাৰ্গৰ সংগীতত সকলোৰে চকুত পৰা ডাঙৰ সীমাবদ্ধতাটো হ'ল ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ সোৱাদৰ অনুপস্থিতি। এইখিনিতে এটা কথাৰ উল্লেখ প্ৰাসংগিক হ'ব— জুবিন গাৰ্গৰ সংগীত শুনিলে বুজিব পাৰি যে কিছু পৰিমাত্ৰাত হ'লেও তেওঁ প্ৰথমাৱস্থাত সংগীতজ্ঞ ৰাহুল দেৱ বৰ্মনৰ দ্বাৰা আৰু শেহতীয়াকৈ এ আৰ ৰহমানৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। তেনে প্ৰভাৱ শুনা গৈছে 'মোৰ মন কিয় যে' (প্ৰয়াত জুংকীৰ সৈতে জুবিন গাৰ্গৰ কণ্ঠত), 'কেনি যাবা সোণ' ('দাগ' ছবিৰ গীত), 'হাঁহিলে তুমি মুকুতামণি সৰে' (উৎপল শৰ্মাৰ সংগীত), 'মনৰ নিজানত' প্ৰভৃতি গানত। Percussion শাখাত বিশেষ গুৰুত্ব

প্ৰদানেৰে ৰহমানে ৰচনা কৰা সংগীতৰ প্ৰভাৱ ছিটিকি পৰিছে জুবিন গাৰ্গৰ গানত। কিন্তু শিল্পীজনে মনত ৰাখিব লাগিব যে ৰাহুল দেৱ বৰ্মনৰ অনেক মৌলিক সৃষ্টি যুগমীয়া হৈ ৰ'ল যদিও তেওঁৰ মাত্ৰ কিছুসংখ্যক গীত পশ্চিমীয়া গীতৰ সুৰৰ পৰা পোনে পোনে তুলি অনা হেতুকে আজিও বহু সংগীত-বোদ্ধাই তেওঁৰ মৌলিক সৃষ্টিখিনিক লৈও সন্দেহ প্ৰকাশ কৰে। আমাৰ জুবিন গাৰ্গ যাতে তেনে আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন নহওক, অন্তঃকৰণে আমি তাকে বিচাৰোঁ।

চলচ্চিত্ৰৰ সংগীত আৰু চলচ্চিত্ৰৰ গীত দুটা সুকীয়া কথা। মোৰ বোধেৰে ভাৰতত চলচ্চিত্ৰৰ সংগীতৰ প্ৰকৃত অভিধা মহান চলচ্চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়ে ১৯৫৪ চনতে তেওঁৰ 'পথেৰ পাঁচালি' ৰ মাজেৰে দাঙি ধৰিছে। এখন ছবিৰ বক্তব্যক দৰ্শকৰ মনত গভীৰভাৱে প্ৰোথিত কৰাত সংগীতৰ ভূমিকা কিমান শক্তিশালী হ'ব পাৰে, আনহাতে সংগীতৰ সংগতিহীন প্ৰযোগত ছবি একোখনৰ গতি আৰু তাৰ ৰসাস্বাদন কেনেদৰে নষ্ট, ব্যাহত হ'ব পাৰে, ৰায়কে ধৰি কেইবাগৰাকী সংগীতৰ জ্ঞান-পুষ্ট চলচ্চিত্ৰ পৰিচালক আৰু চলচ্চিত্ৰবোদ্ধাই এই কথা অনেক স্থানত কৈ গৈছে। কিন্তু ভাৰতীয চিনেমাত চলচ্চিত্ৰৰ গীত, মানে 'চিনেমাৰ গান'ৰ মহিমা কি সেই কথা বিশেষকৈ এছীয় দৰ্শক মাত্ৰেই ভালকৈ বুজে। ছবিৰ Larger than life নাটকীযতা আৰু ব্যৱসাযিক সহায়— আমাৰ ছবিক গানৰ প্ৰয়োজন তাতেই। অসমীয়া চিনেমাৰ ক্ষেত্ৰখনতো তেনে ভালেমান সফল আৰু জনপ্ৰিয় 'চলচ্চিত্ৰৰ গীত' ৰচনা কৰিছে জুবিন গাৰ্গে। তেওঁ হিন্দী, বাংলা ছবিৰো সংগীত ৰচিছে যদিও এই আলোচনাত সেই সংগীতক আমি সামৰিব খোজা নাই।

২০০০ চনত মুনিন বৰুৱা পৰিচালিত 'হিয়া দিয়া নিয়া' ছবিখনৰ জৰিয়তে ছবিৰ সংগীত পৰিচালনাত খোজ পেলোৱা জুবিন গাৰ্গে ২০০৮ চনৰ ডিচেম্বৰ পৰ্যন্ত ১৮ খন অসমীয়া ছবিৰ সংগীত ৰচনা কৰে। উল্লেখনীযসংখ্যক ছবিৰে গানসমূহে লাভ কৰিছে বিপুল জনপ্ৰিয়তা।

ছবিৰ বাবে ৰচিত গীত (Lyric) ৰ লগত খাপখোৱাকৈ ৰচনা কৰা সুৰৰ নাটকীয়তা আৰু মেলডী — দুয়োটা গুণেই তেওঁৰ ভালেকেইটা সৃষ্টিক জনপ্ৰিয় কৰি তুলিছে। বিশেষকৈ 'হিয়া দিয়া নিয়া', 'দাগ', 'নায়ক', 'তুমি মোৰ মাথোঁ মোৰ', 'কন্যাদান' ছবিৰ গানবোৰ এই গুণৰ বাবেই জনপ্ৰিয় হৈ পৰিছিল। 'মলয়াৰ দুপাখিত', 'মিছাতে মিছাতে কিয় ভয় খোৱা', 'নহ'লে পৰিচয় হিয়াৰে', 'নায়ক হ'ব খুজি', 'মায়াবিনী', 'মনলৈ উভতি আহে ল'ৰালি', 'উল গুঠিব জানেনে', 'সোণ ৰূপেৰে', 'লহিয়ালে ৰঙা বেলি' ইত্যাদি তেনে গানৰ উদাহৰণ। অৱশ্যে চিনেমাৰ গানত ৰমেন বৰুৱা, ড° ভূপেন হাজৰিকা, জিতু-তপন, ভূপেন উজীৰে সৃষ্টি কৰা নাটকীয়তাত

অভ্যস্ত অসমীয়া শ্ৰোতাক জুবিন গাৰ্গৰ ছবিৰ সংগীতে পোনতে সিমান আশ্বস্ত কৰিব পৰা নাছিল। পিছে লাহে লাহে শ্ৰোতা-দৰ্শক তেওঁৰ সংগীতৰে অভ্যস্ত হৈ পৰিল।

ইলেক্ট্ৰ'নিক্‌ছ্‌ নিৰ্ভৰশীলতাৰ পৰিধি জুবিন গাৰ্গে ভাঙিব পৰা নাই নে খোজা নাই? প্ৰশ্নটোৰ অৱতাৰণা হৈছে এইবাবেই যে 'দীনবন্ধু' ছবিখনত তেওঁ ইলেক্ট্ৰ'নিক্‌ছ্‌ৰ ওপৰতে ভৰসা নকৰি, বৰং তাৰ সুসমাহিত প্ৰয়োগ কৰি এটি অতিকৈ প্ৰাকৃতিক ট'ন (Tone) বিশিষ্ট আৰু হৃদয়স্পৰ্শী গীত শ্ৰোতা-দৰ্শকক উপহাৰ দিছিল— 'ক'ৰ এজাক সপোন যেন বৰষুণ'। 'দীনবন্ধু' ছবিখনত (এগৰাকী ন-শিকাৰু গায়িকাই এক মঞ্চ অনুষ্ঠানত গীতটো গাইছিল) যেনে এক পৰিৱেশ সৃষ্টিৰ সহায়ক হোৱাকৈ কাহিনীকাৰ সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াই সেই গীতটো লিখিছিল, ঠিক তেনে পৰিৱেশত প্ৰযোজ্য হোৱাকৈয়ে সংগীত পৰিচালক জুবিন গাৰ্গে অনিন্দিতা পালৰ কণ্ঠৰ বাবে সুৰ সংগীতেৰে সজাই তুলিলে গীতটোৰ এনে এক Texture, যেন তাতেই লাগি ৰৈছে সপোন যেন বৰষুণ জাকে ধূলিৰ ওৰণি ঠেলি আঁতৰাই আনি দিয়া কোমল মাটিৰ সুবাসখিনি।

পৰিশেষত মোৰ হেঁপাহ উদ্ভূত ব্যক্তিগত এটা প্ৰশ্নৰে এই লেখাৰ সামৰণি মাৰিব খোজোঁ। প্ৰশ্নটো কেৱল জুবিন গাৰ্গলৈকে নহয়, এন কে প্ৰডাকছনৰ এতিয়াৰ শীৰ্ষ উদ্যোক্তা দেৱ বৰকটকীলৈকো, কিয়নো এসময়ৰ জুবিন ঠাকুৰে আজি জুবিন গাৰ্গ ৰূপে প্ৰসিদ্ধি অৰ্জন কৰাত তেওঁৰ সৈতে ছাঁৰ দৰে লাগি থকা প্ৰযোজনা প্ৰতিষ্ঠান এন কে প্ৰডাকছনৰ ভূমিকা কোনেও উলাই কৰিব নোৱাৰে। ভাৰতৰ সংগীত ক্ষেত্ৰৰ পৰা লাহে লাহে আঁতৰিবলৈ ধৰা বেহেলা আৰু আন Acoustic বাদ্যৰ বহুল প্ৰয়োগেৰে সমৃদ্ধ আৰু ইলেক্ট্ৰ'নিক বাদ্যযন্ত্ৰৰ পৰিমিত ব্যৱহাৰো ঘটা Orchestration ৰ কোনো কম্প'জিছন আমি জুবিন গাৰ্গৰ পৰা শুনিবলৈ পামনে?

# গ'ল্ডী... এটি সোণালী কণ্ঠ

□ পবিত্ৰ মাৰ্ঘেৰিটা

**প্ৰথম সাক্ষাৎ**

মোৰ বয়স তেতিয়া যোল্ল বছৰ হোৱাই নাই। ১৯৯০ চন। যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিছোঁহে। গড়মূৰৰ অতনু আছিল তেতিয়া মোৰ প্ৰথমজন কলেজীয়া বন্ধু। অতনুৰ মাদ্ৰাজত পঢ়া ককায়েক শান্তনু মাজতে দীঘলীয়া ছুটীত আহিছিল। শান্তনু ঘৰলৈ আহিলেই ঘৰখন উছৱমুখৰ হৈ পৰে। মাদ্ৰাজৰ পৰা অনা দেশী-বিদেশী নিৰ্বাচিত চিনেমাৰ ভিডিঅ' ছবিবোৰ, তামিল-তেলুগু গীতবোৰৰ শ্ৰোতা-দৰ্শকৰ ভিৰৰ মাজত আমিও আছিলো একোজন সৰৱ দৰ্শক-শ্ৰোতা। এমাহমানৰ পিছত শান্তনু উভতি যোৱাৰ আগনিশা ঘৰতে সৰুকৈ এটা জলসা বহিছিল। বিভিন্নজনে গীত-মাত পৰিবেশন কৰিছিল আৰু তাৰ মাজতে আছিল অতনুহঁতৰ সম্বন্ধীয়া যুৱক এজন। কিছু ক্ষীণ, দীঘল চুলি আৰু 'গান্ধী চছমা'ৰে এক ব্যতিক্ৰমী ষ্টাইলৰ সপ্ৰতিভ যুৱকজনে আমাৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু পিছলৈ মন্ত্ৰমুগ্ধ হৈ পৰিলোঁ তেওঁৰ গীত শুনি। অপূৰ্ব কণ্ঠ; তাতে তেওঁ গোৱা আটাইকেইটা গীত আছিল স্ব-

সুৰাৰোপিত। কথা-সুৰবিলাকো আছিল নতুন নতুন ধৰণৰ। অতনুক ক'লোঁ— 'বহু শিল্পীয়েই মোৰ প্ৰিয়, পিছে আজিৰ পৰা এওঁ মোৰ সকলোতকৈ প্ৰিয় কণ্ঠশিল্পী।' যুৱকজনৰ সৈতে চিনাকি হ'লোঁ। তেওঁ পৰিচয় দিলে— 'মোৰ নাম জুবিন গাৰ্গ। তুমি মোক গ'ল্ডী বুলিয়েই মাতিবা।'

## বন্ধু জুবিন

সহপাঠীকেইজন বাদ দি মোৰ লগ-বন্ধু বুলিবলৈ প্ৰথমাৱস্থাত অতনুৱেই আছিল। তেতিয়া আমাৰ কলেজৰ পৰা ইতিমধ্যে উচ্চতৰ মাধ্যমিক পাছ কৰি গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিভাগৰ স্নাতক মহলাত নাম লগাইছে যদিও জুবিনক পিছে প্ৰায়ে দেখা গৈছিল যোৰহাটতে। অতনুৰ পিছত কম দিনৰ ভিতৰতে জুবিনো হৈ পৰিল মোৰ এজন অতি নিকট বন্ধু। তাৰ পিছৰে পৰা আজিপৰ্যন্ত এই কুৰি বছৰে আমি একেই আছোঁ সেই কলেজীয়া দিনবোৰৰ দৰেই।

আমাৰেই সৌভাগ্য প্ৰথম গীতবোৰৰ পৰা এতিয়ালৈকে বহু গীতৰ প্ৰথম শ্ৰোতা আৰু সমালোচকৰ ভিতৰত অন্যতম এজন মযো। এজন বন্ধু হিচাপে জুবিন যিদৰে উদাৰ, সহায়ৰ বাবে সদা উদ্যত, মৰম আৰু খং কৰাৰ সমান অধিকাৰ নিজে আগতীয়াকৈ লৈ লয়, কেতিয়াবা নতুন চিনাকি এজনৰ ক্ষেত্ৰতো তেওঁ সেই একে ধৰণৰ ব্যৱহাৰেই কৰে। আগতে এটা কথাত তেওঁক লৈ আমি প্ৰায়ে বিপদত পৰোঁ, তেওঁ নিজৰ বা আনৰ কোনো কথাই গোপনে ৰাখিব নোৱাৰে। আচলতে বহুক্ষেত্ৰত তেওঁ এখন খোলা কিতাপৰ দৰে। প্ৰতিটো পৃষ্ঠাই স্পষ্ট, সৰল আৰু আকৰ্ষণীয়। কিছু ৰোমাণ্টিক আৰু স্বাভাৱিকভাৱেই কিছু কাব্যিক। সাংস্কৃতিক দিশৰ বাদে ব্যক্তিগত জীৱনৰ দৈনন্দিন ঘটনাবোৰ বা তেওঁ জড়িত হোৱা কামবোৰৰ প্ৰতি সাধাৰণ দৃষ্টিত তেওঁক উদাসীন যেন লাগে যদিও দৰাচলতে প্ৰতিটো কথাই তেওঁ গুৰুত্ব দিয়ে, মনত ৰাখে। অৱশ্যে প্ৰতিক্ৰিয়া কম। কিন্তু স্মৃতি শক্তি প্ৰখৰ। তেওঁক লৈ কোনোবাই যদি কিবা ভুল কৰে তেওঁ কিন্তু বহু বছৰৰ পিছতো সোঁৱৰাই দিয়াৰ নজিৰো আছে। তেওঁৰ উদাৰতাক লৈ বহু লোকে কেতিয়াবা সুযোগ-সুবিধাও নোলোৱা নহয, জুবিনে কিন্তু সকলো বুজি পায়। সহায়ো কৰে। আনে সাৱধান কৰি দিলে মাথোঁ মিচিকিয়াই কয় — 'মই জানিছিলোৱেই।'

## শিল্পী জুবিন

আমি প্ৰথম লগ পোৱাৰ সময়ত জুবিনে নিজে সুৰ কৰা গান আছিল মাত্ৰ তিনিটা কি চাৰিটা। হীৰুদাৰ কথাৰে 'গানে কি আনে', জেঠায়েকৰ কথাৰে 'প্ৰীতিৰ

সুবাসে' আৰু স্বৰচিত 'দুখ বিকশে' আদি। তেতিয়া আমাৰ কেইজনমানৰ বাবেহে তেওঁ কণ্ঠশিল্পী আছিল, বাকী সকলোৰে বাবে তেওঁ আছিল এজন বাদ্যযন্ত্ৰী। জুবিন সেই সময়ত আছিল এজন ব্যস্ত তবলাবাদক আৰু কী-ব'ৰ্ড (চীন্থেচাইজাৰ) বজাওঁতা। মাজতে তেওঁৰ সাংগীতিক জীৱনত দুটা গুৰুত্বপূৰ্ণ ঘটনা ঘটে। এবাৰ এজন স্থানীয় শিল্পীৰ সৈতে যোৰহাটত নতুনকৈ স্থাপন হোৱা এফ এম ৰেডিঅ'ত কী-ব'ৰ্ড সংগত কৰিবলৈ লৈছিল। গানৰ আখৰাৰ সময়ত জুবিনে গুণগুণাই আছিল নিজৰেই এটি গীত। সেই সময়ত সেইফালে পাৰ হৈ যোৱা নীলু চক্ৰৱৰ্তী ডাঙৰীয়াই হঠাতে তেওঁৰ গীত শুনি ৰৈ গ'ল আৰু বাদ্যযন্ত্ৰী জুবিনক প্ৰস্তাৱ দিলে দুটা গীত তৎক্ষণাৎ বাণীবদ্ধ কৰিবলৈ। এই হুকুমসদৃশ প্ৰস্তাৱৰ অন্তত প্ৰথমবাৰৰ বাবে জুবিনে ৰেডিঅ'ত গান গালে, হীৰুদাৰ কথা আৰু নিজা সুৰেৰে 'গানে কি আনে'। নিজৰ কণ্ঠ শুনি জুবিনেও ভাবিবলৈ বাধ্য হ'ল 'মই গাব পাৰোঁ দেখোন'। লগে লগে সৃষ্টি হ'ল আৰু কেইটামান সুৰীয়া গানৰ।

দ্বিতীয়টো উল্লেখযোগ্য ঘটনা হ'ল— সেই সময়ত জনপ্ৰিয়তাৰ শীৰ্ষত থকা কণ্ঠশিল্পী জিতুল সোণোৱালে জুবিনক তেওঁৰ সৈতে ফাংচনত কী-ব'ৰ্ড বজাবলৈ কৰা আমন্ত্ৰণ। এই দুয়োটা ঘটনাৰ ফলত জুবিনৰ আত্মবিশ্বাস বাঢ়ি দুগুণ হ'ল আৰু ওচৰৰ পৰা তেওঁ দেখিলে-বুজিলে সংগীতৰ পেছাদাৰী জগতখন আৰু অসমীয়া মানুহৰ পছন্দ-অপছন্দ।

এদিন তেওঁ আমাক ক'লে যে তেওঁ হেনো এটা শ্ৰব্য কেছেট কৰিব। কিন্তু সেই কামটো ইমান সহজ নাছিল। গীত-মাত-কণ্ঠ সকলো আছিল যদিও নাছিল বাকীখিনি কামৰ বাবে প্ৰয়োজনীয় ধন। সি যি কি নহওক ঘৰৰ পৰা আৰু দুই-এজন বন্ধুৰ পৰা কিছু পুঁজি সংগ্ৰহ কৰি বহু কষ্টেৰে, বহু উদ্যমেৰে তেওঁ প্ৰথমবাৰৰ বাবে নিৰ্মাণ কৰিলে এটা শ্ৰব্য কেছেট 'অনামিকা' নামেৰে।

'অনামিকা'ক লৈ আমাৰ উৎকণ্ঠা আছিল মেট্ৰিক পৰীক্ষাৰ ৰিজাল্টৰ দৰেই। আমাৰ চিন্তা হৈছিল, নতুন ধৰণৰ গীতবোৰ মানুহে ভাল পাবনে?

মূলধন ঘূৰি নাহিলে কি হ'ব? বিতৰণ কেনেকৈ হ'ব?.. ইত্যাদি।

সেই সময়তে জুবিনে লগ পায় আমাৰ আন এজন বন্ধু দেব বৰকটকীক। দেবহঁতৰ এন কে প্ৰডাকছনে 'অনামিকা'ৰ পৰিৱেশনৰ দায়িত্ব লয়। সেয়া আছিল ১৯৯৩ চনৰ দুৰ্গা পূজাৰ সময়। ষষ্ঠীৰ দিনা 'অনামিকা' মুক্তি পালে আৰু সপ্তমীৰ পৰা জুবিন, অতনু, প্ৰসেনজিৎ, দীপু আৰু মই যোৰহাটৰ অলিয়ে-গলিয়ে পূজা চোৱাৰ নামত কাণ থিয় কৰি ঘূৰি ফুৰোঁ জানোচা ক'ৰবাৰ পৰা ভাহি আহেই। 'গানে কি আনে সুৰৰ সোপানে সোপানে...'।

দশমীৰ দিনা দেৱই খবৰ দিলে 'মাত্ৰ তিনি দিনতে সমগ্ৰ অসমতে 'অনামিকা'ৰ সমস্ত কপি শেষ হৈ গ'ল। 'অনামিকা'ৰ কথা আৰু তোমালোকে চিন্তা কৰিব নালাগে, এতিয়া নতুন গানৰ কথা চিন্তা কৰা।'

পৰৱৰ্তী সময়ৰ জুবিনৰ সাংস্কৃতিক যাত্ৰাৰ কথা সকলোৱে জানে। তাৰ পিছত আমাৰ আপোন 'গ'ল্ডী' অসমবাসীৰো আপোন জুবিন হৈ পৰিল আৰু অসমৰ সংগীত জগতত এক নতুন অধ্যায়ৰ সূচনা হ'ল— জুবিন অধ্যায়।

## সংগীত শিল্পী জুবিনৰ বিশেষত্ব

কণ্ঠশিল্পী জুবিনৰ প্ৰথমখন সাংস্কৃতিক অনুষ্ঠানৰ পৰা আজি পৰ্যন্ত মই প্ৰায় পাঁচ শতাধিক অনুষ্ঠানৰ সৈতে জড়িত হৈছোঁ, কেতিয়াবা উদ্যোক্তা ৰূপে, কেতিয়াবা পৰিকল্পক-ব্যৱস্থাপক বা সূত্ৰধাৰৰূপে। প্ৰথম আখৰটোৰ পৰা পূৰ্ণাংগ ৰূপ পোৱালৈকে বহু গীতৰ জন্ম যন্ত্ৰণাও দেখিছো আৰু দেখিছো বহুৰে মন নকৰা কেইটামান বিশেষত্ব। জুবিন এজন গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, বাদ্যযন্ত্ৰী, সংগীত ব্যৱস্থাপক, ৰিড্‌ম আৰু মেলডী এৰেঞ্জাৰ আৰু এজন শব্দযন্ত্ৰীও। অৰ্থাৎ গীত লিখি গোৱাৰ পৰা ৰেকৰ্ডিং কৰি কেছেট উলিওৱালৈকে সকলো কাম অকলে নিজে কৰিব পাৰে। যিটো সৰ্বভাৰতীয় ক্ষেত্ৰতে বিৰল।

আন এটি গুৰুত্বপূৰ্ণ দিশ হ'ল জুবিনৰ ভাষাজ্ঞান আৰু যিকোনো ভাষাৰ বিশুদ্ধ উচ্চাৰণ। আজি পৰ্যন্ত বহু বৰেণ্য শিল্পীয়ে গীতত বিষয়বস্তু ৰূপত বৃহত্তৰ অসমীয়া জাতিৰ জনগোষ্ঠীয় ৰূপকথা বা শব্দ-বাক্য ব্যৱহাৰ কৰি বহু অপূৰ্ব গীত সৃষ্টি কৰিছে যদিও জনগোষ্ঠীয় ভাষা-উপভাষা-দোৱানসমূহত গীত গোৱা নাই বুলিবই পাৰি। আমাৰ বোধেৰে জুবিনেই একমাত্ৰ শিল্পী যি উত্তৰ-পূবৰ প্ৰায় আটাইকেইটা ভাষা-উপভাষাত কণ্ঠদান কৰিছে। তাতোকৈ ডাঙৰ কথা হ'ল ইবিলাকত তেওঁৰ উচ্চাৰণ আৰু প্ৰক্ষেপণ শৈলীৰ শুদ্ধতা আৰু প্ৰতিটো গীতৰেই আকাশলংঘী জনপ্ৰিয়তা।

সংস্কৃত, হিন্দী, পাঞ্জাবী, বঙালী, গুজৰাটী, মাৰাঠী, তামিল, তেলুগু আৰু অসমীয়া ভাষাৰ উপৰি জুবিনে কণ্ঠদান কৰা অন্যান্য ভাষা-উপভাষাৰ ভিতৰত অন্যতম হ'ল— বড়ো, কাৰ্বি, দেউৰী, মিচিং, চাদ্ৰী, চাহ জনগোষ্ঠীয়, নেপালী, ৰাজবংশী, তিৱা, গাৰো, আদি, নিছি, আপাতানী আদি।

'অনামিকা', 'মায়া' আদি নতুন শৈলীৰ আধুনিক গীতৰ শ্ৰব্য কেছেটৰ জৰিয়তে অতীৱ জনপ্ৰিয়তা অৰ্জন কৰা সময়ত আদি অৱস্থাত বহু কেইগৰাকী জ্যেষ্ঠশিল্পীয়ে কটাক্ষ কৰিছিল যে 'চিএণ্ডৰি চিএণ্ডৰি পাশ্চাত্য আৰ্হিত আধুনিক গীত

গোৱাটো তেনেই সাধাৰণ কথা। গাওকচোন সি বিহুনাম বা বৰগীত এটা।' সেইসকলৰ সমালোচনাক অৰ্থহীন প্ৰতিপন্ন কৰি জুবিনে আধুনিক গীতৰ সমান্তৰালভাৱে গাবলৈ আৰম্ভ কৰিলে পৰম্পৰাগত আৰু লোকগীতি। বস্তুতেই হয়তো নাজানে শৈশৱতে জুবিনে প্ৰথম পাঠ লৈছিল খোলবাদনৰহে।

প্ৰাচ্য-পাশ্চাত্য আৰু উত্তৰ-পূবৰ সুৰ-সংগীতৰ অপূৰ্ব সংমিশ্ৰণেৰে এক নতুন ধাৰাৰ সৃষ্টি কৰা জুবিনে গাইছে বৰগীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, ঝুমুইৰ, বিহুনাম, নাগাৰা নাম, ঐনিতম, জিকিৰ-জাৰি আদিৰ প্ৰায় পাঁচ সহস্ৰাধিক গীত। জুবিনৰ জৰিয়তে আজিৰ নব প্ৰজন্মই সোৱাদ পালে অসমীয়া লোকসংগীতৰ অমিয়া সুৰৰ। সদাশয় পাঠকসকলে জানি আচৰিত হ'ব যে জুবিনে আয়াসতে এদিনত বিছৰ পৰা পঁচিশটা পৰ্যন্ত গীত নিখুঁতভাৱে গাই বাণীবদ্ধ কৰিব পাৰে। সিও এক অভিলেখ।

## চিনেমা, কবিতা, অসম আৰু অন্যান্য

জুবিনৰ প্ৰথম প্ৰেম গান আৰু অসম। গানৰ ক্ষেত্ৰত দৃষ্টিভংগী বিশ্বজনীন, কিন্তু অসমীয়া ৰূপে প্ৰবল জাতীয়তাবাদী। স্বদেশ-স্বজাতিৰ দুৰ্দিনত তেওঁ সদায় সমদলৰ আগশাৰীত বিদ্যমান। উদাসীনতাৰে সুবিধাজনক দূৰত্বত অৱস্থান কৰাৰ পৰিবৰ্তে তেওঁ সদায় জনতাৰ কাষত থিয় হয়। নিজৰ মাধ্যমেৰে দুৰ্নীতি আৰু দুষ্কৃতিৰ বিৰোধিতা কৰে। সপোন ৰচে জ্যোতি-বিষ্ণু-শংকৰ-চুকাফাৰ জোনাকী দেশৰ। নব প্ৰজন্মক উছাহ যোগায় সংস্কৃতিক-বৌদ্ধিক ইন্ধনেৰে আগবাঢ়ি যাবলৈ।

তেওঁ এজন কবি। 'শব্দ অনুভূতি' তেওঁৰ প্ৰথম প্ৰকাশ। কবি জুবিনে কয়— 'শেষ বুলিলেতো শেষ নহয়, আকৌ আৰম্ভ হয়, শেষ নহয়।' তেওঁ চলচ্চিত্ৰৰো এজন দুৰ্দান্ত প্ৰেমিক। তেওঁৰ ব্যক্তিগত লাইব্ৰেৰীত আছে শ শ দেশী-বিদেশী চলচ্চিত্ৰৰ ভিডিঅ' আৰু চলচ্চিত্ৰ বিষয়ক কিতাপ। আজি বেছ কিছুদিনৰ পৰা তেওঁ মনত কঢ়িয়াই লৈ ফুৰিছে চিনেমাৰ তিনিটা প্লট। তেওঁৰ নতুন পৰিকল্পনা, ছবি নিৰ্মাণ কৰিব — অসমীয়া অথবা হিন্দী।

গান শুনা, চিনেমা চোৱা, নতুন আহাৰৰ জুতি লোৱা, গাড়ী চলোৱা, সাঁতোৰা, বৰশী বোৱা... ইবিলাক তেওঁৰ হ'বী। ভূপেন হাজৰিকা, ৰিদীপ দত্ত, মুনিন বৰুৱা, এছ্ ডি বৰ্মন, কিশোৰ কুমাৰ, নুচৰৎ ফাটেহ আলী খান, ষ্টিংছ, মাইকেল জেক্‌ছন, গেৰী মূৰ আদি তেওঁৰ প্ৰিয় সংগীত শিল্পী। প্ৰিয় ঠাই অসমৰ প্ৰতিখন গাঁও। প্ৰিয় গীত অসমৰ প্ৰতিটো লোকগীত। প্ৰিয় ব্যক্তিত্ব বিষ্ণু ৰাভা। প্ৰিয় কিতাপ

চাৰ্লি চেপলিনৰ আত্মজীৱনী...। এই প্ৰিয়বোৰত নতুন নতুন নাম সংযোগ ঘটিয়েই আছে যিমানে তেওঁ সীমাৰ পৰিধি নেওচি আগুৱাই গৈছে। এই যাত্ৰা অবিৰত হওঁক।

## জুবিনৰ পৰিয়াল

জুবিনৰ সংগীতৰ প্ৰথম শিক্ষক আছিল মাক স্বৰ্গীয়া ইলি বৰঠাকুৰ। মাকক অকালতে হেৰুওৱা জুবিনৰ জীৱনৰ দ্বিতীয়টো অতি শোকজনক ঘটনা হ'ল ডাঙৰ ভনীয়েক জংকিৰ পথ দুৰ্ঘটনাত অকাল মৃত্যু। সেই সন্ধিয়াটোৰ কথা মোৰ আজিও মনত আছে। ঢেকীয়াজুলিত অনুষ্ঠান পৰিৱেশন কৰি আমি সেই নিশা আৰু দিনটো তাতে কটালোঁ। পিছদিনা চতিয়ালৈ বুলি আমি বিয়লি পাঁচমান বজাত ওলাইছো। আগে আগে আমাৰ বাকী শিল্পীসকলৰ বিলাসী ছুপাৰ বাছখন আৰু পিছে পিছে জুবিনৰ গাড়ী। গাড়ীত জুবিন, জংকী, ৰব্‌চন আৰু চালকৰ আসনত আমাৰ আন এজন বন্ধু জয়ন্ত পাত্ৰ। তেজপুৰত দুয়োখন গাড়ী ৰওঁতে আমাৰ গাড়ীখনলৈ উঠি আহিল জুবিন। জুবিন আমি বহি থকা শেষৰ আসন কেইখনৰ ফালে আহিল। জয়ন্ত উঠি আহি জুবিনক মাতিলেহি। আমি তাক ডবিয়াই পঠাই দিলোঁ, 'আজি চতিয়াত এই চিজনৰ শেষ ফাংচন। গ'ল্ডী আমাৰ লগত আহক। তোমালোকে পাছে পাছে আহি থাকা।' সি গ'লগৈ। আমিও অগ্ৰসৰ হ'লোঁ। চতিয়া অভিমুখে। আমাৰ আড্ডাই ভাল পাগ ল'লে। গানৰ পৰা পদাৰ্থ বিজ্ঞানলৈ, পৰেশ বৰুৱাৰ পৰা গৌতম বুদ্ধ-দালাই লামালৈকে— বিভিন্ন বিষয়ত বিভিন্ন সৰস আলোচনা-বাদানুবাদ। হঠাতে বালিপৰা পোৱাৰ আগেয়ে থকা দলংখন পাৰ হৈয়ে পিছফালে এটা ডাঙৰ শব্দ শুনি আমি সচকিত হৈ পৰিলো। জুবিনে চিঞৰি উঠিল— 'বাছখন ৰখা। পাছফালে কিবা এক্সিডেণ্ট এটা হৈছে নেকি?' (জুবিন আৰু আমি পথ দুৰ্ঘটনাত আহত বহুজনক বহুবাৰ ৰাস্তাৰ পৰা উঠাই নি চিকিৎসা কৰোৱাৰ ভালেমান অভিজ্ঞতা আছে।) বাছ ৰোৱাৰ লগে লগে জুবিন নামি গ'ল। পাছে পাছে আমিবোৰ। দেখিলো দূৰৈত এখন গাড়ী বেয়াকৈ দুৰ্ঘটনাগ্ৰস্ত হৈ পৰি আছে। আমি কাষ পোৱাৰ আগতে হঠাৎ জুবিনে চিৎকাৰ কৰি উঠিল,— 'মাইনা'।

সেইখন আমাৰ ইখন গাড়ীয়েই আছিল। মৰমৰ ককায়েক গ'ল্ডীৰ কোলাতেই জংকিয়ে কিছু সময়ৰ পাছতে শেষ নিশ্বাস এৰিলে। চিকিৎসালয়লৈ লৈ যোৱাৰ পথত জয়ন্তও একেবাৰে গ'লগৈ। সিদিনা প্ৰথমবাৰ দেখিলো অসহায় জুবিনক। সকলো হেৰুৱাই চিঞৰি চিঞৰি কান্দি থকা জুবিনক। জুবিনে সিদিনা হেৰুৱালে মৰমৰ ডাঙৰ ভনীয়েক জংকিক, যি আছিল তেওঁৰ বন্ধু আৰু কনিষ্ঠ

হ'লেও কিছু ক্ষেত্ৰত অভিভাৱকৰ দৰে আৰু অসমবাসীয়ে হেৰুৱালে এগৰাকী প্ৰতিভাৱান কণ্ঠশিল্পী আৰু অভিনেত্ৰীক।

পিছে প্ৰকৃতিয়ে জুবিনক ভাঙি পৰিবলৈ নিদিলে। নিদিলে পাপু, পামী আৰু গৰিমাই। জুবিন পুনৰ সজীৱ হৈ উঠিল। জংকী আৰু মাকৰ স্মৃতিক ল'লে প্ৰেৰণা ৰূপে। গৰিমাই অগ্নিক সাক্ষী কৰি হৈ পৰিল জুবিনৰ ছাঁ— দিবা-নিশে। মুম্বাই বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰীধাৰী গৰিমা আছিল ৰাজ্যিক পৰ্যায়ৰ এগৰাকী টেনিছ খেলুৱৈ। বৰ্তমান তেওঁ এগৰাকী ফেশ্বন ডিজাইনাৰ। পামীৰ ইতিমধ্যে বিয়া হৈছে আৰু জুবিনৰ দেউতাক, যাক সকলোৱে মাতে পাপু বুলি, মোহিনীমোহন বৰঠাকুৰে কিছুদিনৰ আগেয়ে ৰাজ্য চৰকাৰৰ প্ৰশাসনিক বিষয়াৰূপে অৱসৰ লৈছে। তেখেতক মানুহে জানে কপিল ঠাকুৰ নামেৰে। জুবিনৰ 'জোনাক গলা জাৰৰ নিশা...' গীতটোৰ গীতিকাৰ এই কপিল ঠাকুৰেই। তেখেত একেধৰে এগৰাকী কবি, গল্পকাৰ আৰু চিত্ৰকৰ। কিতাপ, গান আৰু ইণ্টাৰনেট তেওঁৰ সাম্প্ৰতিক ব্যস্ততা।

## জুবিন আৰু আমাৰ কল্পনা

জনপ্ৰিয়তাৰ সমান্তৰালভাৱে জুবিনে প্ৰায়ে মুখামুখি হৈ আহিছে তেওঁক লৈ সৃষ্ট একে প্ৰাবল্যৰ বিতৰ্কৰো। জুবিনক লৈ প্ৰায়ে শুনা যায় সৰস গল্প গুজব, যিবোৰ প্ৰায়ে হয় কল্পনাপ্ৰসূত আৰু স্পষ্টীকৰণবিহীন। আমি আশা কৰো সিবোৰৰ পৰা উত্তীৰ্ণ হৈ তেওঁ সাংস্কৃতিক দিশৰ লগতে ব্যক্তিগত ছবিখনো আৰু অধিক উজ্জলতৰ কৰি তুলিব। কাৰণ তেওঁ কেৱল এজন গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী বা অভিনেতাই নহয়,— তেওঁক নতুন প্ৰজন্মই ইতিমধ্যে গ্ৰহণ কৰিছে এক 'আইডল' ৰূপে। নিজৰ সৃষ্টিসমূহৰ লগতে জুবিনে অসমৰ লোক সংগীতৰ সুৰদী গীত-মাতবোৰ দেশে-বিদেশে জনপ্ৰিয় কৰি তোলাত অগ্ৰণী ভূমিকা ল'লে সফল কাম হ'ব বুলি আমি আশাবাদী। কাৰণ সেই প্ৰতিভা আৰু সদিচ্ছা তেওঁৰ আছে। আৰু আশা কৰো তেওঁৰ সৃষ্টিসমূহৰ বজাৰৰ জনপ্ৰিয়তা আৰু মানবিশিষ্ট কলাৰ যি প্ৰায় শূন্য ব্যৱধান সি সদায় শূন্য হৈয়েই থাকক।

# গুণী পিতৃ-মাতৃৰ গুণী পুত্ৰ

□ মণ্টু শইকীয়া

১৯৭২ চনৰ এটি বোৱাৰী পুৱা। দিনটো আছিল ১৮ নৱেম্বৰ। স্থান গাৰো পাহাৰৰ এখনি সৰু মনোমোহা চহৰ— তুৰা। নৱেম্বৰৰ এই কামুৰি খাবৰ মন যোৱা নিয়ৰসনা বোৱাৰী পুৱাতে তুৰা চিভিল হাস্পতালত এটি শিশু জন্ম হ'ল। যেন এটি দেৱশিশু পৃথিৱীলৈ নামি আহিল। মুখত সোণৰ চামুচ লৈ নাহিলেও কণ্ঠ তেওঁৰ ঈশ্বৰ প্ৰদত্ত। যোৰহাটৰ মোহিনীমোহন ঠাকুৰৰ ঔৰসত আৰু ইলি বৰঠাকুৰৰ গৰ্ভত জন্ম লাভ কৰা এই শিশুটিয়েই হ'ল বৰ্তমান অসমৰ জনপ্ৰিয় তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন 'ইউকেলিপ্টাছ'ৰ দৰে ওখ হ'ব খোজা শিল্পী জুবিন বৰঠাকুৰ ওৰফে জুবিন গাৰ্গ ওৰফে গ'ল্ডী।

এটা সময় আছিল জুবিন বৰঠাকুৰক চিনাকি কৰাই দিয়া হৈছিল মোহিনীমোহন বৰঠাকুৰৰ পুত্ৰ বুলি, আজি মোহিনীমোহন বৰঠাকুৰক চিনাকি কৰাই দিয়া হয় জুবিন গাৰ্গৰ দেউতাক বুলি। গুণী পিতৃৰ গুণী সন্তান তথা গুণী সন্তানৰ গুণী পিতৃ। মানুহজনৰ প্ৰকৃত নাম মোহিনীমোহন বৰঠাকুৰ। বহুতে তেওঁক কপিল ঠাকুৰ বুলিয়ে জানে। ঘৰুৱা নাম পুতুকণ।

অসম চৰকাৰৰ উচ্চ পদস্থ প্ৰশাসনিক বিষয়া হিচাপে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰা, সদায় ডেকা ইমেজৰ এই ব্যক্তিজন এজন ভাল চিত্ৰশিল্পী আৰু বিশিষ্ট কথাশিল্পীও। ভু-ভাৰতৰ দিহিঙে-দিপাঙে ঘূৰি ফুৰোঁতে কথাশিল্প তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ সেন্দূৰীয়া আলিৰে বাট বুলি তেখেতে মৌকোঁহ বুটলিছিল পিতৃপিতকৈ। প্ৰশাসনিক বিষয়া হিচাপে দায়িত্ব মূৰ পাতি লৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত কৰ্মৰত অৱস্থাত সংগ্ৰহ কৰা বহু গ্ৰন্থ এতিয়া তেখেতৰ ব্যক্তিগত পুথিভঁৰালত সংৰক্ষিত হৈ আছে। তেজপুৰ, যোৰহাট, গোলাঘাট, কৰিমগঞ্জ, বিজনী, নলবাৰী, গাৰো পাহাৰ আদি স্থানত তেখেতে চাকৰি কৰিছিল।

মোহিনীমোহন বৰঠাকুৰে তুৰাৰ এমপ্লয়মেণ্ট এক্সেঞ্জত চাকৰি কৰি থাকোঁতেই ১৯৭২ চনৰ ১৮ নৱেম্বৰত তুৰাৰ চিভিল হাস্পতালত জুবিন বৰঠাকুৰৰ জন্ম। গাৰ্গ গোত্ৰ অনুসৰি পিছলৈ জুবিনে গাৰ্গ উপাধি ব্যৱহাৰ কৰিবলৈ লয়। 'কপিল ঠাকুৰ' ছদ্মনামেৰে বিভিন্ন কাকত-আলোচনীত লেখা-মেলা কৰি অহা, অসংখ্য বিদেশী গল্প অসমীয়ালৈ অনুবাদ কৰা জুবিনৰ দেউতাক মোহিনীমোহন বৰঠাকুৰ এজন ভাল চিত্ৰশিল্পীও। ১৯৬৪ চনৰ পৰা ১৯৭৩ চনলৈ বৰঠাকুৰে তুৰাত চাকৰি কৰিছিল। জুবিনৰ এবছৰ বয়সত দেউতাক তুৰাৰ পৰা তেজপুৰলৈ লেবাৰ ইন্সপেক্টৰ হিচাপে বদলি হৈ আহে। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা, ফণী শৰ্মা, ড' ভূপেন হাজৰিকাৰ পদৰেণুৰে ৰঞ্জিত তথা উষা নগৰী তেজপুৰত জুবিনে দুবছৰীয়া সোণালী শৈশৱ অতিবাহিত কৰিলে। তেজপুৰত দুটা বছৰ থাকি বৰঠাকুৰ পৰিয়ালটি আহে যোৰহাটলৈ। যোৰহাটত তেকেতে টি গাৰ্ডেন ইন্সপেক্টৰ হিচাপে চাকৰিত নিযুক্ত হয়। ১৯৭৬-৮২ চনলৈ বৰঠাকুৰে কৰিমগঞ্জত ছাব-ডেপুটী কলেক্টৰ, ১৯৮২-৮৩ চনলৈ বিজনীত ছাব-ডেপুটী কলেক্টৰ, ১৯৮৪ চনত নলবাৰী তামুলপুৰত এছ ডি চি, ১৯৮৮-৮৯ চনত গোলাঘাট সদৰ এছ ডি অ', ১৯৯০ চনত সৰুপথাৰত এডিশ্যনেল কমিছনাৰ, ১৯৯৫ চনত মাৰ্ঘেৰিটা সদৰ এছ ডি অ' হিচাপে চাকৰি কৰিছিল। দেউতাকৰ চাকৰি সূত্ৰে জুবিনহঁতো অ'ৰ পৰা ত'লৈ ঢপলিয়াই ফুৰিব লগা হৈছিল। গুৱাহাটী খানাপাৰাত থকা ষ্টাফ কলেজতো তেওঁ Joint Director হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেতিয়া তেওঁলোক ষ্টাফ কলেজৰ কোৱাৰ্টাৰতে আছিল। ১৯৮৮ চনৰ পৰা মোহিনীমোহন বৰঠাকুৰে যোৰহাটৰ বঙালপুখুৰীত ঘৰ সাজিবলৈ লয়। ১৯৮৯ চনৰ পৰা জুবিনহঁত যোৰহাটৰ ঘৰত নিগাজীকৈ থাকিবলৈ লয়। জুবিনৰ ভনীয়েক জংকী আৰু পামী (মমন)ৰ জন্ম হয় যোৰহাটতে।

জুবিনৰ ককাক তথা মোহিনীমোহন বৰঠাকুৰৰ দেউতাকৰ প্ৰকৃত ঘৰ হ'ল শিৱসাগৰ জিলাৰ ঝাঁজী তামুলীছিগা গাঁৱত। বৰঠাকুৰৰ দেউতাক কুমুদ বৰঠাকুৰে মাকুমৰ বাগানত চাকৰি কৰিছিল। পিছত তেওঁ শিৱসাগৰৰ বৰহাটত ঘৰ-বাৰী সাজে। তেখেতৰ পত্নী দুগৰাকী। সৰুগৰাকীৰ পৰিয়ালটো বৰ্তমান বৰহাটতে আছে। কুমুদ বৰঠাকুৰৰ প্ৰথমগৰাকী পত্নী কিৰণ বৰঠাকুৰৰ সন্তান মোহিনীমোহন বৰঠাকুৰ। জুবিনৰ ককাদেউতাকৰো গানত বৰ ৰাপ আছিল। মৃত্যুৰ সময়লৈকে তেখেতে গান গাই আছিল। চকীত বহি তালাপ মাহমুদৰ গীত গাই থাকোতেই তেখেতৰ মৃত্যু হৈছিল। কিৰণ বৰঠাকুৰেও জ্যোতি-বিষ্ণু-নজৰুলৰ গীতৰ চৰ্চা কৰিছিল। ভাল গীত গাইছিল। মোহিনীমোহন বৰঠাকুৰৰ বায়েক হ'ল ৰেণু শৰ্মা। ৰেণু শৰ্মায়ো সুন্দৰকৈ গীত গাব পাৰিছিল। 'লাচিত বৰফুকন', 'পূৱেৰুণ', 'পুৱতি নিশাৰ সপোন'ত ৰেণু শৰ্মাই অভিনয়ো কৰিছিল। জুবিনৰ অনামিকা (১৯০২) এলবামৰ—

'প্ৰীতিৰ সুবাসে ধুৱাই দিলেহি

মোৰেই উদাসী মন'... শীৰ্ষক গীতটিৰ ৰচনা আছিল জুবিনৰ জেঠায়েক ৰেণু শৰ্মাৰ। সম্প্ৰতি মুম্বাইত প্ৰতিষ্ঠিত বিখ্যাত সংগীত ব্যৱস্থাপক উৎপল শৰ্মা তেখেতৰে ল'ৰা। আনহাতে উৎপল শৰ্মাৰ ভগ্নী সৰিতা শৰ্মাও এগৰাকী ভাল কণ্ঠশিল্পী। অনামিকা এলবামৰ—

'পথে পথে জোনাক, পোহৰালা তুমিয়ে'

আৰু 'হিয়া দহে বুকু ভাগে, আজি দেখোন নিমিষতে'... শীৰ্ষক গীতৰ ৰচনা সৰিতা শৰ্মাৰে।

গতিকে দেখা যায় যে জুবিনে এটি সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰিছিল আৰু সংগীতৰ চৰ্চা কৰিবলৈ সুযোগ পাইছিল। তদুপৰি শিল্পীগৰাকীৰ একাগ্ৰতা, নিষ্ঠা, সততা, অহোপুৰুষাৰ্থ প্ৰচেষ্টাই সপোন বাস্তৱত ৰূপ দিয়াত সহায় কৰিছিল। কণ্ঠত সৰস্বতীয়ে বাস কৰিলেও জুবিনে অৱশ্যে প্ৰথম অৱস্থাত এগৰাকী বাদ্যযন্ত্ৰী শিল্পী হিচাপেহে কেৰিয়াৰ আৰম্ভ কৰিছিল। আজিও জুবিনে যিকোনো বাদ্যযন্ত্ৰ নিখুঁতকৈ বজাব পাৰে। এইটো জুবিনৰ বৰ ডাঙৰ গুণ। যি সময়ত জুবিনহঁতৰ ঘৰখনত সংগীতৰ মজলিছ চলিছিল সেই সময়ত জুবিনৰ দেউতাকে নীলাচল, জনমভূমি, প্ৰান্তিক, দৈনিক অসম, আমাৰ অসম, বিস্ময়, ৰংঘৰ, ৰহস্য, মায়া, মণিদীপ আদি কাকত-আলোচনীত গল্প-প্ৰবন্ধ লেখিছিল। ছেণ্টিনেল কাকতত কবিতা লেখিছিল। তেখেতে জে বি কলেজত পঢ়ি থাকোঁতে (১৯৬৫-৬৬) বিষ্ণু ৰাভাৰ সান্নিধ্য লাভ কৰিছিল। জে বি কলেজৰ সাংস্কৃতিক সম্পাদক হৈ থাকোঁতে

বৰঠাকুৰে কলেজৰ নৱাগত আদৰণী সভালৈ বিষ্ণু ৰাভাক নিমন্ত্ৰণ জনাইছিল। বিষ্ণু ৰাভাই গীত গাই, বক্তৃতা দিয়াৰ পিছত তেওঁক দেৰগাঁৱৰ প্ৰখ্যাত নৃত্যশিল্পী যতীন গোস্বামীৰ ঘৰত থৈ আহিছিলগৈ। ১৯৮০ চনত জে বি কলেজৰ সোণালী জয়ন্তীৰ সময়ত প্ৰকাশ পোৱা 'স্মৰণিকা'ত বিষ্ণু ৰাভাৰ সৈতে জুবিনৰ দেউতাক আৰু সেই সময়ৰ দুজনমান ছাত্ৰৰ ফটো প্ৰকাশ পাইছিল।

মোহিনীমোহন বৰঠাকুৰ হ'ল অনুকূল ঠাকুৰৰ শিষ্য। ১৯৯৫ চনত তেখেতে অনুকূল ঠাকুৰৰ শিষ্যত্ব গ্ৰহণ কৰে। জুবিনৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় যোৰহাট কাৰ্মেল স্কুলৰ পৰা। যোৰহাটৰ কাৰ্মেল ইংলিছ মিডিয়াম স্কুলত জুবিনে মাত্ৰ নাৰ্চাৰী পাঠ্যক্ৰম পঢ়ে। তাৰ পিছত দেউতাকৰ চাকৰি সূত্ৰে জুবিনহঁত কৰিমগঞ্জলৈ যায়। হাইস্কুলপৰ্যন্ত জুবিনে কৰিমগঞ্জৰ হাইস্কুলত পঢ়ে। পৰৱৰ্তী সময়ত জুবিনে বিজনী বান্ধৱ হাইস্কুলত নামভৰ্তি কৰে। শিল্পীগৰাকীয়ে মেট্ৰিক পাছ কৰে তামুলপুৰ হাইস্কুলৰ পৰা। সেয়া আছিল ১৯৮৮-৮৯ চনৰ কথা। জুবিনে প্ৰথম বিভাগত সুখ্যাতিৰে মেট্ৰিক পাছ কৰি যোৰহাটলৈ গুচি আহে। কাৰণ সেই সময়ত জুবিনহঁতৰ যোৰহাটৰ আসাম টাইপৰ ঘৰটিৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছিল। তেতিয়াৰ পৰা (১৯৮৯) জুবিনহঁত যোৰহাটৰ বস্তালপুখুৰীৰ ঘৰত থাকিবলৈ লয়। জুবিনে যোৰহাট জে বি কলেজৰ বিজ্ঞান শাখাত নামভৰ্তি কৰে। সেই সময়ত দেউতাক এডিশ্যনেল কমিছনাৰ হিচাপে সৰুপথাৰলৈ বদলি হৈ আহে। জে বি কলেজৰ পৰা হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ জুবিনে গুৱাহাটীৰ বি বৰুৱা কলেজত (বি এছ চি) অধ্যয়ন কৰে। 'Morning shows the days' কথাষাৰ জুবিনৰ ক্ষেত্ৰত খাটে। ইংৰাজীত এষাৰ কথা আছে 'Behind success of every man, there is a woman' অৰ্থাৎ কোৱা হয় প্ৰত্যেকজন পুৰুষৰ সাফল্যৰ আঁৰত এগৰাকী নাৰী থাকে। তেওঁ মাতৃ, গৃহিণী, ভগ্নী বা প্ৰেমিকাও হ'ব পাৰে। জুবিনৰ সাফল্যৰ আঁৰত থকা নাৰীগৰাকী হ'ল জুবিনৰ মাতৃ ইলি বৰঠাকুৰ। জুবিনৰ মাতৃয়েই হ'ল জুবিনৰ 'ফ্ৰেণ্ড ফিল'ছফাৰ এণ্ড গাইড' স্বৰূপ। জুবিনৰ গানৰ প্ৰথম শ্ৰোতা গ'ল জুবিনৰ মাতৃ, জুবিনৰ প্ৰেৰণাৰ আঁৰত হ'ল জুবিনৰ মাতৃ। একালৰ জুবিন বৰঠাকুৰৰ পৰা জুবিন গাৰ্গ হোৱাৰ মূলতে হ'ল জুবিনৰ মাতৃ ইলি বৰঠাকুৰ। এই কথা আজি পিতৃ মোহিনীমোহন বৰঠাকুৰে অকপটে স্বীকাৰ কৰে। এই কথা যোল্ল অনাই সঁচা যে যি সময়ত জুবিনৰ দেউতাকে চাকৰি সূত্ৰে ৰাজ্যৰ অৰণ্ডে-দৰণ্ডে ভ্ৰমি ফুৰিছিল সেই সময়ত মাতৃ ইলি বৰঠাকুৰে জুবিন-জংকী-যমনহঁতক 'মানুহ' হোৱাৰ আদিপাঠ দিছিল। যোৰহাটৰ ঘৰখনৰ গুৰিৰ'ঠা ধৰিছিল। জীৱনৰ চাকনৈয়াত অহা ভূমিকম্প, বজ্ৰপাত, ধুমুহা জুবিনহঁতৰ মূৰৰ ওপৰত পৰিবলৈ দিয়া নাছিল সেই

সাধ্বী মাতৃগৰাকীয়ে। অৱশ্যে জুবিনেও জীৱন মৰুভূমিত বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি ইউকেলিপ্টাছৰ দৰে ওখ হৈ সফলতাৰ আকাশ চুব পাৰিছে। জুবিনৰ মাতৃ ইলি অধ্যাপক বৰঠাকুৰ একাধাৰে এগৰাকী সফল গৃহিণী, অভিনেত্ৰী, সু-পৰিচালক আৰু স্বভাৱ শিল্পী। তেওঁৰ আই-বোপাইৰ ঘৰ আছিল যোৰহাটৰ সৰুচৰাইত। অপেছাদাৰী বিভিন্ন নাট্যদলত তেওঁ অভিনয় কৰিছিল। ১৯৮৯ চনত 'চিৰাজ' নাটকত অভিনয় কৰি দৰ্শকৰ মনত সাঁচ বহুৱাইছিল। গানো গাইছিল সুন্দৰকৈ। তদুপৰি তেওঁ সুন্দৰকৈ হাৰমণিয়ম বজাইছিল আৰু ৰাসলীলাৰ নৃত্য শিকাইছিল। তেখেতে চাকৰিও কৰিছিল। যোৰহাট আই টি আইত কেৰাণী হিচাপে কাৰ্যনিৰ্বাহ কৰা ইলি বৰঠাকুৰে বিয়াৰ এবছৰৰ পিছত ঘৰুৱা অসুবিধাৰ বাবে চাকৰি বাদ দিছিল। ছোৱালী দুজনীক সংগীত-নৃত্যৰ শিক্ষা দিছিল মাকেই।

কিন্তু নিয়তি বৰ নিষ্ঠুৰ। নিয়তিয়ে মাতৃ-ভগ্নীক লৈ গ'ল জুবিনৰ কাষৰ পৰা। ২০০০ চনৰ ৩ ছেপ্টেম্বৰত জুবিনৰ মাতৃৰ আৰু ২০০১ চনৰ ১১ জানুৱাৰীৰত জংকীৰ অকাল মৃত্যু হয়।

আপোন দুজনক হেৰুৱাই জুবিন হৈ পৰিছিল বৰ অকলশৰীয়া। জন্ম-মৃত্যু হয়তো এনেকুৱাই— কাৰো ওচৰত চুপাৰিছ নাখাটে।'

সেই সময়ত নিঃসংগ জুবিনক সংগ দিছিল প্ৰেয়সী গৰিমাই। গৰিমা শইকীয়া গাৰ্গ। গোলাঘাটৰ জীয়ৰী। স্বনামধন্য শিল্পী জুবিন গাৰ্গৰ স'তে প্ৰেম-বিবাহত আবদ্ধ হয় ২০০০ চনৰ ৪ ফেব্ৰুৱাৰীত। প্ৰত্যুৎপন্নমতি প্ৰাণচঞ্চলা গৰিমাৰ পিতৃ হ'ল সুৰেন্দ্ৰ নাথ শইকীয়া, ফৰেষ্ট ৰেঞ্জাৰ হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰিছে। মাতৃ ৰুণুমী শইকীয়া। গৰিমাৰ ভ্ৰাতৃ ভূপেশ শইকীয়া ৰেডিঅ' ও-লা-লা-ৰ প্ৰগ্ৰেম হেড হিচাপে কৰ্মৰত। গৰিমাই প্ৰাথমিক শিক্ষা আৰম্ভ কৰে গোৱালপাৰা বাপুজী নগৰ প্ৰাথমিক বিদ্যালয়ত। স্কুলীয়া শিক্ষা গোলাঘাট দণ্ডধৰ বালিকা হাইস্কুল। কটন কলেজত উচ্চতৰ মাধ্যমিকৰ শিক্ষা সাং কৰি ব'ম্বে চ'ফিয়া গাৰ্লছ কলেজত ভৰ্তি হয়। ব'ম্বে ইউনিভাৰ্চিটীৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ফেশ্বন ডিজাইনাৰ হিচাপেও গৰিমাই স্থান দখল কৰিছে।

সোণালী শৈশৱত জুবিন আছিল এটি চটফটীয়া সচৰাচৰ দুষ্ট ল'ৰা। ঈশ্বৰ প্ৰদত্ত তাৰ কণ্ঠ। সংগীত তাৰ নিচা। গান তাৰ তেজত আছিল। ককাকে ধৰি জুবিনহঁতৰ পৰিয়ালটোৰ আছিল গানৰ সৈতে অগাধ প্ৰেম। জুবিন আৰু গান যেন একেটা মুদ্ৰাৰ দুটা পিঠি।

**উপসংহাৰ**

এয়ে জীৱন [illegible] প্ৰেম।

মোহিনীমোহন বৰঠাকুৰে সজা একালৰ সেই যোৰহাট বঙালপুখুৰীৰ সংগীতময় ঘৰখন আজি নাই। ঘৰখন বিক্ৰী হৈ গ'ল বহু বছৰ আগতে। বহু তপত তপত হুমুনিয়াহ পাৰ হৈ গৈছে সেইখন ঘৰৰ জীৱনবোৰৰ মাজেৰে। জুবিনৰ মাতৃ ইলি বৰঠাকুৰে আটোমটোকাৰীকৈ সজা ঘৰখনৰ হাঁহি-কান্দোনৰ, সুখৰ-দুখৰ দিনবোৰ আজি মাথোঁ অনুৰণন হৈ থাকে মোহিনীমোহন বৰঠাকুৰ আৰু জুবিন গাৰ্গৰ মনৰ মাজত। ডেই অহা জীৱনৰ বহু বিচিত্ৰ ঘটনাই দুয়োকে আমনি কৰে।

এয়ে জীৱন এয়ে প্ৰেম।

এইখিনিতে প্ৰসংগক্ৰমে জয়ন্ত হাজৰিকাৰ সেই গীতৰ কলিটো পুনৰ পাগুলিবৰ মন গৈছে। যিটো গীত মোহিনী মোহন বৰঠাকুৰৰ বৰ প্ৰিয়...।

'ভৰিৰ তলুৱাৰ পৰা যদি
ধৰাখন খহি খহি পৰা যেন লাগে।
তিল তিলকৈ যদি নিজৰেই ঘৰখন
কাৰোবাৰ ৰোষতহে ভাগে
পুনৰ গঢ়িবা তুমিহে বান্ধৈ
পুনৰ গঢ়িবা তুমি...।।'

# মোৰ দৃষ্টিত জুবিন

## *জুবিনৰ বিষয়ে কিছু কথা...*

দেৱ কুমাৰ বৰকটকী

**জুবিনক প্ৰথম কেনেদৰে লগ পাইছিলো**

সেয়া আছিল ১৯৯৩ চনৰ আগষ্ট মাহৰ কথা। জুবিনৰ বিষয়ে প্ৰথম শুনিছিলো মোৰ অন্তৰংগ বন্ধু, বৰ্তমান মুম্বাইৰ এগৰাকী ব্যস্ত সংগীত ব্যৱস্থাপক উৎপল শৰ্মাৰ পৰা। আমাৰ প্ৰতিষ্ঠান এন কে প্ৰডাকশ্যনৰ প্ৰথম অৱস্থাৰ বহু শ্ৰব্য কেছেটৰ সংগীতৰ কাম উৎপলেই কৰিছিল। এদিনাখনৰ কথা। উৎপলৰ লগত Music Alubum এটাৰ কাম শেষ কৰি আমি কেইজনমানে বহু ৰাতিলৈকে আড্ডা মাৰি আছিলো। এনেকৈ কাম শেষ কৰাৰ পাছত বহু ৰাতিলৈকে আড্ডা মৰাটো আমাৰ অভ্যাসতে পৰিণত হৈছিল। উৎপলৰ লগত আড্ডা মাৰি বৰ ভাল লাগে। তেওঁ বৰ ৰসিকতাৰে কথাবোৰ কয়। উৎপলে সিদিনাৰ আড্ডাত কথা প্ৰসংগত তেওঁৰ এজন সম্পৰ্কীয় ভায়েকৰ কথা কৈছিল— ল'ৰাজনে বোলে খুউব ভাল সুৰ কৰে, ভাল লিখে আৰু গায়ো। ল'ৰাজনৰ নাম 'জুবিন'। এদিনাখনৰ কথা...। মই আমাৰ যোৰহাটস্থ এন কে প্ৰডাকশ্যনৰ কেছেট বিপণীখনত বহি আছো। প্ৰায়ে অহাৰ দৰে

সিদিনাও আমাৰ দোকানলৈ সেই যুৱকজন সোমাই আহিল। যুৱকজনৰ চেহেৰাটো মনত ৰাখিবলগীয়া। সাজ-পোছাকবোৰে অসাধাৰণ, চকুত গান্ধীৰ গোল চছমা, চুলিখিনিও uncommon জুবিনৰ লগত কথা-বতৰা হোৱা নাছিলো যদিও প্ৰায়ে এখন ব্যতিক্ৰমী চাইকেলত উঠি আমাৰ দোকানলৈ আহি বিভিন্ন কেছেটৰ লগতে প্ৰায়ে ইংলিছ কেছেটবোৰ চাই থকা, কেতিয়াবা দুই-এটা কেছেট কিনি নিয়া সেই সময়ৰ গুৱাহাটীৰ বি বৰুৱা কলেজৰ ৰসায়ন বিভাগত পঢ়া ল'ৰাজনৰ লগত মোৰ চকুৰ চিনাকি এটাহে আছিল। সিদিনা আমাৰ দোকানৰ কেছেটৰ ছেলফ'ত চকু ফুৰাই থকা যুৱকজনক সেয়েহে দেখিয়েই মোক উৎপল দাই কোৱা কথাটোলৈ মনত পৰিল। উৎপল দাই জুবিনৰ বিষয়ে দিয়া বৰ্ণনাৰ পৰা মই জুবিনক চিনি পোৱাত সহজ হৈছিল। কিন্তু যুৱকজনৰ লগত চিনাকি হ'ম বুলি ভাবোঁতেই তেওঁ দোকানৰ পৰা ওলাই গৈছিল। মই লগে লগে মোৰ দোকানৰ কৰ্মচাৰী এজনক যুৱকজনক মাতিবলৈ পঠিয়াই দিলোঁ। কিন্তু কৰ্মচাৰীজনে যুৱকজনক লগ নাপাই উলটি আহিল। গ'ল কথা গুচিল। ইয়াৰ কিছুদিনৰ পাছতে মই যোৰহাটৰ পৰা গুৱাহাটীলৈ আহিছিলো ৰেকৰ্ডিঙৰ কাম এটাত ভূপেন উজীৰৰ ষ্টুডিঅ'লৈ...। ভূপেন উজীৰৰ ষ্টুডিঅ'ত আমি তেতিয়া উৎপল শৰ্মা আৰু অনুৰাধা পাড়োৱালক কণ্ঠশিল্পী হিচাপে লৈ নিৰ্মাণ কৰা 'অনুৰাধা' নামৰ শ্ৰব্য কেছেটটিৰ কাম কৰি আছিলো। এদিন ভূপেন দাৰ ষ্টুডিঅ'ৰ কণ্ট্ৰল ৰুমলৈ সোমাই যাওঁতেই দেখিলো মোৰ দোকানলৈ আহি থকা উৎপলে কোৱা সেই যুৱকজনে গান এটা গাই আছিল—

জোনাকে কাণে কাণে আহি ক'লে
নিবিড় অবুজ ভাষাৰে...

কি অপূৰ্ব কণ্ঠ! কি সুন্দৰ গায়কী...। যুৱকজনে গানটো গাই শেষ নকৰালৈকে মই ষ্টুডিঅ'তে অপেক্ষা কৰিছিলো। গীতটো গাই শেষ কৰাৰ পাছত যুৱকজনৰ লগত চিনাকি হৈছিলো। যুৱকজনৰ নাম আছিল জুবিন। আজি অসম তথা ভাৰতৰ এজন জনপ্ৰিয় গায়ক... সেই জুবিন। জুবিনৰ লগত হোৱা সেই চিনাকিয়েই আছিল আজিলৈকে জুবিনৰ লগত থকা গভীৰ বন্ধুত্বৰো আৰম্ভণি...।

## জুবিনৰ অনামিকা আৰু কিছু কথা

ইয়াৰ পাছত কিছুদিন পাৰ হ'ল। আমি দুটা মিউজিক এলবাম বনাম। এটা উৎপল শৰ্মা আৰু অনুৰাধা পড়োৱালক লৈ কাম চলি থকা 'অনুৰাধা' আৰু আনটো জুবিন আৰু কবিতা কৃষ্ণমূৰ্তিক লৈ...। এলবাম সম্পৰ্কীয় কাম লৈ মুম্বাইত অনুৰাধা

পঢ়োৱাল আৰু কবিতা কৃষ্ণমূৰ্তিৰ ভয়চ ডাবিঙৰ বাবে যোৱাৰ কথা ঠিক কৰিলো। আমাৰ কেছেটৰ ফাইনেল আৰ্টিষ্টৰ কাম ইতিমধ্যে প্ৰায় শেষ হৈছিল। শেষত আমি জুবিনৰ ভয়চ ডাবিঙৰ কাম আৰম্ভ কৰিলো। কেছেটটোৰ নাম ৰাখিছিলো 'অনামিকা'। তাত জুবিনৰ আঠটা গান আছিল। জুবিনৰ এই আঠটা গীত গাওঁতে সময় লাগিছিল চল্লিশ মিনিটমানহে। তেতিয়াই মই ভাবিছিলো। তাত উপস্থিত ৰেকৰ্ডিষ্টজনেও জুবিনক প্ৰশংসা কৰিছিল আৰু আমিও জুবিনৰ প্ৰতিভাৰ উমান পাইছিলো।

শাৰদীয় বতৰত 'অনামিকা'ই মুক্তি পালে। দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনা মুক্তি পোৱা কেছেটটোৰ জৰিয়তে দশমীৰ বিসৰ্জন নৌহওঁতেই জুবিন সমগ্ৰ অসমৰ গুণগ্ৰাহী শ্ৰোতাৰ নয়নৰ মণি হৈ পৰিল। 'অনামিকা' ছুপাৰ হিট হ'ল। জুবিন গঢ়িলে অসমীয়া সংগীতৰ নতুন এটা ধাৰা আৰু সমান্তৰালভাৱে জুবিনৰ লগত বন্ধুত্বও আৰু গভীৰ হ'ল। জুবিনৰ কিমান টেলেণ্ট সেয়া কৈ শেষ কৰিব নোৱাৰি। তেওঁৰ প্ৰতিটো বিষয়ৰে জ্ঞান বহু গভীৰ। বিখ্যাত উপন্যাস এখনৰ পৰা বিখ্যাত গীটাৰিষ্ট জনলৈকে..., এটা গান শুনি সেয়া লাগিলে নিজৰ ভাষাৰ গীতেই হওক বা অন্য ভাষাৰ গীতেই হওক সেই গীতটোৰ সুৰ খুব কম সময়তে জুবিনে আয়ত্ত কৰি ল'ব পাৰিছিল। এইখিনিতে মোৰ বহু দিনৰ আগৰ কথা এটালৈ মনত পৰিছে। এবাৰ আমাৰ প্ৰডাকশ্যনৰ জোনালীত থকা ডি জি মিউজিক ষ্টুডিঅ'ত মিচিং জনগোষ্ঠীৰ 'পানৈ-জংকী' নামৰ চিনেমাখনৰ গীতৰ কাম চলি আছিল। ছবিখনৰ গীত গাবৰ বাবে প্ৰযোজকে জুবিনকো মাতিছিল। মিচিং ভাষাটো আয়ত্ত কৰি সেই ভাষাত গীত গোৱাটো যথেষ্ট কঠিন আছিল আৰু জুবিনৰ গীতটো শিকাবলৈ আমাৰ ষ্টুডিঅ'ত বহুকেইজন মিচিং শিল্পী উপস্থিত আছিল, যিহেতু এই গীতটো আছিল জুবিনৰ কণ্ঠৰ প্ৰথম মিচিং গীত। জুবিনে গীতটো শুনি অতি কম সময়ৰ ভিতৰতে আয়ত্ত কৰি ইমান সুন্দৰকৈ গীতটো গালে যে তেতিয়া ষ্টুডিঅ'ৰ কণ্ট্ৰল ৰুমত উপস্থিত থকা মিচিং শিল্পীকেইজনে আনন্দতে কান্দি দিছিল। পৰৱৰ্তী সময়ত জুবিনে বহু ভাষাতে গীত গাইছে--- ৰাভা, বড়ো, কাৰ্বি, অৰুণাচলী, মণিপুৰী, নেপালী, পাঞ্জাবী, তেলুগু, তামিল, বেংগলী, কৰ্ণাটকীকে আদি কৰি অসমীয়া লোক-সংস্কৃতিৰ প্ৰায়বিলাক গীতেই গাইছে। নাগাৰা নাম, বৰগীত, টোকাৰী গীত, দিহনাম, হোলীগীত, গোৱালপৰীয়া, কামৰূপীয়া, বিহুগীত ইত্যাদি সকলো গীতেই জুবিনে গাইছে।

এটা অসমীয়া গীত গাবৰ বাবে তেওঁক যিমান সময় লাগে বেলেগ এটা ভাষাৰ গীত গাবলৈ তাতকৈ অলপহে বেছি সময় লাগে। আচলতে গীত এটা আয়ত্ত কৰি ল'ব পৰা গুণ শিল্পী হিচাপে জুবিনৰ অসীম।

'অনামিকা'ই জুবিনক দিলে বিপুল জনপ্ৰিয়তা। জুবিন য'তেই যায় ত'তেই জুবিনৰ গুণগ্ৰাহী শ্ৰোতাই জুবিনক মৰমেৰে ওপচাই পেলায়। শ্ৰোতাৰ মৰমৰ দাবীত আমি 'অনামিকা'ৰ মুক্তিৰ এবছৰৰ পাছত জুবিনৰ কণ্ঠত অন্য এটি ৰোমাণ্টিক গীতৰ এলবাম বনোৱাৰ কথা ভাবিলো। কেছেটটোৰ নাম আছিল 'মায়া'। মায়াৰ কামত আমি আকৌ মুম্বাইলৈ গ'লো। মুম্বাইত গৈ মায়াৰ ৰেকৰ্ডিংৰ কাম কৰি থাকোঁতে বহুজনে জুবিনক মুম্বাইত থাকি কাম কৰাৰ পৰামৰ্শ দিছিল। এনেকুৱা পৰামৰ্শই জুবিনৰ লগতে আমাকো স্বাভাৱিকতে উৎফুল্লিত কৰি তুলিছিল।

## জুবিনৰ মুম্বাই যাত্ৰাৰ নেপথ্য কাহিনী

মুম্বাইৰ পৰা 'মায়া'ৰ কাম শেষ কৰি আহি আমি 'মায়া'ৰ মুক্তি দিলোঁ। 'মায়া'ৰ মুক্তিৰ লগে লগেই অসমৰ সংগীত জগতত তুমুল আলোড়নৰ সৃষ্টি হ'ল। অসমৰ চুকে-কোণে, চহৰে-নগৰে মায়াই পালে বিপুল জনপ্ৰিয়তা। অনামিকাৰ দৰে মায়াও হ'ল ছুপাৰহিট। মায়াৰ জনপ্ৰিয়তাই আমাক আগলৈ আগবাঢ়ি যোৱাত যথেষ্ট সাহস দিলে।

জুবিনৰ প্ৰতিভা আৰু জনপ্ৰিয়তাৰ কথা অসমৰ সৰ্বত্ৰ আলোচনা হ'বলৈ ধৰিলে। যাৰ বাবে আমাৰ বন্ধু মহলত জুবিনক লৈ বিশেষ কিবা এটা ভবাৰ সুযোগ পালোঁ। আমাৰ আড্ডাত প্ৰায়ে জুবিনে ৰাষ্ট্ৰীয় পৰ্যায়ত কাম কৰাৰ কথা আলোচনা হ'বলৈ ধৰিলে। কিয়নো জুবিনৰ প্ৰতিভাৰ কথা ইতিমধ্যে সকলোৱে উপলব্ধি কৰিছিল। এটা সংস্কৃতিবান পৰিয়ালত ডাঙৰ-দীঘল হোৱা জুবিনৰ মাতৃও আছিল এগৰাকী কণ্ঠশিল্পী। শিল্পীসত্তাৰ জুবিন মাতৃৰ সপোন আছিল তেওঁৰ ল'ৰাই গৈ মুম্বাইত কাম কৰক, সৰ্বভাৰতীয় পৰ্যায়ত স্বীকৃতি পাওক।

জুবিনৰ অগণন গুণগ্ৰাহী শ্ৰোতা, জুবিনৰ পৰিয়ালৰ বিশেষকৈ মাকে জুবিনক লৈ দেখা সপোন আৰু জুবিনে নিজে মুম্বাইত গৈ কিবা এটা কৰাৰ হেঁপাহ— এই সকলো দিশ চালি-জাৰি চাই আমি জুবিন মুম্বাইলৈ যোৱাটো ঠিৰাং কৰিলো।

ইয়াৰ পিছত এন কে প্ৰডাকশ্যনৰ 'আশা' নামৰ শ্ৰব্য কেছেটটোৰ কাম কৰিবলৈ মুম্বাইলৈ গৈছিলো আৰু সেইবাৰেই জুবিন মুম্বাইত থাকি আহিছিল। সেয়া আছিল ১৯৯৫ চনৰ কথা। আশাৰ কাম শেষ কৰি মই জুবিনক মুম্বাইতে এৰি গুৱাহাটী অভিমুখে আহিছিলো। জুবিনক এৰি অহা সেই ৰাতিপুৱাটো আছিল জুবিন আৰু মোৰ বাবে এটা পাহৰিব নোৱৰা বেদনা গধুৰ দিন। জুবিনৰ পৰা যেতিয়া বিদায় লৈ গুৱাহাটী অভিমুখী ফ্লাইট ধৰিবলৈ 'চিকিউৰিটী' ৰুমত সোমাই পৰিছিলো তেতিয়া তেওঁৰ মুখলৈ মই আকৌ এবাৰ ঘূৰি চাব পৰা নাছিলো।

মই গুৱাহাটীলৈ ঘূৰি অহাৰ পাছত দুই-তিনি দিনৰ মূৰে মূৰে জুবিনৰ খবৰ লওঁ..., কাম-কাজ কেনে চলিছে তাৰ বুজ লওঁ, তেওঁক সাহস দিয়াৰ চেষ্টা কৰোঁ,

মুম্বাইত জুবিনে লাহে লাহে দুই-এটা কাম পাবলৈ ল'লে যদিও জুবিনৰ প্ৰতিভাক মুম্বায়ে চিনি পাবলৈ, দেশে জানিবলৈ বাৰ বছৰ লাগিল। প্ৰকৃততে নিজৰ ওপৰত থকা প্ৰচুৰ আত্মবিশ্বাসৰ বাবেই জুবিনে আনৰ ওচৰত সৰু হ'বলৈ বেয়া পায়। প্ৰযোজক-পৰিচালকৰ দুৱাৰে দুৱাৰে ন'ক কৰি ঘূৰি-ফুৰাহেঁতেন 'য়া আলি'ৰ দৰে বহু গীত মুম্বাইত বাজি উঠিলহেঁতেন, জুবিনৰ সৌভাগ্য বহু পূৰ্বেই আহিলহেঁতেন। 'য়া আলি' হিট হোৱাৰ পাছত জুবিনে এতিয়া পিছলৈ ঘূৰি চাব লগা হোৱা নাই।

জুবিনৰ প্ৰফেচনেল দিশটোৰ অনৰ এক যোগাত্মক দিশ হ'ল— জুবিনৰ লগত এবাৰ যি কথা পাতে, তেওঁ জুবিনক, জুবিনৰ প্ৰতিভাক লগে লগেই বুজি পায়। জুবিনৰ লগত খুব কাম সময়তে সকলোৰে বন্ধুত্ব গভীৰ হৈ পৰে। যাৰ বাবেই নেকি মুম্বাইৰ বহু শিল্পীতকৈ প্ৰযোজক-পৰিচালকবোৰে জুবিনক সমীহ কৰি চলে।

দ্বিতীয়তে অন্য বহুতৰ গাত নথকা এটা গুণ জুবিনৰ গাত আছে। তেওঁ নিজে গীত লিখি, সুৰ কৰি, গাই. নিজে মিউজিক এৰেঞ্জ কৰি ৰেকৰ্ডিং কৰি মি.ডিং কৰালৈকে সকলো কাম কৰিব পাৰে। প্ৰায় সকলো বাদ্যযন্ত্ৰ তেওঁ বজাব জানে...। প্ৰকৃততে সংগীতৰ লগতেই জুবিনে নিজৰ জীৱনটোক উচৰ্গা কৰিছে।

## জুবিন বহুত বেছি দয়ালু

জুবিন বহুত বেছি দয়ালু, বহুত সামাজিক। সমাজৰ বাবে, আন দহজনৰ বাবে তেওঁ সদায় ত্যাগ কৰিবলৈ সাজু থাকে। জুবিনে আনৰ দুখ কেতিয়াও সহ্য কৰিব নোৱাৰে। নিজৰ হাতত যদি তেওঁৰ এহাজাৰ টকাও থাকে আনৰ দুখ দেখিলে নিজৰ কথা চিন্তা নকৰি সেই গোটেই এহাজাৰ টকাটোকে আনক দি দিয়ে। জুবিনে গুৱাহাটীৰ শিশুগ্ৰামৰ দুটা ল'ৰা তুলি লৈছে। আজি পৰ্যন্ত সিহঁতৰ পঢ়া-শুনাৰ সমস্ত দায়িত্ব জুবিনে বহন কৰি আহিছে। তদুপৰি মেট্ৰিকত এক নম্বৰৰ বাবে ষ্টেণ্ড কৰিব নোৱাৰা এটা দুখীয়া ঘৰৰ ল'ৰাকো জুবিনে কটনত পঢ়োৱাৰ সমস্ত ব্যয় বহন কৰিছে।

আনৰ দুখ সহ্য কৰিব নোৱৰা জুবিনে গুৱাহাটীৰ বোমা বিস্ফোৰণৰ খবৰ পায় মুম্বাইত নিজৰ কাম আধাতে এৰি অসমলৈ আহি পোনে পোনে চিকিৎসালয়লৈ গৈ আহত, নিহতসকলৰ খবৰ লৈ ফুৰিছিল, আহতসকলৰ মাজত খাদ্যবস্তু, পানী আদি বিতৰণ কৰি ফুৰিছিল। অসমত হৈ যোৱা কেইবাটাও প্ৰলয়ংকৰী বানপানীত বানাক্ৰান্ত ৰাইজৰ বাবে সাহায্য বিচাৰি নিজে ৰাজপথত নামি পৰিছিল।

## জুবিনৰ অন্য কিছু দিশ

জুবিনৰ প্ৰতিটো ক্ষেত্ৰতে থকা জ্ঞানৰ দখল অপৰিসীম। আচলতে জুবিন

বহুত বেছি অধ্যয়নশীল। বিখ্যাত ছবি এখনৰ পৰা বিখ্যাত পৰিচালক এজনলৈকে, বিখ্যাত সাহিত্যিক এজনৰ পৰা বিখ্যাত গ্ৰন্থ এখনলৈ, কোন চনত কোনে পুলিংজাৰ বঁটা পালে, কোনে কেতিয়া অস্কাৰ এৱাৰ্ড পাইছিল, কোনজন বিখ্যাত ব্যক্তিয়ে কেতিয়া কোনটো শাখাত নোবেল পাইছিল... এই সকলো কথা জুবিনৰ আয়ত্তৰ ভিতৰত থাকে। আনহাতেদি জুবিনৰ স্মৃতিশক্তি, সংঘাটিক প্ৰখৰ। পাঁচ বছৰৰ আগতে লগ পোৱা মানুহ এজনক জুবিনে পুনৰ লগ পালে নাম ধৰি মাতি দিব পাৰে। জুবিনৰ ভাষাজ্ঞানো প্ৰচুৰ। তেওঁ বিভিন্ন ভাষাত কথা পাতিব পাৰে...। জুবিনৰ জীৱনৰ অন্য এক যোগাত্মক দিশ হ'ল— তেওঁ বহুত পৰিশ্ৰম কৰিব পাৰে। দিনত শুই ওৰে ৰাতি তেওঁ কাম কৰে, কাম কৰিব পাৰে।

## অভিনেতা, কবি জুবিন

সংগীতৰ ক্ষেত্ৰখনৰ উপৰি জুবিনে ড' ভবেন্দ্ৰ নাথ শইকীয়াৰ 'দীনবন্ধু' নামৰ ছবিখনত অভিনয় কৰি প্ৰমাণ কৰিছিল যে তেওঁ এজন ভাল অভিনেতাও? ইয়াৰ পাছত এম মণিৰামৰ 'মন যায়' নামৰ ছবিখনৰ যোগেদি তেওঁ এজন অত্যন্ত প্ৰতিভাশালী অভিনেতা বলি নিজকে প্ৰমাণ কৰিলে। উল্লেখ্য এই ছবি দুখন ভাৰতীয় পেনোৰামালৈয়ো নিৰ্বাচিত হৈছে।

আনহাতে সংগীত সুধাৰে সকলোকে মোহাচ্ছন্ন কৰি ৰখা গায়ক জুবিনে তেওঁৰ প্ৰথমখিনি কবিতা পুথি 'শব্দ অনুভূতি'ৰ যোগেদি নিজকে কবি হিচাপেও প্ৰতিষ্ঠা কৰিলে। জুবিনৰ অনুভৱৰ কাব্যিক প্ৰকাশ এই কবিতাপুথিখনৰ প্ৰতিটো কবিতাই হয়তো বহুজনক চুই যাব... জুবিনৰ কলমৰ আগেৰে ওলোৱা এনে নতুন সৃষ্টিৰ .. দুটামানি শাৰী 'শেষ বুলিলেইতো শেষ নহয়...

আকৌ আৰম্ভ হয়

শেষ নহয...

## প্ৰেমাৰ জুবিন আৰু ...

জীৱনত জনপ্ৰিয় মানুহ বহুত দেখিছো, বহুত লগো পাইছো। জুবিনৰ ক্ষেত্ৰত এয়া যেন কিছু বেলেগ। জুবিনক সৰুৰ পৰা ডাঙৰলৈকে সকলোৱেই ইমান ভাল পায়, মৰম কৰে। ভাত খাবলৈ নিবিচৰা নিজৰ ল'ৰা-ছোৱালীকো মাক-বাপেকে জুবিনৰ গান শুনাই ভাত খুৱাই ..। এইখিনিতে জুবিনৰ ভগ্নী জংকী আৰু বন্ধু জয়ন্ত পাত্ৰ ঢুকোৱা দিনটোলৈ মনত পৰিছে— এক্সিডেণ্টৰ খবৰ পাই মই যেতিয়া তেজপুৰ গৈ পাওঁগৈ তেতিয়া দেখিছিলো জংকী আৰু জয়ন্তৰ মৃতদেহৰ কাষত থিয় হৈ থকা জুবিনক বহুজনে অট'গ্ৰাফ বিচাৰি আগুৰি ধৰি আছিল... আৰু তাৰ

পাছদিনা আমি যেতিয়া মৃতদেহ দুটা শ্মশানলৈ নিছিলো তেতিয়া শ্মশানৰ ওচৰত পূৰ্বৰে পৰা বৈ থকা কেইজনমান জুবিনপ্ৰেমীয়ে জুবিনক অট'গ্ৰাফ খুজিছিল আৰু কৈছিল— 'আপুনি ইয়ালৈ আহিব বুলি আমি জানোৱেই নহয়।' আৰু সিদিনা জুবিনৰ নিজৰ প্ৰেমাৰৰ ওপৰতে ধিক্কাৰ উপজিছিল।

## জুবিন আৰু বিতৰ্ক

ইমানবোৰ ভাল গুণৰ মাজতো জুবিনে বহু ক্ষেত্ৰত ভুল কৰে আৰু ভুলটো খুব সহজভাৱে কৰে। কিবা এটা ভুল কৰিলে তাৰ প্ৰতিক্ৰিয়া কি হ'ব সেয়া চিন্তা নকৰি তেওঁ যিকোনো বিতৰ্কৰ মাজত সোমাই পৰে। অৱশ্যে বহু বিতৰ্কৰ মাজলৈ জুবিনক টানিও অনা হয়। এইবোৰৰ মূল কাৰণ হ'ল— 'মদ্যপান' কৰি তেওঁ ভাল পায়। কিন্তু এই বিতৰ্কবোৰক তেওঁ ইমান গুৰুত্ব সহকাৰে নলয়। এই বিষয়ে তেওঁক মই প্ৰায়ে প্ৰশ্ন কৰোঁ... উত্তৰত তেওঁ খুব নম্ৰভাৱে কয়— 'নাম থাকিলেহে বদনাম হয়।' এয়া জুবিনৰ অহংকাৰ নহয়... তেওঁৰ স্পষ্টবাদিতাহে।

এবাৰ 'জ্যোতিপ্ৰসাদ আগৰৱালা'ক লৈ, এবাৰ 'অ' মোৰ আপোনাৰ দেশ'ক লৈ, এবাৰ 'জে পি দাসৰ এটা গীত'ক লৈ জুবিন বহুকেইবাৰ বহুকেইটা বিতৰ্কৰ মাজত সোমাই পৰিছে আৰু অৱধাৰিতভাৱে এনেকুৱা বহু বিতৰ্কক লৈ জুবিন সদায়ে বাতৰিৰ শিৰোনমা হয়। এই যে বিতৰ্কবোৰ, ইয়াৰে বহুবোৰ জানি-শুনি হোৱাৰ দৰে আৰু বহুবোৰ নকৰিলেও চলি যোৱা ধৰণৰ.।

এবাৰ এজন সাংবাদিকে জুবিনক সুধিছিল— 'আপুনি বিতৰ্কৰ মাজত সোমাই ভাল পায় নেকি?' উত্তৰ জুবিনে ইমান হাঁহি মুখে আৰু সহজভাৱে দিছিল যে মোৰ শুনি ভাল লাগি গৈছিল.. জুবিনে কৈছিল— 'বিতৰ্কৰ পৰা মই সদায় দূৰত থকিব বিচাৰোঁ... কিন্তু বিতৰ্কই মোৰ লগ নেৰে।' উত্তৰটো মই হোৱাহেঁতেন হয়তো বেলেগ ধৰণে দিলোঁহেঁতেন। কিন্তু জুবিনে দিয়া উত্তৰটোত সাংবাদিকজনে দ্বিতীয়বাৰ আৰু একো সোধাৰ সুযোগ নাপালে।

## উপসংহাৰ

মোৰ ধাৰণাত জুবিনৰ কোনো 'ডাৰ্ক ছাইড' নাই। আমি এনেকুৱা এক প্ৰতিভা আকৌ পোৱাটো বিচাৰোঁ। কিন্তু এনে প্ৰতিভা এশ বছৰত এটাহে জন্ম হয়। জুবিনৰ এই.প্ৰতিভা সম্পূৰ্ণ ঈশ্বৰ প্ৰদত্ত। জুবিন নিজৰ প্ৰতিভা আৰু জনপ্ৰিয়তাৰে সদায় শীৰ্ষস্থানত থাকিব।

# মোৰ অনুভৱৰ জুবিন

□ ভগৱৎ প্ৰীতম

৮০'ৰ দশকৰ পৰাই আৰম্ভ কৰিছো। তেতিয়া জুবিনহঁতৰ যোৰহাটৰ ঘৰখন আমাৰ সকলোৰে বাবে আছিল এক সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ। জুবিন কেইবছৰমান মোতকৈ সৰু। এফালে জুবিনৰ গান, কী-বৰ্ড, তবলা, মাউথঅৰ্গেন আদি মিউজিকেল ইনষ্ট্ৰুমেণ্টৰ ওপৰত পৰীক্ষা-নিৰীক্ষা, আন ফালে প্ৰয়াত জংকীৰ নাচৰ আখৰা। শাস্ত্ৰীয় সংগীতৰ চৰ্চা। সৰুজনী অকণমানি। তায়ো শিকে কিবাকিবি। আমাৰ প্ৰায়েই আড্ডা হয় সিহঁতৰ ঘৰত। সি নতুন কম্পোজিশ্যন শুনায়। তাৰ হাতত হাৰমণিয়াম। মই গীটাৰ লওঁ। কোনোবাই তবলা লয়। আমি কৰ্ড পজিশ্যন, হামিং— এইবিলাকৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাওঁ। আজিও নাপাহৰো খুড়ীয়ে ঘনাই দিয়া ঘিউৰ ৰুটী, আমলেট আৰু টমেটো চ'চৰ সোৱাদখিনি। তেখেত আছিল আমাৰ প্ৰধান শ্ৰোতা। মাজে মাজে ৰহিছিলো আমাৰ লগত। জুবিন সম্পৰ্কীয় তথা মোৰ গীটাৰৰ ছাত্ৰ অতনু গৌতমৰ (এতিয়া মুম্বাইত প্ৰতিষ্ঠিত গীটাৰ বাদক) ঘৰত, বুবুহঁতৰ ঘৰত-য'তে-ত'তে ৰহিছিলে। মুঠতে দিনটোত এবাৰ হ'লেও আমাৰ

সংগীতৰ চৰ্চা হৈছিল। দিগন্তহঁত (গীটাৰিষ্ট) তেতিয়া ডিব্ৰুগড়ৰ পৰা যোৰহাটলৈ উঠি আহিছিল। দিগন্তয়ো ভাগ লৈছিল আমাৰ লগত। সেইখিনি সময়ৰ পৰা আজিলৈকে মই জুবিনৰ শিল্পী সত্তাক সংগীতৰ প্ৰতি থকা যি অগাধ প্ৰেম, ভক্তি, অধ্যয়ন স্পৃহা দেখিছো আন কাৰো ক্ষেত্ৰত দেখা পোৱা নাই! জুবিনে মোক প্ৰথম শুনাইছিল তালৈ বন্ধু এজনে পঠিয়াই দিয়া 'ৰোজা' ছবিখনৰ এ আৰ ৰেহমানৰ তামিল ভাৰ্চনৰ গীতখিনি। সি কৈছিল— 'হেৰা বহুত পোৱালি ল'ৰা হে, আমাৰ সমানেই। তেতিয়া জুবিন কিন্তু ইল্লায়া ৰাজাৰো ভক্ত। এ আৰ ৰেহমানে কম বয়সতে আহৰণ কৰা সফলতাৰ insperation- এ জুবিনৰ মনত এক প্ৰচণ্ড আত্মবিশ্বাসৰ ভেটি গঢ়ি তুলিছিল আৰু তেতিয়াই ইউকেলিপ্টাছ গছৰ দৰে থিয় হৈ আকাশ চুব খোজাৰ হেপাহৰ বীজ তাৰ সৃষ্টিশীল মনত খোপনি পুতিছিল। মোৰ দৃঢ় বিশ্বাস সেইখিনি সময়ত সেই সুবিধা জুবিনে পোৱা হ'লে তেতিয়াই সফলতা লাভ কৰিলেহেঁতেন। সেই সময়খিনিতেই জুবিনৰ সংগীতৰ ক্ষেত্ৰখনত থকা জ্ঞান আৰু অনুশীলন তথা কী-বৰ্ড হিচাপে থকা প্ৰতিভাৰ কথা অসমৰ বিভিন্ন অঞ্চলতে প্ৰচাৰ হৈছিল। জুবিনৰ প্ৰথম এলবাম 'অনামিকা'ৰ বহু গীত জুবিনে নিচেই কম বয়সতেই সৃষ্টি কৰিছিল।' ৮০ ৰ দশকতেই বিভিন্ন ফাংশ্যনত জুবিনৰ সেই গীতৰ বাবে শ্ৰোতাই আগ্ৰহেৰে বাট চাইছিল। 'গানে কি আনে' তেতিয়াই হিট ছং। এলবামত স্থান পাইছে '৯০ৰ প্ৰথম ভাগত। তেতিয়া আমাৰ জ্যেষ্ঠ শিল্পী মণিদাহঁতে (সাংবাদিক মণি মহন্ত) কয়— 'হেৰা ল'ৰা এটা উঠিছেহে— একঠা খাব।' জুবিনে অতি শুদ্ধভাৱে কী-ব'ৰ্ড সংগত কৰিব পাৰিছিল। তেতিয়াই সি এটা পৰিপক্ক প্ৰফেশ্যনেল কী-বৰ্ডিষ্ট। তেতিয়াৰ প্ৰায় সকলো শিল্পীয়ে জুবিনক Acompanist হিচাপে পাব বিচাৰে। আমাৰ তেতিয়াই বিশ্বাস হৈছিল জুবিন এসময়ত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সংগীত পৰিচালক তথা Instrommtalist হ'ব। তেতিয়া আমি সকলোৱে সপোন দেখিছিলো মুম্বাইত গৈ প্ৰতিষ্ঠিত হোৱাৰ। অৱশ্যে প্ৰায়খিনিৰেই সেই সপোন বাস্তৱত ৰূপ ল'লে। সেই কম বয়সতেই জুবিনৰ সৃষ্টিশীল মনত western classic- ৰ প্ৰায়ভাগ শিল্পীৰেই inspiration ৰ চাপ বহিছিল। বিশেষকৈ বিটলছ মোগাৰ্ট আদি মহান শিল্পীসকলৰ চিম্ফনীবোৰ খুব শুনিছিল আৰু অধ্যয়ন কৰিছিল। জুবিনৰ অধ্যয়নৰ মানসিকতাও আছিল যথেষ্ট। তেতিয়াই লণ্ডনৰ বিখ্যাত ট্ৰিনিটি কলেজত নামভৰ্ত্তিৰ বাবে ফৰ্ম আৰু প্ৰছপ্ৰেক্টাছ আনিছিল ভাৰতৰ বাহিৰত পঢ়াৰ বাবে। কিন্তু মধ্যবিত্ত চৰকাৰী সৎ বিষয়াৰ শিল্পী পুত্ৰৰ বাবে সেয়া হয়তো সম্ভৱ হৈ নুঠিল। তথাপি সি বিমুখ হোৱা নাছিল। এলবাম নিৰ্মাণ কৰাৰ খুব হেঁপাহ আছিল। তাৰ কিন্তু আগৰ পৰাই তাৰ stragle আৰম্ভ

হৈছিল। সি কেতিয়াও নিৰাশ হোৱা নাছিল। এটাৰ পিছত এটা গীত সৃষ্টি কৰিছিল। অসমৰ লোক সংগীত তথা শাস্ত্ৰীয় সংগীতৰ লগত পশ্চিমীয়া সংগীতৰ ফিউজন জুবিনে তেতিয়াই কৰিছিল। বিশেষকৈ pentatonioc scale ৰ ওপৰত সেইখিনি ভাব হয়। আমি তেতিয়া চাইকেল লৈ ঘূৰি ফুৰোঁ। সি কম্পেয়াৰ কৰে। সি ইমানেই সংগীতত নিমগ্ন আছিল যে বহুত আমোদজনক ঘটনাও আছে।

জুবিনৰ সাংস্কৃতিক পৰিক্ৰমাত তাৰ ঘৰৰ সকলোৱে মনে-প্ৰাণে অৰিহণা যোগাইছিল। পঢ়া-শুনাত সি খুব ভাল আছিল। মোৰ বিশ্বাস সংগীতৰ জগতখনত মনে-প্ৰাণে সোমাই নপৰা হ'লে সি হয়তো আজি উচ্চপদস্থ বিষয়া হ'ব পাৰিলেহেঁতেন। তাৰ পিছত জুবিন গুৱাহাটীলৈ আহিছিল। মই আহিলোঁ ১৯৯১ চনত। গুৱাহাটী বি বৰুৱা কলেজত থকা সময়খিনিত সি যথেষ্ট stragle কৰিছিল তাৰ গীতখিনি লৈ প্ৰডিউচাৰক শুনাইছিল এটা এলবাম প্ৰস্তুত কৰাৰ আশাৰে। সেইখিনি সময়তো আমি সংগীতৰ চৰ্চা কৰিছিলো। সি তেতিয়া বি বৰুৱা কলেজত অধ্যয়ন কৰি আছে আৰু মই এম এছ চি কৰি আছোঁ কটন কলেজত। Youth festival- ৰ সময়ৰ কথা। আমি তেতিয়া জুবিনৰ জেঠায়েকৰ ছোৱালী সবিতাৰ লগত (মুম্বাইত এতিয়া প্ৰতিষ্ঠিত শিল্পী উৎপল শৰ্মাৰ ভনীয়েক) বাদ্য সংগত কৰিছিলো। সি হাৰমণিয়াম, মই গীটাৰ। অৱশ্যে সি বি বৰুৱাৰ পৰাও বিভিন্ন শিতানত যোগদান কৰি প্ৰথম হৈছে। এনেতে আহিল Western song -ৰ প্ৰতিযোগিতা। তাক সকলোৱে ধৰিলে— 'জুবিন তুমি গাই দিয়া।' আচৰিত কথা সি অতি কম সময়ৰ ভিতৰতে 'গানে কি আনে' গীতটো ইংৰাজীলৈ অনুবাদ কৰি গাই দিলে আৰু Western song ত Gold Medal লাভ কৰে। বিচাৰকৰ মাজত এজন আছিল প্ৰয়াত শিল্পী ৰিদীপদা। ৰিদীপ দাই মাতি আনি পৰিচয় লৈছিল আৰু ভূয়সী প্ৰশংসা যাচিছিল। জুবিনে অৱশেষত অতি কষ্ট কৰি 'অনামিকা' এলবামটো কৰে। উৎপল দাই মিউজিক কৰা গীতকেইটি অতি কম সময়তে ডাবিং কৰি জুবিনে সকলোকে স্তম্ভিত কৰিছিল। জুবিন এনিশাতে তাৰকা হোৱা শিল্পী নহয়। বহুত ধুমুহা অতিক্ৰম কৰিছে সি। 'ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন'— শীৰ্ষক গীতটিত জুবিনৰ সময়ৰ তপত চকুলোৰ উজনি সকলোৱে পাব।

অৰ্থাভাৱৰ বাবেই অনামিকা ৰিলিজি হওঁতে দেৰি হৈছিল। অৱশেষত যোৰহাটৰ অন্যতম অভিজাত প্ৰযোজনা গোষ্ঠী এন কে প্ৰডাকশ্যন আগবাঢ়ি আহিল। বন্ধুবৰ প্ৰযোজক দেব বৰকটকী আৰু তেওঁৰ পৰিয়ালবৰ্গৰ ওচৰত আমি জুবিনৰ সকলো শুভাকাংক্ষী তথা বন্ধুবৰ্গ সদায় কৃতজ্ঞ।

'অনামিকা'ৰ পাছত জুবিনে আৰু উভতি চাব লগা হোৱা নাই। আজি আমাৰ

জুবিন আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ শিল্পী। জুবিন আমাৰ গৌৰৱ তথা inspiration ৰ উৎস। 'অনামিকা'ৰ পাছতেই মই ছবি জগতত প্ৰৱেশ কৰোঁ। তথাপি আমি লগ হওঁ। লগ পালেই আকৌ সংগীতৰ কথা। মোক সি আকৌ উৎসাহ দিয়ে পুনৰ গীটাৰ লৈ stageলৈ আহিবলৈ।

সফলতাৰ উচ্চ শিখৰত উঠিলেও আজিও সি সহজ-সৰল সৰু জুবিনটো হৈয়ে আছে। সমাজৰ সকলো স্তৰৰ মানুহৰ বিপদৰ বন্ধু সি। কায়িক, মানসিক, আৰ্থিকভাৱে সকলোকে বিপদত সহায় কৰাৰ বহুত উদাহৰণো জুবিনৰ আছে। মোৰ বাবে জুবিন গণশিল্পী। আজিও শিশুসুলভ জুবিনৰ ব্যক্তিত্বত যি এবাৰ হ'লেও চুই চাইছে তেওঁ কেতিয়াও জুবিনৰ চুম্বকীয় ক্ষেত্ৰৰ পৰা ওলাই আহিব পৰা নাই। নিজেই এটা অনুষ্ঠানত পৰিণত হোৱা জুবিনৰ ব্যক্তিত্বক লেখি থাকিলেও আমনি নালাগিব আৰু শেষো নহ'ব অৱশ্যে। তথাপি বুকুত বহুত মৰম আৰু শুভাশিসৰ টোপোলা গাঁঠি মই ক'ব বিচাৰিছোঁ ইউকেলিপ্টাছ গছৰ দৰে থিয় হৈ তুমি চুই চাবা আকাশখন। এতিয়া আমাক লাগে তুমি দুহাত মেলি আঁজুৰ অনা ৰাঙলী সূৰুযটো — যিয়ে উজলাই তোলক অসমী আইৰ সংস্কৃতিৰ বৰ পথাৰখন। তোমাৰ বন্ধুৰ একান্ত অনুভৱ আৰু সীমাহীন হেঁপাহ এয়া।

# আমাৰ চিনাকিৰ আগলি বেলা

□ দিগন্ত ভাৰতী

ষ্টুডিঅ' ফ্ৰেণ্ডছ্। অসমৰ সংগীতত এটি চিনাকি নাম। এতিয়াৰ পৰা (২০০৮) পোন্ধৰ বছৰ আগৰ কথা কৈছোঁ। ক'ব খোজা কথাটিৰ সময়ছোৱাত লিংক প্ৰডাকশ্যনৰ প্ৰযোজনাত এটি শ্ৰব্য কেছেটৰ ৰেকৰ্ডিং চলিছে। সংগীত ব্যৱস্থাপনা উৎপল শৰ্মাৰ। উৎপল দা তেতিয়া 'অল ইণ্ডিয়া ৰেডিঅ' শ্বিলঙৰ চাকৰিয়াল। নাতিদীৰ্ঘ ছুটী লৈ উক্ত প্ৰজেক্টটো কৰি উলিয়াবলৈ গুৱাহাটীলৈ আহিছে। কেছেটটোৰ আঠোটা গীতৰ প্ৰায়বোৰতেই কণ্ঠদান কৰিছে জনপ্ৰিয় গায়ক বন্ধু দেৱজিৎ চৌধুৰী লগত তেওঁৰ তেতিয়াৰ প্ৰেয়সী এতিয়াৰ সহধৰ্মিণী অৰ্পনাই। ৰেকৰ্ডিঙৰ দ্বিতীয় দিনটোত মোৰ গীতৰ ডাবিং চলি আছে। এনেতে চুলি দীঘল, চকুত চছমা, পাতল টি-চাৰ্ট পৰিহিত ক্ষীণকায় যুৱক এজন বন্ধু এজনৰ সৈতে ষ্টুডিঅ'ৰ মজিয়াত উপস্থিত হ'ল। তাঁতী দা (অৱনী তাঁতী) ৰেকৰ্ডিঙৰ চকীত পিছফালে উৎপল দা। মই দেৱজিতৰ ভইচ ডাবিং চাই আছো। যুৱকজনে উৎপল দাৰ লগত কথা-বতৰা হ'ল। অলপ সময়ৰ বাবে আমাৰ কাম বন্ধ। হঠাতে যুৱকজনে তাঁতী দাক ক'লে— 'গান শুনো'। আধৰুৱা ডাবিঙৰ

গীতটোকে তাঁতী দাই বজালে। দেবজিতে প্ৰাণ ঢালি গোৱা গীতটোৰ প্ৰথম ফাকিটোকে দুৱাৰমান ঘূৰাই ঘূৰাই শুনি তেওঁ মন্তব্য দিলে — 'গীতটো মই গাব পোৱা হ'লে। মোৰ বাবে একেবাৰে ফিট এই কম্পোজটো।' তাৰ পিছত উৎপল দাই মোৰ সৈতে তেওঁক চিনাকি কৰাই দিলে— 'এয়া জুবিন। মোৰ ভাই; ই বৰ ভাল গায়। ইয়াৰ এটা প্ৰজেক্ট কৰি আছোঁ। 'অনামিকা' নামেৰে আৰু এয়া দিগন্ত। গীতটো এওঁৰেই।' কথা-বতৰা হ'লোঁ আটায়েই। দেৱজিতেও যোগ দিলে। অ' গীতটো হ'ল 'গধূলিকে আহি ক'বা, Sorry মোৰ দেৰি হ'ল...।' দেৱজিতৰ কণ্ঠেৰে শ্ৰোতা ৰাইজে শুনিছেই।

ইয়াৰ পিছত আমি একেলগে কাম কৰাৰ সুযোগ পাওঁ 'স্নিগ্ধ জোনাক' নামৰ এটি শ্ৰব্য কেছেটত। সংগীত উৎপল শৰ্মাৰ। তাত জুবিনে মোৰ গীতত প্ৰথমবাৰৰ বাবে কণ্ঠদান কৰিছিল। শ্ৰোতাৰ আদৰ লাভ কৰিবলৈ সক্ষম হোৱা গীতটো আছিল— 'মোৰ ইয়াতো ৰাতি হয়, মোৰ ইয়াতো বাকী ৰয়, জ্বলাবলে পুৱাৰে পোহৰৰ চাকি...।'

## স্থিতদীৰ্ঘ পৰিশ্ৰমে গঢ়া সুশোভিত উদ্যান

জুবিন গাৰ্গৰ কথা ক'বলৈ গৈ হীৰুদাৰ কবিতাৰ এটি কলি মনলৈ আহিল। সঁচাই জুবিন স্থিতদীৰ্ঘ পৰিশ্ৰমৰ বলত ফুলি উঠা এখনি বিশাল গানৰ উদ্যান। য'ত তেওঁ লগাইছে কোনোবাটো চুকত প্ৰেম-সুবাসী গোলাপৰ গান, বন্ধুত্বৰ অনুৰাগ সিক্ত মাধৱী লতাৰ গান, দুখত কাতৰ খৰিকাঁজাই, সৌৰৱণ বুটলি অনা বকুল কোমল গীত; উৎসৱ কৰি অনা শেৱালিৰ সুৰ।

নিঃসংগ কেক্‌টাচৰ উষ্ণ শুকান গুণগুণনি ফাগুনৰ শিমলু পলাশৰ ৰঙীন ছন্দ আৰু যে কত কিমান সুৰীয়া উদ্ভিদ। কোনো কামকেই না নোবোলা জুবিন, তেওঁৰ সান্নিধ্যলৈ অহা প্ৰতিজনে বিচাৰি চায় আৰু পায় এটি ৰোমাণ্টিক আবেদন, যিটো বিদ্যমান তেওঁৰ কথাত, কামত, সুৰত, গানত। আন বহুজন কলাকাৰৰ তুলনাত বেছি কৰ্ম সঞ্জীৱনী দেখিবলৈ পোৱা যায় জুবিন গাৰ্গৰ গাত। একেলেথাৰিয়ে নোখোৱাকৈ, টোপনি নমৰাকৈ কাম কৰি থাকিব পাৰে তেওঁ। কাম বুলি ... নতুন সুৰ সৃষ্টিও হ'ব পাৰে, চিনেমা চোৱা বা গান শুনাও হ'ব পাৰে। আকৌ কিতাপ পঢ়াৰ ক্ষেত্ৰতো লক্ষ্য কৰিলে একেই গুণটোকে দেখা যায়। এই কৰ্ম সঞ্জীৱনী (working spirit) ৰ আঁৰৰ ৰহস্যটো (মোৰ বোধেৰে) হ'ব পাৰে এটি যোগাযোগ, কিছু কথোপকথন, বিশ্লেষণ, অধ্যয়ন কেতিয়াবা আড্ডাত। এই যোগাযোগ বা আড্ডা বিভিন্ন বিষয়ৰ প্ৰতিভাধৰসকলৰ লগত। শিল্পীজনৰ মজিয়াত প্ৰতিভাধৰৰ

পয়োভৰ। কেতিয়াবা কোনো অনুভৱী কবিৰ লগত, কোনোবা দিনা নিপুণ খেলুৱৈৰ লগত, কোনো মুহূৰ্তত যদি গীতিকাৰ-সংগীত শিল্পীৰ লগত, কেতিয়াবা আকৌ সাংস্কৃতিক হৃদয় কঢ়িয়াই ফুৰা কোনো আৰক্ষী বিষয়াৰ লগত। জ্ঞান বোধৰ লক্ষ্যত উপনীত হ'বলৈ তাৰ উৎস, সেই ব্যক্তি বিশেষৰ লগত ৰখা যোগাযোগ দহোপুথিগত জ্ঞানকো চেৰ পেলায়। লাগিলে ব্যক্তিজন শত্ৰুৱেই হওক ' মূৰ্খ বন্ধুৰ মিতিৰালিতকৈ জ্ঞানী শত্ৰুৰ লগত কৰা তৰ্ক কাজিয়া অধিক লাভজনক।' কথাটো জুবিনে মাজে মাজে আওৰায়। জুবিন গাৰ্গৰ লগত বিভিন্ন ক্ষেত্ৰৰ প্ৰতিভাধৰৰ যোগাযোগ বিশ্লেষণ আড্ডাৰ এই নদীখন খৰ সোঁতে বৈ থাকক। ই গৈ জ্ঞান প্ৰশান্তক আৰু বিস্তাৰক। সুহৃদগৰাকীলৈ মোৰ এয়াই কামনা।

# জুবিনৰ মৰম আৰু খং

□ৰাজেশ ভূঞা

১৯৯৪ চন। 'মকৰাজাল' নামৰ চিৰিয়েলখনৰ শুটিং শেষ হৈছে। ৰাণা কলিতা আছিল চিৰিয়েলখনৰ প্ৰযোজক। এদিন ৰাতি ন মান বজাত মোৰ জাগীৰোডৰ ঘৰত ৰাণা কলিতাই জুবিনৰ লগত চিনাকি কৰাই দিয়ে। সেই সময়খিনি আছিল জুবিনৰ 'মায়া' আৰু 'আশা' এলবাম দুটিৰ মুক্তিৰ ঠিক পাছৰছোৱা। তেওঁ সেই সময়ত সকলোৰে 'হাৰ্টথ্ৰ'ব'। তেওঁৰ গান মই কেছেটত শুনো। মোৰ অতি প্ৰিয় সংগীতশিল্পীজনক এনেকে হঠাতে লগ পাম বুলি ভবা নাছিলো। সেইদিনাখনেই বহুত ৰাতিলৈকে জুবিনৰ লগত চিনেমা, গান লৈ কথা পাতিছিলো। বহিছিলো চাহ দোকান এখনৰ মিঠাই বনোৱা ঠাইত। 'মধুকুঞ্জ' চাহ দোকানখনৰ মিঠাতেলৰ টিনৰ ওপৰত আৰু গাখীৰৰ কেনটো আছিল আমাৰ টেবুল। এক অন্যধৰণৰ পৰিবেশ। এটি সুন্দৰ ৰাতি চিনেমা, গানৰ কথা লৈ পাৰ হৈছিল।

সেয়াই আৰম্ভণি। তাৰ পাছত আজিলৈকে আমি দুয়োৰে বন্ধুত্বৰ এনাজৰীডাল কটকটীয়া হৈ আছে। কেতিয়াবা একেলগে হাঁহিছো, কেতিয়াবা

একেলগে কান্দিছো। 'তুমি মোৰ মাথোঁ মোৰ' ছবিখনৰ পৰা বৰ্তমানৰ 'কমাল' এলবামটিৰ ভিডিঅ'লৈকে একেলগে কাম কৰি আছো। এটা কথা উল্লেখ কৰিব খুজিছো জুবিনে যাক অভিন্ন বন্ধু বুলি ভাবে তেওঁৰ কাৰণে জুবিনে কৰিব পৰা সকলোখিনি কৰিব পাৰে। মোৰ আজিও মনত আছে 'তুমি মোৰ মাথোঁ মোৰ' ছবিখনৰ শুটিঙৰ সময়ত ছালফা সদস্য এজনে পবিত্ৰ মাৰ্ঘেৰিটা আৰু মোক বেয়া ব্যৱহাৰ কৰা কাৰণে জুবিনে তেওঁক নিজৰ গাড়ীত উঠাই এক্সিডেণ্ট কৰি মাৰি পেলাবলৈ ওলাইছিল। তেনেকুৱাই জুবিনৰ বন্ধুৰ প্ৰতি থকা মৰম। ভাতৃৰ স্থান বেলেগ আৰু বন্ধুৰ স্থান বেলেগ। বন্ধুৰ আগত সকলো কথাই ক'ব পাৰি — এয়া জুবিনৰ ভাষ্য। মৰম যে অকল বন্ধুৰ বাবেই তেনে নহয়। তেওঁ জীৱ-জন্তুৰ প্ৰতিও আছে অলেখ মৰম। মুৰ্গী, হৰিণ, কুকুৰৰ পৰা বাঘলৈকে তেওঁ মৰম কৰে ঘৰত পুহি।

আৰু এটা কথা তেওঁ গাড়ী স্পীডত চলাই খুব ভালপায়। এবাৰ যোৰহাটৰ পৰা গুৱাহাটীলৈ প্ৰায় এশ মান স্পীডত মাৰুতী কাৰ এখনত আহি আছো। হঠাতে গাড়ীৰ আগত মুৰ্গী পোৱালি এটা আহি পৰে। গাড়ীৰ বতাহ লাগি মুৰ্গী পোৱালিটো সংজ্ঞাহীন হৈ পৰে। জুবিনে গাড়ী ৰখাই মুৰ্গী পোৱালিটো লৈ আহে। পাছত বহুদিনলৈকে তেওঁ সেই মুৰ্গী পোৱালিটো তেওঁৰ অভাৰকোটৰ জেপত লৈ ঘূৰি ফুৰিছিল। এবাৰ হাজোত ক'ৰবাৰ পৰা উভতি গুৱাহাটীলৈ আহোতে কাছ এটা লোৰ শলাৰে খুচি কেইজনমান মানুহে বজাৰত বিক্ৰী কৰিবলৈ লৈ আহিছিল। জুবিনে সেইটো দেখি গাড়ী ৰখাই ১৮০০টকাৰে কিনি ল'লে। কাছটো জীয়াই আছিল। সেইটো তেওঁ নি সোণাপুৰত থকা 'স্প্ৰীং ভেলি ৰিজৰ্ট'ত থকা পুখুৰীত এৰি দিয়ে। কাছটো তাত এতিয়াও আছে। অকল আঘাতপ্ৰাপ্ত জীৱ-জন্তুৰেই নহয় তেওঁ ৰাস্তাত হোৱা বহু দুৰ্ঘটনাত পতিত লোককো সহায় কৰিছে। সেই দুৰ্ঘটনাত পতিত মানুহবোৰৰ মাজত তেওঁ তেওঁৰ মৃত বন্ধু জয়ন্ত পাত্ৰ আৰু ভনীয়েক জংকিক বিচাৰি পায়।

গান গোৱা সুন্দৰ কণ্ঠটিৰে জুবিনে চিএৰি চিএৰি খঙো প্ৰকাশ কৰিব পাৰে। সেই খঙৰ প্ৰকাশ অকল কণ্ঠতে নাথাকে। ৫০ কেজি ওজনৰ তেওঁৰ ক্ষীণ দেহাটোত অদ্ভুত ধৰণৰ এক জোৰ আহি যায়। খং উঠিলে তাৰ প্ৰকাশ কৰে নিজৰ দেহাটোক ঘূৰ্ণীয়া কৰি। আইনা ভাঙিছে, বহুত টেবুল ভাঙিছে। লগতে বেচিন, ফ্লিণ্টাৰ আদি। ফলত কেতিয়াবা হাত কাটিছে নতুবা শৰীৰত ক'ৰবাত ঘূৰ্ণীয়া হৈছে। খং উঠিলে কেতিয়াবা তিনিমহলীয়া বিল্ডিঙৰ পৰাও জাঁপিয়াবলৈ

ওলায়। কেতিয়াবা চলি থকা গাড়ীৰ পৰাও জঁপিয়াবলৈ উদ্যত হয়। এই খণ্ডবোৰ পিছে ক্ষণস্থায়ী। তেওঁৰ সংগীতৰ দৰে এই খণ্ডবোৰ স্থায়ী নহয়, সোনকালেই পাহৰি যায়।

গাড়ী চলাই ভালপোৱাৰ দৰেই তেওঁ নিশা অ'ত-ত'ত ফুৰিবলৈ ভাল পায়। ফাংচন আৰু শ্বুটিঙৰ সময়ত বহু যাত্রা আমি নিশাই কৰিছিলো। 'পাকিজা' নামৰ হিন্দী গীতৰ এলবামটিৰ শ্বুটিঙৰ সময়ত বহু যাত্রা আমি নিশাই কৰিছিলো, বিপদতো পৰিছিলো। আমি ভয় খাইছিলো কিন্তু জুবিনে ৰং পাইছিল। নিমাটিঘাট হৈ আমি মাজুলীলৈ যাত্রা কৰিছিলো। জানুৱাৰী মাহৰ ঠাণ্ডা দিন। নদীৰ ওপৰত কুঁৱলীৰ বাহিৰে একো দেখা নাছিলো। দিশহাৰা হৈ আমাৰ নাওঁ গৈ লাগিছিল কোনো এক অচিন ঠাইত। সহায় বিচাৰি আমি সকলোৱে ফোন কৰিছিলো বিভিন্ন স্থানলৈ। কিন্তু জুবিনে ভয় খোৱা নাছিল। তেওঁ কৈছিল আজি গোটেই ৰাতি আমি ইয়াতেই থাকিম। ব্ৰহ্মপুত্ৰৰ বুকুত,— মানে দেউতাৰ বুকুত। স্ফূৰ্তিতে তেওঁ ব্ৰহ্মপুত্ৰত জঁপিয়াই দিছিল। তেতিয়া দুপৰ নিশা। ভাগ্য ভাল পানী প্ৰায় একাঁঠুমান আছিল। বালিত আমাৰ নাওখন লাগি ধৰিছিল। এনেকুৱা ধৰণৰ স্ফূৰ্তি কৰি তেওঁ ভালপায়। ভালপায় পানীত সাঁতুৰি। কেৰেলাৰ এলেপেৰ হ্ৰদত সৰু জাহাজ এখনলৈ আমি পানীৰ মাজে মাজে দুদিনৰ বাবে ফুৰিবলৈ গৈছিলো। হঠাতে তেওঁ মাজ পানীত জাহাজখনৰ পৰা জঁপিয়াই দি ৰছীত ধৰি বহু সময় সাঁতুৰি আছিল। সিদিনা 'ৰুমাল'ৰ শ্বুটিং চলি থাকোঁতে হঠাতে মান্দাকাটাত সৰু নৈ এখন পাৰ হ'বলৈ নাওঁ বিচাৰি থাকোতে তেওঁ জঁপিয়াই দিলে। গাত জেকেট, কঁকালত জিন্স পেণ্ট, মূৰত টুপি আৰু টুপিৰ ওপৰত চছমা। তেনেকৈয়ে তেওঁ নৈখন সাঁতুৰি পাৰ হৈ গুচি গ'ল। সাগৰত সাঁতুৰিবলৈ আমি দুয়ো এৰোপ্লেনৰ পৰা লাইফ জেকেটো চুৰ কৰিছিলো। আমি মুম্বাইৰ পৰা গোৱালৈ ছবি মহোৎসৱলৈ গৈ আছিলো। এৰোপ্লেনখন সাগৰৰ ওপৰেদি গৈ আছিল। হঠাতে জুবিনে ক'লে যে যদি এৰোপ্লেনখনৰ কিবা হয় তেন্তে আমি সাগৰত পৰিম। সেই সময়ত লাইফ জেকেট বিচাৰি থকাতকৈ আগতে উলিয়াই থোৱা ভাল। ইফালে মই সাঁতুৰিব নাজানো। সেই জেকেট দুটা মানস ৰবীন আৰু পবিত্ৰ মাৰ্ঘেৰিটা নিবেদিত 'পখিলা' এলবামটিৰ ভিডিঅ'টিত গায়ত্ৰী মহন্ত আৰু নয়ন নীলিমক পিন্ধাইছো। অ' পাহৰিছিলোৱেই, আমি গোৱাৰ ছবি মহোৎসৱলৈ গ'লো ঠিকেই পিছে আমাৰ এখনো ছবি চোৱা নহ'ল।

গোৱা ছবি মহোৎসৱত ছবি নাচালো যদিও, ছবি কৰাৰ পৰিকল্পনা সদায়ে

কৰি আছো। বৰ্তমান অসমীয়া ছবি উদ্যোগটোৰ শোচনীয় অৱস্থা যদিও আমি একেলগে কেবাখনো ছবি কৰাৰ পৰিকল্পনা কৰিছো। আমি দুয়োৰে বন্ধুত্বক এনাজৰীডাল একেদৰেই কটকটীয়া হৈ থাকিব।

আমাৰ দুয়োৰে বন্ধুত্বৰ এনাজৰীডাল কটকটীয়া হৈ থকাতকৈও এতিয়া বেছি প্ৰয়োজন হৈছে জুবিন আৰু সংগীতৰ এনাজৰীডাল কটকটীয়া হৈ থকাটো। তেওঁ অকল মোৰেই বন্ধু নহৈ গোটেই পৃথিৱীৰ সংগীতপ্ৰেমীৰ বন্ধু হওক।

***

# জুবিন হেজ গট এ হার্ট অফ্ গোল্ড

◘ গৰিমা শইকীয়া গাৰ্গ

১৯৯৫ ... মই তেতিয়া মুম্বাইত... একেবাৰে নতুন। ছ'ফিয়া কলেজত স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে নামভৰ্তি কৰিছোঁ। দেউতাই হোষ্টেলত থৈ অহাৰ পিছত বেছি বেয়া লাগিছিল... নতুন ঠাই, নতুন পৰিৱেশ, নতুন মানুহ, তাতে হোষ্টেলৰ ছোৱালীবোৰৰ লগতো বৰ বিশেষ আত্মীয়তা গঢ়ি উঠা নাছিল তেতিয়া। আজৰি সময়খিনিত চিনাকি মানুহলৈ চিঠি লিখা আৰম্ভ কৰিলো. বন্ধু-বান্ধৱী, আত্মীয়-স্বজন সকলোলৈকে। লগতে আৰু এটা পুৰণি চখ অনুশীলন কৰাৰো ইচ্ছা জাগি উঠিল.. fan letters লিখাৰ। স্কুলত মোৰ আৰু বান্ধৱী প্ৰিয়ম্বদাৰ এইটো এটা ডাঙৰ চখ আছিল। গায়ক, অভিনেতা, অভিনেত্ৰী, খেলুৱৈ— দেশখনৰ নামী-দামী সকলোৰে ঠিকনা সংগ্ৰহ কৰি মুঠতে আমি fan letter পঠিয়াওঁ আৰু বিনিময়ত তেওঁলোকৰ ফটোসহ অট'গ্ৰাফ চিঠিবোৰ সংগ্ৰহ কৰোঁ। সেই অভ্যাসটো ঘূৰাই আনি পুনৰ চিঠি লিখিলো প্ৰায় ৩০-৩৫ জন কলা-কুশলী, শিল্পী-

অভিনেতালৈ। তাৰ মাজতে এখন চিঠি আছিল তেতিয়া অসমত সকলোৰে হাৰ্ট-থ্ৰব হৈ পৰা যুৱশিল্পী জুবিন গাৰ্গৰ নামত। কিছুদিনৰ পিছত আশা কৰামতেই উত্তৰ আহিল আৰু মুম্বাইলৈ তেওঁৰ পৰৱৰ্তী ৰেকৰ্ডিঙৰ বাবে শীঘ্ৰেই গৈ আছে বুলিও জনালে। এটা ফোন নম্বৰসহ যোৱাৰ তাৰিখটো জনাইছিল যদিও কিবা এটা ইতঃস্ততবোধত মোৰ যোগাযোগ কৰা নহ'ল। প্ৰায় ডেৰমাহমান পিছত হঠাতে এদিন আবেলি মোক লগ পাবলৈ কোনোবা এজন ভিজিটৰ আহিছে বুলি খবৰ পাই দৌৰি তললৈ নামি আহি যাক দেখিলো প্ৰথমতে মই নিজৰ চকুকেই বিশ্বাস কৰিব পৰা নাছিলো। মই দিয়া চিঠিখনৰ ঠিকনা লিখা চুকটো ফালি অনা টুকুৰাটো হাতত লৈ হোষ্টেলৰ ভিজিটিং ৰুমত থিয় হৈ আছিল 'জুবিন গাৰ্গ'। ফটোত দেখা মানুহটোৰ দৰেই চুলিখিনি, মুখখন কিন্তু ওখ-পাখটো একেবাৰেই নহয়। খীণ-মীণ এটা সৰু ল'ৰাৰ দৰে আছিল তেওঁ। মই আগবাঢ়ি গৈ মোৰ চিনাকি দিলোঁ। কোনোধৰণৰ ফৰমেলিটি অথবা পৰিচয়ৰ অৱতাৰণা নকৰাকৈ তেওঁ প্ৰথমেই সুধিলে— 'তুমি এইটো হোষ্টেলতে থাকা নেকি? ইয়াত দেখোনা ওচৰতে ইমান slum area আছে আৰু বহুত eunuchs ও দেখিলো।' মোৰ বৰ আচৰিত লাগিছিল প্ৰথমদিনাই তেওঁৰ সৰলতা দেখি, প্ৰথম চিনাকিতেই ইমান বন্ধুত্বসুলভ ব্যৱহাৰ দেখি। কিন্তু লাহে লাহে বুজি পালোঁ এই মানুহটোৰ মাজত অহংকাৰ-ভেম নামৰ বস্তুবোৰ হয়তো কেতিয়াও জন্ম নহ'ব। আজি এটা যুগৰ পাছতো সফলতাৰে দেশখনৰ সাংস্কৃতিক ক্ষেত্ৰত এখন সুকীয়া আসন দখল কৰি লোৱাৰ পাছতো মই প্ৰথম লগ পোৱা 'জুবিন গাৰ্গ'জনৰ সৰলতা আৰু স্পষ্টতা একেই আছে।

সেইদিনাৰ চিনাকিৰ পিছত আমি লাহে লাহে ভাল বন্ধু হৈ পৰিলোঁ। যিকোনো কথা অথবা অভিজ্ঞতা ইজনে-সিজনৰ আগত বিনাদ্বিধাই প্ৰকাশ কৰিব পৰা হ'লোঁ। সেই বন্ধুত্বই এদিন প্ৰেমৰ নাম ল'লে আৰু পিছত দুয়োখন ঘৰৰ সন্মতিত আমাৰ বিয়া ঠিক হ'ল। সকলো ঠিকেই আছিল... খুব ফূৰ্তিৰ মাজেৰে ২০০০ চনৰ ১৯ জানুৱাৰীত আমাৰ এংগেছমেণ্ট হৈ গ'ল। ঠিক হ'ল মোৰ স্নাতকোত্তৰ পৰীক্ষা হৈ যোৱাৰ পিছতে বিয়াৰ তাৰিখ লোৱা হ'ব। বহু আশা কৰিছিল গ'ল্ডী (জুবিন)ৰ মাকে আমাৰ বিয়াখনক লৈ। একমাত্ৰ পুত্ৰ যে তেওঁৰ হিয়াৰ আমঠু. কিমান যে কল্পনা, কিমান যে সপোন; কিন্তু তেওঁৰ সেই হেঁপাহ, আশা, আনন্দবোৰ নিয়তিৰ সহ্য নহ'ল। কেইবা মাহৰো অসুস্থতাৰ পিছত অৱশেষত মুম্বাইত ২০০০ চনৰ ছেপ্টেম্বৰ মাহৰ ২ তাৰিখে তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। নিৰ্মমভাৱে ভাগি পৰিল গ'ল্ডী, মাইনা (জংকী) আৰু মমন (পাৰ্মী) কিছুদিনৰ বাবে। কিন্তু গ'ল্ডীৰ মানসিক শক্তি অতুলনীয়। তেওঁৰ বাবে তেওঁৰ মাংয়েই

আছিল সংস্কৃতিৰ আদিগুৰু, প্ৰেৰণা, আদৰ্শ আৰু সাহসৰ উৎস। সেয়ে তেওঁ মন বান্ধি ল'লে যে, তেওঁৰ মাজত মাকক সদায় জীয়াই ৰাখিব। তেওঁৰ সংগীত আৰু সৃষ্টিৰ মাজত 'মা'ৰ উপস্থিতিয়ে তেওঁৰ জীৱনৰ প্ৰতিটো পদক্ষেপত সাহস আৰু প্ৰেৰণা যোগাব। পাৰ কৰি দিলে দিনটোৰ বেছিভাগ সময় তেওঁৰ কী-ব'ৰ্ডখনৰ সৈতে। নতুন সৃষ্টি কৰিব লাগে... প্ৰতিটো সুৰত 'মাক' ঘূৰাই আনিব লাগে। এমাহৰ ভিতৰত সৃষ্টি হৈ ওলাল 'পাখী'। গভীৰ নষ্টালজিয়া আৰু শৈশৱৰ অনুভৱৰ এক আৱেগিক প্ৰকাশ। ইয়াৰ পিছৰ প্ৰতিটো পদক্ষেপতে ডাঙৰ ভণ্টি জংকী হৈ পৰিল জুবিনৰ ছাঁৰ দৰে। প্ৰতিখন সাংস্কৃতিক সন্ধিয়াত জুবিনৰ সৈতে গীত পৰিৱেশন কৰাৰ উপৰি তাই ষ্টুডিঅ'ৰ ৰেকৰ্ডিং, ঘৰত, যিকোনো শ্বুটিং অথবা সংগীতৰ মজলিছত জুবিনৰ কাষে কাষে থাকি সৰু-ডাঙৰ প্ৰতিটো কথাৰ খবৰ ৰাখিছিল। জুবিনৰ প্ৰতিমুহূৰ্তৰ আৰু এজন সহচৰ আছিল বন্ধু জয়ন্ত পাত্ৰ। জুবিনে নাখালে নোখোৱাকৈ, নুশুলে নোশোৱাকৈ বৈ থাকিছিল কাষত। য'তেই যাওক তেওঁ নিজেই সদায় গাড়ী চলাই লৈ ফুৰিছিল জুবিনক। পৰিয়ালৰ এজন সদস্য হৈ পৰিছিল 'জয়ন্ত'।

২০০১ চনত মোৰ স্নাতকোত্তৰ সম্পূৰ্ণ হোৱাৰ পিছত দুয়োখন ঘৰৰ মাজত আমাৰ বিয়াৰ কথা আলোচনা হ'ল। যদিও জংকীৰো বিয়া ঠিক হৈ আছিল, তাই বিচাৰিলে আগতে ককায়েকৰ বিয়াখন হৈ যোৱাটো।

বিয়াৰ তাৰিখ ঠিক কৰিবলৈ তাই নিজেই গোলাঘাটত আমাৰ ঘৰত থাকি লৈছিলগৈ। দিন লোৱা হ'ল ২০০২ চনৰ ৪ ফেব্ৰুৱাৰী। যিহেতু তেওঁলোকৰ পৰিয়ালৰ আত্মীয়-স্বজন বেছিভাগেই থাকে যোৰহাটত। গতিকে ঠিক হ'ল দৰা যাব যোৰহাটৰ পৰা গোলাঘাটৰ আমাৰ নিজা ঘৰলৈ। বিয়াৰ আয়োজন চলিল ধুম-ধামেৰে। কিন্তু বোধহয় সেই আনন্দও নিয়তিৰ বাবে আছিল অসহনীয়। বিয়াৰ মাত্ৰ কেইদিনমান আগত এটা সাংস্কৃতিক সন্ধিয়াৰ বাবে টেকীয়াজুলিৰ পৰা 'চতিয়া'লৈ যোৱাৰ পথত এটা দুৰ্ঘটনাত আমি হেৰুৱাব লগা হ'ল আমাৰ অতি মৰমৰ জংকী আৰু জয়ন্তক। এই দুৰ্ঘটনাৰ পিছত সকলোবোৰ যেন খেলি-মেলি হৈ গ'ল। মানসিকভাৱে যেন সকলোৰে স্থিতি হেৰাই গ'ল। কেইদিনমানৰ বাবে গোটেই ৰাজ্যখনতেই বিয়পি থাকিল শোকৰ ছাঁ। একেবাৰে থান-বান হৈ যোৱাৰ দৰে হ'ল জুবিনহঁতৰ পৰিয়ালটো। যদিও জংকীৰ অনুপস্থিতিক আজিও একেবাৰেই পূৰণ কৰিব নোৱাৰে; তথাপি পৰিয়ালৰ সকলোৱে মিলি সিদ্ধান্ত ল'লে যে, বিয়াখন হৈ গ'লে জুবিন হয়তো মানসিকভাৱে কিছু সুস্থিৰ হ'ব পাৰিব; গতিকে ঠিক হোৱা সেই তাৰিখতে বিয়াখন হৈ যাব লাগে। সিদ্ধান্ত মতেই, ২০০২ চনৰ ফেব্ৰুৱাৰী

মাহৰ ৪ তাৰিখে সকলোৰে আশিস শিৰত লৈ জুবিন আৰু মই যুগ্ম জীৱনৰ পাতনি মেলিলো। যিটো পৰিস্থিতিৰ মাজত আমাৰ বিয়া হৈছিল, আমি সকলোৱে বুজিছিলো কিমান গধুৰ মন একোটা লৈ; তেওঁলোকৰ পৰিয়ালৰ প্ৰতিজনেই বিয়াখনৰ সকলো নিয়ম; সকলোবোৰ আয়োজন সম্পন্ন কৰিছিল। আৰু জুবিন? ইমান দুখৰ মাজতো তেওঁ চেষ্টা কৰিছিল, মোক সকলোবোৰ আনন্দ দিয়াৰ; এজনী ছোৱালীৰ বিয়াখন লৈ যিমান আশা আৰু সপোন থাকে... সকলোবোৰ পূৰণ কৰাৰ। হোমৰ জুইক সাক্ষী কৰি সেইদিনা প্ৰতিজ্ঞা কৰিছিলো, তেওঁৰ কোমল মুখখনত লাগি থকা দুখৰ ছাঁবোৰ মোৰ অকপট মৰমেৰে আঁতৰাই পেলাম। ভাল-বেয়া সকলো সময়তে তেওঁৰ কাষত থাকি মৰম আৰু ভালপোৱাৰে তেওঁৰ যত্ন ল'ম; তেওঁৰ ঘৰখনৰ সকলো দায়িত্ব খুব আনন্দৰ আৰু নিষ্ঠাৰে পালন কৰিম।

নতুন ঘৰখনত যেন সকলোৱে মই অহালৈহে বৈ আছিল। গুৱাহাটীৰ খানাপাৰাৰ 'ষ্টাফ কলেজ'ৰ কোৱাৰ্টাৰত (জুবিনৰ দেউতাক তেতিয়া Staff College ৰ Joint Director হৈ কাৰ্যনিৰ্বাহ কৰি আছিল) সোমোৱাৰ লগে লগে 'পাপু' (জুবিনৰ দেউতাকক আমি সকলোৱে পাপু বুলি মাতোঁ।) আৰু মোৰ ননন্দ 'মমন'এ মোক এনেদৰে আঁকোৱালি ল'লে যে, সেই এক মুহূৰ্ততে মই নিজৰ ঘৰখন এৰি এখন নতুন ঘৰত সোমোৱাৰ কথা পাহৰি গ'লোঁ। মই যেন বেছ কিছুদিন বাহিৰত থাকিহে নিজৰ ঘৰখনলৈ ঘূৰি আহিছো। দেউতা, মোৰ এজনী ভণ্টি আৰু মোৰ মনৰ আটাইতকৈ আপোন মানুহজনৰ লগত আৰম্ভ হ'ল মোৰ সংসাৰ। এতিয়া আমাৰ যুগ্ম জীৱনৰ প্ৰায় ৭ বছৰ (২০০৮) সম্পূৰ্ণ হ'ল। খুব গৌৰবেৰে আৰু সন্তুষ্টিৰে সৈতে আজি মই ইয়াত লিখিবলৈ পাই সুখ অনুভৱ কৰিছো যে মৰম, ভালপোৱা আৰু বুজা-বুজিৰে সৈতে আমি এহাল অত্যন্ত সুখী দম্পতী।

* * *

একে আষাৰতে মই কৈ থ'ব পাৰোঁ যে, জুবিন খুব সৰল আৰু বহল মনৰ অধিকাৰী এজন অতি মৰমীয়াল ব্যক্তি। তেওঁক লগ পোৱা আৰু ওচৰৰ পৰা চিনি পোৱা বহুতেই কয়— 'Zubeen has got a heart of gold'। আনৰ দুখত বিচলিত হৈ পৰা, সুখৰ ভাগী হৈ আত্মহাৰা হোৱা মই বহুবাৰ দেখিছো। নিজৰ জীৱনৰ বহুতো কঠিন সময়তো গভীৰ আত্মবিশ্বাস আৰু সাহসেৰে থিয় দি তেওঁ দুঃসময় জয় কৰিছে। আগতে মই সৰু সৰু কথাত খুব tension লৈছিলো

আৰু কিবা এটা নতুন কাম কৰাৰ আগতে পৰিণামৰ বিষয়ে ভাবি উৎকণ্ঠিত হৈ পৰিছিলো। কিন্তু তেওঁ মোক শিকালে, কেনেদৰে সাহস আৰু বিশ্বাসেৰে মানুহে যিকোনো কঠিন সময়ক জিনি যাব পাৰে। অকল মোকেই নহয়, তেওঁৰ সংস্পৰ্শত থকা সকলোকে তেওঁ এইদৰেই সাহস দিয়ে, উৎসাহিত কৰে জীৱনত আগবাঢ়ি যাবলৈ। জুবিনে নিজেও নিজৰ যাত্ৰাৰ প্ৰথম আৰম্ভণি কৰিছিল নিজৰ প্ৰতি থকা বিশ্বাস আৰু সাহসৰ বলতেই। 'মা'ৰ অনুপ্ৰেৰণা আৰু support আছিল তেওঁৰ সাহসৰ একমাত্ৰ সম্বল। ১৯৯৩ চনত 'অনামিকা'ৰ release ৰ লগে লগে পোৱা সফলতাৰ পিছত তেওঁ আৰু কেতিয়াও ঘূৰি চাব লগা হোৱা নাই। তাৰ পিছৰ প্ৰতিটো এলবামৰ release ৰ লগে লগে তেওঁ হৈ পৰিছে অসমীয়া শ্ৰোতা সমাজৰ হিয়াৰ আমঠু। 'অনামিকা'ৰ পৰাই এন কে প্ৰডাকশ্যন গোষ্ঠীৰ স্বত্বাধিকাৰ দেৱ বৰকটকীৰ সৈতে জুবিনৰ সহৃদয়তা গঢ়ি উঠিছিল। আজি পোন্ধৰ বছৰতকৈও অধিক সময় তেওঁলোকৰ এই বন্ধুত্ব অটুট আছে। এতিয়া আমি সকলো এটা পৰিয়ালৰে সদস্যৰ দৰে থাকোঁ। জুবিন খুব বন্ধুপ্ৰিয় আৰু বন্ধুমহলত তেৰোঁ খুব প্ৰিয়। তেওঁৰ ভাল বন্ধুৰ হয়তো কোনো সীমা সংখ্যা নাই। সেয়ে হয়তো ১৯৯৫ চনৰ পৰা আজিলৈকে তেওঁৰ ভাল বন্ধুৰ লগত মোৰ চিনকি পৰ্ব শেষেই হোৱা নাই। তেওঁ আৰু ভাল পায় ঘৰলৈ আলহী নিমন্ত্ৰণ কৰি হাঁহি-ফূৰ্তিৰ মাজেৰে আজৰি সময় কটাবলৈ। বিয়াৰ পিছত হয়তো আঙুলি মূৰত লিখিব পৰা মাত্ৰ কেইটামানহে দিন আছে যি দিনত আমি কোনো অতিথিৰ সংগ নোহোৱাকৈ কোনো এসাঁজ আহাৰ গ্ৰহণ কৰিছো। অলপ আচৰিত যেন লাগিলেও এয়া একেবাৰে সঁচা যে সদায় নিশাৰ আহাৰৰ বাবে মই অতি কমেও দহজন লোকৰ আহাৰ বনাব লগা হয়। কেতিয়াবা হয়তো ৰাতি ১-৩০ বা ২ বজাতো আৰু ২/৩ জনৰ বাবে পুনৰ খাদ্যৰ যোগাৰ কৰিব লগা হয়।

তেওঁ খুব সহানুভূতিশীল। কোনোবাই যদি তেওঁক আহি কয় যিকোনো ধৰণৰ বিপদত পৰিছে বুলি অথবা নতুন কিবা এটা আৰম্ভ কৰাৰ সময়ত কোনো ধৰণৰ অসুবিধাত বৈ যাব লগা হৈছে বুলি, তেওঁ উঠি-পৰি লাগিব সেই ব্যক্তিজনক যিমান পাৰে সহায় কৰি আগবঢ়াই নিবলৈ। তেওঁৰ মতে ভাল মানুহ/বেয়া মানুহ বিবেচনা কৰি ফুৰাটো আমাৰ কৰ্ম নহয়। কাৰোবাৰ বাবে ভাল মানুহজন হয়তো কাৰোবাৰ বাবে বেয়াও হ'ব পাৰে অথবা আন কাৰোবাৰ বাবে বেয়া মানুহজন আমাৰ প্ৰতি খুব ভালো হ'ব পাৰে। গতিকে তেওঁৰ মনত ভাল-বেয়া, সৰু-ডাঙৰ ইত্যাদি ভেদ-ভাব একেবাৰে নাই। 'কৰ্ম আৰু নিষ্ঠা' ই জুবিনৰ জীৱন দৰ্শন। তেওঁৰ মতে, নিষ্ঠাৰে যদি কাম কৰি যোৱা যায়, তেন্তে জীৱনত অসম্ভৱ একো নাই।

যিমানেই ডাঙৰ সপোন নহওক কিয়, সেই সপোনক বাস্তৱ ৰূপ দিয়াৰ একমাত্ৰ চাবিকাঠী হৈছে নিজৰ ওপৰত গভীৰ বিশ্বাস, সাহস আৰু কৰ্তব্যনিষ্ঠা। তেওঁৰ মতে, ভগৱানক বেলেগে পূজা কৰাৰ প্ৰয়োজন নাই। আমাৰ বিশ্বাসতেই ভগৱান আছে আৰু যি লোকে সৎ আৰু সাহসৰ পথেৰে কৰ্মত বিশ্বাস কৰি আগবাঢ়ি যাব পাৰে, তেওঁতকৈ ডাঙৰ ধাৰ্মিক আৰু কোনো নাই আৰু তেওঁক ভগৱানে সহায় কৰিবই। সেয়ে হয়তো জুবিনে নিজে দিনটোৰ সোতৰ-ওঠৰ ঘণ্টা অকল কামতেই ব্যস্ত হৈ থাকি সন্তুষ্টি লাভ কৰে। কামত থকা সময়খিনিত তেওঁ হয়তো নিজকে সম্পূৰ্ণ পাহৰি যায়। দিনতকৈ তেওঁ ৰাতি কাম কৰি ভাল পায়। ৰাতিৰ নিৰ্জনতাতেই হেনো বিচাৰি পায় সকলো শব্দৰ আধাৰ। এইদৰে কাম কৰি থাকোঁতে কেতিয়াবা গোটেই ৰাতি পাৰ হৈ যায়। একেৰাহে ৩০ ঘণ্টাতকৈও অধিক সময় একেৰাহে চকুৰ টিপ নমৰাকৈ কাম কৰাও মই দেখিছো।

তেওঁৰ মনটো সদায় কিবা এটা নতুনৰ সন্ধানত যেন বিচৰণ কৰি ফুৰে। নতুন সৃষ্টিৰ তাড়নাত অথবা যিকোনো কাম এটা নতুন ধৰণেৰে কেনেদৰে present কৰিব পৰি তেনেকুৱা চিন্তাই তেওঁক সদায় অস্থিৰ কৰি ৰাখে। কেতিয়াবা হয়তো গভীৰ নিদ্ৰাৰ মাজতো অথবা সপোনতো তেনেকুৱা চিন্তাই তেওঁক আচ্ছন্ন কৰি ৰাখে। হঠাৎ সাৰ পাই উঠি কেতিয়াবা কাগজ-কলম গোটাই লৈ অথবা নিজৰ কম্পিউটাৰ ছিষ্টেম খুলি বহি যায় মাজনিশাও।

আজৰি সময়ত তেওঁ চিনেমা চাই, নতুন নতুন গান শুনি, বন্ধু-বান্ধৱৰ লগত সময় কটাই অথবা ফুৰি ভাল পায়। জুবিনৰ নিজা এটা ডাঙৰ লাইব্ৰেৰী আছে বিভিন্ন দেশৰ আৰু বিভিন্ন ভাষাৰ চিনেমাৰ। বিভিন্ন ধৰণৰ সংগীতৰ আৰু ডাঙৰ ডাঙৰ বহুতো শিল্পীৰ সংগীতানুষ্ঠান অথবা ভিডিঅ'ৰ। কিতাপ পঢ়াটোও তেওঁৰ চখ যদিও কামৰ হেঁচাত আজিকালি খুব কম সময়হে কটাবলৈ পায় কিতাপৰ সৈতে। কিন্তু ইণ্টাৰনেটত সময় পালেই বিভিন্ন বিষয়ৰ ওপৰত, বিভিন্ন ব্যক্তিৰ ওপৰত জ্ঞান আহৰণ কৰাটো তেওঁৰ এক নিয়মীয়া অভ্যাস। আমি দুয়োজনে ফুৰি খুব ভাল পাওঁ। সেয়ে যেতিয়াই সময় মিলাব পাৰোঁ আমি ওলাই যাওঁ দুদিনৰ কাৰণে হ'লেও; কিছু সময় নিজৰ সৈতে কটাবলৈ। পাহাৰ আৰু পানীৰ প্ৰতি জুবিনৰ বিশেষ দুৰ্বলতা আছে। গতিকে পৰাপক্ষত আমি বাছি লওঁ, কোনো ঠাণ্ডা পাহাৰীয়া ঠাই অথবা water sports যথেষ্ট পৰিমাণে থকা কোনো holiday spot।

মাজে মাজে তেওঁৰ এটা আচৰিত ধৰণৰ চখ উঠে ৰন্ধা-বঢ়া কৰাৰ। আচৰিত বুলি এই কাৰণেই কৈছোঁ যে তেওঁৰ যিবোৰ ৰেচিপি, শুনিলে প্ৰথমতে সকলো

আচৰিত হ'ব লগা কথা। তেওঁৰ মাংসৰ ৰেচিপিত থাকিব পাৰে তিল, গুৰ, আমলখি আৰু পালেং শাকৰ সংমিশ্ৰণ; আইচক্ৰীমত থাকিব পাৰে, বিস্কুট, প্ৰ'টিন পাউডাৰ, চকলেট চিৰাপ, বিভিন্ন ধৰণৰ পাণ মছলা আৰু ককনাট পাউডাৰৰ মিশ্ৰণ। তেওঁ কিন্তু তেওঁৰ ৰন্ধন প্ৰণালী আৰু ৰেচিপি আনৰ আগত জনাবলৈ খুব বেয়া পায়। এয়া হেনো তেওঁৰ special cooking ৰ secret। ঘৰুৱা সময়খিনিত তেওঁ একেবাৰে. এটা সৰু ল'ৰাৰ দৰে ধেমালি কৰি, উৎপাত আৰু বদমাচি কৰি থাকে। কেতিয়াবা অসাৱধানতাৰ বস্তুবালিবোৰ ইমান বেছি হয়গৈ যে, শেষত দেখো ঘৰত থকা আটাইবোৰ মানুহ তেওঁৰ পিছে পিছে বিশৃংখল ঘৰখন সামৰি ঘূৰি ফুৰিছো। এই শিশুসুলভ মনটো আছে বাবেই হয়তো ইমানবোৰ কাম আৰু দায়িত্বৰ মাজতো তেওঁ ইমান ভালদৰে সকলোৰে মাজত পাৰিবাৰিক অথবা সামাজিক ক্ষেত্ৰত, প্ৰতিযোগিতাৰ বহল পৃথিৱীখনত সঠিক সাম্যতা ৰক্ষা কৰি আগবাঢ়ি যাব পাৰিছে।

এজন ব্যক্তিৰ মাজত যে সকলো ইতিবাচক গুণেই থাকিব, সেয়া জানো সম্ভৱ? সকলো ভালৰ মাজতো জুবিনৰ ব্যক্তিত্বত কিছুমান বেয়া দিশ আছে আৰু মই সেইখিনিৰ্নিক সমালোচনা কৰি চেষ্টা কৰোঁ তেওঁক আঙুলিয়াই দিবলৈ। তেওঁ অৱশ্যে নিজৰ দোষবোৰ সৰুৱেই হওক বা ডাঙৰেই হওক লুকুৱাবলৈ চেষ্টা নকৰে। নিজৰ ভুলবোৰ তেওঁ নিজেও সদায় বুজি পায় আৰু স্বীকাৰ কৰে। 'Fast driving and drinking is my weak point' — আজিৰ পৰা প্ৰায় বাৰ বছৰ আগতেই তেওঁ এই কথা মোৰ আগত এদিন স্বীকাৰ কৰিছিল আৰু আজিও কেতিযাবা এই দুটা কথা লৈ আমাৰ মাজত মত-বিৰোধ হয়। কিন্তু নিজৰ কামৰ প্ৰতি পিঠি দি তেওঁ নিজৰ চখ পূৰণ কৰাত মুঠেও পক্ষপাতী নহয় আৰু তেনে কৰাৰ হয়তো নজিৰ আজি পৰ্যন্ত নাই। আজিলৈকে কেইবাবাৰো কাগজে-পত্ৰই তেওঁ সমালোচনাৰ সন্মুখীন হৈছে। তেওঁৰ কিছুমান সামাজিক অনুষ্ঠানত কৰা ব্যৱহাৰৰ বাবে আৰু এনেকুৱা প্ৰতিটো ঘটনাৰ আঁৰত নিশ্চয় তেওঁৰো নিজৰ কিছুমান explaination আৰু resson আছে (সেইবোৰ সকলোৰে বাবে অৱশ্যে মানি ল'ব পৰা নহ'বও পাৰে)। কিন্তু তেওঁৰ দৈনন্দিন জীৱনতো কিবা নহয় কিবা এটা exceptional দিশ অহৰহ লাগি থাকে যিদৰে তেওঁৰ সংগীত, তেওঁৰ গায়কী আৰু সৃষ্টি সদয়েই ভিন্ন আৰু শ্ৰেষ্ঠ বুলি সদায়েই প্ৰমাণিত হৈ আহিছে। জুবিনৰ বেশ-ভূষা, থকাৰ ধৰণ-কৰণ বহুত বেলেগ ধৰণৰ আৰু তেওঁৰ ষ্টাইল, পিন্ধা-উৰাত তেওঁৰ এক স্বকীয়তা আছে, যি এতিয়া নতুন চামৰ বহু যুৱকে অনুকৰণ কৰি ভাল পায়।

'জুবিন গাৰ্গ' নামটো এতিয়া মাথোঁ সংগীত জগততেই পৰিসীমিত হৈ থকা নাই। তেওঁ চেষ্টা কৰিছে বিভিন্ন দিশত নিজৰ পাৰদৰ্শিতাক জুখি চাবলৈ আৰু

সকলো দিশতে সফলতাৰে নিজৰ শ্ৰেষ্ঠত্বা প্ৰমাণ কৰিছে। অভিনেতা, পৰিচালক, সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ, গায়ক সকলো ৰূপতেইতো তেওঁ উচ্চ আসন একোখন দখল কৰি ল'বলৈ সক্ষম হৈছে। আজি মাথোঁ কেইদিনমান আগতে তেওঁ অসমীয়া সাহিত্যৰ জগতখনত এজন 'কবি' হিচাপেও আত্মপ্ৰকাশ কৰিছে আৰু এই ৰূপতো তেওঁ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। যোৱাটো বছৰত (২০০৬-০৭) তেওঁৰ অন্যতম হিট 'য়া আলি' ৰ বাবে আন্তঃৰাষ্ট্ৰীয় সন্মানো (Global Indian Film Award) কঢ়িয়াই আনিছিল আৰু লাভ কৰিছিল 'বলীউড'ৰ 'Stardust Award' ৰ দৰে সন্মানীয় পুৰস্কাৰ। কলকাতাৰ ছবি জগতে একেৰাহে দুবাৰ তেওঁলৈ আগবঢ়াইছিল Kalakar Award ৰ সন্মান আৰু বংলা ছবি 'শুধু তুমি'ৰ সংগীত পৰিচালনাৰ বাবে লাভ কৰিছিল বিখ্যাত Bengal Film Journalists Award' ২০০৬ চনত।

নিজৰ সৃষ্টি আৰু কামক লৈ যদিও তেওঁ সন্তুষ্ট তথাপি যেন এতিয়াও আৰু বহু বাকী আছে। তেওঁ অহৰহ পৰিকল্পনা কৰে নতুন আৰু ভাল কামৰ। এনেকুৱা কিছুমান ডাঙৰ কামৰ; যি সৃষ্টিয়ে তেওঁৰ মৰমৰ অসমখনৰ নাম গৌৰৱেৰে প্ৰতিষ্ঠা কৰিব বিশ্বৰ দৰবাৰত। তেওঁ সদায় সপোন দেখে সংগীতৰ অমৃয়া ৰসে ধৌৱাই নিয়ক বৰ্তমান অসমৰ কলুষিত বাতাৱৰণ। পুনৰ নামি আহক সুৰ আৰু ৰঙৰ অপৰূপ সমাহাৰ.. হাঁহিৰে উপচি পৰক প্ৰতিজন অসমীয়াৰ জীৱন আৰু শান্তিৰ মলয়া বওক দেশজুৰি .. তেওঁৰ সকলো সপোন সঁচা হওক... সদায় সফল হওক.. সুন্দৰ এটি মন আৰু সুস্বাস্থ্যৰে নিজে ভবামতেই আগুৱাই লৈ যাওক তেওঁৰ বৰ্ণিল কৰ্মময় জীৱন...।

# জুবিন ঃ অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ

◘ডনি হাজৰিকা (মুম্বাই)

জুবিনৰ সৈতে মোৰ প্ৰথম পৰিচয় ঘটে ১৯৯১ চনত, যোৰহাটত। বন্ধুবৰ দিগন্ত শৰ্মাই মোক তেওঁৰ ওচৰলৈ নৈ গৈছিল। সেই প্ৰথম চিনাকিৰ দিনৰেই পৰা আমি দুয়ো ভাল বন্ধু হৈ পৰোঁ। বিশেষকৈ 'অনামিকা'ৰ অডিঅ' ৰিলিজৰ পিছৰেই পৰা জুবিন আৰু মই অসমৰ বিভিন্ন মঞ্চত একেলগে সংগীত অনুষ্ঠানসমূহত সংগীত পৰিবেশন কৰিবলৈ আৰম্ভ কৰি দিওঁ। ১৯৯২ চনৰ পৰা ২০০৫ চনলৈ, বিগত তেৰটা বছৰে জুবিনৰ সৈতে কটোৱা সেই মুহূৰ্তবোৰে মোৰ মন-মগজুক অনবৰতে মধুৰ স্মৃতিৰ অনুভূতিৰে জীপাল কৰি ৰাখিছে। এজন ভাল মানুহৰ গাত থাকিবলগীয়া সকলো গুণেই তেওঁৰ গাত আছে। জুবিন এজন ভাল বন্ধু; উপদেষ্টা, ভাল সংগীতজ্ঞ আৰু এই সকলোৰে উৰ্ধ্বত এজন সদাশয়ী ব্যক্তি। তেওঁৰ সংগীত প্ৰতিভাক কোনেও নুই কৰিব নোৱাৰে। গান লিখাৰ পৰা তাক সুৰৰ খাজে খাজে মনপূত হোৱাকৈ সজোৱা— সকলোতেই জুবিনৰ আছে অতুলনীয় দক্ষতা আৰু নিপুণতা। তেওঁৰ কামবোৰ

অত্যন্ত মসৃণ। তথাকথিত সংগীত পৰিচালকসকলৰ কাম কৰাৰ ধৰণতকৈ জুবিনৰ পৰিচালনা পৃথক। কামৰ প্ৰতি থকা তেওঁৰ নিষ্ঠা, গুৰুত্ব আৰু সচেতনতাক নিজে উপলব্ধি নকৰিলে ভাষাৰে বুজোৱা টান। সেয়েহে বিনাদ্বিধাই কওঁ— জুবিন সঁচা অৰ্থতেই এজন সংগীত পৰিচালক। অৱশ্যে তেওঁৰ কাম কৰাৰ ধৰণটোত মই সন্তুষ্ট নহওঁ। কামৰ তীব্ৰ হেঁচাৰ বাবেই তেওঁ গোটেই ৰাতি নিদ্ৰাহীনভাৱে থাকি কাম কৰে আৰু দিনৰ দিনটো শুই থাকে। স্বাভাৱিকতেই এয়া প্ৰকৃতি বিৰুদ্ধ কথা আৰু তেওঁৰ স্বাস্থ্যৰ পৰিপন্থী। জুবিনৰ আন এটা কথাও ইয়াৰ বাবে জগৰীয়া আৰু সেয়া হৈছে কাৰ্যসম্পাদনৰ সুনিৰ্দিষ্ট সময়সূচী মানি নচলা তেওঁৰ স্বভাৱ। যাৰ ফলত একো একোটা কামত নিৰ্ধাৰিত অথবা প্ৰয়োজনতকৈ অধিক সময় দিবলগীয়া হয়। সংগীতকাৰজনৰ আন এটা কথায়ো মোক বৰ চিন্তিত কৰি তোলে, সেয়া হৈছে তীব্ৰ বেগেৰে গাড়ী চলোৱাৰ তেওঁৰ পুৰণি অভ্যাস। অনাহকতে জীৱনক লৈ হেতালি খেলাৰ এনেবোৰ কাৰ্যৰ পৰা তেওঁ আঁতৰি থকা উচিত। তেওঁ অসমীয়া জাতিৰ এক আপুৰুগীয়া সম্পদ। জীৱনৰ বাটত তেওঁলৈ বুলি দুবাহু মেলি অধীৰ অপেক্ষাত আছে বহুতো নতুন সুযোগ, নতুন আশা। সঁচাকৈয়ে, অতি সাধাৰণ কথা আৰু সুৰে জুবিনৰ কণ্ঠত প্ৰাণ পাই নাচি উঠে, যাৰ ফলত শ্ৰোতাই উৎকৰ্ণে তন্ময় হৈ শুনি থাকে তেওঁৰ কণ্ঠৰ পৰা নিগৰি অহা সুৰৰ ঝংকাৰ। কায়বনোৱাকে অব্যাহত ৰখা সংগীত সাধনা আৰু নিজ প্ৰতিভাৰ গুণতেই বিগত যোল্ল বছৰে জুবিনে অসমৰ সংগীতপ্ৰেমীৰ মনত নিজৰ বাবে এখন সুকীয়া আসন তৈয়াৰ কৰি ল'বলৈ সক্ষম হৈছে। তেওঁৰ গায়কীত আছে শ্ৰোতাক আকৰ্ষণ কৰিব পৰা এক অজান আহ্বান। সংগীতৰ ক্ষেত্ৰত যেন জুবিনে উদগ্ৰ গতিৰে সফলতাৰ ন-ন দিগন্ত চুব পাৰে তাৰেই কামনা কৰিলোঁ।

**অনুলেখন : কুলেশ তালুকদাৰ**

# সংগীতৰ অমিয়া সন্ধানত জুবিন

## হিমেশ ৰেছমিয়া, প্ৰীতম, গেংষ্টাৰ য়া-আলিৰ কথাৰে

□ গৌতম চক্ৰবৰ্তী (মুম্বাই)

এখন দেখিবলৈ অলপ বেলেগ, sports Modelৰ চাইকেল। কেতিযাবা যোৰহাটৰ গীতাৰ্থী স্কুলৰ সন্মুখত আৰু কেতিযাবা ডি চি বি কলেজ বা কেতিয়াবা জে বি কলেজৰ সন্মুখত সেই চাইকেলখন দেখা যায়। তেতিয়াই গম পাই যাওঁ যে জুবিন ওচৰতে ক'ৰবাত আছে।

১৯৮৯ চন। জুবিন যোৰহাটলৈ আহিছে। লাহে লাহে আমাৰ লগত চিনাকি হ'ল। আমাৰ এটা Music Group আছিল। জুবিনে গান গায়, হাৰমণিয়াম বজায়, তবলা বজায় বুলি গম পাই আমি তাক আমাৰ গ্ৰুপত বজাবলৈ মাতিলো। তাৰ তেতিযা নিজৰ কী-ব'ৰ্ড নাছিল। আমি শ্ব' থাকিলে কাৰোবাৰ পৰা কী-ব'ৰ্ড এখন খুজি আনিছিলো।

এবাৰ ব'হাগ বিহুৰ অনুষ্ঠান কাছাৰী ফিল্ডত। আগদিনা আমাৰ শ্ব' সীমান্ত সন্দিকৈৰ লগত আছিল। জুবিনে কী-ব'ৰ্ড বজাইছিল। ৰাতি দেৰি হোৱাত সি

প্ৰেমেণ্ট নোলোৱাকৈয়েই ঘৰলৈ গ'লগৈ। মোক তাৰ পইচাটো লৈ থ'বলৈ ক'লে। পিছৰ দিনা অৰুণ দাসৰ program কাছাৰী ফিল্ডতে। আমি লগ হৈছোহি আৰু অলপ সময়ৰ পাছতেই অৰুণ দাৰ সংগীত অনুষ্ঠান আৰম্ভ হ'ব। মই প্ৰগ্ৰেম চাবৰ বাবে উত্ৰাৱল হৈ পৰিছো। তেনেতে জুবিনে মোক আগদিনাৰ প্ৰগ্ৰেমৰ পইচাটো (খেপ) খুজিলে। মোৰ খং উঠি গ'ল। অৰুণ দাৰ প্ৰগ্ৰেম আৰম্ভ হ'বৰ হৈছে আৰু সি মোক পইচা বিচাৰি দিগদাৰী দি আছে। মই তাক খঙত ক'লো— 'Everything will be done tomorrow, you may go now Zubeen' জুবিন লাহেকৈ আঁতৰি গ'ল আৰু সীমান্ত দাক ক'লেগৈ। 'মই তাক পইচা বিচাৰিলোঁ আৰু সি মোক ইংলিছত দম দিছে।' পাছদিনা জুবিনক লগ পালোঁ আৰু আগদিনাৰ বাবে চ'ৰি ক'লোঁ। তাক পইচাটো দিলোঁ, ২৫ টকা, গাইপতি ৩৫ টকাকৈ পৰিছিল, পিছে, মই আগদিনা ৰাতি তাৰ ভাগৰ ১০ টকা খৰচ কৰি পেলালো। তাক কথাটো ক'লো। সি ক'লে— 'কোনো কথা নাই। জীৱনত প্ৰগ্ৰেম কৰি পোৱা প্ৰথম পইচাখিনি বৰ মৰমেৰে সি নিজৰ মানি বেগত ভৰাই থ'লে। মোৰ তাক দেখি মনটো বৰ ভাল লাগি গ'ল। আচৰিত কথা এই যে তাৰ ঠিক তিনি বছৰৰমান পাছত সেই ২৫ টকা এদিন সি মোক মানি বেগৰ পৰা উলিয়াই দেখুৱালে। জীৱনৰ প্ৰথম উপাৰ্জন সি তেতিয়ালৈকে খৰচ নকৰি সাঁচি থৈছে। মই আচৰিত হৈ তাৰ ফালে চাই ৰ'লোঁ।'

আন এদিনৰ কথা, যোৰহাটৰ প্ৰভৰাজ চিনেমা হ'লত শান্তা বৌৰ (শান্তা উজীৰ) প্ৰগ্ৰেম আছিল। সেইদিনাৰ ৰাতিৰ প্ৰগ্ৰেমত ৰূপম তালুকদাৰৰ পৰা কেছিঅ' কী-বৰ্ড এখন জুবিনে কিনিলে, জীৱনত প্ৰথমবাৰৰ বাবে কী-বৰ্ড এখন নিজৰকৈ পাই সি বেছ আনন্দিত হৈ পৰিছিল। জুবিনে কী-বৰ্ডখন কিনাৰ পাছতে আমি এটা সুৰ সমলযৰ গ্ৰুপ খুলিলো। জুবিনক 'বেণ্ড'টোৰ এটা ভাল নাম দিবলৈ ক'লোঁ। সি বহুত ভাবি-গুণী এটা নাম থ'লে— 'Gather Symphony' আমি দুই-এটা সুৰ সমলয়ৰ প্ৰগ্ৰেম কৰিবলৈ ল'লোঁ। তাৰে এদিনৰ কথা। থানা ৰ'ডত পূজাৰ ফাংচন পাতিছে। আমাক এটা প্ৰগ্ৰেম কৰিবলৈ ক'লে। ঠিক আছে, যথা সময়ত আমি ফাংচন পালোঁগৈ। কমিটিৰ এজনে আহি আমাক গ্ৰুপৰ নামটো সুধিলে। ক'লো— 'Gather Symphony'। সকলো ঠিক আছে, ঘোষকে মাইকত ঘোষণা কৰিলে— 'এইবাৰ আপোনালোকলৈ আগবঢ়াইছো 'Gather Company'ৰ সুৰ সমলয়। জুবিনৰ উঠিল খং। 'Symphony'ৰ ঠাইত 'Company' ঘোষণা কৰাত। আমি কমিটিক ক'লো যে 'Symphony' হ'ব লাগে, 'Company' নহয়। ঘোষকে ক'লে— 'Symphony, Company' একেই কথা, একো নাই, তোমালোকে

প্ৰগ্ৰেম আৰম্ভ কৰা'। জুবিনে ক'লে— 'নাই নহ'ব, আপুনি নামটো শুদ্ধকৈ ঘোষণা কৰক, তেতিয়াহে আমি প্ৰগ্ৰেম আৰম্ভ কৰিম।' নিজে ইমান মৰমত দিয়া নামটো ভুলকৈ কোৱাৰ বাবে তাৰ বেছ খং উঠিছিল। অৱশেষত বেগুটোৰ নাম শুদ্ধকৈ ঘোষণা কৰাত আমি প্ৰগ্ৰেম আৰম্ভ কৰিলো।

কেতিয়াবা আমাৰ সংগীতৰ আখৰাৰ সময়ত জুবিনে এনেয়ে আমাক দুই-এটা গান গাই শুনাইছিল। তাৰ মাজত 'গানে কি আনে', 'প্ৰীতিৰ সুবাসে' আদি সুন্দৰ গানো আমি শুনিবলৈ পাইছিলো। আমি তেতিয়াই গম পাইছিলো যে জুবিন এদিন নিশ্চয়ে এজন সফল গায়ক হ'ব। গানৰ নতুনত্ব, গানৰ কথা আৰু এক নতুন সুন্দৰ কণ্ঠই আমাক মোহিত কৰি পেলাইছিল।

সেই সময়ত জুবিনৰ চুলি বহুত দীঘল আছিল। ল'ৰাৰ চুলি দীঘল হোৱাটো তেতিয়া মানুহে ইমান সহজভাৱে নলৈছিল। চুলি দীঘল ল'ৰাক তেতিযা অলপ বেলেগ চকুৰে চাইছিল। জুবিনৰো সেই অৱস্থাই হৈছিল। অন্য মানুহৰ লগতে লগৰ কিছুমান ল'ৰাযো তাক অলপ বেছি 'মডেল' বুলি কৈছিল। পিছে, সেই জুবিনেই যে এদিন অসমবাসীক এক নতুন গীত আৰু কথাৰ সোৱাদ দিব সেই কথা হযতো সেই সমযত তেওঁলোকে বুজি পোৱা নাছিল।

মই গুৱাহাটী কমাৰ্চ কলেজত নাম লগালো আৰু কলেজৰ হোষ্টেলত থাকিবলৈ ল'লোঁ। সেই সমযতে জুবিনো গুৱাহাটীলৈ আহিল। সি বি বৰুৱা কলেজত পঢ়িছিল। সৰু খুড়াকৰ লগত সি ছয়মাইলত আছিল। আমি প্ৰায়ে লগ হৈছিলো আৰু ক'ৰবাত বহি আড্ডা মাৰিছিলো। মাজে মাজে আমি কটন কলেজৰ হেষ্টেলত থকা বন্ধু চিন্তামণিৰ ৰুমত বহি গানৰ মেহফিল পাতিছিলো। চিন্তামণিও বৰ ভাল গান গায়, কটন কলেজৰ বেষ্ট চিংগাৰ আছিল। জুবিনে কী-ব'ৰ্ড বজাইছিল আৰু চিন্তাই গান গাইছিল। জুবিনেও তাৰ নিজৰ গানবোৰ শুনাইছিল। এনেদৰে গান গাই থাকোঁতে প্ৰায়ে ৰাতি দেৰি হৈ গৈছিল। চিটী বাছ বন্ধ হৈ গৈছিল আৰু অট'ৰিক্সাত আহিবলৈ ইমান পইচা আমাৰ হাতত নাথাকিছিল। সেইবাবে জুবিন আৰু মই কটন কলেজৰ হোষ্টেলৰ পৰা (দীঘলীপুখুৰী) কমাৰ্চ কলেজৰ হোষ্টেললৈ খোজ কাঢ়িযেই আহিছিলো। হোষ্টেললৈ আহি আমি ৰাতি ৰুমমেটে আনি থোৱা ভাত খাইছিলোহি। কমাৰ্চৰ হোষ্টেললৈ জুবিন প্ৰায়ে আহিছিল আৰু প্ৰায়ে ৰাতি হোষ্টেলৰ ৰান্ধনীযে জুবিনৰ বাবেও ভাত থৈ দিছিল। বহু ৰাতি দেৰি হোৱাৰ বাবে জুবিনে নিজৰ ঘৰলৈ নগৈ কমাৰ্চৰ হোষ্টেলৰ মোৰ ৰুমতে থাকি গৈছিল।

এবাৰ কটন কলেজৰ কলেজ সপ্তাহত চিন্তামণিৰ প্ৰগ্ৰেমত জুবিনে কী-

ব'র্ড বজাইছিল। মই প্রয়াত বন্ধুবৰ নূপুৰ বৰদলৈৰ লগত সেইদিনাৰ ফাংচনত খুব নাচিলো।

সেই সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত জুবিনে বি বৰুৱা কলেজৰ সংগীত প্রতিযোগিতাত অংশ লৈ গোল্ড মেডেল অর্জন কৰে। লাহে লাহে জুবিন বি বৰুৱা কলেজত জনপ্রিয় হৈ পৰিছিল।

ইতিমধ্যে, জুবিনে নিজৰে এটা গীতৰ এলবাম কৰাৰ বাবে যো-জা চলালে। পাপুক (জুবিনৰ দেউতাক) কথাটো কোৱাত পাপুৱে টকা-পইচা যি লাগে সেইখিনি দিম বুলি ক'লে। পাপুৱে জুবিনক সৰুৰে পৰাই সংগীতৰ ক্ষেত্রত যথেষ্ট উৎসাহ দি আহিছিল। তেখেত নিজে এজন ডাঙৰ চৰকাৰী চাকৰিয়াল আছিল যদিও কবি আৰু সাহিত্যিক হিচাপেও যথেষ্ট নাম কৰিছিল। তেখেতে 'কপিল ঠাকুৰ' ছদ্মনামেৰে লিখা-মেলা কৰিছিল। জুবিনৰ 'জোনাক গ'লা জাৰৰ নিশা' পাপুৱে লিখা গান। জুবিনৰ মাকেও ভাল গান গাইছিল।

সেই সমযতে এন কে প্রডাকশ্যনে জুবিনৰ ককাযেক উৎপল শর্মাৰ (জুবিনৰ জেঠাযেকৰ ল'ৰা) এটি গীতৰ এলবাম কৰিবলৈ লৈছিল। তেতিয়া জুবিনে উৎপলদাক তাৰ গানৰ কেছেটটোও একেলগে কৰিবৰ বাবে অনুৰোধ জনালে। গীতৰ সংগীত ব্যৱস্থাপনা উৎপল দাই কৰিছিল। অ'ডিটেক ষ্টুডিঅ'ত জুবিন আৰু উৎপল দাৰ গানৰ ৰেকর্ডিং আৰম্ভ হ'ল। 'অনামিকা' নামৰ এটি নতুন গীত সেই সমযতে সি সৃষ্টি কৰিছিল। আগতে ৰচনা কৰা 'গানে কি আনে', 'প্রীতিৰ সুবাসে' আদি গীতে ৰেকডিং কৰা হ'ল। মই প্রাযে ষ্টুডিঅ'লৈ গৈ ৰেকর্ডিং চাইছিলোগৈ।

'অনামিকা' নামেৰে জুবিনৰ প্রথম এলবামটো মুক্তি পালে আৰু অতি কম সময়তে জনপ্রিয় হৈ পৰিল। লাহে লাহে জুবিন গার্গৰ নাম মানুহৰ মুখে মুখে হ'ল। এই যে সংগীতৰ যাত্রা আৰম্ভ হ'ল সি নিৰৱচ্ছিন্নভাৱে আজিও চলিয়েই আছে।

অসমত জনপ্রিয় হৈ উঠাৰ পাছত মুম্বাইৰ সংগীত জগতত খোপনি পুতিবৰ বাবে জুবিন এদিন মুম্বাইলৈ গুচি আহিল। মুম্বাইত জুহুৰ Unity compound ত থাকিবলৈ ল'লে। অসমলৈও অহা-যোৱা কৰি থাকিল। এই সময়তে মোৰ Sound Engineering ৰ প্রতি আগ্রহ বাঢ়ি গৈছিল, সেইবাবে জুবিনক সেই কথা কোৱাত সি মোক মুম্বাইলৈ আহিবলৈ ক'লে। তাৰ ভৰসাত বি কম শেষ কৰি মই ঋতুৰ (Bass Guitenst) লগত মুম্বাই পালোঁহি। মুম্বাইত আমি প্রায় আঠজনমান অসমীয়া ল'ৰাই জুহুৰ Unity compound ত একেলগে থাকিবলৈ ল'লোঁ। জুবিনে মোক মুম্বাইত থকা প্রখ্যাত শব্দযন্ত্রী মাইনাদাৰ (যতীন শর্মা) লগত

লগ কৰাই দিলে। মাইনাদাৰ কথামতে মই Mumbai University ৰ Sound Engineering ত ভৰ্তি হ'লোঁ। সেই সময়তে জুবিনে 'ৰং' নামৰ এলবামটিৰ কাম মাইনাদাৰ studio ত (Joshoainc ) আৰম্ভ কৰিছিল। তেতিয়াই মই গৰিমাক লগ পাওঁ। গৰিমা তেতিয়া মুম্বাইৰ চফিয়া কলেজত পঢ়ি আছিল।

ইতিমধ্যে মোৰ Sound Engineering ৰ course টো শেষ হ'ল আৰু মই গুৱাহাটীৰ ভূপেনদাৰ Auditech studio ত কাম কৰিবৰ বাবে গুৱাহাটীলৈ গুচি আহোঁ। অসমত ডেৰ বছৰ কাম কৰাৰ পাছত মই মুম্বাইৰ মাইনাদাৰ Geet Audiocraft Studio ত কাম কৰিবলৈ আহিলো। জুবিন তেতিয়া গুৱাহাটীতে আছিল। সি ইতিমধ্যে মুম্বাইৰ আন্ধেৰী east ত ঘৰ এটা ভাৰালৈ লৈছিল। মোক সি তাতে থাকিবলৈ ক'লে। তেতিয়াৰে পৰা প্ৰায় পাঁচ বছৰকাল (জুবিনৰ বিয়াৰ আগলৈকে) আমি একেলগে আছিলো। জুবিনে মোক তাৰ ভায়েকৰ দৰেই জ্ঞান কৰিছিল। কাৰোবাৰ লগত আজিও চিনাকি কৰাই দিলে নিজৰ ভায়েক বুলিয়েই কয়। তাৰ লগত পাঁচ বছৰ কাল একেলগে কটোৱাটো মোৰ জীৱনৰ এক মহান উপলব্ধি বুলি ক'ব পাৰোঁ। স্বতঃস্ফুৰ্তভাৱে তাৰ মুখৰ পৰা গীতৰ সুৰ আৰু কথা ওলাই অহা মই বহুবাৰ দেখিছো।

মই অলপ-অচৰপ খানা বনাব জানিছিলো। সেইবাবে বিশেষ একো অসুবিধা হোৱা নাছিল। মাজে মাজে জুবিনেও কিবাকিবি বনাইছিল। সি প্ৰায়েই বনোৱা বস্তুটো হ'ল কণী আৰু আলুৰ তৰকাৰী, যিটো সি ভাল বনাইছিল।

'তুমি মোৰ মাথোঁ মোৰ', 'দাগ', 'নায়ক' আদি চিনেমাৰ গানৰ ৰেকৰ্ডিং সেই সময়ত আমি গীত ষ্টুডিঅ'তে কৰিছিলো।

মুম্বাইত জুবিনৰ লগত থকা কালছোৱাত আমি প্ৰায়ে ৰাতি বাহিৰত খাবৰ বাবে ওলাই গৈছিলো। জুবিনে প্ৰায়েই ৰাতি কাম কৰিছিল আৰু সেইবাবে আমাৰ ৰাতি শোৱাত বহু পলম হৈছিল। জুবিনৰ বেছিভাগ গানৰ কাম ৰাতিয়েই হয়। সেইবাবে তাৰ ৰেকৰ্ডিংবোৰ প্ৰায়েই ৰাতিপুৱালৈকে চলিছিল। 'দাগ', 'নায়ক' আদি চিনেমাৰ ৰেকৰ্ডিংৰ সময়ত আমাৰ লগতে ভাইমন দাৰো (মুনিন বৰুৱা) কাম কৰি কৰি ৰাতি পুৱাইছিল।

কেতিয়াবা হঠাতে গধুলি জুবিনৰ 'বড়ে মিঞা'ত খাবলৈ মন যায়। 'বড়ে মিঞা' হ'ল মুম্বাইৰ কলাবা অঞ্চলৰ এখন ধাবা। 'চিকেন তন্দুৰী' আৰু 'ৰুমালী ৰুটী'ৰ বাবে 'বড়ে মিঞা' বিখ্যাত। তেতিয়া আমি থকা ঠাইৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ আঁতৰত থকা 'বড়ে মিঞা'ত গৈ খাওগৈ।

মাজে মাজে মোক সি ছানী ৰোডলৈ যাবৰ বাবে লগ ধৰে। ছানী ৰোডৰ

হোষ্টেল এটাতে গৰিমা আছিল। আমি থকা ঠাইৰ পৰা ২৫ কিলোমিটাৰ দূৰত। তেতিয়া তাৰ মুম্বাইত নিজৰ গাড়ী নাছিল। সেইবাবে লোকেল ট্ৰেইনেৰে যাব লগা হয়। প্ৰায় এঘণ্টা লাগে।

ওস্তাদ ফাটেহ আলী খানৰ গান সি প্ৰায়ে শুনে। নতুন কিবা এলবাম ওলালেই সি কিনে আৰু গীতসমূহ একেলেতাৰিয়ে শুনি থাকে। String ৰ নতুন গান ওলালে বা টিভিত string ৰ নতুন ভিডিঅ' আহিলে সি বেছ মন্ত্ৰমুগ্ধ হৈ চাই থাকে। চিনেমা চোৱাও তাৰ এটা হ'বী। বিশ্বৰ বহুতো ভাল ভাল চিনেমা মই তাৰ লগতে চাইছো।

এদিনাখনৰ কথা। ৰাতিপুৱা শুই উঠি দেখো জুবিন ঘৰত নাই। পুৱা ইমান সোনকালে সি খুব কমেইহে উঠে। উঠি ক'লৈ গ'ল চিন্তা কৰি থাকোঁতেই অলপ পাছতে ওলালেহি। লগত দুটা মানুহ। ডাঙৰ বক্স এটা লৈ আহিছে। মই সুধিলো— 'ক'ত গৈছিলি?' ক'লে, কাপোৰ ধুবলৈ বৰ দিগদাৰী হৈছিল, সেইবাবে ওচৰৰ দোকান এখনৰ পৰা washing machine এটা কিনি আনিলো। তেনেদৰে এদিন ক'লে যে ঘূৰা-ফুৰা কৰিবলৈ বৰ দিগদাৰী হৈছে, গাড়ী এখন কিনিব লাগে। পিছদিনা মোক লগত লৈ ওচৰৰ 'কাৰ বজাৰ' এখনলৈ গ'ল। সেইদিনাই এখন secondhand গাড়ী চাই, বেংকৰ ল'ন এটা লৈ গাড়ী এখন লৈ আহিল। মুঠতে কিবা এটা মনলৈ আহিলে শীঘ্ৰে কৰিব লাগে। ৰ'বলৈ সময় নাই।

ইতিমধ্যে জুবিনে হিন্দী চিনেমাত গান গাবলৈ আৰম্ভ কৰিছিল 'ফিজা' চিনেমাত 'মেৰে ৰতন' গানটো গাই সকলোৰে পৰা প্ৰশংসা লাভ কৰিছিল। 'কাঁটে' চিনেমাখনতো দুটি গীত গাই বেছ জনপ্ৰিয় হৈ পৰিছিল। জুবিনে বহুকেইখন হিন্দী চিনেমাৰ গীতত আলাপ কৰিছিল। তাৰ ভিতৰত উল্লেখনীয় এখন হ'ল 'দিল সে' চিনেমাত এ আৰ ৰেহমানৰ লগত। সেই সময়ৰে এটা জমনি ঘটনা। হিমেশ ৰেছমিয়াৰ চিনেমা এখনৰ ৰেকৰ্ডিং হিমেশৰ দেউতাকো ৰেকৰ্ডিঙৰ সময়ত আছিল। জুবিনক মাতিছিল গান এটাৰ মাজত আলাপ কৰিবৰ বাবে। উল্লেখ্য যে জুবিনে কৰা আলাপ আন সচৰাচৰ গায়কে কৰা আলাপতকৈ বহু ওপৰ খাপৰ হয়। জুবিনে বৰ ভালকৈ আলাপ কৰি গানটো সজাই পেলালে। হিমেশ আৰু তেওঁৰ দেউতকে বৰ ভাল পালে। ভাল পেমেণ্টো দিলে। দুদিনৰ পাছত হিমেশৰ অফিচৰ পৰা জুবিনলৈ আকৌ ফোন আহিল। হিমেশৰ দেউতাকে জুবিনৰ আলাপ বৰ ভাল পালে। গতিকে আন এটা গানতো আলাপ দিব লাগে। জুবিনৰ খং উঠি গ'ল। গান গাবলৈ মতা নাই, আলাপ কৰিবলৈহে মাতিছে। যদি ভালেই পাইছে গান গাবলৈ মাতিব লাগে। গতিকে সি নাযাওঁ বুলি ক'লে। অলপ পাছতে আকৌ ফোন আহিল।

ক'লে যে জুবিন আহিবই লাগিব, পেমেণ্টো দুগুণ কৰি দিয়া হ'ব। জুবিনে নাযাওঁ বুলি কোৱাতো বৰ জোৰ কৰি ধৰাত সি গ'ল। পাছত আকৌ এবাৰ ফোন আহিল। তৃতীয় গানটোতো আলাপ কৰিব লাগে। জুবিনে ক'লে যে এইবাৰ পেমেণ্ট চাৰিগুণ কৰি দিলেও আলাপ গাবলৈ নাযায়। যদি গান গাবলৈ মাতে তেতিয়াহে যাব।

আন এদিনৰ কথা। মই আন্ধেৰি west ৰ M B Studio ত কাম কৰি আছোঁ। সংগীত পৰিচালক প্ৰীতমৰ প্ৰায় সকলো চিনেমাৰ ৰেকৰ্ডিং সেইসময়ত ময়েই কৰি আছিলো। কেইবাখনো চিনেমাৰ কাম একেলগে চলি আছিল। তাৰে এখন হ'ল Gang star। 'য়া আলি' নামৰ বিখ্যাত গানটিৰ কথা। গানটো ইতিমধ্যে কেইবাজনো গায়কৰ দ্বাৰা গোৱাও হৈছে। কৈলাশ খেৰেও গাইছে। কিন্তু প্ৰীতমদাৰ কাৰো 'ভয়চ' ভাল লগা নাই। শেষত প্ৰীতমদাই নিজেই গানটো গাই থ'লে। মহেশ ভাটেও ক'লে যে প্ৰীতমৰ কণ্ঠতেই গানটো ভাল লাগিছে। যদি কোনো উপায় নোলায় প্ৰীতমৰ 'ভয়চতে' গানটো থাকক। কিন্তু প্ৰীতমদা নিজৰ কণ্ঠত সুখী হোৱা নাছিল। ৰাতি ৰাতি আমাৰ কাম চলি আছে। 'গেংষ্টাৰ'ৰ গানৰ মাষ্টাৰ জমা দিবলৈ দুদিনমান সময়হে বাকী আছেগৈ। প্ৰীতমদাই কামৰ মাজতে 'য়া আলি' গানটো এবাৰ বজাবলৈ ক'লে। মই বজালো। গানটো নিজৰ 'ভয়চত' শুনিবলৈ ক'লে 'গৌতমদা, আন কোনোবা এনে গায়ক আছেনে যি গানটো মোতকৈও ভালকৈ গাব পাৰিব? কাৰণ কোনোবা ভাল গায়কে গালে গানটো আৰু ভাল হ'ব।' মোৰ ঘপহকৈ জুবিনলৈ মনত পৰি গ'ল। ভাগ্যক্ৰমে জুবিন সেই সময়ত মুম্বাইত আছিল। মই প্ৰীতমদাক জুবিনৰ কথা ক'লোঁ। প্ৰীতমদাই লগে লগে জুবিনক পাছদিনা আবেলিলৈ মাতিব ক'লে। তেতিয়া ৰাতি তিনি বাজিছে। মই লগে লগে জুবিনক ফোন কৰিলো আৰু ক'লো যে তাৰ বাবে বৰ গুৰুত্বপূৰ্ণ গান এটা আছে, আবেলি ষ্টুডিঅ'লৈ আহিব লাগে। আবেলি ষ্টুডিঅ'লৈ জুবিন আহিল আৰু গানটো শুনি ক'লে যে এইটো তাৰেই গান। সি এইটো বহুত ভালদৰে গাব পাৰিব। তাৰ আত্মবিশ্বাস দেখি মোৰ বহুত ভাল লাগিল। গানৰ ৰেকৰ্ডিং আৰম্ভ হ'ল আৰু প্ৰায় ডেৰ ঘণ্টাতে শেষ হ'ল। জুবিনে গানটো প্ৰাণঢালি গালে। প্ৰীতমদাই বৰ ভাল পালে। লগে লগে গানটোৰ এখন চিডি মহেশ ভাটৰ অফিচলৈ পঠাই দিলো। পাছদিনা প্ৰীতমে মহেশ ভাটে গানটো ভাল পোৱা বুলি ক'লে। কেইদিনমানৰ পাছতে গেংষ্টাৰৰ গানৰ এলবাম ৰিলিজ হ'ল আৰু অতি কম সময়তে জুবিনৰ 'য়া আলি' গানটো জনপ্ৰিয় হৈ পৰিল। জুবিনৰ নাম মানুহৰ মুখে মুখে হ'ল। তাৰ পিছতে জুবিনে কেইবাখনো ভাল হিন্দী চিমেনাত গান গাইছে।

জুবিনৰ বিষয়ে লিখি থাকিলেও শেষ নহ'ব। জুবিনে লিখা কবিতা এফাঁকি

মনলৈ আহিছে। 'শেষ বুলিলেইতো শেষ নহয়, আকৌ আৰম্ভ হয়, শেষ নহয়।' তাৰ লগত এতিয়ালৈকে কটোৱা প্ৰায় কুৰিটা বছৰ মোৰ জীৱনৰ এক বিশেষ সময়। এটা কথা মই মন কৰিছো যে জুবিনক লগ পোৱাৰ দিনৰে পৰা আজিলৈকে তাক মই বৰ বেছি একো সলনি হোৱা দেখা নাই। আজি জনপ্ৰিয়তাৰ শীৰ্ষত থকা এই জুবিন সেই আগৰ জুবিন হয়েই আছে।

অনাগত দিনবোৰত জুবিনৰ কণ্ঠত আৰু নতুন মধুৰ গীত শুনিবলৈ পাম বুলি আশা ৰাখিলো। জুবিনৰ সু-স্বাস্থ্য আৰু বিশ্বব্যাপী জনপ্ৰিয়তাৰ কামনা কৰিলোঁ।

***

# লুইতৰ পাৰৰ গীত-সুৰক সিন্ধু-গংগাৰ পাৰত বিলাইছে জুবিনে

☐ গোপাল জালান

জুবিন গাৰ্গ— তৰুণ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব এইগৰাকী জনপ্ৰিয় বিশিষ্ট শিল্পীযে আজি স্বকীয় প্ৰতিভা আৰু অধ্যৱসায়ৰ গুণত সকলোৰে অন্তৰত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। যি কথা দুগ্ধপোষ্য শিশুৰো জ্ঞাত বুলি ক'লে দৰাচলতে অত্যুক্তি কৰা নহয়। অত্যন্ত মিঠা, কোমল কণ্ঠৰ অধিকাৰী এইগৰাকী আজন্ম শিল্পী। গান শুনি ভালপাওঁ। সেয়েহে তেওঁক শ্ৰদ্ধা কৰোঁ। 'দীনবন্ধু' নামৰ কথাছবিখন কৰাৰ আগমুহূৰ্তলৈকে জুবিন গাৰ্গ সম্পৰ্কে মোৰ এইখিনি অনুভৱেই যথেষ্ট আছিল। 'দীনবন্ধু'ৰ কাম আৰম্ভ কৰিলোঁ। ইটো-সিটো কামত জুবিনক লগ পালো। একাত্মতা বাঢ়ি গ'ল। ঘনিষ্ঠতা বৃদ্ধিৰ সূত্ৰে তেওঁৰ স'তে বন্ধু হ'লোঁ। আগেয়ে মই অনুভৱ কৰা ধৰণে তেওঁ জটিল অথবা কঠিন নহয়। প্ৰথম দৃষ্টিত লগ

পোৱাৰ আগতেই অন্তত তেনে যেনেই লাগিছিল। কিন্তু নিচেই ওচৰত থাকি অনুভৱ কৰিলোঁ তেওঁৰ কণ্ঠ যিমান মিঠা, সুৰদী, সমানেই তেওঁৰ আচাৰ-ব্যৱহাৰো মিঠা। প্ৰথম দৃষ্টিতে মানুহক আপোন কৰি ল'ব পাৰে জুবিনে। লগ পাই এই অনুভৱ মোৰ বিশ্বাসৰ ভিতৰত গভীৰ হৈছিল। নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্পাদনত তেওঁ যিমান কঠোৰ হ'ব লাগে তেনে পৰ্যায়লৈকে যাব পাৰিছিল, যাব খুজিছিল তাৰ বাবে তেওঁ মোৰ অনুভৱত তাৎক্ষণিকভাৱে ইমান উচ্চতৰ হাৰত জনপ্ৰিয়তা আৰু আসন কুক্ষিগত কৰিব পাৰিছিল। কৰ্তব্য সম্পাদনৰ ক্ষেত্ৰত কোনো জটিলতাৰ সন্মুখীন হ'লে টেনছন নোলোৱাকৈ নিৰ্দিষ্ট বিষয়ৰ আৱৰ্ত নাইবা পৰিক্ৰমাও অতিক্ৰম কৰিব পাৰিছিল। 'দীনবন্ধু' আৰু পিছলৈ আৱাহন থিয়েটাৰৰ দ্বাৰা নিবেদিত 'নাচ ময়ূৰী নাচ' নাটকত কাম কৰোঁতে জুবিনক লগ পাই এই বিষয়ৰ ইংগিত মই অনুভৱ কৰিছিলো। কোনোধৰণৰ আত্মঅহংকাৰ, ইনফিউৰিটী কমপ্লেক্স অথবা আত্মাভিমান নথকা কাৰণেই শৈল্পিক গুণৰ প্ৰকৃত অধিকাৰী হৈ এইগৰাকী বৰেণ্য সুধাকণ্ঠই আজি সৰ্বত্ৰ সুৰৰ নিজৰাৰে সন্মোহিনীৰ সৃষ্টি কৰি জনমানসত প্ৰোজ্জ্বল হৈ উঠিছে। গীতৰ মাজেৰে, কথাৰ মাজেৰে, আচৰণৰ মাজেৰে মানুহৰ অন্তৰত দাগ কাটি থ'ব পৰা জুবিন চিৰসেউজ কণ্ঠেৰে জনঅৰণ্যৰ সমুজ্জ্বল পলসত উজ্জ্বল-ভাস্কৰ ৰূপে প্ৰতিভাত হৈ ৰ'ব।

জুবিন গাৰ্গ . অসমীযা সংগীতৰ এটা ব্যতিক্ৰম ধাৰাৰ স্ৰষ্টাৰ নাম। থলুৱা আৰু পশ্চিমীযা বাদ্যযন্ত্ৰৰ সু-সংহত সংমিশ্ৰণেৰে শ্ৰুতিমধুৰ সংগীত সৃষ্টি আৰু পৰিবেশনাৰে অসমীয়া সংগীতপ্ৰেমীৰ হৃদয়ত এক অনন্য স্থান দখল কৰিবলৈ সক্ষম হোৱা জুবিন গাৰ্গৰ চিনাকি পুনৰ দোহৰা নিষ্প্ৰয়োজন। 'অনামিকা' কেছেটেৰে সফলতাৰ জখলাত বগাবলৈ আৰম্ভ কৰা জুবিন গাৰ্গে নিজস্ব ধাৰাৰে সংগীত সৃষ্টি কৰি অসমীযা সংগীতৰ ভঁৰাললৈ বৰঙণি হিচাপে আগবঢ়োৱা, সংগীতপ্ৰেমীৰ বুকুৱে বুকুৱে সোমাই থকা সেউজ সুন্দৰ গীতৰ কেছেটৰ তালিকাখনৰ কথা বৰ্ণনা বৰ্তমান সময়ত অপ্ৰাসংগিক।

শৈশব, কৈশোৰ আৰু যৌবনৰ প্ৰতিটো পৰিঘটনাৰ দ্বাৰা উদ্বুদ্ধ হৈ গীত লিখে, সুৰৰ সৃষ্টি কৰে জুবিনে। ল'ৰালিৰ দিনবোৰক বিষয়বস্তু হিচাপে লৈ প্ৰয়াত মাতৃৰ স্মৃতিত উৎসৰ্গিত 'পাখী' কেছেটৰ প্ৰতিটো গানেই শ্ৰোতাক লৈ যায় মিঠা শৈশৱৰ মধুৰ স্মৃতিভৰা দিনবোৰলৈ। অসমৰ থলুৱা গীত-মাতৰ সুৰে আকৰ্ষণ কৰে জুবিনক। হিংসা-দ্বেষেৰে পৰিপূৰ্ণ অশান্ত অসমখনৰ পৰিস্থিতিয়েও উদ্বিগ্ন কৰি তোলে শিল্পীজনক। জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভাৰ জীৱন দৰ্শনেও প্ৰেৰণা যোগাই

আহিছে জুবিনক। 'সোণেৰে সজোৱা পঁজা...' ৰ দৰে 'মুক্তি' কেছেটৰ গীতবোৰে শ্ৰোতাৰ হৃদয়ত তুলি যায় দেশপ্ৰেমৰ ঢৌ।

জুবিনৰ প্ৰতিভাই অসমৰ পৰিসীমা নেওচি দেশৰ আন ঠাইলৈকো বিয়পি গৈছে। 'ফিজা' ছবিৰ— 'মেৰে ৰতন', গেংষ্টাৰৰ 'য়া আলি' ৰাষ্ট্ৰীয় পৰ্যায়তো সুনাম অৰ্জন কৰিবলৈ সক্ষম হোৱা জুবিন বৰ্তমান মুম্বাইৰ আন্ধেৰীত স-পৰিবাৰে বাস কৰি আছে।

গাৰো পাহাৰৰ তুৰাৰ সেউজীয়া পাদদেশত জন্ম জুবিনৰ। দেউতাক কবি সংবেদনশীল লেখক মোহিনীমোহন বৰঠাকুৰৰ (কপিল ঠাকুৰ), মাক ইলি বৰঠাকুৰ আৰু আইতাকৰ পৰাই প্ৰথম সংগীত সৃষ্টিৰ প্ৰেৰণা পোৱা জুবিন পৰিয়াল তথা বন্ধু-শুভকাংক্ষীৰ বাবে মৰমৰ 'গ'ল্ডী'। জুবিন গাৰ্গ— ব্যক্তিগত জীৱনত সদায় উৎপাত কৰি ভাল পোৱা এটা মৰমীয়াল ঘৰুৱা ল'ৰা। পৰিয়ালৰ প্ৰতি সংবেদনশীল জুবিনে ব্যস্ততাৰ মাজতো ঘৰত থাকিলে দেউতাকৰ লগত শুই ভাল পায়। ষ্টুডিঅ'ত কাম কৰি থকাঁৰ মাজতো ঘৰৰ মানুহে ভাল পোৱা খোৱা বস্তুৰ অৰ্ডাৰ দি ঘৰলৈ পঠাবলৈ নাপাহৰে। বৰশীৰে মাছ মাৰিবলৈ ভাল পোৱা জুবিনে ঘৰৰ মানুহৰ লগত বৰশী বাবলৈও যায় মাজে মাজে।

মৰমৰ ভনী তথা অন্তৰংগ বন্ধু, প্ৰতিটো সৃষ্টিৰ প্ৰথম শ্ৰোতা তথা সমালোচক জংকী (মাইনা)ক অকালতে হেৰুৱাই ভাগি পৰিছিল জুবিন। মাইনাৰ তেজ লগা ঘড়ীটো আজিও চেল'টেপ লগাই থৈ দিছে কাকো চুবলৈ নিদিয়াকৈ। মাজে মাজে দুৰ্বল মুহূৰ্তত কৈ উঠে— 'মোৰ যদি বহুত পইচা থাকিলে হয় মোৰ ভণ্টীৰ ক্ল'ন বনাই তাইক জীয়াই তুলিলোঁহেঁতেন..। কেতিয়াবা ৰাতি কাকো নোকোৱাকৈ নৱগ্ৰহ শ্মশানৰ ভনীয়েকৰ চিতা জ্বলোৱা ঠাইত গৈ উচুপি উচুপি কান্দি উঠা জুবিনে কয়—-'মাইনা মোৰ বাবে কেতিয়াও নুশুকুৱা এটুকুৰা ঘা .।'

পত্নী গৰিমাৰ লগতো মধুৰ সম্পৰ্ক জুবিনৰ। মাতৃ-ভগ্নীক হেৰুৱাই দিশহাৰা হৈ পৰা জুবিনক সকলো সময়তে সংগ দি জীপাল কৰি ৰাখিবলৈ কৰা চেষ্টাৰ অন্ত নাই পত্নী গৰিমাৰো। সেইবাবেই শুভাকাংক্ষীয়ে কয়— গৰিমা-জুবিনৰ 'দুখৰ দিনৰ লখিমী'।

সংগীতেই যাৰ জীৱন, তেওঁ ভৱিষ্যৎ দিনবোৰতো সংগীত সাধনা কৰি যোৱাৰ বাহিৰে আন কি ভাবিব! জুবিনৰ মতে— এতিয়াও বহু কাম কৰিবলৈ বাকী আছে। অসমৰ চৌদিশে সিঁচৰতি হৈ থকা চহকী গীত-মাতসমূহ সৃষ্টিশীল ৰূপেৰে তথা নতুনৰ আলোকেৰে আলোকিত কৰি বিশ্বৰ দৰবাৰলৈ লৈ যোৱাটোৱেই

হ'ব তেওঁৰ ভৱিষ্যতৰ প্ৰচেষ্টা। জুবিনৰ কণ্ঠৰ 'শুন শুন ৰে সুৰ'... ইতিমধ্যেই লণ্ডনৰ ৱৰ্ল্ড ষ্টুডিঅ'ত বিভিন্ন বাদ্যযন্ত্ৰেৰে মিশ্ৰিত হৈ বাহিৰৰ শ্ৰোতাৰ ওচৰ পাইছে 'ভূমি' কেছেটৰ জৰিয়তে। ইংৰাজী গীতৰ এলবামৰ পৰিকল্পনাও আছে।

ব্যক্তিগতভাৱে মুম্বাইৰ হিন্দী ছবি জগতত সংগীত পৰিচালক হিচাপে প্ৰতিষ্ঠিত হ'ব খোজে জুবিনে।

অসমৰ চুকে-কোণে সোমাই থকা সকলো ধৰণৰ সংগীত আৰু সংগীত শিল্পীক একেখন মঞ্চতে সমবেত কৰোৱাৰ মহৎ আৰু বিশাল উদ্দেশ্য আগত ৰাখি এখন 'সংগীত মহাসভা' গঠনৰ প্ৰস্তুতিৰ কথা জুবিনে ঘোষণা কৰিছে।

# বন্ধু মেলি দে তোৰ দুখৰ দুখনি হাত এবাৰ জিৰাওঁ তোৰ বুকুৰ শীতল ছাঁত

◻ হেমচন্দ্ৰ পাঠক

১৯৮৫ চনৰ কথা। ৬ বছৰীয়া অসম আন্দোলন প্ৰায় সমাপ্তিৰ পিনে আগবাঢ়িছে। আমি তেতিয়া শতবৰ্ষ পুৰণি তামুলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ পৰা সপ্তম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হৈ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অষ্টম শ্ৰেণীত নামভৰ্তি কৰিছোঁ। বেলেগ স্কুলৰ পৰা অহা কাৰণে আমি 'খ' শাখাত পৰিছো। নতুন স্কুল নতুন পৰিবেশত আমাৰ তেতিয়া আনন্দই পাৰ ভঙা উছাহ। এনেতে এদিন দেখিলো মহাত্মা গান্ধীয়ে পিন্ধা সেই চিৰ পৰিচিত গোল ফ্ৰেমৰ চশমা, এটা স্পৰ্টছ জেকেট পৰিধান কৰা ল'ৰা এটাই চাইকেলেৰে আহি আমাৰ শ্ৰেণীৰে 'ক' শাখাত সোমাইছে। 'ক'ৰ ল'ৰা এইটো — আমাৰ উৎসুকতা বাঢ়ি গ'ল এই নতুন সহপাঠীজনক লৈ। পিছত গম পালোঁ তেওঁ আমাৰ নতুন মাটিৰ হাকিম (তেতিয়া চক্ৰ বিষয়াসকলক সাধাৰণ মানতে

তেনেকৈয়ে কৈছিল) মোহিনীমোহন বৰঠাকুৰৰ ল'ৰা জুবিন বৰঠাকুৰ। দুদিনমান পিছত স্কুলৰ পৰা একেলগে যাওঁতে জুবিনৰ স'তে ভালদৰে কথা পতাৰ সুযোগ ওলাল। তাৰ পিছত ক্ৰমে ওচৰ চাপি গ'লোঁ। এই সম্পৰ্কই এদিন আত্মীয়তাৰ ৰূপ পালে। ইজনে সিজনক তুমিৰ পৰিবৰ্তে 'তই' বুলিব পৰা হ'লোঁ। ইপিনে, জুবিনৰ ভনীয়েক জংকী আৰু পামীও মোৰ ভাইটি আৰু ভণ্টীৰ সহপাঠী হোৱাত এক ঘৰুৱা সম্পৰ্কই গঢ়ি উঠিল।

জুবিনহঁতে থকা চক্ৰ বিষয়াৰ বাসভৱনটো আমাৰ ঘৰৰ নিচেই ওচৰতে হোৱা বাবে পুৱা-গধূলি সঘনাই ইজনে-সিজনক লগ পোৱা হ'লোঁ। স্কুলৰ পৰা আহি বিয়লি সিহঁতৰ আবাসৰ সন্মুখৰ ছোৱালী হাইস্কুলৰ খেলপথাৰত আমি ক্ৰিকেট খেলোঁ। সি ভাল বলিং কৰিছিল। তদুপৰি মাজে-সময়ে চাইকেলেৰে ভিতৰুৱা গাঁৱলৈ ফুৰিবলৈ যোৱা, মিলিটেৰী কেম্পলৈ, লতা গোলাপৰ ঠানি আনিবলৈ যোৱা, আৰু গধূলি কেতিয়াবা বেডমিণ্টন খেলি আমি সময়বোৰ পাৰ কৰিছিলো। বিভিন্ন ঠাইলৈ 'কুইজ' কৰিবলৈও গৈছিলো। জুবিন অকালতে হেৰাই যোৱা মেধাবী সহপাঠী ৰজনী ৰাজবংশী আৰু মই অষ্টম শ্ৰেণীৰ পৰা তিনি বছৰ একেৰাহে স্কুলৰ কুইজ প্ৰতিযোগিতাত প্ৰথম হৈছিলো।

অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত ৰজনীয়ে প্ৰথম আৰু জুবিনে দ্বিতীয় হৈ উত্তীৰ্ণ হৈছিল। নৱম শ্ৰেণীতো জুবিনে দ্বিতীয় হৈছিল। মই তেতিয়া অংকত বৰ পৰি মৰা বিধৰ আছিলো। সি মোক অংকবোৰ সহজে বুজাই দিছিল। কেতিয়াবা তাক বিচাৰি গ'লে সিহঁতৰ ঘৰত সন্মুখৰ বকুলজোপাত উঠি বাইন'কুলাৰ লৈ সন্মুখৰ ছোৱালী হাইস্কুলখনৰ ছোৱালী চাই থাকোঁতেই তাক আবিষ্কাৰ কৰিছিলো।

অ' মই পাহৰিছিলোৱেই, তেতিয়া তাক তাৰ ঘৰুৱা নাম 'গোল্ড' বুলিহে মাতিছিলো। পঢ়া-শুনাৰ লগতে সি ঘৰতে তবলা বজাইছিল। সৰু এখন কী-ব'ৰ্ডো আছিল। জংকীয়ে হাৰমণিয়াম বজাই ৰেৱাজ কৰিছিল। জুবিনৰ মাক খুড়ীয়ে হাৱাইন গীটাৰ বজাইছিল। তদুপৰি ঘৰখনত আছিল কংগো, খোল আদি বাদ্যযন্ত্ৰ। এক সংগীতিক পৰিৱেশৰ উপস্থিতি আমি তেতিয়াই অনুমান কৰিছিলো ঘৰখনত। এবাৰ আমাৰ সহপাঠী জয়ন্ত কাকতি, মুনীন্দ্ৰ গায়ন, মাধৱ দাস আদিয়ে স্কুল সপ্তাহত কৰা এখন নাটকত জুবিনে কী-ব'ৰ্ডেৰে সংগীত আৰোপ কৰিছিল আৰু এবাৰ মটঙাপাৰত মিলিত জনসংঘই উদ্‌যাপন কৰা ব'হাগী বিদায় উৎসৱত জংকীয়ে পাৰ্বতিপ্ৰসাদৰ গীত গাইছিল। জুবিনে তবলা বজাইছিল। একেটা অনুষ্ঠানতে জুবিনে উৎপল শৰ্মাৰ 'দূৰৰ নীলিম...' গীতটো গোৱাও মোৰ মনত পৰে। তেতিয়া তাৰ গোৱাতকৈ বজোৱাতহে ৰাপ বেছি আছিল। জুবিনৰ দেউতাকৰ আলমাৰিত

বিশ্ববিখ্যাত কিতাপবোৰ— ডাণ্টেৰ 'ডি ডাইন ক'মেডি', চাৰভেণ্টিজৰ 'ডন কুইক্সৰ্ট', শেক্সপীয়েৰৰ নাটকৰ ইংৰাজী সংস্কৰণবোৰৰ লগতে বিভিন্ন গ্ৰন্থ প্ৰত্যক্ষ কৰি মন ভৰি উঠিছিল। সেইবোৰ লিৰিকি-বিদাৰী চাইছিলো।

সময়বোৰ দ্ৰুত গতিত পাৰ হৈ গৈছিল। এদিন আমাৰো পাল পৰিছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহাৰ। সেয়া ১৯৮৮ ৰ কথা। সেই পৰীক্ষা দি উঠিয়েই জুবিনহঁত তামুলপুৰ নামৰ তাহানিৰ কামৰূপ জিলাৰ পিছলৈ নলবাৰী জিলাৰ আৰু সম্প্ৰতি বাগ্‌চা জিলাৰ অন্তৰ্গত ভূটান সীমান্তৰ নানা ভাষা-ভাষীৰ লোকেৰে পৰিপূৰ্ণ সেউজীয়া ঠাইখন চিৰদিনৰ বাবে এৰি থৈ স্থায়ীভাৱে যোৰহাটলৈ গুচি গৈছিল দেউতাকৰ চাকৰিসূত্ৰে। জুবিনহঁতৰ পৰিয়ালটো আমাৰ ঠাইখন এৰি গুচি যোৱা দিনটো মোৰ বাবে বৰ দুঃসহ দিন আছিল। মোৰ অট'গ্ৰাফ বহীত সি লিখিছিল ৰুবী সিংহৰ কণ্ঠৰ সেই জনপ্ৰিয় গীতৰ কলি— 'বন্ধু তই মেলি দে তোৰ দুখৰ দুখনি হ ত, এবাৰ জিৰাওঁ তোৰ বুকুৰ শীতল ছাঁত...।'

সেই সময়ত ফোন কৰাৰ সুবিধা নাছিল বাবে চিঠি পত্ৰৰেই যোগাযোগ ৰখা হৈছিল। এদিন মেট্ৰিক পৰীক্ষাৰ খবৰ ওলাল। জুবিনে ৭০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'ল। মাৰ্কশ্বিট ল'বলৈ এদিন সি গৈ ওলাইছিল। এদিন এজন সাধাৰণ ছাত্ৰ হিচাপে মাৰ্কশ্বিট নিবলৈ সেই স্কুললৈ যোৱা ল'ৰাটোৱে ইয়াৰ প্ৰায় ১৭ বছৰ পিছত ২০০৪ ত খ্যাতিৰ শিখৰত আৰোহণ কৰি সেই স্কুলৰ স্বৰ্ণ জয়ন্তীত শিল্পী তথা প্ৰাক্তন ছাত্ৰ হিচাপে অংশগ্ৰহণ কৰিবলৈ গৈ প্ৰায় ৪০ হেজাৰ গুণমুগ্ধৰ সন্মুখত অধ্যক্ষৰ পৰা গ্ৰহণ কৰিছিল হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ। এনে সন্মান নিশ্চয় শীৰ্ষস্থান প্ৰাপ্তজনেও নাপায়।

মেট্ৰিক পাছ্ কৰাৰ পিছত কেইবাবছৰো যোগাযোগ নাছিল। মই গুৱাহাটীৰ ভোলানাথ বৰুৱা (বি বৰুৱা) মহাবিদ্যালয়ত পঢ়ি থকা সময়ৰ কথা। মই তেতিয়া হোষ্টেলত থাকোঁ। এদিন গধূলি জুবিনে হাতত কী-ব'ৰ্ড এখন লৈ হঠাতে মই থকা ১৩ নম্বৰ ৰুম ওলাইছিল। তেতিয়া সি জনপ্ৰিয় গায়ক জিতুল সোণোৱাল আৰু লুনা সোণোৱালৰ লগত কী-ব'ৰ্ড বজাইছিল। মই সেইবাৰ জুবিনক চাৰি বছৰ পিছত এক নতুন ৰূপত আৱিষ্কাৰ কৰিলো— দীঘল চুলি, ছচমাও বেলেগ, প্ৰায়েই লগত কী-ব'ৰ্ডখন থাকেই। কেতিয়াবা বেলতলাত মোমায়েকৰ লগত, নহ'লে কেতিয়াবা মোৰ ৰুমতে বজায়। দুয়ো খোজ কাঢ়ি ঘূৰি ফুৰো— চানমাৰি, উলুবাৰী, উজানবজাৰ, পাণবজাৰ, ফাঁচীবজাৰ। তাক তেতিয়া চবেই চায় — চুলি দীঘল। সেই ট্ৰেণ্ডটোৱে তেতিয়াও গুৱাহাটীত পুলিপোখা মেলা নাছিল। তাৰ সম্পৰ্কীয় এঘৰত এদিন তাক সি কি কৰি আছে সোধাত যেতিয়া মিউজিকত

লাগি থকাৰ কথা ক'লে। তেওঁলোকে তাক পুনঃ ক'লে— মিউজিকত লাগি আছা বুজিছো কিন্তু কি কৰি আছা? তেওঁলোকে সংগীতে যে তেতিয়া জুবিনৰ মন-মগজুত স্থায়ী ঘৰ সাজিছিল তেওঁলোকে জনা নাছিল। ধেমালিৰে সেইবোৰ কথা উৰুৱাই দিছিল। এদিন কিবা কথাত এজন শিল্পীৰ স'তে মনোমালিন্য ঘটাৰ পিছত সি নিৰ্দিষ্ট কাৰ্যসূচী লৈ তেওঁলোকৰ লগত যোৱা নাছিল। মোৰ হোষ্টেললৈ গৈছিল। খঙত ফুটি আছিল। দুয়ো খোজকাঢ়ি গুৱাহাটী ক্লাবৰ পিনে আহি আছিলো। অভাৰ ব্ৰীজৰ ওপৰত সি মোক কৈছিল— 'দেখুৱাই দিম মই তাক।'

'অহংকাৰ নকৰিবি' — মই কৈছিলো। সি তেতিয়া কৈছিল— 'অহংকাৰ নহয় Self confidence will be the base of my success, within 2000 Zubeen Garg will be the substance ' এই কথাখিনি মই সাজি কোৱা নাই। তাক এতিয়া অসমবাসীয়েই নহয় সমগ্ৰ দেশেই পাইছে। জুবিনে বি বৰুৱা কলেজতে বিজ্ঞান শাখাত নামভৰ্তি কৰাত সঘনাই লগ পোৱা হ'লো। মনত পৰিছে সেই সময়ৰে এটি ঘটনা। গুৱাহাটী বিশ্বদ্যিালয়ৰ যুৱ মহোৎসৱ চলি আছিল। আমি এনেয়ে চাবলৈ গৈছিলো। সকলোৱে হঠাতে তাক জোৰ দি ধৰিলো পশ্চিমীয়া সংগীতৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ। লগত কী-ব'ৰ্ড নাছিল। কী-ব'ৰ্ডখন বেলতলাৰ পৰা লৈ আহি ঠাইতে কম্প'জিশ্যন এটা বনাই লৈ জুবিন ষ্টেজত উঠিল আৰু স্বৰ্ণ পদক লাভ কৰিলে। ঈশ্বৰ প্ৰদত্ত প্ৰতিভা নাথাকিলে জানো এয়া সম্ভৱ। মাজে মাজে কলেজলৈ ক্লাছ কৰিবলৈ আহে। কিন্তু পঢ়াতকৈ সংগীতহে যেন তাৰ ধ্যান-ধাৰণা। বহুদিন দেখাদেখি নাই। ১৯৯৩ চনৰ শেষৰপিনে এদিন বজাৰত পালোঁ 'অনামিকা' শীৰ্ষক শ্ৰব্য কেছেট এটা খুব চলিছে। গায়ক জুবিন গাৰ্গ। সমগ্ৰ অসমতে জনপ্ৰিয় হৈছে। বি বৰুৱা কলেজৰ স্বৰ্ণ জয়ন্তীত অন্যান্য শিল্পীৰ লগতে জুবিনকো গীত পৰিৱেশন কৰিবলৈ মতা হ'ল। লোকে লোকাৰণ্য। বোধহয় সেইটোৱেই জুবিনৰ সংগীত জীৱনৰ প্ৰথমটো বৃহৎ সংগীতিক কাৰ্যসূচী। ইয়াৰ পিছতেই যেন জুবিনৰ এক নতুন পৰিক্ৰমা আৰম্ভ হ'ল। লুইতৰ ঘাটেৰে গাঁৱলীয়া বাটেৰে পৃথিৱী জয় কৰাৰ এক দীঘলীয়া পৰিক্ৰমা।

আমাৰ শেষ কৈশোৰ আৰু প্ৰাক্ যৌৱনৰ সময়ছোৱাত জুবিনক বন্ধু হিচাপে অথবা সহপাঠী হিচাপে পোৱাটো আমাৰ বাবে এক অনন্য অভিজ্ঞতা। আজি জুবিনক সমগ্ৰ দেশতে পৰিচিত শিল্পীৰ আসনত ৰাখি মই এই কথা কোৱা নাই কৈছোঁ নাতি দীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা। মানুহ হিচাপে, শিল্পী হিচাপে জু· অনন্য। নিজৰ মতে চলা স্বাভিমানী মানুহ। মাথোঁ এটা কথাতেই তাক কেতিয় সচেতন হোৱা নেদেখিলো — সেয়া হ'ল সময়ানুৱৰ্তিতা। যাৰ বাবেই হয়তো

১৯৯৬ চনতে বোম্বেত গৈ ভাবা লোৱা জুবিনে তাত প্ৰতিষ্ঠা লভাত কিছু দেৰি হ'ল। জুবিন এতিয়া এক ধাৰা। সাংগীতিক ধাৰা, বিশাল সাগৰমুখী ধাৰা। ইমান সন্মান, ইমান খ্যাতি, তথাপি এতিয়াও জুবিন আত্মকেন্দ্ৰিক হৈ পৰা নাই। কলা গ্ৰাহৰ আঁৰত নিজকে লুকুৱাব খোজা নাই। সেয়ে হয়তো সি বোম্বেতকৈ গুৱাহাটীকহে বেছি ভাল পায়। অসমৰ সাম্প্ৰতিক কালৰ আটাইতকৈ জনপ্ৰিয় তথা প্ৰেমাবাছ মানুহজনৰ ওচৰত বহি আজিও আমি সেই একেই আত্মীয়তা, একেই সহৃদয়তা উপলব্ধি কৰোঁ।

জুবিন চৰৈৱেতী, চৰৈৱেতী।...

# নষ্টাল্‌জিয়া

□ সুশান্ত কোঁৱৰ

১৯৯২ চন। মই তেতিয়া গুৱাহাটী কমার্চ কলেজৰ উচ্চতৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ। কলেজৰ ছাত্ৰাবাসৰ বাসিন্দা। সেই বছৰত আমাৰ ছাত্ৰাবাসলৈ আহিছিল যোৰহাটৰ এজন ছাত্ৰ। তেওঁ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ হিচাপে আহিছিল। তেওঁৰ নাম আছিল গৌতম চক্ৰবৰ্তী। তেওঁ এজন ভাল গীটাৰ বাদক আছিল। বৰ্তমান তেওঁ মুম্বাইৰ এজন ব্যস্ত শব্দযন্ত্ৰী। তেওঁৰ ওচৰলৈ তেতিয়াই এজন ক্ষীণ দীঘল চুলিৰ কিন্তু সুন্দৰ যুৱক আহিছিল। প্ৰথম আমি কোনেও তেওঁক বেছি গুৰুত্ব দিয়া নাছিলো ভাবিছিলো এজন আমাৰ দৰে পেশ্বন বিলাসী সাধাৰণ যুৱক। গৌতমৰ যোগেদি যেতিয়া তেওঁৰ লগত লাহে লাহে ঘনিষ্ঠতা বাঢ়িল তেতিয়াহে মই তেওঁৰ প্ৰতি কিন্তু আকৰ্ষিত হ'লো। তেওঁ যেতিয়া গৌতমৰ কমত হাতত গীটাৰখন লৈ সুন্দৰ সুন্দৰ গানবিলাক গাইছিল আমি তেতিয়া তেওঁৰ সম্মুখত বহি বৰ্তমান জ্বলিলা পুৰিলা নিঃশেষ হলা হ'ল।

তেওঁ আছিল জুবিন বৰঠাকুৰ। সেই বছৰতেই ৰবীন্দ্ৰ ভৱনত জিতুল সোণোৱালৰ এখন সংগীত অনুষ্ঠান আছিল। আমি সকলোৱে (জুবিন, গৌতম

আৰু বহুতো) অনুষ্ঠান উপভোগৰ বাবে গৈছিলো। অনুষ্ঠানৰ পৰা ঘূৰি আহি ছাত্ৰাবাসত শুনিলো যে জিতুলে জুবিনক লগত কা-ৰ্ব্ড বজাবৰ মাতে মাতিছে। আমি সকলোৱে বহুত ফূৰ্ত্তি কৰিছিলো সেই ৰাতি। কাৰণ সেই সময়ত জিতুল সোণোৱাল এজন বিখ্যাত গায়ক। তাৰ পাছত কিছুদিনৰ বাবে আমাৰ জুবিনৰ লগত দেখা সাক্ষাৎ নহ'ল। আমি ভাবিলোঁ যে জুবিন জিতুলৰ লগতে ব্যস্ত। আমিও পৰীক্ষাৰ বাবে ব্যস্ত হৈ পৰিলোঁ। তিনিমাহ মানৰ পাছত জুবিনে আহি ক'লে যে মই এটা আধুনিক গীতৰ কেছেট উলিয়ালো। নাম 'অনামিকা'। লগতে উৎপল দায়েও এটা উলিয়াব। নাম 'অনুৰাধা'। উৎপলদা মানে উৎপল শৰ্মা। তেওঁ আমাৰ বাবে আছিল শ্ৰদ্ধাৰ ককাইদেউ। তেওঁ শ্বিলং ৰেডিঅ' ষ্টেচনত চাকৰি কৰিছিল। বৰ্তমান মুম্বাইত এজন ব্যস্ত সংগীত ব্যৱস্থাপক। তেওঁৰ পত্নী মেলডি বৌৱেও আমাক যথেষ্ট মৰম কৰিছিল। আমি আচৰিত হৈছিলো। আমি দেখি থকা ল'ৰা এটাই মুম্বাইৰ গায়িকাৰ লগত গান গাইছে। কেছেট বজাৰত মুকলি হ'ল। ই বিৰাট সফলতা লাভ কৰিলে। লগতে জুবিনৰ জনপ্ৰিয়তা বাঢ়িল।

লগে লগে তাৰ নাম হ'ল জুবিন গাৰ্গ। লগতে আমাৰো গৌৰৱ হ'ল আমি জুবিনৰ বন্ধু। যদিও মোতকৈ বয়সত ডাঙৰ তথাপি বন্ধু। কাৰণ বন্ধুত্বৰ জানো বয়সৰ সীমা আছে। যদিও সি বেলেগ কলেজৰ ছাত্ৰ আছিল। সি বি বৰুৱা কলেজৰ ছাত্ৰ। লাহে লাহে জুবিনৰ আশা, মায়া বজাৰত মুকলি হ'ল। বহুত সফলতা লাভ কৰিলে। জুবিনেও বিহু অনুষ্ঠানৰ বাবে আমন্ত্ৰিত হ'ল আৰু ময়ো জুবিনৰ লগত এই অনুষ্ঠানবিলাকত ঘূৰি ফুৰিলোঁ। কিন্তু মই সংগীতৰ 'স'টোও জনা নাছিলো জয়ন্ত, বাবু, দুদুল, ড'নি, ৰিতু, দিগন্তদা— আমি সকলো এটা পৰিয়ালৰ দৰে আছিলো। বাবুল বড়োদাৰ ছাউণ্ড ছিষ্টেম আৰু এখন ৭০৯ বাছ আছিল, যিখন আমি ঘৰৰ বিছনাৰ দৰে ব্যৱহাৰ কৰিছিলো। বাছৰ আগৰ ছিটবিলাক খুলি তাত ডাঙৰ ডাঙৰ ছাউণ্ড বাকচবিলাক পাৰি তাৰ ওপৰত মেট পাৰি বিছনা বনাই লওঁ আৰু আমি আৰামত শুই গৈছিলো। যেতিয়া অনুষ্ঠানত গান পৰিৱেশন কৰাৰ পাছত অট'গ্ৰাফ বিচাৰি মানুহৰ হেতা-ওপৰা লাগিছিল। বিশেষকৈ যুৱতীসকল। আমি তাক জোকাইছিলো।

সি কৈছিল— 'মই শ্ৰোতাৰ পৰা তাকেই বিচাৰোঁ শ্ৰোতাৰ মৰম, আশীৰ্বাদ'। বহুকেইদিন জুবিনৰ অনুষ্ঠান শেষৰ পাছত দেউতাক কপিল ঠাকুৰৰ বাসভৱনত আছিলো। দেউতাক আছিল দিছপুৰ কেপিটেল কেম্পাছত। তেওঁ এজন উচ্চপদস্থ প্ৰশাসনিক বিষয়া আছিল আৰু লগতে এজন কবিও। বৰ ফূৰ্তিবাজ ব্যক্তি আছিল। মই ৰাতি শুই পৰোঁ। কিন্তু বাথৰুমলৈ বুলি গৈ কেইবাদিনো দেখা পাওঁ জুবিনে

কী-বৰ্ডখন লৈ গান ছিকুৱেঞ্চ কৰি থকা বাতি দুই-তিনি বজাত। এদিন মোক বহিবলৈ কৈ এটা ছিকুৱেঞ্চ শুনালে। ছিকুৱেঞ্চ পূৰা হোৱা নাছিল, গানটো কেছেটত শুনিলো দূৰ দূৰণিলে... যা-যা-যা।

জুবিনৰ লগত এবাৰ মোৱাবাৰীৰ চাহ বাগিচাৰ এখন অনুষ্ঠানত গৈছিলো। অনুষ্ঠানত ইমানেই মানুহ আহিছিল যে দেখি আচৰিত লাগিছিল। বাছ, ট্ৰাক, সৰু সৰু গাড়ীৰ উপৰি চাইকেল খোজকাঢ়িও দৰ্শক আহিছিল। পুৱাই পুৱাই আমি গুৱাহাটীলৈ ঘূৰি আহিছিলো। জুবিন আহিছিল জাগীৰোডৰ এজন বন্ধুৰ লগত। আমি মানে ৰিতু, দুদুল, মই, মাধৱ বাছখনত আহি আছিলো। কিন্তু জখলাবন্ধাত (পুৰণিগুদাম) জুবিন অহা গাড়ীখন এক্সিডেণ্ট হৈ থকা দেখা পালোঁ। গাড়ীখনৰ অৱস্থা ইমানেই বেয়া যে তাত থকা আৰোহীবিলাকৰ কি হ'ব বুলি আমাৰ সকলোৰে চকুপানী ওলাইছিল। আমি গম পালো যে গাড়ীত থকা মানুহক নগাঁও হাস্পতাললৈ নিয়া হৈছে। হাস্পতাল গৈ পাই দেখোঁ যে বহুত মানুহ বৈ আছে। আমাৰ আৰু বেয়া লাগিল। কিন্তু আমি সোমাই যোৱাৰ লগে লগে জুবিনে হাঁহি মাৰি বাহিৰলৈ ওলাই আহে। তেতিয়াহে সকলোৰে হাঁহি বিৰিঙি উঠিল। ওপৰত থকাজনক ধন্যবাদ জনাইছিলো। অভিনেতা যতীন বৰাও আহিছিল তাৰ খবৰ ল'বৰ বাবে। তাক লৈ আমি আমাৰ বাছখনত গুচি আহিলো। ইমান ডাঙৰ এটা দুৰ্ঘটনা হোৱাৰ পাছত যেতিয়া সকলো মনে মনে আহি আছিলো তেতিয়া জুবিনে সেই ঘটনাটোক লৈয়েই কৌতুক আৰম্ভ কৰিলে। পাছৰ ছিটত বহি থকা কেইজন কেনেদৰে আহি আপ ছিটত পৰিল সেই লৈয়েই। সেয়ে জুবিনে কেৱল গাড়ীৰ গ্লাছত খুন্দা খাই মূৰত দুখ পাইছিল আৰু ছোলাউৰিৰ ওপৰত ১৪ টা চিলাই পৰিছিল। সেই দাগ আজিও আছে। ইয়াত এটা কথা গম পলো যে জুবিন মানসিকভাৱে কিমান দৃঢ়। ই এটা ইতিবাচক দিশ জুবিনৰ। জুবিনৰ এক্সিডেণ্টৰ দিনা তাৰ লগত থকা জয়ন্ত আৰু আনজন বন্ধুৱে (নামটো পাহৰিলো) ইখনৰ পিছত সিখন গাড়ী ৰাখিবলৈ চেষ্টা কৰি কৰি নোৱৰাত শেষত জয়ন্তই ৰাস্তাৰ মাজত বৈ মিনি ট্ৰাকত তাক হাস্পতাললৈ আনিছিল।

জুবিনৰ ছইচবিলাক বৰ বেলেগ ধৰণৰ আছিল। আমি প্ৰায়ে দিগদাৰত পৰিছিলো। তাৰ বিয়াৰ দিনা মই, বাবু, জয়ন্ত (ডিব্ৰুগড়), প্ৰাঞ্জল তাৰ ছইচৰ প্ৰেজেণ্ট বিচাৰি গোটেই যোৰহাট বিচাৰিলো, নাপালো।

জুবিন বৰ ৰোমাণ্টিক। সেয়েতো সি লিখিছিল— জ্বলিলো পৰিলো নিঃশেষ হ'লো প্ৰেমৰ লেলিহান শিখাত আৰু গাই সেয়ে গানত আছে অনমিকা, মায়া..। সি সোধে মৌচুমী কাক ভাল পোৱা তুমি । সি বহুগৰাকী যুৱতীৰ প্ৰেমত পৰিছিল

কিন্তু স্থায়িত্ব নাপালে। কিন্তু শেষত স্থায়িত্ব পালে পৰিয়াৰ প্ৰেমে। তাই এটা উৰণীয়া জীৱন বান্ধি ৰাখিবলৈ সক্ষম হ'ল। নহ'লে আৰু ক'ত ক'ত বা পৰিল হয়। সি সুন্দৰৰ পূজাৰী। গুৱাহাটী কৰ্মাচ কলেজৰ আগৰ ৰাজগড় লিংক ৰোডত এখন ৰেষ্টুৰেণ্ট আছিল নাম 'ইয়ংছ ট্ৰেভাৰ্ণ'। ইয়াত আমি কলেজৰ পৰা ওলাই চাহ খাই আড্ডা মাৰো। ইয়াৰ স্বত্বাধিকাৰী আছিল বুবুদা। ইয়াৰ পৰাই পাছত জুবিনৰ অনুষ্ঠানবিলাকৰ যোগাযোগ চলা হ'ল। এই ৰেষ্টুৰেণ্ট পাছত লাহে লাহে এখন শিল্পী স্থানলৈ পৰিবৰ্তন হ'ল।

জুবিন প্ৰকৃতি প্ৰেমীও আছিল। শিৱসাগৰ জিলাৰ এখন অনুষ্ঠান আছিল। আমি সকলো ৰাতি ১.৩০ বজাত গুৱাহাটীৰ পৰা গৈছো। পুৱা ৪.৩০ বজাত মিছা পালো। তাত আমি সকলোৱে চাহ-পুৰি আদি খাবৰ বাবে নামিলো। চাহ খাই থাকোঁতে জুবিন নাই। তাক বিচাৰি গ'লোঁ। গৈ দেখা এজন ব্যক্তিৰ লগত কথা পাতি আছে। তেওঁৰ কাষত কেইটামান শৰালী হাঁহ। সি আটাইকেইটা কিনি মোৰ হাতত দি বাছত থ'ব ক'লে। আমি ভাবিলো ক'ৰবাত নিশ্চয় ৰন্ধাৰ বাবে লৈছে। পাছত আটাইকেইটা হাঁহ খুলি দিলে। আমি যোৰহাট পালোঁ। তাত আমি হাঁহকেইটা নি জংকী আৰু পমীৰ হাতত দিলোঁ। দুয়ো খুব ফূৰ্তি পালে। মায়ে আমাক চাহ-ৰুটী দিয়াৰ পাছত জুবিনে জংকী আৰু পমীয়ে চৰাইকেইটা ঘৰৰ পাছফালে থকা এটা খাৰৈ জাতীয় পুখুৰীত মেলি দিলে। বহু দেৰি সিহঁতৰ লগত জুবিনহঁতে কটালে। তাৰ পাছত আমি নাজিৰালৈ গুচি আহিলো। বহু দিনলৈকে চৰাইকেইটা থাকিল তাত। এদিন নাইকিয়া হ'ল। কিয়েইবা হ'ল? সেই ঘৰখনো বৰ্তমান নাই। এতিয়া সিহঁতে জুবিন, জংকীহঁতক বিচাৰি আহে যদিও নাজানো।

জুবিনৰ একাগ্ৰতা, ধৈৰ্য, বিশ্বাস আৰু আয়ত্ত কৰিব পৰা গুণৰ বাবে আজি সি প্ৰতিষ্ঠিত। সি যেতিয়া এটা সুৰ নিৰ্মাণ কৰে তেতিয়া তাৰ নিজৰ পৃথিৱীত প্ৰৱেশ কৰে। এবাৰ তাৰ যোৰহাটৰ বঙাল পুখুৰীৰ ঘৰত সি গা ধোৱাৰ বাবে সোমাল। আকৌ গা ধুই গুণগুণাই বাহিৰলৈ গাত এৰো কাপোৰ নিপিন্ধাকৈ ওলাই আহিল। এজনে চিঞৰি দিয়াতহে সি আকৌ বাথৰুমলৈ লৰ মাৰিল।

মাজতে বহু বছৰ বিৰতি। প্ৰায় সাত বছৰৰ পাছত তাক পালোঁ। সেই সময়তেই এজন প্ৰায় দহ-বাৰ বছৰীয়া ল'ৰাই আহি তাৰ ভৰি চুই সেৱা ল'লে। তাৰ অলপ পাছতে তাৰ মাক-দেউতাক আহি জুবিনক পাই এনে কৰিলে যেন তাক কোচতেই ল'বনে পিঠিতেই ল'ব। তেওঁলোকে জুবিনৰ লগত ফটো উঠাই ল'ৰাজনে আপোনাৰ নিচিনা হ'ব খোজে বুলি আশীৰ্বাদ বিচাৰিলে। জুবিনে তাক মৰম কৰি বিদায় দিলে। মই তেতিয়া ভাবিলো জুবিন এতিয়া বহুত উচ্চ খাপৰ

শিল্পী। সি মোৰ নিচিনা এটা সাধাৰণ মানুহক এতিয়াও আগৰ দৰেই আন্তৰিকতা আঁকোৱালি লয়। তাৰ মানে সি আগৰ জুবিনেই। মোৰ ভাব আছিল যে সি কিজানি বদলি হ'ল। নহয় এয়া ভুল ধাৰণা। জুবিন একেই আছে।

জুবিনৰ প্ৰথম ছিনগীতৰ কেছেট 'উজান পীৰিতি' নিৰ্মাণ কৰাৰ সময়ৰ কথা। ইয়াৰ লগে লগেই জানমণি নিৰ্মাণ হৈছিল। 'উজান পীৰিতি'ৰ প্ৰযোজকৰ ঘৰ গুৱাহাটীৰ গণেশ মন্দিৰত। তেওঁৰ ঘৰৰ ওচৰত এখন ৰেষ্টুৰেণ্টত জুবিন আৰু মানৱে খাবলৈ সোমাল। তাত জুবিনক কেইজনমান কুখ্যাত লোকে এখন উকা কাগজত চহী কৰিবৰ বাবে দাবী জনায় আৰু ৰেষ্টুৰেণ্টৰ সকলো দুৱাৰ-খিৰিকী বন্ধ কৰি দিয়ে। তাত বেলেগ গ্ৰাহক নাছিলেই। জুবিনে নকৰোঁ বুলি কোৱাত লোককেইজনে জুবিনৰ মুখলৈ পানী ভৰ্তি গ্লাছ মাৰি পঠায়। জুবিনেও এজনৰ মুখলৈ মাৰি পঠায়। কথা বিষম দেখি মানৱে কিবাপ্ৰকাৰে ৰেষ্টুৰেণ্টৰ বাহিৰ হৈ আমাক খবৰ দিয়ে। আমি দৌৰি গৈ ৰেষ্টুৰেণ্টৰ পিছফালৰ দুৱাৰ এখন ভাঙি ভিতৰ সোমাই দেখো জুবিন আৰু ব্যক্তিকেইজনৰ মাজত টনা-আঁজোৰা। আমি তাক তাৰ পৰা উদ্ধাৰ কৰো।

জুবিনে আমি দেখাত একো একোটা গান পৰিচালকৰ ইচ্ছা অনুযায়ী অতি কম সময়ৰ ভিতৰত শেষ কৰে। বাৰে বাৰে বহুতো ট্ৰেক নষ্ট নকৰে।

জুবিন খেলৰ প্ৰতিও আকৰ্ষিত আছিল। সি হেনো গায়ক নোহোৱা হ'লে খেলুৱৈ হ'লহেঁতেন। এবাৰ সি কেইজনমান বন্ধুৰ লগত ক্ৰিকেট খেলিবলৈ ল'লে। সি বল দিব গ'ল। তেতিয়া সি ব্ৰিটোল শু পিন্ধে। সি বল দিবলৈ দৌৰি আহি ক্ৰিজৰ ষ্টাম্পৰ ওচৰত ভেকুলী এজনীৰ নিচিনাকৈ উজুটি মাৰি উভতি পৰে। বল গৈ আম্পায়াৰৰ পাছফালে। হাত-ভৰি বেয়া চুঁচৰি। তাৰ পাছত তাক ক্ৰিকেট খেলা দেখা নাই।

জুবিন অহিংসাত বিশ্বাসী। সি তিব্বতৰ নেতা দালাই-লামাৰ অনুৰাগী।

# সৰ্বভাৰতীয় প্ৰেক্ষাপটত জুবিনৰ সবল খোজ

## *হিন্দী ছবিত অসমীয়া প্ৰাৰ্থনা*

◻মানিক ৰায়

*ব্ৰহ্মা আদি কৰি জীৱযত*

*ৰাম ৰাম ৰাম ৰাম ৰাম।।*

অসমৰ লোক-সংগীতক বিশ্বসভালৈ পৰিমাৰ্জিত ৰূপত লৈ যাব বিচাৰিছে জুবিন গাৰ্গে। প্ৰথমবাৰৰ বাবে হিন্দী ছবিত অন্তৰ্ভুক্ত হৈছে 'ব্ৰহ্মা আদি কৰি জীৱ যত..'। এই প্ৰাৰ্থনাটো অসমীয়া আৰু হিন্দীত ব্যৱহৃত হৈছে সঞ্জয় ঝাৰ অফবিট ধৰ্মী ছবি 'ষ্ট্ৰিংছ'ত। প্ৰাৰ্থনাটিৰ লগতে অসমৰ চুকে-কোণে সিঁচৰতি হৈ থকা লোক সংগীতৰ সুৰ সংযোজিত হৈছে ছবিখনৰ গীতত।

অসমীয়া প্ৰাৰ্থনাৰ লগতে অসমীয়া লোক-সংগীতৰ সুৰ পৰীক্ষামূলকভাৱে পৰিমাৰ্জিত ৰূপত জগত সভালৈ লৈ যাব বিচৰা শিল্পী জুবিন গাৰ্গে 'ষ্ট্ৰিংছ'ত সংগীত পৰিচালনাও কৰিছে। উল্লেখ্য, অসমৰ লোক-সংগীতক ইয়াৰ নিজস্বতা নেহেৰুৱাকৈ বহু পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে হিন্দী ভাষাৰ যোগেদি বিশ্ব দৰবাৰলৈ লৈ যাব বিচৰা অসমৰ সম্পদ তথা ভাৰত গৌৰৱ ড°

ভূপেন হাজৰিকাৰ পিছতে জুবিন গাৰ্গ হ'ল দ্বিতীজন অসমীয়া। 'ষ্ট্ৰিংছ' ছবিত জুবিনে পাঁচটা গীতত কণ্ঠদান কৰিছে। আদ্ৰম, জেমী, সন্ধ্যা, মৃদুল, নবাগতা কাংকণাৰ উপৰি দুটি গীতত জুবিনে অভিনয়ো কৰিছে। 'তুমি মোৰ মাথোঁ মোৰ', 'দীনবন্ধু', 'মন যায়' আদি অসমীয়া ছবিত অভিনয় কৰা জুবিনে বলীউডৰ ষ্ট্ৰিংছ ছবিৰ উপৰি গেংষ্টাৰ ছবিৰ 'য়া আলি' শীৰ্ষক গীতত অভিনয় কৰিছিল। ছবিখনত শাশ্বতী ফুকানে কণ্ঠদান কৰা 'কেইচে কাহু' শীৰ্ষক গীতটি এম টিভিৰ চেনেল 'ভি'ৰ 'কাউণ্ট ডাউন'ত স্থান পাইছিল। ষ্ট্ৰিংছত অসমৰ অনিন্দিতা পাল, বৃষ্টি আৰু অংগৰাগেও কণ্ঠ নিগৰাইছে। বিহাৰৰ বিদ্ৰোহী কবি নাগাৰ্জুনাৰ বহু বিতৰ্কিত তথা নিষিদ্ধ কবিতাটিৰ আধাৰত সজোৱা মন্ত্ৰ (ওঁম) শীৰ্ষক গীতটি জুবিন আৰু অংগৰাগে বৰ সুন্দৰকৈ পৰিৱেশন কৰিছে। 'ষ্ট্ৰিংছ' পৰিচালনা কৰিছে 'প্ৰাণ যায়ে পৰ শান নাযায়ে'ৰ যোগেদি বলীউডত ছবি পৰিচালনাত হাত দিয়া সঞ্জয় ঝাই। ছবিখনৰ অডিঅ' এলবাম আৰু চিডি মুক্তি লাভ কৰিছিল ২০০৬ চনৰ ১৯ মে'ত। 'ষ্ট্ৰিংছ' সম্পৰ্কত জুবিন গাৰ্গে কয়— 'সঞ্জয় ঝা পৰিচালিত হিন্দী ছবি ষ্ট্ৰিংছ মূলতঃ এখন অফবিট ছবি। ভাৰতীয় আধ্যাত্মিকতাৰ ভাৱধাৰা প্ৰতিফলিত কৰা বৃহৎ উৎসৱ মহাকুম্ভ মেলাৰ আধাৰতে ছবিখন নিৰ্মাণ কৰা হয়। ছবিখনৰ যোগেদি কুম্ভমেলাৰ লক্ষ লক্ষ ধৰ্মপ্ৰাণ ভক্তক ভিছুৱেল পৰ্দাত ধৰি ৰখা হয়।'

প্ৰেম, বিশ্বাস, ধৰ্মীয় পৰম্পৰা আৰু সমন্বয়ৰ বান্ধোন 'ষ্ট্ৰিংছ'ৰ কাহিনীত বিদ্যমান। শিপা বিচাৰি ভাৰতলৈ অহা দেশীয় মূলৰ এজন বিদেশী পৰ্যটকৰ ধৰ্মীয় বিশ্বাস আৰু প্ৰেম কাহিনীৰ ভিত্তিত আগুৱাই গৈছে ছবিৰ কাহিনীভাগ। ছবিখনে 'গ'ল্ডেন গেট ফিল্ম ফেষ্টিভেল' আৰু 'এছিয়ান ফিল্ম ফেষ্টিভেল'ত প্ৰদৰ্শিত হৈ বিপুল সঁহাৰি লাভ কৰে।

বলীউডৰ ছবি নিৰ্মাতাসকলৰ মাজতো ইতিমধ্যে প্ৰশংসিত হৈছে জুবিনৰ সংগীত। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু কাকত-আলোচনী, টেবলয়ড, টিভি চেনেল— সকলোতে জুবিনৰ জয়গান। জুবিনে সপোনপুৰীত প্ৰথম খোজ দিয়ে বক্স অফিচ হিট ছবি 'কাঁটে'ৰ এটি গীতৰ যোগেদি। 'কাঁটে'ৰ সেই কণ্ঠই সপোনপুৰীৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। মহেশ ভাটৰ 'গেংষ্টাৰ' ছবিৰ অতি জনপ্ৰিয় হৈ পৰা 'য়া আলি' গীতে মুম্বাইৰ ষ্টাৰ ডম প্ৰদান কৰিলে অসমীয়া শিল্পীগৰাকীক। সকলোৰে মুখত উচ্চাৰিত হ'ল জুবিনৰ নাম। 'য়া-আলি' গীতৰ ছন্দত সমগ্ৰ দেশ নাচি উঠাৰ পিছতে জুবিনে দেশবাসীৰ হাতত তুলি দিয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰণেৰে প্ৰেম-ৰোমাঞ্চ, ভক্তিবাদৰ দৰ্শন তথা বিশ্ব ভ্ৰাতৃত্বৰ চিৰশাশ্বত বাণীৰে ভৰপূৰ ষ্ট্ৰিংছ।

অৱশ্যে ষ্ট্ৰিংছৰ গীতখিনিয়ে জনপ্ৰিয়তা লাভ কৰিলে যদিও ছবিখনে বক্স

অকিঁচত মুখ খেকেচা খালে। ছবিখনৰ কম বাজেট আৰু দুৰ্বল প্ৰচাৰৰ বাবেই দৰ্শকৰ সমাদৰ নাপালে বুলি চিত্ৰ-সমালোচকসকলে মন্তব্য কৰিছে। জুবিনৰ কণ্ঠত মুক্তিপ্ৰাপ্ত ষষ্ঠখন হিন্দী ছবি গেংষ্টাৰৰ পিছতে জনপ্ৰিয় শিল্পীগৰাকীয়ে বৰ্তমানলৈ প্ৰায় তিনি কুৰি ছবিত কণ্ঠদান কৰিছে। তাৰ ভিতৰত উল্লেখনীয় আৰু জনপ্ৰিয়তা লাভ কৰা ছবিকেইখন হ'ল— মণিৰত্নমৰ 'দিলচে', 'আই টি ইউ', সৌৰভ শুক্লাৰ 'মুৰ্দা', প্ৰীতিশ নন্দী কমিউনিকেশ্যনৰ 'প্যাৰ কা ছাইড এফেক্ট', ছানী দেউলৰ 'বিগ ব্ৰাডাৰ', বিক্ৰম ভাটৰ 'ৱ লমহে', সুধাংশু পাণ্ডেৰ 'দেখ মিল গয়া', বিশাল শেখৰৰ সংগীতেৰে! 'হানীমুন ট্ৰেভেলছ প্ৰাঃ লিঃ', স্মৃতা থাকৰেৰ 'কেইছে কহো', হিমেশ ৰেশামিয়াৰ 'নমস্তে লণ্ডন', 'ঝুম বৰাবৰ ঝুম'। তদুপৰি 'বচ্ এক পল', 'চুৰব চুবহ', আনন্দবাজ আনন্দ আৰু ললিত পণ্ডিতৰ সংগীতেৰে 'জিমি', 'মৌজ' ইত্যাদি। তদুপৰি এ আৰ ৰেহমান, সুভাষ ঘাই প্ৰডাকচনৰ সৈতেও কাম কৰিছে জুবিন গাৰ্গে। ইছমাইল দৰবাৰৰ সংগীতেৰে নিৰ্মিত 'ৰহীয়া' নামৰ এলবামত জুবিনে চাৰিটি গীতত কণ্ঠদান কৰিছে। 'ৰহীয়া' শীৰ্ষক গীতটি গাবলৈ জুবিনৰ সময় লাগিছিল প্ৰায় ৮ ঘণ্টা। অনু মালিকে সংগীত পৰিচালনা কৰা ছবিতো কণ্ঠদান কৰিছে ভাৰত গৌৰৱ তথা অসমৰ সম্পদ জুবিন গাৰ্গে। এছ ডি বৰ্মনৰ বিমিক্স এলবামতো জুবিনে কণ্ঠৰ প্ৰপাত ঢালিছে। হিন্দী এলবাম 'পাকিজা', বাংলা গীতৰ এলবাম 'তুমি' আৰু বাংলা ছবি 'মহাৰথী'তো তেওঁ কণ্ঠ আৰু সংগীত দিছে। সঞ্জয় ঝাৰ এখন ছবিতো জুবিনে কাম কৰিছে। ছানী দেউলৰ 'বিগ ব্ৰাডাৰ' ছবিত জুবিনে কণ্ঠদান কৰাৰ লগতে অভিনয়ো কৰিছে। ছবিৰ নাম পূৰ্বে গান্ধী আছিল। সেইদৰে ছানি দেউলৰ 'আপনে আপনে' ছবিত এটি গীত কণ্ঠদান কৰিছে কুণাল গাঞ্জাবলা আৰু ছানৰ সৈতে। গীতটো আছিল পাঞ্জাবী লিৰিকৰ। অনু মালিকৰ 'মিশ্যন ইস্তান' ছবিতো জুবিনে কাম কৰিছে। ষ্ট্ৰিংছ, গেংষ্টাৰ, বিগব্ৰাডাৰ ছবিত অভিনয় কৰা জুবিনে কণ্ঠদান, সংগীত পৰিচালনাৰ লগতে অভিনয়ো কৰি যাব বিচাৰে বলীউডত। বৰ্তমানলৈ দুকুৰিখনমান ছবিত কাম কৰা জুবিনৰ কেছেটৰ সংখ্যা প্ৰায় পোন্ধৰশ আৰু গীত প্ৰায় দহহাজাৰ।

হিন্দী ছবি জগতত জনপ্ৰিয় সংগীত পৰিচালক নাদিম-শ্ৰাৱণ যুটিৰ শ্ৰাৱণৰ পুত্ৰ সঞ্জীৱ দৰ্শনৰ সংগীত পৰিচালনাৰে নিৰ্মিত এখন ছবিতো জুবিনে গীত গাইছে। উল্লেখ্য, সঞ্জীৱ দৰ্শনে ইয়াৰ পূৰ্বে 'মন' ছবিখনত সংগীত দিছিল।

বাপ্পী লাহিড়ীৰ সংগীত পৰিচালনাৰে নিৰ্মিত 'দৰ্দ এ ডিস্ক' নামৰ ছবিখনতো জুবিনে দুটি গীতত কণ্ঠ নিগৰাইছে। তদুপৰি এখন তেলুগু ছবিতো শিল্পীগৰাকীয়ে গীত গাইছে। জুবিনৰ সংগীত পৰিচালনাৰে তিনিখন হিন্দী ছবি নিৰ্মাণ হৈছে। ছবিকেইখন হ'ল— প্ৰখ্যাত কবি ড° কুমাৰ বিশ্বাসৰ প্ৰযোজনাৰে নিৰ্মিত 'জানিয়া',

কলকাতাৰ সুদীপ্ত আচাৰ্যৰ পৰিচালনাৰে নিৰ্মিত ছবি এখন আৰু অসমৰ বিদ্যুৎ কটকীৰ আৰ্টধৰ্মী এখন ছবিত সংগীত দিছে জুবিনে। চালমান খনৰ 'হেল্প' নামৰ ছবিখনতো জুবিনে গীত গাইছে চনু নিগমৰ সৈতে।

ইণ্ডিয়ান আইডল, সা-ৰে-গা-মা আদি সৰু পৰ্দাৰ সংগীতৰ মহাসমৰত জয়লাভেৰে সৰ্বভাৰতীয স্বীকৃতি, জনপ্ৰিয়তা লাভ কৰি কেইবাজনো কণ্ঠশিল্পীয়ে বলীউডৰ ছবিজগতত পদাৰ্পণৰ চেষ্টা অব্যাহত ৰাখিছে। কিন্তু এটা কথা ষোল অনাই সঁচা যে প্ৰতিযোগিতাত এছ এম এছৰ দ্বাৰা জয়লাভ কৰিলেই হিন্দী ছবিত ভাল গায়ক-গায়িকা হিচাপে সুযোগ নাপাবও পাৰে। কেতিয়াবা আবেগিক ইচ্ছাৰ সৃষ্টিৰ ফলতো কোনো এজন প্ৰতিযোগীয়ে জয়লাভ কৰিব পাৰে। দীৰ্ঘদিনৰ পৰিকল্পনা, অভিজ্ঞতা, কণ্ঠৰ উপস্থাপন, শৈলী, তীক্ষ্ণ বুদ্ধিসম্পন্ন, শুদ্ধ কণ্ঠস্বৰ, নিষ্ঠা, একাগ্ৰতা, অধ্যৱসায় আদিৰ বলতে জুবিনে আজি ওপজা গাঁৱৰ পৰা বিশ্ব দৰবাৰত সুনাম অৰ্জন কৰিব পাৰিছে।

শব্দৰ খনিকৰ, কণ্ঠ-সুৰৰ যাদুকৰ এগৰাকী প্ৰকৃত শিল্পী জুবিন গাৰ্গ আজি বিশ্ব সংগীত জগতৰে এক চিনাকি নাম।

* * *

জুবিন গাৰ্গে একে সময়তে একেলগে কেইবাটাও এৱাৰ্ড লাভ কৰে। হিন্দী ছবি 'গেংষ্টাৰ'ৰ 'য়া আলি' শীৰ্ষক গীতেৰে আন্তঃৰাষ্ট্ৰীয় বঁটা আজুৰি অনা, জুবিন গাৰ্গে অসমৰ পটভূমিত এখন ছবি নিৰ্মাণৰো পৰিকল্পনা কৰিছে। ছবিৰ নাম স্থিৰ কৰিছে 'চক্ৰ'। ছবিখনিৰ চিত্ৰনাট্যৰ কাম সম্পূৰ্ণ হৈছে। 'চক্ৰ'ৰ সামগ্ৰিক পৰিকল্পনা, পৰিচালনা, সংগীত আৰু কণ্ঠ জুবিনৰে। বলীউডৰ লগতে অসমৰ শিল্পীৰো সমাবেশ ঘটিব জুবিনৰ নতুন ছবিখনত।

* * *

## গিল থাৰমেক্স, ছান মাৰ্টিনৰ ব্ৰেণ্ড এম্বেছাডৰ জুবিন

বহুতো বহুজাতিক কোম্পানীৰ মডেল হিচাপে কাম কৰা জুবিন গাৰ্গ আজি নতুন প্ৰজন্মৰ বহু যুৱক-যুৱতীৰে 'ৰল মডেল'। কাপোৰৰ জগতত গোলকীয় ফেশ্বন জগতৰ লগত ফেৰ মৰা গুৱাহাটীৰ অগ্ৰণী প্ৰতিষ্ঠান ছান মাৰ্টিনৰ ব্ৰেণ্ড এম্বেছাডৰ হোৱাৰ উপৰিও গিল থাৰমেক্স, উ-লা-লা- এফ-এম, বি বৰুৱা কেণ্ডাৰ ইন্সটিটিউট, ঘোষ ব্ৰাডাৰছ্ আদিৰো ব্ৰেণ্ড এম্বেছাডৰ হিচাপে জুবিন চুক্তিবদ্ধ। জুবিন গাৰ্গ ছান মাৰ্টিন কোম্পানীটোৰ ব্ৰেণ্ড এম্বেছাডৰ হিচাপে নিযুক্ত হোৱাৰ পিছত গ্ৰাহকৰ মাজত কোম্পানীটোৰ চাহিদা অধিক বৃদ্ধি পায় বুলি কোম্পানীটোৰ সঞ্চালক সুভাষ চান্দ শেঠীয়ে মতপোষণ কৰে।

# জুবিন আৰু মই

◻ মানস ৰবীন

আমি তেতিয়া যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ। কলেজৰ বৰপাত্ৰ কুটীৰৰ সন্মুখত আমাতকৈ ডাঙৰ ল'ৰাবোৰে আড্ডা মাৰে। এই আড্ডাৰ প্ৰায়বোৰ ছাত্ৰই সংগীত-সাধনাৰ লগত কিবা নহয় কিবা প্ৰকাৰে জড়িত আছিল। সেই আড্ডাৰে দীঘল চুলিৰ দুজনমান ল'ৰাৰ নতুন ফেশ্বন সেই সময়ৰ আমাৰ চৰ্চাৰ বিষয়। জনামতে এজনৰ নাম আছিল জংকি দত্ত; তেখেত তবলাবাদক তথা সেই সময়ৰ উজনি অসমৰ জনপ্ৰিয় গায়িকা বৃষ্টি দত্তৰ ভ্ৰাতৃ। আৰু আনজন হ'ল জুবিন বৰঠাকুৰ; এজন ছিন্থেচাইজাৰ-বাদক আৰু এখন নতুন কেছেটৰ কামত ব্যস্ত উদীয়মান কণ্ঠশিল্পী। গানৰ প্ৰতি দুৰ্বল বা নিজেও কেছেট এখন নিৰ্মাণৰ পৰিকল্পনা কৰি থকা বাবেই কিজানি সেই আড্ডাৰ আড্ডুবৈসকলৰ বিষয়ে জানিবলৈ, চিনাকি হ'বলৈ আগ্ৰহ উপজিছিল।

সুযোগ আহিল। নবাগত আদৰণী সভাত মই গীত পৰিৱেশন কৰাৰ ঠিক আগে আগে গীত পৰিৱেশন কৰিছিল মহাবিদালয়ৰে ছাত্ৰী প্ৰয়াত শিল্পী জংকি বৰঠাকুৰে আৰু তেখেতৰ লগত বাদ্য সংগত কৰিছিল

জংকি দত্ত, জুবিন বৰঠাকুৰ আদিয়ে। কৈছোৱেই, দীঘল চুলিৰ ফেশ্বনৰ জংকি দত্ত আৰু জুবিন বৰঠাকুৰৰ প্ৰতি আমাৰ আকৰ্ষণ আছিল। তেখেতসকলৰ অনুষ্ঠান শেষ হোৱাৰ পাছত মঞ্চৰ তলতে বৈ মোৰ বন্ধু, বৰ্তমান মুম্বাই প্ৰতিষ্ঠিত গীটাৰবাদক অভিলাষ ফুকনে জুবিনদাক মাত দিলে, মোকো চিনাকি কৰি দিলে, তেখেতৰ কেছেটৰ খবৰ ল'লে। তেওঁ ক'লে কেছেটৰ মিউজিকৰ ৰেকৰ্ডিং শেষ হ'ল,
ভয়চ ডাবিং আৰু মিক্সিঙৰ কাম বোম্বেত হ'ব, দুই-এদিনতে তেওঁ যাব। কথা ইমানেই। আমি আমাৰ অনুষ্ঠান পৰিৱেশন কৰিবলৈ মঞ্চলৈ উঠি গ'লো।

এদিন ক্লাছ কৰি উভতি আহোঁতে কলেজৰ কেম্পাছৰ ওখ তালগছজোপাত হাতেৰে লিখা এখন পোষ্টাৰ দেখিলোঁ—অপূৰ্ব সংগীত আৰু কথাৰে অসমীয়া আধুনিক গীতৰ কেছেট 'অনামিকা', শিল্পী কবিতা কৃষ্ণমূৰ্তি আৰু জুবিন গাৰ্গ। পোষ্টাৰখনত কাটি লগাই দিয়া হৈছিল জুবিনদাৰ এখন ফটো। কেছেটখন ওলোৱা বুলি জানি ভাল লাগিল। সেইদিনা সন্ধিয়া মোৰ বন্ধু, বৰ্তমান ডিজি মিউজিক ষ্টুডিঅ'ৰ শব্দযন্ত্ৰী নৈবেদ্য হাজৰিকাৰ চাইকেলত উঠি এন কে প্ৰডাকশ্বনৰ কেছেট বিপণী পালোঁগৈ। পিছে তাত গৈহে গম পালোঁ, কেছেটখন বোলে দুই-এদিনৰ পাছতহে বজাৰলৈ আহিব। সেইদিনা তেখেতসকলেৰে 'অনুৰাধা' নামৰ আন এখন কেছেট কিনি আনিলোঁ। কেছেটখনৰ শিল্পী উৎপল শৰ্মা আৰু অনুৰাধা পাড়োৱাল। কেছেটখনৰ প্ৰায়খিনি গীতৰে কথা আৰু সুৰ আছিল জুবিনদাৰ। 'জোন গ'লা ৰাতি হেনো আকাশত মৰমৰ চাকি জ্বলে'... কেছেটখনৰ গীতবোৰ শুনি অসমীয়া সংগীতৰ যে এটা নতুন ধাৰাৰ জন্ম হ'বলৈ গৈ আছে তাৰ উমান পালোঁ। ইয়াৰ কিছুদিনৰ পাছতে 'অনামিকা' নামৰ কেছেটখনে মুক্তি লভিলে। কোনোবা এটা শাৰদীয় সন্ধিয়া নৈবেদ্যই 'অনামিকা' কেছেটখন কিনি আনি মোক শুনিবলৈ দিলেহি।

সৰুৰেপৰা জয়ন্ত হাজৰিকা আৰু ভূপেন হাজৰিকাৰ গীতৰ ভক্ত মোৰ ৰক্ষণশীল মনটোক 'অনামিকা'ৰ গীতবোৰে প্ৰথম শ্ৰৱণতে বিশেষ আমেজ দিব পৰা নাছিল যদিও ব্যতিক্ৰমী দ্বিতীয় পিঠিৰ 'প্ৰীতিৰ সুবাসে' শীৰ্ষক গীতটোৱে মোক আপ্লুত কৰিছিল। গীতটিৰ গায়কী,সংগীতসজ্জা আৰু কথাংশই মোক কেছেটটিৰ সৈতে বান্ধি পেলাইছিল। ক্ৰমে ক্ৰমে আটাইবোৰ গীতেই ভাল লগা হৈ আহিছিল।

'অনামিকা' শুনাৰ পাছত 'অনুৰাধা'ই ইংগিত দিয়া অসমীয়া আধুনিক গীতৰ নব্য ধাৰাটোৰ সম্বন্ধে আমাৰ ধাৰণা স্পষ্ট হ'ল। আমি অনুভৱ কৰিলোঁ

পৰিৱৰ্তনৰ এছাটি বতাহ। ক্ৰমশঃ আমি ডুব যাবলৈ ধৰিলোঁ 'অনামিকা' আৰু 'অনুৰাধা'ৰ প্ৰতিটো গীতৰ মাজত, নতুন গায়কী, নতুন সংগীতসজ্জা, নতুন শব্দচয়নে আমিবোৰক পৰিৱৰ্তনৰ নতুন পথৰ পথিক হ'বলৈ হাতবাউলি মাতিলে। তাৰ পাছত 'মায়া'ৰ জনপ্ৰিয়তাই এই পৰিৱৰ্তিত ধাৰাটোক প্ৰতিষ্ঠাই কৰি পেলালে।

ইতিমধ্যে মোৰ শ্ৰব্য কেছেট 'নীহাৰিকা'ই মুক্তি লাভ কৰিছিল আৰু মই গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ লৈছিলোঁহি। এইখিনি সময়লৈকে কলেজত লগ পোৱাৰ পাছত আৰু জুবিনদাক গানৰ মাজেৰেহে লগ পাই আছিলোঁ। ১৯৯৭ চন মানৰ কথা। বিহুৰ সময়ত মই গুৱাহাটীৰ পৰা নৈশ বাছত শিৱসাগৰৰ ঘৰলৈ গৈ আছোঁ। টোপনিৰ জালত কেতিয়ানো বাছখন জখলাবন্ধাত ৰৈ গ'ল গমেই পোৱা নাছিলোঁ। কাষৰ দোকানবোৰৰ পৰা ভাহি অহা বিহুগীতৰ কেছেটবোৰৰ উত্তাল শব্দত মোৰ টোপনি ভাঙিল। এটা গীত কাণত পৰিল— এটা নতুন কণ্ঠ, অচিনাকি; কিন্তু ইমান শুৱলা, ইমান নিখুঁত! কোন হ'ব পাৰে? মই বাছৰ পৰা নামি গ'লোঁ। দোকানীজনৰ পৰা কেছেটখন লৈ গায়কজনৰ নামটো পঢ়িলোঁ। কি আচৰিত! জুবিনদা?? মোৰ দৰে চাগে' অসমৰ প্ৰতিজন শ্ৰোতা এইখিনি সময়ত আচৰিত হৈছিল যেতিয়া 'উজানপীৰিতি' নামৰ বিহুগীতৰ কেছেটখনৰ 'দোভাগ ৰাতি ঐ নাচনী মোলৈ মনত পৰেনে' গীতটিৰ কণ্ঠশিল্পী জুবিন গাৰ্গ বুলি জানিব পাৰিছিল। আচলতে পশ্চিমীয়া সুৰ আৰু সংগীতৰ উচ্চাংগ গায়নশৈলীৰ গীতেৰে পৰিচিত জুবিনদাৰ কণ্ঠই লোৱা থলুৱা ৰূপটোক চিনি পাবলৈ তেওঁৰ গীত শুনাত অভ্যস্তজনবো হয়তো আহুকাল হৈছিল। তেওঁৰ কণ্ঠৰ পৰশতেই পৰৱৰ্তী সময়ত অসমৰ থলুৱা গীত-মাতে নতুন ৰূপ পালে। এই কথা অসমৰ সংগীতৰ ইতিহাসে সদায় সুঁৱৰিব।

ইতিমধ্যে বিভিন্ন কেছেটত গীত গায়, গীত লিখি, সংগীত পৰিচালনা কৰি অসমৰ সংগীত জগতত ময়ো মানস ৰবীন হিচাবে খোপনি এটা লৈছিলোঁ। ১৯৯৯ চনৰ শেষৰফালে মই 'প্ৰিয়া অ' প্ৰিয়া' নামৰ ছবিখনৰ সংগীত পৰিচালক হোৱাৰ সুযোগ লাভ কৰোঁ। এইখিনি সময়ত 'যৌবনে আমনি কৰে' আৰু 'মহাৰথী' নামৰ ছবি দুখনৰ জনপ্ৰিয়তাই অসমীয়া চলচ্চিত্ৰক নতুন জীৱন দান কৰিছিল। জুবিনদা খুবেই ব্যস্ত। নিজৰ ছবি 'তুমি মোৰ মাথোঁ মোৰ' আৰু পৰিচালক মুনিন বৰুৱাৰ 'হিয়া দিয়া নিয়া'ৰ সংগীত পৰিচালনাৰ কামত। আমাৰ ছবিটো জুবিনদাক গীত গোওৱাৰ কথা। মই আৰু ছবিখনৰ অন্যতম প্ৰযোজক ৰাজৱ নেওগ তেওঁক লগ ধৰিবলৈ ডিজি

মিউজিক ষ্টুডিঅ'লৈ আহিলোঁ। সেইদিনা জুবিনদা 'তুমি মোৰ মাথোঁ মোৰ'ৰ পাৰ্শ্ব সংগীতসজ্জাৰ কামত ব্যস্ত হৈ আছিল। ব্যস্ততাৰ মাজতে তেওঁ আমাৰ লগত কথা পাতিলে। কথা মানে তিনিটা বাক্য

—তুমি মিউজিক কৰিছা?

—হয়।

—কোন ষ্টুডিঅ'ত?

— অডিটেকত।

— ঠিক আছে, আজি ৰাতি গাম।

ৰাতি ১১ মান বজাত জুবিনদা তেখেতৰ বন্ধু প্ৰয়াত জয়ন্ত পাত্ৰৰ লগত আহি ছবিখনৰ তিনিটি গীত ডেৰঘণ্টামান সময়ত গাই শেষ কৰি গুচি গ'ল। এই 'প্ৰিয়া অ' প্ৰিয়া' ছবিতে প্ৰথম জুবিনদাক মই মোৰ গীত গোৱাওঁ। ছবিখনৰ গীতবোৰ জনপ্ৰিয় হৈছিল। পিছে ছবিখনে ২০০৪ চনতহে মুক্তি লাভ কৰে। জীৱনৰ প্ৰথম ছবিখনে সময়ত মুক্তি লাভ নকৰাৰ কাৰণে মনত আজিও এটা দুখ থাকি গ'ল।

জয়ন্ত পাত্ৰ মোৰ যোৰহাটৰ দিনৰে চিনাকি। সেইদিনা 'প্ৰিয়া অ' প্ৰিয়া'ৰ গীত ৰেকৰ্ডিঙৰ সময়তে মোক ডিজি মিউজিকত তেখেতক লগ ধৰিবলৈ মাতি থৈ আহিল। মই লগ ধৰিলোঁ। তেখেতে জুবিনদাৰ বাবে এটা বিহুগীত লিখিবলৈ মোক ক'লে। মই বিপাঙত পৰিলোঁ, কাৰণ তেতিয়ালৈকে মই আধুনিক গীত আৰু চলচ্চিত্ৰৰ গীতৰ বাহিৰে অন্য সংগীতৰ কাম কৰা নাছিলোঁ। জয়ন্তদাই নেৰে। অৱশেষত এটা গীত লেখিলোঁ—'মনত পৰে তোমালৈ, মাজনী সময় নাপাওঁ যাবলৈ'। গীতটো জনপ্ৰিয় হ'ল। এই গীতটোৰ জৰিয়তে মই বিহুগীতৰ জগতখনত প্ৰৱেশ কৰোঁ আৰু জুবিনদাৰ নিজা প্ৰডাকশ্বনৰ সৈতে জড়িত হৈ পৰাৰ লগতে 'সোণাৰু' নামৰ এই কেছেটখনৰ সংগীত পৰিচালক বিমান বৰুৱাৰো অন্যান্য কামৰ সহযোগী হৈ পৰোঁ। বিহুগীতৰ শ্ৰব্য কেছেটৰ জগতলৈ মোক জোৰকৈ টানি অনাৰ বাবে প্ৰয়াত জয়ন্ত পাত্ৰলৈ এইচেগতে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু এই লেখাটো লিখিবলৈ দি মোক অতীতলৈ ঘূৰি চাবলৈ বাধ্য কৰোৱা মণ্টু শইকীয়ালৈ ধন্যবাদ জনালোঁ; কাৰণ, এই কথাখিনি আজি লেখিবলৈ নবহি কিছু বছৰৰ পাছত বহা হ'লে কিজানি মোৰ স্মৃতিয়েই প্ৰতাৰণা কৰিলেহেঁতেন, আজি লেখি থাকোঁতেই মোৰ মাজে মাজে খেলি-মেলি লাগিছে—কোনটো আগত! কোনটো পাছত!

পৰিৱৰ্তনৰ বতাহজাক বলিয়েই আছিল। আকৌ এটা নতুন পৰিৱৰ্তনৰ সৈতে আমাৰ চিনাকি হ'ল। 'দেহাজান' নামৰ বিহুসুৰীয়া শ্ৰব্য কেছেটে এখনৰ জনপ্ৰিয়তাই হঠাৎ প্ৰতিষ্ঠিত নব্য-আধুনিক সংগীতৰ ধাৰাটোক স্থবিৰ কৰি দিব বিচাৰিলে। তৰালি শৰ্মা, মিলি বৰুৱা আৰু মই তেতিয়া সৰস্বতী কমিউনিকেশ্বন নামৰ প্ৰযোজনা সংস্থাটোৰ কৰ্মী। এইছোৱা সময়ত বিহুসুৰীয়া কেছেটবোৰে জনপ্ৰিয়তাৰ শিখৰ চুমিছিল যদিও আমাৰ প্ৰতিষ্ঠানৰ ফালৰ পৰা তেতিয়ালৈ বিহুসুৰীয়া কেছেটৰ কোনো পৰিকল্পনা কৰা হোৱা নাছিল। এদিন হঠাৎ ডিজি মিউজিকলৈ যাওঁতে এন কে প্ৰডাকশ্যনৰ স্বত্বাধিকাৰ দেৱ বৰকটকীয়ে তেখেতসকলৰ বিহুসুৰীয়া কেছেটৰ পৰিকল্পনাৰ কথা জনালে। সেই সময়ত সংগীতকৰ্মী হিচাবে নাম এটা হৈছিল যদিও টকা-পইচাৰ বৰ অভাৱী আছিলোঁ। দেৱদাই সুন্দৰ বিহুসুৰীয়া গীত এটি বিচাৰিলে। মই তৎক্ষণাত এটি গীত শুনালোঁ, উদ্দেশ্য দুটা—গীতটো যদি তেখেতে পচন্দ কৰে মই জুবিনদাক আন এটা গীত গোওৱাৰ সুযোগ পাম আৰু পূজাত ঘৰলৈ যাবলৈ দুটকামান পইচা পাম। দেৱদাই মোক নিৰাশ নকৰি মোৰ গীতটো পচন্দ কৰিলে আৰু কেছেটটোৰ প্ৰথম গীত হিচাবে গীতটোক স্থান দিলে। গীতটো ৰাতিৰ ভিতৰতে জনপ্ৰিয় হ'ল। 'নবৌ ঐ, মোলৈ এজনী ছোৱালী চালিনে নাই?' এই গীতটিৰ জনপ্ৰিয়তাই মোৰো জীৱনটো সলাই পেলালে।

ইমানখিনিৰ পাছতো কিন্তু জুবিনদাৰ সৈতে মোৰ বিশেষ কথা-বতৰা বা কোনোধৰণৰ আত্মীয় সম্পৰ্ক গঢ় লৈ উঠা নাছিল। কথাটো এতিয়া ভাবিলে আচৰিত ললাগে। আচলতে মই গুৱাহাটীলৈ অহাৰ সময়তেই তেওঁ ব'ম্বেত থাকিবলৈ লৈছিল, গতিকে লগ-ভাগ পোৱাৰ কথাই নাই। গীত গোৱাওঁতে যি অকণ সময় লগ পাইছিলোঁ সেই সময়খিনিতো ইমানদিনে তেখেতৰ গীত শুনি তেখেতৰ প্ৰতি মনত জন্ম হোৱা অগাধ শ্ৰদ্ধা আৰু সম্ভ্ৰমে মোক তেখেতৰ ওচৰত সচৰাচৰ মইটো হৈ উপস্থাপন কৰাত বাধা দিছিল। মই জুবিনদাৰ আচল সান্নিধ্যলৈ আহোঁ তেখেতৰ 'নাহৰ' নামৰ শ্ৰব্য কেছেটখনৰ সংগীত পৰিচালনাৰ যোগেদি। এইখিনি সময়ৰপৰাহে তেখেতৰ লগত মোৰ সহজ বাৰ্তালাপ আৰম্ভ হৈছিল। মোৰ গীতবোৰ গাওঁতে তেওঁ মই গীতত প্ৰয়োগ কৰা ফকৰাবোৰৰ অৰ্থ সুধিছিল। মই যথাযথ উত্তৰ দিব লগা হৈছিল প্ৰতিটো গীত গোৱাৰ আগমুহূৰ্ত্তত। প্ৰতিটো কাজ দিয়াৰ সময়ত প্ৰশ্ন কৰিছিল কিয় তেনেদৰে গাব লাগে। মই সীমিত জ্ঞানেৰে বুজাবলৈ চেষ্টা কৰিছিলোঁ। আচলতে তেওঁ কিজানি মোক পৰীক্ষা কৰিছিল। পৰীক্ষাত মই উত্তীৰ্ণ হ'লো

নে নাই আজিলৈকে নাজানিলোঁ। এতিয়াও কেতিয়াবা গীত গোৱাৰ আগমুহূৰ্তত তেখেতে প্ৰশ্ন কৰে। মই কেতিয়াবা উত্তৰ দিওঁ, কেতিয়াবা নজনাৰ ভাও ধৰোঁ। সাহিত্য আৰু ভাষা , এই দুয়োটা দিশতে তেখেতৰ দক্ষতা চকুত পৰা। বাক্যৰ গঠন, শব্দচয়ন আদিৰ বিষয়ে গীত ৰেকৰ্ডিঙৰ আগমুহূৰ্তত বহু কথা আলোচনা কৰা হৈছিল আৰু বহু কথা শিকিবলৈ আৰম্ভ কৰিছিলোঁ দুয়োজনে দুয়োজনৰ পৰা। ইংৰাজী সাহিত্যৰ অধ্যয়ন আৰু বিশ্ব সাহিত্যৰ সৈতে চিনাকিটো তেখেতে তেখেতৰ পৰিয়ালৰ সূত্ৰে লভিছিল, কাৰণ তেখেতৰ পিতৃ কপিল . ঠাকুৰৰ আলমিৰাত অলেখ বিদেশী কিতাপৰ সংগ্ৰহ মই নিজ চকুৰে দেখিছিলোঁ। থলুৱা ভাষাৰ প্ৰয়োগ আৰু ৰচনা মই মোৰ জন্মসূত্ৰে লাভ কৰিছিলোঁ যদিও শব্দৰ 'স্মাৰ্ট' প্ৰয়োগ আৰু 'ষ্টাইলিষ্ট' প্ৰক্ষেপণৰ কিটিপটোৰ বহু কথাই মই তেখেতৰপৰা শিকিছিলোঁ। 'মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে' গীতটি মই লেখা আন গীতবোৰতকৈ এই কাৰণেই বেলেগ বুলি মই ভাবোঁ। গানৰ জৰিয়তে চিনাকি হোৱা মানুহজনক আন্তৰিকভাৱে লগ পোৱাৰ পাছত তেখেতৰ ব্যক্তিত্বৰ বহু নতুন দিশৰ সৈতে চিনাকি হোৱাৰ সুযোগ পাইছিলোঁ। কাপোৰৰ দোকানত সোমালে আমি কেতিয়াও পিন্ধিম বুলি ভাবিব নোৱৰা অদ্ভুত ৰঙৰ চোলা এটা কিনি লোৱা, হোটেলত সোমালে আগতে কেতিয়াও নোখোৱা খাদ্যৰ অৰ্ডাৰ দিয়া আদি তেখেতৰ স্বাভাৱিক কৰ্মৰাজিৰ প্ৰতিফলন তেখেতৰ গীতৰ মাজতো দেখা পাওঁ। এইবাবেই জুবিন গাৰ্গৰ গীতবোৰ আনতকৈ বেলেগ হয়। তেখেতে বেলেগ কিবা এটা বিচাৰি ফুৰে। অদ্ভুত তেখেতৰ পচন্দ। তেওঁ খেয়ালী, অন্যমনস্ক, আত্মমগন, স্থিতপ্ৰজ্ঞ...তেওঁ এজন জিনিয়াছ্। কিছুমান মানুহৰ স্বভাৱ কিছুমান মানুহৰ লগত আচৰিত ধৰণে মিলে। মোৰ দেউতাৰ কিছুমান ঢং জুবিনদাৰ গাতো আছে বাবেই এই খেয়ালী মানুহজনক মই কিছু সহজতে কিছু দূৰলৈ বুজিব পাৰিছিলোঁ। তেখেতৰ অভিমানী মনটোৱে, বহলকৈ মেলি দিব পৰা অন্তৰখনে বহু আৱৰণৰ মাজত ঢাক খাই থাকিও মোৰ দৃষ্টিত ফট্‌ফটীয়াকৈ ধৰা দিছিল। ক্ৰমে ক্ৰমে আমি কাষ চাপি গৈছিলোঁ, প্ৰতিটো বিপদ-আপদৰ লগৰী হৈ আজিও দুয়ো দুয়োৰে ওচৰত থিয়দি আছোঁ।

জুবিনদাই সংগীত পৰিচালনা কৰা 'কন্যাদান'ত মই প্ৰথম তেখেতৰ সংগীত পৰিচলানা গীত লিখো। ছবিখনৰ পৰিচালক শ্ৰদ্ধাৰ মুনিন বৰুৱাক গীতৰ সুৰটো শুনায় জুবিনদাই ক'লে— নতুন ল'ৰা এটাক লেখিবলৈ দিছো, সি ভাল লেখিব, আপুনি তাক চিকুৰেঞ্চটো বুজায় দিয়ক। ছবিখনৰ এটা গুৰুত্বপূৰ্ণ

গীত মোৰ দৰে (গীতিকাৰ হিচাপে তেখেতৰ অচিনাকি) এজন ল'ৰাক লেখিবলৈ দিয়াত ভাইমনদাৰ (মুনিন বৰুবাৰ) মনৰ অৱস্থা কেনে হৈছিল নাজানিলেও এটা কথা ঠিক তেখেতৰ ঠাইত মই হোৱা হ'লে নিশ্চয় জুবিনদাৰ ওপৰত নাৰাজ হ'লোহেঁতেন। ভাইমনদাই মোক মাতি চিকুৱেশ্বটো বুজাই দিলে আৰু ক'লে সম্পূর্ণ কৰি মোক এবাৰ দেখুৱাই ল'বা। মই গীতটো লেখি তেখেতক দেখুৱালো।

'লহিয়ালে ৰঙা বেলি
পশ্চিমৰে আকাশতে আবেলি'

বাহঃ বঢ়িয়া হৈছে— লহিয়ালে শব্দটো আজি বহুদিনৰ মূৰত শুনিলো বুলি ভাইমনদাই মোৰ গীতটোক শলাগিলে আৰু এইদৰেই জুবিনদাৰ প্রত্যক্ষ 'ফৰ্মাইচ'ত মই মুনিন বৰুবাৰ দৰে অসমৰ এজন দ্বিগ্‌জ চলচ্চিত্র পৰিচালকৰ ছবিত গীত লেখাৰ সুযোগ লাভ কৰো। এইখন ছবিৰে মই লেখা 'উল গুঠিব জানেনে নাজানে' গীতটোৱে অপাৰ জনপ্রিয়তা লাভ কৰিছিল। এই গীতটি মই লেখিছিলো বম্বেত। গীতটিৰ আঁৰত এটা মজাৰ ঘটনা আছে। মই বম্বেলৈ গৈছিলো জুবিনদাক বিহুগীত গোৱাবলৈ। কেইবাদিনো হৈ গ'ল তেওঁ গান গোৱা নাই। গানৰ কথা ক'লে তেওঁ অন্য কথা উলিয়াই, ক'ৰবাত ফুৰিবলৈ যাবলৈ লগ ধৰে— মই নিৰুপায়— কি কৰো, গান গোৱাই লৈ নগ'লেও নহয়, ইফালে ভবাতকৈ বেছি দিন থাকিবলগীয়া হোৱাত হাতৰ টকা-সিকাও কমি আহিছে, অৱশেষত উপায়ন্তৰ হৈ মই তেওঁক ক'লো যে কালিলৈ মই যাব লাগিব, আজি গানকেইটা নাগালে মই বৰ বিপদত পৰিম। মোৰ কথা শুনি তেখেতে হাঁহি হাঁহি ক'লে 'তোতকৈ ডাঙৰ বিপদত মই পৰি আছো— ভাইমনদাৰ চিনেমাৰ শুটিং চলি আছে— পৰহি গানৰ শুটিং, এতিয়ালৈকে মই গানৰ সুৰটোৱেই কৰিব পৰা নাই, লেখিবলৈ আছেই, গানটো সময়ত গৈ নাপালে তাত শুটিঙেই বন্ধ হৈ যাব। গতিকে তই থাক, আজি চাওচোন, যদি গানটো হয় তয়ে লেখিবি আৰু এই চিন্তাটো দূৰ হোৱাৰ লগে লগেই মই তোৰ আটাইবোৰ গান গায় শেষ কৰি দিম, কালিলৈ তই যাব পাৰিবি। জুবিনদা বাৰে বাৰে অন্যমনস্ক হৈ আছে, মই বুজিছো তেওঁ সুৰৰ সন্ধানত— হঠাৎ মোক আচৰিত কৰি ক'লে— 'ব'ল বজাৰৰ পৰা আহো'— গ'লো বজাৰত গাহৰিৰ মঙহ কিনিলে, নহৰু-ধনিয়াৰ পাত কিনিলে আৰু হাঁহি এটা মাৰি ক'লে— 'ব'ল আজি কম্পিটিচন্'

— মই ক'লো কাৰ?

— তোৰ আৰু মোৰ

— মানে?

— মই গীতটোৰ সুৰ আৰু মিউজিক একেলগে কৰি যাম আৰু তই লগে লগে লেখি যাবি। চাবি মই ছেকেণ্ড মিউজিক কৰাৰ আগত তোৰ লেখা শেষ হ'ব লাগিব।

ঠিক আছে— মনটো ভাল লাগিল, আজি কামটো হ'ব কাৰণ গীতটো যদি কম্পিটিচনৰ কোবত আজিয়েই হৈ যায় কালিলৈ অন্তত মোৰ গীতবোৰ গাব।

কম্পিটিচন্ আৰম্ভ হ'ল, লগতে আৰম্ভ হ'ল গৰিমাবৌৰ ৰন্ধা-বঢ়া। জুবিন দাই প্ৰিলিউদটো আৰম্ভ কৰিলে— 'তা না না না না না, তা না না... মোৰ কাম নাই এইটো শেষ হোৱাৰ পাছতহে সুৰটো শুনিবলৈ পাম গতিকে পাকঘৰলৈ অহা-যোৱা কৰি আছো। কাৰণ আহোমৰ নাকে বম্বেত গাহৰি মঙহৰ গোন্ধ পাইছে। এবাৰ ধনিয়াৰ পাত এটা চোবাই আহো, এবাৰ নহৰু এফুটাকে নিমখ অকণ লগাই চোবাই আহো— এনেতে জুবিনদাই চিঞৰিলে— 'মানস শুনহি' ইতিমধ্যে তেখেতৰ স্থায়ীৰ সুৰটো হৈ গ'ল— অপূৰ্ব সুৰ— ভাল হ'ব গীতটো মই ক'লো।

জুবিনদাই ক'লে— লেখ এতিয়া।

— লেখ মানে! কি লেখো? চিনেমাৰ গীত, কি চিকুৰেঞ্চত, কি বা কাহিনী লেখ বুলিলেই হ'লনে?

হাঁহি মাৰি জুবিনদাই ভাইমনদাই ফেক্স কৰা কাগজ এখন তুলি দি ক'লে— 'পঢ়ি ল'। মই আগ্ৰহেৰে পঢ়িবলৈ ল'লো কিন্তু বাপ্‌ৰে বাপ্ ভাইমনদাৰ হাতে লেখা লতা আখৰ— তাতে ফেক্স কৰা— মই মৰিলো, এটা শব্দও যোটাব পৰা নাই উপায়-নাপাই ক'লো— 'পঢ়ি দিবনে?'

– Sorry, কম্পিটিচনত কোনোবাই কাৰোবাক সহায় কৰাৰ নিয়ম নাই।

— মৰিলো, বহু সময় আখৰ যোটাই যোটাই যি বুজিলো— ল'ৰা এটা টাউনৰ ভাড়া ঘৰত থাকে। তাত তাৰ বৌৱেক তিনিজনী হঠাৎ আহি ওলায়হি আৰু তাৰ বিচনাত তাৰ প্ৰেয়সীৰ ফটো এখন আৱিস্কাৰ কৰি ফটোখন লৈ ল'ৰাজনক জোকাই জোকাই গীত গায়— বহু।

মই লেখিবলৈ বহিলো, সুৰটোৰ স'তে দুটামান শব্দ পগাই চালো, ওঁহো মনটো বহা নাই, মঙহৰ গোন্ধটোৱে মোৰ মনটোক পাকঘৰলৈহে টানি আছে। হঠাৎ মনলৈ আহিল— বৌৱেকহঁতেনো ল'ৰাজনক কি বুলি জোকাব?

খুব বেছি সুধিব— তাই ভাত ৰান্ধিব জানে নে নাজানে? অ' ঠিকেইতো— মই লেখি গ'লো আৰু তৎক্ষণাত মোৰ স্থায়ীটো লেখা হৈ গ'ল। বাকী থাকিল অন্তৰা দুটা। কম্পিটিচন্‌ৰ কথা। গতিকে সুৰ যিয়েই নহওক কথা কি লেখিম চিন্তা কৰি থোৱা যাওক বুলি ভাবিবলৈ ধৰিলো। এনেতে জুবিনদাই প্ৰথম ইণ্টাৰলিউদ মিউজিকটো শেষ কৰি অন্তৰাৰ সুৰটো শুনালে। কথাখিনি কি হ'ব পাৰে আগতে ভাবিয়েই থৈছিলো। গতিকে পলম কিহৰ লেখি পেলালো—

'শুই উঠোতেই আজিকালি অ'ত বেলি হয়
সপোনতে চাগে ঘনে ঘনে দেখা হয়
বাচি খাবা যাগি শুবা বুঢ়ালোকে কয়
ছমহীয়া প্ৰেমত পৰি নপৰিবা জয়
এধানি এধানি কৰিবহিনেকি
আমাৰ মৰমৰে এনাজৰী
ককাইদেউ বৌ-দেউ অঙহী-বঙহীক
ল'ব পাৰিবনে আপোন কৰি ..'

এনেতে গৰিমা বৌৱে চিএৰিলে মানস ভাত— গতিকে কম্পিটিচন্‌ৰ ইণ্টাৰভেল। বৌৱে. বৰ জুতি লগাকৈ ৰান্ধিছিল, তাতে অ'ত পৰে জিভাৰ পানী পৰি থকা মোৰ লোভটো, ৰাহুৱে গ্ৰাস কৰাদি দুই মিনিট মানতে খাই শেষ কৰিলো, জুবিনদাই ক'লে তোৰ শেষ হ'লেইনে? দুই নম্বৰী নকৰিবি মোৰ খাই শেষ হোৱাৰ পিছতহে আকৌ কম্পিটিচন আৰম্ভ হ'ব। মই ঠিক আছে বুলি কৈ পানীৰ গিলাছটো লৈ হাত ধোবলৈ আহিলো। মনহে, ঠিক আছে বুলি ক'লো যদিও মনটোৱে কিন্তু তেতিয়াৰ পৰাই চিন্তা কৰিবলৈ আৰম্ভ কৰিয়েই দিছিল। হঠাৎ ভাব হ'ল, মই ভুল লেখিছো কাৰণ ল'ৰাটোৰ বয়সটো মই নাজানো। গতিকে বৌৱেকইতে তাকটো গালিও পাৰিব পাৰে। ইতিমধ্যে জুবিনদাৰ ভাত খোৱা শেষ হৈছিল। মই কথাটো তেওঁকেই সুধিলো— 'তেওঁ ক'লে অ' বয়সটো ময়ো নাজানো নহয় ৰ' ভাইমনদাক ফোন কৰি সুধিদিওঁ। ঘড়ীলৈ চালো ৰাতি ডেৰটা বাজিছে। ভাইমনদাক এতিয়া ফোন কৰাটো ভাল হ'ব জানো'? জুবিনদাই ক'লে— গান হোৱা নাই বুলি তেওঁৰ টোপনিয়েই অহা নাই চাগে, ফোন কৰিলে গান হোৱা বুলি জানি টোপনিটো ভালকৈহে আহিব। ফোনৰ ৰিং হ'ল, ভয়ে ভয়ে মই ৰৈ আছো কিবা হয়। সিফালৰ পৰা টোপনিৰ পৰা উঠি ভাইমনদাই খঙেৰে ক'লে—

'হেল্ল'...

মই একো নকৈ জুবিনদাক ৰিচিভাৰটো দি দিলো।

জুবিনদাই ক'লে— ভাইমনদা মই জুবিন।

— গান হ'লনে?

— হৈ আছে মানসে কিবা এটা কয় বোলে।

আকৌ ৰিচিভাৰ মোলৈ, মই ভয়ে ভয়ে ক'লো— ভাইমনদা দেৰিকে ফোন কৰিলো নেকি?

— দেৰি; ডেৰটা বাজিছেহে কোৱা— মই ক'লো, তেওঁ বুজালে, মই বুজিলো ল'ৰাক গালি পাৰিবলগীয়া নাই। ল'ৰা বিয়া-বাৰু কৰাব পৰা সামৰ্থ্যৰ, গতিকে লেখিলো।

'আমাৰ ঘৰৰে দুৱাৰ-দলিকে

গছকাবাহি দুই-এমাহতে

দৰাৰে চোলা-চুৰিয়া যোৰকে

আজিয়েই দিও নেকি চিলাবলে..'

কম্পিটিচনত মই জিকিলো— পুৰস্কাৰ হিচাপে পাছদিনা মোৰ আটাইকেইটা গীত গোৱাই লোৱাৰ লগতে এটা নিউএগু নামৰ শব্দ-যন্ত্ৰ তেওঁৰ পৰা লৈ গুৱাহাটীলৈ আহিলো।

বহু কথাই মনত পৰিছে লেখি থাকিলে শেষ নহ'ব, তাৰ মাজতে সম্পাদক ডাওৰীয়াৰ কাঢা নিৰ্দেশটোও মনত পৰিছে। 'মানস লেখাটো কিন্তু বেছি দীঘল নকৰিবা' ঠিক আছে— অন্তত কিছু কথাটো লিখা গ'ল, পাঠকৰ মৰম আৰু আশীৰ্বাদ পালে পাছলৈ আৰু কথা লিখিব পৰা যাব। ৰাইজৰ ইমান মৰম আৰু আদৰ লভা এজন শিল্পীক নিচেই ওচৰৰ পৰা আমাৰ জীৱনে প্ৰত্যক্ষ কৰাৰ সুযোগ লভাৰ বাবে আমি পৰমেশ্বৰৰ ওচৰত সদায় কৃতজ্ঞ। জুবিনদাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে..

***

# ক্ল'জ আপ'ত জুবিন

নাম ঃ জুবিন গাৰ্গ ওৰফে জুবিন বৰঠাকুৰ। ঘৰুৱা নাম গ'ল্ডী।

জন্ম ঃ ১৮ নৱেম্বৰ, ১৯৭২ চন, পুৱা।

স্থান ঃ গাৰো পাহাৰৰ তুৰা।

হ'বি ঃ গান শুনা, চিনেমা চোৱা, আহাৰৰ জুতি লোৱা ইত্যাদি।

ধনাত্মক দিশ ঃ কনফিডেন্স।

ঋণাত্মক দিশ ঃ অসংখ্য।

টাৰ্ণিং পইণ্ট ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ।

প্ৰিয় ঠাই ঃ টাৱাং।

প্ৰিয় ৰং ঃ ক'লা।

প্ৰিয় খাদ্য ঃ অসমীয়া খাদ্য।

প্ৰিয় ব্যক্তি ঃ চাৰ্লি চেপলিন।

প্ৰিয় নাৰী ঃ মোৰ 'মা' ইলি বৰঠাকুৰ।

প্ৰিয় গ্ৰন্থ ঃ 'ইয়াৰলিং'— চাৰ্লি চেপলিনৰ আত্মজীৱনী।

প্ৰিয় গায়ক ঃ কিশোৰ কুমাৰ।

প্ৰিয় গায়িকা ঃ আশা ভোছলে।

প্ৰিয় ব্যক্তিত্ব ঃ বিষ্ণু ৰাভা।

প্ৰিয় অভিনেতা ঃ মাৰ্লো ব্ৰাণ্ডো।

প্ৰিয় অভিনেত্ৰী ঃ মিনা কুমাৰী।

প্ৰিয় ছবি ঃ টিটি জেনকেন, চাইকেল্ল টিফ্।

প্ৰিয় সপোন ঃ অন্তহীন।

ৰ'ল মডেল ঃ নেপোলিয়ন বোনাপাৰ্ট।

প্ৰিয় গান ঃ বন্ধুতো।

শ্ৰেষ্ঠ সৃষ্টি (গান) ঃ এতিয়াও বাকী।

তুমি ভৱাৰ দৰে ইউকেলিপ্টাছৰ দৰে ওখ হ'ব পাৰিছানে ঃ অলপ অলপ হৈছো।

# জুবিনে লাভ কৰা বঁটাসমূহ

- গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত পশ্চিমীয়া সংগীতত গ'ল্ড মেডেল।
- 'য়া আলি' শীৰ্ষক গীতৰ বাবে মালয়েছিয়াত লাভ কৰে 'গ্লবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ডছ (জিফা)' ২০০৬ চন।
- কলকাতা ছবি জগতে (টলীউড) একেৰাহে দুবাৰ জুবিনলৈ আগবঢ়াইছিল 'কলাকাৰ' বঁটা, ২০০৫-০৬ চন।
- 'শুধু তুমি' নামৰ বাংলা ছবিখনৰ পৰিচালনাৰ বাবে জুবিনে লাভ কৰে 'বেংগল ফিল্ম জাৰ্ণেলিষ্ট এৱাৰ্ড' ২০০৫ চনত।
- বলীউডৰ বিখ্যাত ষ্টাৰডাষ্ট এৱাৰ্ড, ২০০৬ চন।
- অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাৰ 'শ্ৰেষ্ঠ কণ্ঠশিল্পী বঁটা' লাভ কৰে ২০০৫ চনত।
- প্ৰাগ চেনেল এৱাৰ্ড।
- মুনলাইট মিডিয়া বঁটা ইত্যাদি।

# জীৱন-পঞ্জী

জন্ম ঃ ১৮ নৱেম্বৰ, ১৯৭২ চন।

জন্ম স্থান ঃ তুৰা চিভিল হস্পিতাল, গাৰো পাহাৰ।

পিতৃ ঃ মোহিনী মোহন বৰঠাকুৰ ওৰফে কপিল ঠাকুৰ।

মাতৃ ঃ ইলি বৰঠাকুৰ।

শিক্ষা ঃ প্ৰাথমিক শিক্ষা যোৰহাট কাৰ্মেল ইংৰাজী মিডিয়াম স্কুল। স্কুলীয়া শিক্ষা কৰিমগঞ্জ হাইস্কুল, বিজনী বান্ধৱ হাইস্কুল। ১৯৮৮-৮৯ বৰ্ষত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ, তামুলপুৰ হাইস্কুল, নলবাৰী।

কলেজ ঃ জে বি কলেজ, যোৰহাট আৰু বি বৰুৱা কলেজ, গুৱাহাটী।

১৯৮৯ চনত যোৰহাট বঙালপুখুৰীত নিগাজীকৈ থাকিবলৈ লয়।

১৯৯২ চনত প্ৰথম অডিঅ' এলবাম 'অনামিকা' মুক্তি।

২০০০ চনত ৪ ফেব্ৰুৱাৰীত বিবাহ, কইনা ঃ গৰিমা শইকীয়া গাৰ্গ।

অভিনয় কৰা ছবি ঃ 'তুমি মোৰ মাথোঁ মোৰ', 'দীনবন্ধু', 'মন যায়'। হিন্দী ছবি ঃ 'ফিজা', 'কাঁটে', 'ব্ৰীডচ বাৰ্ণ্টেট', 'মুদ্ৰা', 'ডেঞ্জ মষ্টি IV', 'আই চি ইউ', 'বচ্ এক প'ল', 'নেহলে পে নেহলা', 'প্যাৰ কি চাইড এফেক্ট', 'গেংষ্টাৰ', 'ষ্ট্ৰিংছ', 'বিগ ব্ৰাদাৰ', 'ক্যা লাভ ষ্টোৰী হ্যে', 'ৰাছিয়া চ্যাজান', 'য়হী কভী মিলা কৰো', 'গুড বয় বেড্ বয়', 'দ্যা টেইন্ট', 'ৰেকিব', 'বম্বে টু গোৱা', 'কেইছে কহ', 'ভিকটৰিয়া নং 203', 'মনোৰমা 6 ফিট আন্দাৰ', 'হেল্প' ইত্যাদি।

ভিডিঅ' এলবাম ঃ 'পাকিজা', 'মুক্তি', 'মোৰ প্ৰিয় গীত', 'কমাল' আদি।

পৰিচালনা ঃ অসমীয়া ছবি - 'তুমি মোৰ মাথোঁ মোৰ'। আৱাহন থিয়েটাৰৰ (২০০৬-০৭) বৰ্ষৰ নাট 'নাচ ময়ূৰী নাচ'ৰ পৰিচালনা।

কণ্ঠদান কৰা কেছেট চিডিৰ সংখ্যা ঃ প্ৰায় ১৫ শ।

কণ্ঠদান কৰা গীত ঃ প্ৰায় ১০ হাজাৰ।

**বিদেশত শ্ব'**

২০০২ চনৰ অক্টোবৰ মাহত ডুবাইত বলীউড শ্ব'।

২০০৪ চনৰ জুলাইত আমেৰিকা অষ্টিনত।

২০০৭ চনৰ জুলাইত আমেৰিকা পেন্সিলভেনিয়া।

২০০৮ চনৰ ফেব্ৰুৱাৰী নিউৱৰ্ক শ্ব'।

২০০৮ চনৰ ফেব্ৰুৱাৰীত ৱেষ্টইণ্ডিজ ত্ৰিনিদাদৰ ভেলেণ্টাইন ডে শ্ব'।

২০০৬ চনৰ ডিচেম্বৰত মালয়েছিয়া জি আই এফ এ এৱাৰ্ডৰ অনুষ্ঠানত।

২০০৭ চনৰ মাৰ্চত মালয়েছিয়াত।

২০০৪ চনৰ এপ্ৰিলত ডুবাইত।

২০০৭ চনৰ এপ্ৰিলত ডুবাইত।

২০০৭ চনৰ এপ্ৰিলত ওমানত বিহু শ্ব'।

প্ৰকাশিত পুথি ঃ শব্দ অনুভূতি (কাব্য সংকলন) প্ৰকাশক ঃ আই ক্ৰিয়েশ্যন সংকলনৰ সামগ্ৰিক পৰিকল্পনা অমৃতকৃষ্ণ বড়া।

২০০৯ চনৰ ফেব্ৰুৱাৰীত ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকাত।

**জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা অসমীয়া ছবিকেইখন (২০০৮ চনলৈকে)**

| ক্ৰম নং | ছবি | পৰিচালক |
|---|---|---|
| ১ | হিয়া দিয়া নিয়া | মুনিন বৰুৱা |
| ২ | তুমি মোৰ মাথোঁ মোৰ | জুবিন গাৰ্গ |
| ৩ | দাগ | মুনিন বৰুৱা |
| ৪ | নায়ক | মুনিন বৰুৱা |
| ৫ | প্ৰেম আৰু প্ৰেম' | শম্ভু গুপ্ত |
| ৬ | কন্যাদান | মুনিন বৰুৱা |

| | | |
|---|---|---|
| ৭ | জীৱন নদীৰ দুটি পাৰ | মুন্না আহমেদ |
| ৮ | জোনাকী মন | জীৱৰাজ বৰ্মন |
| ৯ | বিধাতা | মুনিন বৰুৱা |
| ১০ | প্ৰিয়া মিলন | মুন্না আহমেদ |
| ১১ | অগ্নিসাক্ষী | যদুমণি দত্ত |
| ১২ | জুমন সুমন | মহিবুল হক |
| ১৩ | বাৰুদ | মুনিন বৰুৱা |
| ১৪ | অধিনায়ক | যতীন বৰা |
| ১৫ | আমি অসমীয়া | ৰাজীৱ ভট্টাচাৰ্য |
| ১৬ | দীনবন্ধু | মুনিন বৰুৱা |
| ১৭ | ৰং | মুনিন বৰুৱা |
| ১৮ | মন যায় | এম মণিৰাম |

**অৱশিষ্ট** ঃ বাহ্যিকভাৱে ডিজাইনাৰ গগলছ্ বা আন যি চছমাই নিপিন্ধক লাগিলে জুবিন গাৰ্গে কিন্তু ৫.৫ পাৱাৰৰ কণ্টেক লেন্সযোৰ চকুত থাকিলেহে দেখা পায়। ধেমালিৰ সময়ত ঘৰৰ মানুহে সূতিতে জুবিনক নিৰস্ত্র কৰাৰ বাবে এই লেন্স লুকুৱাই থৈ দিয়াৰ অস্ত্রপাত ব্যৱহাৰ কৰে। সৰুকালৰ দুষ্ট লʼৰা জুবিনৰ কিন্তু একাডেমিক কেৰিয়াৰো খুবেই ভাল। হাইস্কুল শিক্ষান্ত /উচ্চতৰ মাধ্যমিক (বিজ্ঞান) দুয়োটা পৰীক্ষাতে ... শতাংশৰ ওপৰত নম্বৰ লৈ উত্তীৰ্ণ হৈ চমক দিছিল শিক্ষকসকলক। সৰুতেই ইঞ্জিনিয়াৰ গঢ়ৰ দৰে ওখ হʼব খোজে। ... সঁচাই আজি বহু ওখ হʼল। নিজস্ব প্ৰতিভাৰ বলেৰে বলিয়ান জুবিনৰ এই সুদীৰ্ঘ যাত্ৰা সফল হওক। তেওঁৰ সফলতাই উচ্চৰ পৰা উচ্চ শিখৰ স্পৰ্শ কৰক। আজিৰ সময়তে এয়াই হʼব আমাৰ আন্তৰিক কামনা। অসমীয়া কৃষ্টিক লুইতৰ পাৰ ভাঙি সিন্ধু-গংগাৰ পৰা টেমচ নদীলৈকে বোৱাই লৈ যাওক জুবিনে।...

জুবিন

গাৰ্গৰ

এমুঠি

জনপ্ৰিয়

গান

# গানে কি আনে ...

কথা ঃ হীৰেন ভট্টাচাৰ্য /সুৰ জুবিন,

"অনামিকা'

গানে কি আনে সুৰৰ সোপানে সোপানে
গানে কি আনে ভাবৰৰ কাণে কাণে
ৰামধেনুৰ শিতানে শিতানে।।

সৌ আকাশৰ ঢৌ তোলা
জোনাকৰ গানে
সৌ পথাৰৰ থোৰ মেলা
কুমলীয়া ধানে
জানো জানো?
গানে কি আনে কি সানে
সুৰৰ সোপানে সোপানে।
গানে শাওণৰ আকাশৰ দৰে কান্দে
গানে ৰূপহী বিজুলী চমকেৰে হাঁহে।

গানে কি আনে কি সানে
সুৰৰ সোপানে সোপানে
ৰামধেনু শিতানে শিতানে।। ★★★

# হাঁহিলে তুমি ...

কথা/সুৰ ঃ জুবিন,
'অনামিকা'

হাঁহিলে তুমি মুকুতামণি সৰে
দুচকু ভৰিলেও মন নভৰে
বেদনাৰ জ্বলা জুই কেতিয়া নুমাবা
মৰমৰ সুবাসেৰে অনামিকা
কলিজা ৰঙা কৰি উজলি আছা।

বহুদিনৰ পৰা নিশা জাগি
সাঁচিছোঁ যে তোমালে' মন মাধুৰী
উঠলি উঠা মৰমে গোপনে হিয়া আবৰে
বেদনাৰ আকাশ ভাঙি
মন কিয় যে নভৰে
কোৱানা অনামিকা
কলিজা ৰঙা কৰি উজ্বলি আছা।

সোণসৰা সপোনৰ পাৰ ভাঙি
অসীমলে' আহিলা তুমি আজি
কতযে দুখৰ ধুমুহা
পাৰ হৈ আহি আহি
সেউজীয়া এটি ছবি
মনৰে মাজতে আঁকি
ৰৈ আছোঁ অনামিকা।
কলিজা ৰঙা কৰি
উজ্বলি আছা।।
হাঁহিলে...।। ****

# প্ৰীতিৰ সুবাসে

কথা ঃ ৰেণু শৰ্মা /সুৰ ঃ জুবিন,
'অনামিকা'

প্ৰীতিৰ সুবাসে ধুৱাই দিলেহি
মোৰেই উদাসী মন
পাহৰা গীতৰ সুৰ আহি
জগালেহি যৌৱন কিয় বাৰু।

দুচকু তুলি চৌপাশে চালোঁ
ফুলিছে ৰজনীগন্ধা
আকাশত দেখোঁ শাৰদী জোনাক
নামিছে অলকানন্দা ।
পাহৰা গীতৰ সুৰে আহি
জগালেহি যৌৱন কিয় বাৰু

শত ৰজনীৰ এন্ধাৰ আঁতৰি গ'ল
নামিছে অলকানন্দা
পাহৰা গীতৰ সুৰে আহি
জগালেহি যৌৱন কিয় বাৰু
সুন্দৰৰে ৰঙীন ফাকুৰে
মন ৰাঙলী হ'ল
আকাশত...।।

# পথে পথে জোনাকে...

**কথা ঃ সবিতা শৰ্মা /সুৰ ঃ জুবিন, 'অনামিকা'**

পথে পথে জোনাকে
পোহৰালা তুমিয়ে
তৰা দৰে নিৰলে
আছোঁ বৈ তোমালে'
তুমি আজি দূৰত
আছা কিয় তুমি আজি দূৰত।।

নিশাৰ পলে পলে মোৰ
প্ৰীতিৰ হিয়া ফুলে
তোমাৰ সুবাসেৰে মোৰ
এপন্দপানো কৰে
আকাশে দিবহি মোৰ মৰমক
মৌ মিঠা হাঁহিটি জীৱনত।
দূৰণিৰে পোহৰ দুকাষে
পথে পথে...

মনৰ আকাশত তুমি
জোনৰ দৰে উজ্বলি
আন্ধাৰ আঁউসী মাজত
আকাশ জোনাকী হাঁহি
পলাশো ৰাঙলী মোৰ স'তে
বৰষা নামিলে দেহে মনে
উলাহেৰে পখী ৰিঙিয়ালে
পথে পথে...।

# শুনা শুনা ...

কথা /সুৰ ঃ জুবিন,
'অনামিকা'

শুনা শুনা কণে কাণে আজি সেই কথা
কোৱা কোৱা মনে মনে আজি সেই কথা
বহুদিনৰে সাবটি থকা
নোপোৱা বহু বেথা
এন্ধাৰ ৰাতিৰ জোনাকী তুমি
মোৰ জীৱনৰ ছবি
মনৰ হেঁপাহো তুমি বহু ৰহণ আঁকি
নীৰৱে মোৰ কাষত আছা।

বুজিও নুবুজা কিয় নয়নৰ প্ৰকাশ
জানিও নাজানা কিয় মনৰ অভিলাষ
অভিমানী, কিয় তুমি বুকু জ্বলোৱা
আকাশে মোৰ পোহৰাব তোমাৰ পৃথিৱীক।।
শুনা শুনা।

আছিলা যেতিয়া দূৰত মেঘৰ সিপাৰত
জানিলা গোপনে আহি এজাক সপোনত
জীৱনে মোৰ নজনাকে চেনেহ বুলালে
দূৰৰ আকাশ উজ্জলালে তোমাৰ মৰমে
শুনা...। ★★★

# আশা মোৰ আশা

কথা/সুৰ ঃ জুবিন,
'অনামিকা'

আশা মোৰ আশা
এখনি সৰব নৈ
সেই আশা মোৰ আশা
আহিছে ৰাঙলী হৈ
মোৰ গানৰ বুহ যুগৰ
সুখ-দুখৰ চিনাকি লৈ।।
মোৰ গানত আছে
অনামিকা মায়া
সপোনৰ সুৰৰ নুবুজা আশা

মোৰ গানে আনে বহুতো প্ৰকাশ
পোৱা নোপোৱাৰ মনৰ জোনাক
জোনাকী মন এটি হৈ
আহিছিলোঁ মৰমৰে বোজা লৈ
আশা মোৰ আশা...

মোৰ গানত আছে বৰষাৰ অনল
সেমেকা শীতৰ ৰ'দালি কোমল
মোৰ গানে দিব
নতুন ভাষা
নতুনৰ জোনাক নতুন নিশা
ক্লান্ত বুকুজুৰি ব'ব
সৃষ্টিৰ এই অমল বতাহ।।
আশা মোৰ আশা।।

# হিয়া দহে...

কথা ঃ সবিতা শৰ্মা /সুৰ ঃ জুবিন 'অনামিক

হিয়া দহে বুকু ভাগে
আজি দেখোন নিমিষতে
কাৰ বাবে মই
ফুৰিছোঁ আকাশত
কিহৰ আশাৰে
মায়াবী সপোন হৈ
ৰূপালী মন আলসুৱা
নেদেখে আন্ধাৰতো
হিয়া...।

কোনোবা জোনৰ পোহৰে মাতিলে
মন গহনত ৰঙা ৰং সিঁচিলে
সুৰে সুৰে
গানে গানে
প্ৰেমৰ জোনাকী মাথোঁ।
হিয়া দহে...। ★★★

# মনৰ নিজানত

কথা /সুৰ ঃ জুবিন,
'অনামিকা'

মনৰ নিজানত জোনাক আছিলে
তোমাৰ মৰমৰ সুবাস সানিলৈ
হঠাতে শুকালে পোহৰৰ ফুলনি
নীলিমাৰ মাজতো নাথাকা যে তুমি
নাহিবা বেদনা হৈ বুকুভৰা।

হৃদয়ে আবেগক নোৱাৰে সহিব
চকুলো বাগৰে নীৰৱে
কিমান সাবটিম নোপোৱাৰ সপোন
বুকুৰ উমেৰে সজোৱা
দুখৰ তৰা হৈ নাচাবা চকু মেলি
ওৰে নিশা।।
জীৱন সুৰভি তোমাৰ মাজতে
আছিলে অকলে নীৰৱে
সঁচা প্ৰেমৰো উশাহ আছিলে
অকলশৰীয়া বুকুতে।।

মৰুভূমিৰ মায়া হৈ
নাহিবা বুকুলৈ মোৰ মিছাকৈয়ে
মনৰ নিজানত...।

# মায়া মায়া মাথোঁ মায়া

**কথা ঃ কপিল ঠাকুৰ /সুৰ ঃ জুবিন 'মায়া'**

মায়া মায়া মাথোঁ মায়া,
তুমি জানো সঁচানে
মৰমৰে মায়া।
মায়া ভৰা দুচকুলৈ
হিয়া জুৰি আছেহি বৈ
দূৰণিৰে জোনাকী হে
ৰ'লা কিয়
মায়া মায়া ...
সাগৰৰ দৰে গভীৰ
তুমি অনা মৰমকে লৈ
আছোঁ জীয়াই
দেহে মনে আছা যদি
বাৰে বাৰে গুচি যোৱা মোক
কিয় কন্দুৱাই
নানিবা সেমেকা ৰাতি
নেলাগে মোক সোঁৱৰণী
মায়া মায়া ...
মায়াবিনী সেই ৰাতি আহিছিলো
কাষলে' তোমাৰ দুখ হ'বলে'
হাঁহি হাঁহি সাবটিলো
অশ্ৰুভৰা অনুভূতিবোৰ মনত গোপনে
মৰমৰ মায়াবী তৃষা
দিবহি মাথোঁ বেদনা
মায়া মায়া...।

# জোনাক গলা জাৰৰ নিশা

কথা ঃ কপিল ঠাকুৰ
সুৰ ঃ জুবিন
'মায়া'

জোনাক গলা জাৰৰ নিশা
মুৰ থৈ শৌতা শেতেলিত
গণি গণি আঙুলিৰ মূৰত
আছে কিমান চকুৰ পানী
সুখৰ চিকুণ মণি
মই ভাগৰা নাই
জীৱন হেৰুৱা নাই...
গলি গলি প্ৰতিদিনে
পলে পলে জীৱন গ'লে
ক'তনো বিচাৰিবি কৰুণাৰ হাত
বিচাৰি ফুৰিম প্ৰতিদিন, প্ৰতিদিন
মই ভাগৰা নাই..

মৰম-চেনেহ তেনেই তাকৰ
নীলিম তোমাৰ চকুৰ বাখৰ
পোহৰাবানে আহি
খিৰিকী মুখৰ সাঁজৰ তৰাটি হৈ,
তৰাটি হৈ,
মই ভাগৰা নাই, জীৱন হেৰুওৱা নাই...।

# নিৰিবিলি গধূলি

কথা ঃ হীৰেন ভট্টাচাৰ্য
সুৰ ঃ জুবিন
'মায়া'

নিৰিবিলি গধূলি
তুমি আহি ৰ'লাহি
মনে মনে কথাটি
তুমি আহি ক'লাহি
হিয়া কিয় হয়
তোমাৰ উতলা?
নুবুজাকে মৰমে
তোমাৰ হিয়াতে
পালে জানা বিচাৰি
সপোন মাধুৰি
হিয়া কৰিলা কিয় ডতলা
হিয়া কৰিলা ি্য় উতলা

গছে-বনে বাজে আজি
মিলনৰ সুৰ সুৰদি
মধুৰাতি আছে বাকী তাৰ স'তে তৰালি
সেই ৰাতি আছে বাকী
আৰু আছে জোনালী
নিৰিবিলি গধূলি...

নিশা নামে উৰি আহে
কামনাৰে প্ৰজাপতি
নিশা নামে উৰি আহে
কামনাৰে প্ৰজাপতি
মচি দিয়া মৰমেৰে
বেদনাৰে ছবিটি
সিঁচি দিয়া মৰমেৰে
নতুনৰে শেৰালি
নিৰিবিলি গধূলি...।

# আজিও যে নুবুজো

কথা ঃ হীৰেন ভট্টাচাৰ্য
সুৰ ঃ জুবিন
'মায়া'

আজিও যে নুবুজো একোকে
কাৰ বাবে আছোঁ যে বৈ
জানিছিলো তুমি মোৰ নোহোৱা
তথাপিতো মই ৰওঁ
দূৰে দূৰে থাকিবা কিমান আৰু
জ্বলাই একুৰা জুই হৃদয়ত
নুবুজা কিয় বুজাব নোৱাৰা
কথাবোৰ প্ৰাণৰ ভাষাৰে ক'ব খোজো
দূৰে...
তোমাক নীলা
দুচকুতে দেখা নিতে মই
আশাৰ ৰঙৰ ৰঙীন পোহৰ
জোনৰ দৰে জ্বলি ৰ'ম
তোমাৰ মন আকাশত
জোনাকৰ অমিয়া সুৰ বিলাই জীৱন পথত কাহানিবা যদি হাৰো
দিবা প্ৰেৰণা মোক যুঁজিবলৈ
এন্ধাৰ পথত
জ্বলি ৰ'বা তুমি
চাকি হৈ
তেজৰ প্ৰভাতক আনিবলৈ
দূৰে...
প্ৰেমৰ হেনো নাথাকে

কোনো কালে সীমনা
তথাপি আমি যেন
মেঘৰ আঁৰত
মোৰ উশাহত
বজি উঠে মাথোঁ বেদনা
সুদূৰত আছে বৈ
নীৰৱ তৃষা
একেদৰে থাকে যদি
এই জীৱন
থাকিম তোমাৰেই মাজতে
এন্ধাৰে পথত জ্বলি ৰ'ম
মই জুই হৈ
তোমাৰ মৰমৰ প্ৰেৰণাৰে
দূৰে...। ***

# উন্মনা

কথা : হীৰেন ভট্টাচাৰ্য
সুৰ : জুবিন
'মায়া'

উন্মনা মনে মাথোঁ
বিচাৰি ফুৰে
দিশে দিশে আজি তোমাকে
ধুমুহাৰ মাজতো
অ'.. মন ভগ্না
ৰাতিবোৰ সাৰটি থাকি
কতদিন তুমি থাকিবা
দুখৰে জুই জ্বলি
গোপনে নীৰৱে অকলে
এতিয়া এন্ধাৰ নিশায়ে
আগছে মোৰ জীৱনক
এতিয়া মনত নিশাৰ
আঁউসীৰ ভৰা প্লাৱন
নোৱাৰো আঁকিব সপোনৰ ছবি
নোৱাৰো আঁকিব গানৰ ছবি
এতিয়া মাথোঁ তুমিয়েই জীৱন
উন্মনা...
সময়ে দুবাহু মেলি
দিয়েহি গোপনে বেথা
জীৱনে শুনালে বহু
পোৱা নোপোৱাৰ কথা
ভাগৰুৱা কলিজা

ভাগৰুৱা দেহা
ভাগৰুৱা মন মোৰ
ভাগৰুৱা আশা
এতিয়া মাথোঁ তুমিয়েই জীৱন
উন্মনা...। ***

# উজাগৰী বুকুতে

কথা ঃ হীৰেন ভট্টাচাৰ্য
সুৰ ঃ জুবিন
'মায়া'

উজাগৰী বুকুতে
নিশা মোৰ কিয় সাৰে ৰয়
নাজানানে ৰাতিয়ে
নীৰৱে মোৰ কথা কয়
সুৰে সুৰে গানৰ
আলোড়ন উলাহৰ
জানানে নাজানা
জানো জানো জানো
হে হে হে
উজাগৰী...
জ্বলালা আজি হিয়াতে
বহু যুগতে হেঁপাহে
আছে বাটে চাই আমালে'
সোণালী চকু মেলি
উজলিলা চকু মেলি
উজলিলা জীৱনৰ ফাগুনৰ
এমুঠি ফুল হৈ
আকলুৱা প্ৰাণতে
বাজি ৰ'ল এখানি সুৰ হৈ...। ★★★

কথা ঃ হীৰেন ভট্টাচাৰ্য
সুৰ ঃ জুবিন
'মায়া'

ফুলেৰে সজালোঁ
গানেৰে মাতিলো
চকুলোৰে ধুৱালো
জোনাকী তোমাকে
আজি ৰাতি আন্ধাৰে
আজি ৰাতি পোহৰে
ফুলেৰে গানেৰে অকলে
ফুলেৰে সজালোঁ...

গান আছে মোৰ সুৰত
হেৰোৱা সিপাৰে
সুৰ আছে মোৰ গানত
লুকুৱা ইপাৰে
কোন সুৰদি যমুনা
ঢৌ তুলি বয়
আজি ৰাতি আন্ধাৰে
আজি ৰাতি পোহৰে
ফুলেৰে গানেৰে অকলে
ফুলেৰে সজালো
গানেৰে মাতিলে
ফুলেৰে সজালোঁ...। ***

# জোনাকে কাণে কাণে আহি ক'লে

**কথা ঃ কপিল ঠাকুৰ/সুৰ ঃ জুবিন**
**'মায়া'**

জোনাকে কাণে কাণে আহি ক'লে
জোনাকে কাণে কাণে আহি ক'লে
নিবিড় অবুজ ভাষাৰে
তুমি মোৰ মাথোঁ মোৰ
নীৰৱে জ্বলি থকা তৰাবোৰে
বাৰে বাৰে ক'ব খোজে
তুমি মোৰ মাথোঁ মোৰ ..

ফুলৰ পাহে পাহে, মেঘৰ আঁৰে আঁৰে
তুমি আছা প্ৰীতি হৈ
মোৰ বাবেই নীৰৱে
প্ৰীতি জুৰি আছা তুমি বিয়পি
বুকু জুৰি আছে মাথোঁ মোৰ দুখ নোপোৱাৰ
তুমি অহাৰে পৰত
ফুলে হিয়াৰ পাহি
মৰমৰে সাগৰত তুমি বিয়পি
বুকুজুৰি আছে মাথোঁ মোৰ দুখ
নোপোৱাৰ...। ***

# আমি যেন

কথা/সুৰ ঃ জুবিন
'আশা'

আমি যেন, দুটি মন পখী
উৰি ফুৰিছো পোহৰ বিচাৰি

ক'লা ডাবৰে আৱৰা দুখৰেই পৃথিবীত
বিচাৰিছোঁ আমি সোণালী ৰ'দ।
নেলাগে মৰমৰ মিছা প্ৰলোভন
নেলাগে সহানুভূতি
নেলাগে নাসাজোঁ মিছা বালিঘৰ
নেলাগে জিনিব সপোন।
আমি যেন..

মন হেৰালে, মৰমৰ বুকুতে
আজি দূৰ অতীতৰে দুটি মন বেদনাৰে
তেজেৰে জিনিম সপোন।

দুটি নয়নত, মন গহনত
এখনি আকাশ আছেহি জিলিকি
সেই আকাশ আছে ভৰি নতুনৰ পোহৰেৰে
আমাৰ বাবেই
তেজেৰে জিনিম সপোন ...।

# কিয় জানো

**কথা/সুৰ ঃ জুবিন**
**'আশা'**

কিয় জানো আজি ইমান
মৰমৰ মৌ পাহে পাহে
তুমি গোৱা গীতৰো সুৰতো
বাৰে বাৰে মোৰ মন জাগে
নোপোৱা মৰমত, তোমাকেই পাবলে'
আজি ৰাতি দিয়া বাকি বুকুৰে মৰম।

তোমাৰ বুকুৰ উমেৰে জ্বলাবা
মোৰ এই ৰাতি
নিয়ৰ সনা জোনাকত আবেগ ৰ'ব উমলি
দুচকুত আঁকি দিম কজলা ৰাতিৰ আন্ধাৰ
দুচকুত সানি দিম সপোন মিঠা চুমা
নাথাকিব একো সোমাজত
কিয়...
আকাশত ভৰা সপোনত, মাধুৰিমাৰ এই ৰাতি
জীৱন দেখোন হেৰালে, তোমাৰ মাজতে আজি
তুমি যেন এমুঠি কামনাৰে ফাকু
সকলো পাহৰি তোমাৰ কাষত আছোঁ।
জোনাকী হিয়াৰ স্মৃতি হৈ
কিয় জানো ...।

# অন্ধ আকাশ

কথা /সুৰ ঃ জুবিন,
'মুক্তি'

অন্ধ আকাশ ৰুদ্ধ বতাহ ত্ৰস্ত ৰাতি স্তব্ধ জোনাক
অন্ধ মনৰ বন্ধ কোঠাত হিংস্ৰ প্ৰেমৰ মুক্ত প্ৰকাশ
মুকুতি আজি দেখো দিশহাৰা হৈ ৰয়
দিশে দিশে চলে মাথোঁ মৃত্যুৰ ৰথ
মৃত্যু এতিয়া সহজ, মৃত্যু এতিয়া উচ্ছৃব
মৃত্যু যদি শিল্প হয় মৃত্যু কিদৰে সুলভ, মৃত্যু এতিয়া সহজ।
অন্ধ শাসন ভণ্ড শাসক, অৰ্থ লোভৰ নগ্ন যুঁজত
জীৱন মৰণৰ স্বপ্ন বাহক, মগ্ন বিভোৰ অন্ধ সুখত
ক্লান্ত জীৱন আজি, ক্লান্ত দিঠক আজি
দুচকু ভাহে মাথোঁ শান্তিৰ শুভ্ৰ ৰথ
মুকুতিৰ শুদ্ধ পথ।
মুক্ত হোৱাৰ সপান দেখি পশু হোৱাৰ কিমান বাকী
জীৱন দিয়াৰ ক্ষমতানো কাৰ
জীৱন লোৱাৰ ক্ষমতা অপাৰ
জন্ম লোৱাৰ অৰ্থ বিশাল
অৰ্থ নৰ'ল হ'ল মহাকাল
শিশুৰ মুখৰ হাঁহি কেতিয়াযে ঘূৰি আহি
আদৰিব নৱ প্ৰভাৱক, শান্তিৰ সূৰুযক,
মুকুতিৰ সূৰুযক।
মুক্ত আকাশ শুদ্ধ বতাহ, কবিতাৰ ৰাতিৰ স্নিগ্ধ জোনাক
শুদ্ধ মনৰ মুক্ত কোঠাত, মানৱপ্ৰেমৰ মূৰ্ত প্ৰকাশ
মুকুতি আজি আহি দুচকুত সাৰে ৰয়
বুকুৱে বুকুৱে বয় শান্তিৰ ধল, মুকুতি এতিয়া হাতত
মুকুতি এতিয়া প্ৰাণত, মুকুতি এতিয়া নিজৰ
মুকুতি এতিয়া হাতত।

# অবাক অবাক

কথা ঃ দ্বিজেন্দ্ৰমোহন শৰ্মা
সুৰ ঃ হীৰেন গোহাঁই
'মুক্তি'

অবাক অবাক সপোন সপোন
পোহৰ পোহৰ আজি মন।
কোমল কোমল ফাগুন ফাগুন
প্ৰভাত প্ৰভাত আজি মই।
নতুন নতুন ৰঙীন ৰঙীন
দাপোণ দাপোণ এই হৃদয়।

অবুজ অবুজ আশাৰ নাচোন
সজীৱ সজীৱ হিয়াৰ সপোন
আকৌ সাজোন আকৌ কাচোন
নিজৰ ভাঙোন হঠাৎ নতুন
নিজৰ ভাঙোন হঠাৎ নতুন
ঘূৰি চালেই কৰুণ কান্দোন।
অবাক...
নীলম নীলম চকুৰ নাচোন
অসীম অসীম তৰাৰ সপোন
একেই হাতৰ খেলা নিপুণ
একেই পথৰ পথিক তৰুণ
দুদিন পিছত একেই কান্দোন
অবাক...

# মেঘৰ বৰণ ৰ'দৰ বৰণ

কথা /সুৰ ঃ জুবিন,
'মুক্তি'

মেঘৰ বৰণ ৰ'দৰ বৰণ
জোনৰ বৰণ তুমি কোন দূৰ
গানৰ মাজত কথাৰ মাজত
প্ৰাণৰ কাষত তুমি কোন সুৰ।
সপোন সপোন নিবিড় নিবিড়
তোমাৰ মৰমৰ সুৰ।।
মেঘৰ বৰণ..

এতিয়া তুমি যেন মোৰ মোৰ
তথাপিতো তুমি দূৰ দূৰ
এন্ধাৰৰ গান বহু গালোঁ
বাট চাওঁতেই শিল হ'লোঁ।

সপোন আহে যায় দুখ নিগৰা মন
নিথৰ নিথৰ প্ৰতিক্ষণ।
মেঘৰ ...

মোৰ এই গান মোৰ উন্মেষ
মোৰ এই সুৰ তোমাতেই শেষ
তুমি হাঁহি তুমি অশ্ৰু
মোৰ সৃষ্টি মোৰ মৃত্যু
আঁতৰোৱা তুমি এই অৱগুণ্ঠন
কাতৰ আশাৰ গুঞ্জন।
মেঘৰ...

# ফুল ফুলক ৰ'দৰে ফুল

কথা : দ্বিজেন্দ্ৰমোহন শৰ্মা
সুৰ : হীৰেন গোহাঁই, 'মুক্তি'

ফুল ফুলক ৰ'দৰে ফুল
হৃদয় সেউজী ধৰাত
ফুল ফুলক সূৰ্যমুখী ফুল
প্ৰিয়তমা, তোমাৰ খোপাত

নাহৰ পাতত মেঘৰ ছাঁয়াই
নাচক আজি
মন আকাশত ডাৱৰবে ফুল
ফুলক আজি
প্ৰজাপতি মেলা সপোন পাখী
মুগ্ধ হিয়াত
ফুল ফুলক
সূৰ্যমুখী ফুল প্ৰিয়তমা
তোমাৰ খোপাত।

এৰি অহা বাট ঢাকি থ
এখিলা শুকান সৰা পাত
সমুখত প্ৰণয়ৰ তীৰ্থ পথ,
পখিলা পাখি মেলি থাক
বাঁহীৰ সুৰত নিশাৰ তৰাই নাচক আজি
দুটি নয়নত মধু জোন জ্বলক আজি
সূৰ্যমুখী মেলা সপোন পাহি
মোৰেই হিয়াত
ফুল ফুলক সূৰ্যমুখী ফুল
প্ৰিয়তমা তোমাৰ খোপাত। ...

# সোণেৰে সজোৱা পঁজা

কথা /সুৰ ঃ জুবিন,
'মুক্তি'

সোণেৰে সজোৱা পঁজা জহি খহি যায়
কোনে আজি সাজিবহি পাৰিব দুনাই।।
এধানি এধানিকৈ মেদিনী হেৰাই
সাতোৰঙী ৰামধেনু ডাবৰত লুকাই।
কোনেও নুবুজে তাকো নিজকে ধিয়াই।।
বুঢ়ী আইৰ জুহালতে চকুলো শুকাই
দেউতাৰো একে দশা পদূলিলে' চাই
বহুদিন হ'ল সৰু বোপাৰ মুখ দেখা নাই
চেনেহীৰ আকাশত আজি জোন তৰা নাই।
হালৰ গৰু গোহালিতে পথাৰো শুকাই।
ৰাতি হ'লে গুলীৰ শব্দ ৰজনজনাই।।
স্বাধীনতাৰ বুজ লওঁতেই এশ বছৰ গ'ল
বিষ্ণু-জ্যোতিৰ জোনাকী দেশ এতিয়াও নহ'ল।
মানৱৰ মাজতে আজি দানৱৰ হুংকাৰ
পঢ়া-শুনা সংস্কৃতি সকলো অসাৰ
এয়াই জানো সপোন আছিল কুৰি শতিকাৰ
সকলোতে মাথোঁ প্ৰশ্ন অনিয়ম অনাচাৰ।।
সোণেৰে ।

# উজ্জলাই ৰাখিছোঁ

কথা ঃ দ্বিজেন্দ্ৰমোহন শৰ্মা
সুৰ ঃ হীৰেন গোহাঁই
'মুক্তি'

উজ্জলাই ৰাখিছোঁ মই তোমালে
সোণালী দিনৰ বাবে নিৰলে
পোহৰে পোহৰে মন উৰা মাৰে
মৰমৰে কণা হৈ নিগৰে
ফাগুনৰ দৰে তুমি আহিলা
জোনাকী সুৰৰ গীতি ৰচিলা
হেঁকুওৱা সুবাসে সপোন উমলে
ডাৱৰে ডাৱৰে ৰ'দৰ কবিতা,
নীলা নীলা দুচকুত আবেলি
ফুলে ফুলে ভৰে আজি পদূলি
আলফুলে বুকুতে সপোন তোমাৰ
জোন তৰাৰে মন নভৰে
এতিয়া উশাহ মাথোঁ হেৰাই তোমাতে। ***

# প্ৰতিটো প্ৰহৰ

কথা /সুৰ ঃ জুবিন,
'মুক্তি'

প্ৰতিটো প্ৰহৰ প্ৰতিটো সময়
প্ৰতিটো পলে চিঞৰে আজি
প্ৰতিটো দুখৰ প্ৰতিটো শোকৰ
প্ৰতিটো ক্ষোভৰ মূল্য সুঁৱৰি
প্ৰতিটো প্ৰভাত প্ৰতিটো আঘাত
প্ৰতিটো বুকু ভেদী যায় আজি
প্ৰতিটো ভয়ৰ ভয়ৰ ছবি জিলিকি
প্ৰতিটো চকুৰ প্ৰতিটো লোটক
প্ৰতিটো দিনৰ ইতিহাস সাজি
প্ৰতিটো দিনৰ ইতিহাস সাজি
প্ৰতিটো ফাগুন প্ৰতিটো ব'হাগ
প্ৰতিটো আশাৰ সমাধি আজি।
প্ৰতিটো প্ৰহৰ প্ৰতিটো সময় প্ৰতিটো পলে...
প্ৰতিটো তেজৰ প্ৰতিটো টোপাল
প্ৰতিটো যুগৰ অৱশেষ আজি
প্ৰতিটো প্ৰাণত প্ৰতিটো খণ্ডৰ
প্ৰতিটো ঘৃণাৰ সীমাহীন ছবি
প্ৰতিটো খোজত প্ৰতিটো দিনৰ
প্ৰতিটো ৰাতিৰ ভাগৰ বিয়পি
প্ৰতিটো মনৰ প্ৰতিটো কোঠাত
প্ৰতিটো প্ৰেমৰ সেমেকা চাকি
প্ৰতিটো ভাঙোন প্ৰতিটো কান্দোন
প্ৰতিটো দিশক আজি যায় জোকাৰি।

# চকুৰে চকুৰে

কথা /সুৰ ঃ জুবিন,
'মুক্তি'

চকুৰে চকুৰে যি কথা ক'লা
হিয়া মন আজি উতলা
উজ্জলালা মন উজ্জলালা জীৱন।
উজ্জলালা দুনয়ন।
বুকুৰে বুকুৰে অবুজ
শিহৰণ মৰমেৰে সমীৰণ।।

জোনাকী জোনাকী তোমাৰ দুচকুত
মই সপোনৰে ৰূপালী ছাঁ
জীৱন-যৌৱন এটি এটি ক্ষণ
তুমি তাৰেই মধু স্পন্দন।

আকাশে আকাশে মৰমৰে বান
হিয়া উপচাই যাব আজি
প্ৰতিটো প্ৰভাতৰ তুমি ৰ'দালি
সেন্দুৰীয়া হ'ল মোৰ দুকাষে
চকুৰে ...। ★★★

# গুপুতে গুপুতে...

কথা/সুৰ ঃ জুবিন, 'পাখি'
(মাতৃৰ সোঁৱৰণত)

গুপুতে গুপুতে অকলে এৰি থৈ
ক'তেনো থাকাগে তুমি
হিয়াৰে কোণতে অশ্রু বাগৰে
এতিয়া নীৰৱ নৈ তুমি।
জ্বলি জ্বলি জীৱনত
পুৰি পুৰি সপোনক
এতিয়া এন্ধাৰকে ল'লা সাবটি
চকু মেলা সাৰ পোৱা মোলে' চোৱা
আকৌ এবাৰ কথা কোৱা মোৰ হোৱা।।
চেঁচা চেঁচা আঙুলি এয়াতো নহয় তুমি
গধূলি গোলাপ মোৰ শুই থকা জননী
নতুন ফাগুন মোৰ হেৰোৱা সপোন মোৰ
তোমাৰেই পাৰিজাত তোমাকে সামাৰি।
গুপুতে...
আজিও শিশু মই গোৱা তুমি সেই গান
এখুজি দুখুজি হাত ধৰি ধৰি
চকু মুদি তুমি চকু নেমেলিলা
নচালা মোলে' নিদিলা সঁহাৰি।।
গুপুতে...
চকু মেলা সাৰপোৱা মোলে' চোৱা
আকৌ এবাৰ কথা কোৱা মোৰ হোৱা
উঠা জাগা পোৱা কথা কোৱা

# আহে বা নাহে...

**কথা/সুৰ ঃ দিগন্ত কলিতা,**
**'পাখি'**

আহে বা নাহে ঘুমটি আহিবা ৰাতি
সপোনকে লৈ
থাকে বা নাথাকে শাওণৰে ধল
তুমি মৰমৰে নৈ
দুপাখি মেলি সমীৰে আহি
দিয়ে বা নিদিয়ে ফাগুনৰে খবৰ
তুমি ৰোবা যেন মোলে।

চোৰে বা নোচোৰে নিয়ৰে
শেৱালি পাহিটি শৰতে শৰতে
নাচে বা নানাচে জোনাকী হৈ
তুমি সোণ নাচিবা মোৰ হিয়াতে বৈ।।

জোৰে বা নোজোৰে বান্ধি ল'ম
কিনো মৰমৰে এনাজৰীকে পাওঁ
বহে বা নবহে ফুলতে গৈ
ৰঙিলী পখিলী তুমি ৰঙৰে ছৈ। ***

# দুগালতে যেন...

**কথা /সুৰ ঃ দিগন্ত কলিতা**
**'পাখি'**

দুগালতে যেন সপোন চেঁকুৰা
চকুত জিলিকি ৰয়
কিনো অমিয়া মৰমে
তোমাৰ হিয়া বিয়পি বয়
যৌৱন দেহ-মন মুখৰিত গানে
তোমাৰেই কথা কয় জানা মনে মনে
তুমি ফাগুনৰে নৈ থাকা বুকুজুৰি বৈ
আলসুৱা বুকুতে তুমি মাথোঁ মোৰ হৈ।।

সপোনৰ কোঁচতে শুৱালোঁ তোমাকে
সাধনাৰ চাকিগছি জ্বালিলোঁ হিয়াত
এই দেহ এই মন বৈ বৈ ৰ'লে পণ
জীৱন-মৰণ আজি সঁপিলো তোমাক
জানিলোঁ তোমাক
তিৰ্ বিৰ্ সপোনত দেখিলোঁ তোমাক।।

কামনাৰে নিজৰা নোৱোলোঁ-ধোৱালোঁ
সুগন্ধি ফাকুগুড়ি সানিলোঁ মনত
প্ৰতি পুৱা-গধূলি ৰামধেনু আবেলি
নিজকে হেৰুৱালো তোমাৰ মাতত
জীউ মোৰ সোণ মোৰ বুজিলোঁ তোমাক
জানিলোঁ তোমাক
মৰমী হিয়া মোৰ যাচিলোঁ তোমাক।।

# পাখি পাখি এই মন

কথা/সুৰ ঃ জুবিন,
'পাখি'

পাখি পাখি এই মন
পাখি লগা মোৰ মন
পাখি মেলি যা উৰি।
জাকি মাৰি গৈ নাম
এৰি অহা পদূলিত
বুটলি আন ল'ৰালি।
দেউতাৰ হাঁহিৰে আইৰ স'তে উমলি
ৰ'দে বৰষুণে ধেমালি।
আজলি সেই আবেলি।।

দোকমোকালি মোৰ পঢ়াশালি
ইংৰাজী অংক তপিনাত এছাৰি
খিৰিকী ফাকেৰে মুকুতিৰ আবেলি
ঘৰলৈ উভতি খেলা মৰা-মৰি।
দেউতাৰ ৰঙা চকু
একেকোবে মাৰ বুকু
পঢ়া টেবুলত ভাগৰৰ টোপনি
আইৰ নিচুকনি
মৰমৰ বুলনি।।

জোনমণি কণজুন তেতিয়া চকুত জোন
নিভাঁজ আবেগত টোপাটোপে সৰা সোণ

সাঁতুৰি-নাদুৰি এটি এটি ৰাতি দিন
খেলা লুকা -চুৰি নিজকে বিচাৰোঁ কোন
ৰঙা-নীলা চিলা
উৰি উৰি মনে খেলা
এতিয়া কবিতা গানৰে শলিতা
অকলে বুকুতে চকুলো বুটলি ।। ***

# পাখি মেলি দিয়ে...

**কথা ঃ দিগন্ত কলিতা /সুৰ ঃ জুবিন, 'পাখি'**

পাখি মেলি দিয়ে মোৰ গানে আজি
ছাঁয়া হৈ ৰৈ তাৰ আহে নামি
হালধীয়া ৰং কিনো বাখৰুৱা প্ৰাণ কিনো
বসন্ত নিবিড় নয়ন বুজাব খুজি
প্ৰশান্ত সাগৰ সমান মৰণ বিচাৰি।
পাখি...
ৰ'দালি সাঁতুৰি যোৱা গানৰ কোমল গা
ভাগৰি নাভাগৰা তাৰ ঘামে ধোৱা গা
মেঘ-ৰঞ্জনী চুমি যাব যেনিবা
ভৈৰৱ পুৱা আৰু ভূপালি সন্ধ্যা
নিষাদৰে ধাৰ কিনো
গান্ধাৰ পাৰ কিনো
আনন্দ প্ৰমাণ সাক্ষী শুনাব খুজি।
পাখি.
দুচকুৰ হিম মাথোঁ গানৰে প্ৰকাশ
তিৰ্‌বিৰ্ হাঁহিড়ৰা গানতে বিকাশ
অলেখ-অযুত ৰামধেনুৰ গানতে আবাস
সৰা পাতো কলিটিও গানৰে প্ৰৱাহ
তালে তালে ৰয় কিনো
সুৰে সুৰে বয় কিনো
ছন্দ প্ৰবাল মণি গুঁঠিব খুজি।
পাখি...।

# ভবা কথা নহয়...

**কথা/সুৰ ঃ জুবিন, 'শিশু'**

ভবা কথা নহয় সিদ্ধি
বাটত আছে কণা বিধি
খোজে খোজে খাবা গৈ উজুটি
ধন জন  মিছা মায়া
সপোনৰে মাথোঁ ছায়া
নাথাকিব একোকে শেষতে।
টকা আৰু মান
দিনে ৰাতি কাম
ভুল শুদ্ধ নভবাকৈ
খাব খোজে ধান
বন্ধ চকু কাণ
চিনি পোৱাই টান
মৰিবলে হ'লে চাগে
ল'ব হৰি নাম
সাবটিছা মিছা ছায়া
ধোঁৱা আৰু ধূলিহে শেষতে।
বিবেক আৰু  প্ৰাণ
তাতকৈ গুলীৰ দাম
মানুহকৈ কুকুৰে পায় মৰণ আৰু মান
চৰকাৰে গান
মিছা কথাৰ বান
গঢ়িবলে নতুন অসম
দিব পৰিত্ৰাণ
সাবটিছা মিছা মায়া....।

# দিয়া ঘূৰাই দিয়া...

কথা/সুৰ ঃ জুবিন,
'শিশু'

দিয়া ঘূৰাই দিয়া, পৃথিৱীৰ আমাৰ আমাৰ
আইতাৰে সাধু, তৰালি ভৰা চোতাল
আনা ঘূৰাই আনা, ধৰা নিভাঁজ হিয়াৰ
শেৱালি পাহিত দুভৰি থুনুক-থানাক
সেযাই লাগে আমাক
নালাগে ওলোটা পৃথিৱী
অ' আমি আমিয়েই চোন
পৃথিৱী ভঙা আৰু গঢ়াৰ সপোন নতুন।

ক, খ, গ, ঘ আৰু ঙ
পাটীগণিত আৰু কুঁহিপাঠ
পঢ়ালা পঢ়ি আছোঁ
শিকালা শিকি আছোঁ
এতিয়া কিয় দিয়া মৰণ আঘাত
বুৰঞ্জীৰে পাত লুটিয়ালে
আমাৰে মৰমে দিব সকিয়াই
যদিহে আমাৰ অস্তিত্ব নাই
তেনে বুৰঞ্জী কোনেও নেচায়।

Touch it, touch your freedom
Grab it, hold it & bring to your knees
O Oh with you, we all are with you
We make the world shine like the sun
We are the one ~ ~ ~

# কাঁহী বাটি ...

কথা/সুৰ ঃ জুবিন,
'শিশু'

কাঁহী বাটি ঘটি লোটা লৈ
থাকা হিচাপ কৰি দিন
আহিমে মই এদিন
মোৰে নাও ভটিয়াই
নৌকা ভৰাই আনিমে মাছ
আহিবগৈ আমাৰ সুদিন অ'।
ভৰ বাৰিষাৰে নদী দেখি
নাখাবা ভয় পদুমী
অ' মোৰ সোণ পদুমী

পুতেৰকে সাৰথি কৰি যদি
দিন নেযায়-নুপুৰাই
নদীৰ ফালে চালেই হ'ল এবাৰ
আহিমে মই ভটিয়াই নাও বাই।

পঢ়ি-শুনি ডাঙৰ হ'ব বোপা
কিনিব ঘৰ-বাৰী নতুন
নাও চলাই চলাই এই দুই হাত
জিৰণি ল'ব এদিন
নাইঁহে আৰু 'কোনেও আমাক
সৰু দুখীয়া বুলি
নেদেখে আৰু কোনেও আমাক
নৈ চপনীয়া বুলি অ' পদুমী।।

# মন হেৰুৱাই

কথা/সুৰ ঃ জুবিন,
'শিশু'

মন হেৰুৱাই মন বিচৰা
শেষ হ'ব ক'ত এই যাত্ৰাৰ
অশ্ৰুতো ধুমুহ হাঁহিতো ধুমুহা
মন...
কথাও ক'লোঁ বহু গানো গালোঁ
লিখিলোঁ বহুতো
খোজে খোজে প্ৰতি পলে পালোঁ একে
ক্লান্ত শূন্য আমঠু
অদৃশ্য হাতৰ পৰশ অভিনৱ
কঠিন শিলেৰে লিখা কপালত
অশ্ৰুতো ধুমুহা হাঁহিতো ধুমুহা
কৰুণাৰ শেষ বিচৰাতেই যায় দিন প্ৰতিদিন
স্নিগ্ধ জোনাকে মোৰ এন্ধাৰত হয় আজি বিলীন
নিঃস্ব হৃদয়ৰ ৰিক্ত অনুভৱ
ক্লান্ত দুবৰিৰ ধ্বংস নিমিষত
অশ্ৰুতো...। ★★★

# শান্তি দিয়া, মুক্তি দিয়া...

কথা/সুৰ ঃ জুবিন,
'শিশু'

শান্তি দিয়া, মুক্তি দিয়া
সোণৰ অসম ৰচিবলৈ
সেউজ দিয়া, শস্য দিয়া
চিৰকাল ফুলিবলৈ
গুলী বাৰুদ, ধোঁৱা উৰুৱাই
নিৰপৰাধ শিশু কন্দুৱাই।

ঘৰে ঘৰে মৰম নচুৱাই
কিনো পালা তুমি
কিনো দিলা তুমি
কিনো দিলা কোৱা

সঁচা হোৱাৰ পথ চিৰ নতুন
সঁচা হোৱৰ মন চিৰ তৰুণ
মৰমৰে পথাৰ বৰ বিশাল,
সজাগ হোৱাৰ পথ চিৰ নতুন
সজাগ হোৱাৰ মন চিৰ তৰুণ
চিন্তাৰ মাজেৰেই আহে জোৱাৰ .

কথা কোৱাৰ অধিকাৰ আমাৰ
নিজক চোৱাৰ অধিকাৰ আমাৰ
তেজৰ নৈ বোৱাই কিনো পাম
নতুন গঢ়াৰ অধিকাৰ আমাৰ
আনক চোৱাৰ অধিকাৰ আমাৰ
চকু থাকিও কণা কিয় হ'ম? ...

# আঁউসীৰ জোন মোৰ সমুখতে...

কথা/সুৰ ঃ জুবিন,
'শিশু'

আঁউসীৰ জোন মোৰ সমুখতে
সেমেকা চকুলো দুগালতে
নিজানৰ ৰাতি মোৰ কেতিয়াকে
পুৰাব, খেলিব ৰ'দে সতে
তুমি আহিবা এদিনা ৰং দিবা দুচকুত
মৰমেৰে দিবা উপচাই
আঁউসীৰ...
দিনে প্ৰতিদিনে মাথোঁ মনে প্ৰাণে
আঁকিলো ৰামধেনু হিয়া জুৰাই
দিনে প্ৰতিদিনে ...
তোমাৰ বাবেই জানা
বুকুৰে মোৰ জানা
বুকুৰে মোৰ জানা
নোশোৱে উজাগৰে ৰজনী কটাই
চকুৰে তোমাকে খিয়াই
আঁউসীৰ ..
গোপনে ফাগুনে মন উতলালে
তুমি অহাৰ আজি বাতৰি পাই
তুমি চুলেই জানা, তুমি চালেই জানা
মেঘালী সপোনে বাগৰ সলাই
হিয়া নৈ ঢৌৰে কোবাই
আঁউসীৰ ....।

# কাৰ পৰশ...

কথা /সুৰ ঃ জুবিন,
'শিশু'

কাৰ পৰশ, কাৰ উশাহ আৰু কাৰ সুবাস
কাৰ তিতা-মিঠা এশাৰী মাত
জীয়াই থাকিবলৈ লাগে আমাক
হুমুনিয়াহ চেঁচা চেঁচা এই দুখৰে কাহ
কামিহাড় ভাঙি যোৱা বতাহ
লাগে জানো আমাক
বুজি চাগে পোৱা তুমি
বুজি পাওঁচোন আমি।
ঠুনুকা এই জীৱনতে
এমুঠি হাঁহি পাবলৈ যে টান
থকা হাঁহিকণ নোহোৱা হ'লেই
সকলোখিনি হ'ব অৱসান
নিদ্ৰাৰ পৰা সাৰে পোৱা
উঠা জাগা আৰু জগোৱা
চকু মেলি চোৱা পৰভাত
হৃদয়ৰ পৰা দিয়া মাত
বুজি চাগে পোৱা তুমি ...
সপোনৰে ৰং দুচকুতে লৈ
কত যে শিশু আছে আশা লৈ
নতুন আহিব জোৱাৰ আনিব
শান্ত সুন্দৰ ফুলনি হৈ
নিদ্ৰাৰ পৰা সাৰ পোৱা...।

# মুগ্ধ হিয়া মোৰ

কথা /সুৰ ঃ জুবিন,
'শিশু'

মুগ্ধ হিয়া মোৰ কোনে চুই যায়
মুগ্ধ হিয়াত বৈ কোনে চুমি যায়
বুকুতে অগনি জ্বলাই
তেজ মঙহৰে মৰম নেওচি
জ্বলি জ্বলি ৰ'ল মাথোঁ ছাই

এটি এটি পল আজি সুঁৱৰি
হঁহা-কন্দা খেলা সুৰ ফাগুনী
আঙুলি মাজেৰে পৰে সৰি সৰি
সুখৰে মুকুতা হৈ যে ধূলি
বুকুতেযে জুই বিয়পাই
তেজ মঙহৰে...।

ৰিণি ৰিণি ৰিণি শুনো ৰিণি ৰিণি
কঁপি কঁপি শুনো সেই ধ্বনি
আকাশ বাউলী থমকি ধৰণী
চকুলোৰে কৰো দিন শুৱনি
বুকুতেযে জুই বিয়পাই।
তেজ মঙহৰে ...।

# ঔ ফুলীয়া...

কথা /সুৰ ঃ জুবিন,
'হিয়ামন'

ঔফুলীয়া গালতে জিলিকা তোৰ
সৰু সেই তিলটোৱে
ৰাতি মোকে শুব নিদিয়ে।
আলফুলীয়া দুহাতত টিক্‌টিকীয়া
জেতুকাৰ বোলবোৱে
ৰাতি মোক শুবলৈ নিদিয়ে।
কি কৰো কি কৰো ক'তে মৰো
শুকালোঁ-খীনালোঁ।।

কলডিলীয়াকৈ বান্ধিছিল খোপা
তাতোচোন ঘৰত দেখা পাই
হেৰুবালোঁ মই চত্‌ মনৰে তৰণীত
কাকনো খুলি-ভাঙি কওঁ
কি কৰো কি ক'তে মৰো
শুকালোঁ-খীনালোঁ।।

সৰুদৈয়া জাপি দুহাতে ঘূৰাই ঘূৰাই
নাচিলি নচুৱাই মোক
হেঁপাহে-হুতাহে ভাগৰি নপৰোঁ
পলুৱাই নিম নিমেই তোক।।
কি কৰো ক'তে মৰো
শুকালোঁ-খীনালোঁ।। ***

# অ' মোৰ ল'ৰাৰ মাক...

কথা /সুৰ ঃ দিগন্ত কলিতা
'হিয়ামন'

অ' মোৰ ল'ৰাৰ মাক
মাছলৈ যাওঁ নাখাওঁ শুদা ভাত
ৰহদৈ কৰ্দৈ পাৰি পাৰি থ তই
জুতিৰে খামে দিনৰ সাঁজ
মাছলৈ যাওঁ নাখাওঁ শুদা ভাত।

হাঁচতি পুৰাওঁ মই তামোল চালিৰে
পাণ চূণে যতনাই দে,
কঁকালৰ তিয়নি জাকৈ শিয়নি
কাথিৰে পৰা নমাই দে
শাকনি বাৰীৰে লাই পালেং শাক
বেগেতে তুলি তুলি ৰাখ
মাছলৈ যাওঁ নাখাওঁ শুদা ভাত।।

চুবুৰিৰ ৰংমন উভতি আহিলে
কঁকালৰ খালৈটি পুৰাই
খলিহনা পুঠি আৰু গৰৈ চেঙেলি
দেখি মোৰ দেহা জ্বলি যায়,
শাকনি বাৰীৰে লাই পালেং শাক
বেগেতে তুলি তুলি ৰাখ
মাছলৈ যাওঁ নাখাওঁ শুদা ভাত।। ***

# অ' নবৌ...

**কথা /সুৰ ঃ মানস ৰবীন**
**'হিয়ামন'**

অ' নবৌ অ'
মোলৈ এজনী ছোৱালী চালিনে নাই
কঁকাল খামুচীয়া
লিহিৰিপতীয়া
বগীকৈ ধুনীয়া চাই
অ' নবৌ মোলৈ বাক তই
এজনী ছোৱালী চালিনে নাই।
পঢ়িলোঁ-শুনিলোঁ চাকৰি নাপালোঁ
এতিয়া কি কৰোঁ ক
গাঁৱত পৰি আছে মাটি তিনিপুৰা
খেতিতে ধৰোঁ নি ক?
নাঙলৰ খুঁটিতে কিমান শকতি
আজি বুজি পালোঁ মই
খেতিত ধৰিলেও কঠীয়া ৰুবলৈ
ঘৰতনো কোন আছে ক।
লগৰে ল'ৰাবোৰ বাপেকী হৈ গ'ল
তই বুজিছনে নাই
গাঁৱৰে জীয়ৰী বোৱাৰী হৈ গ'ল
খবৰ ৰাখিছনে নাই
কণাই আনে কাণী কুঁজাই আনে কুঁজী
মোলৈ জানো কোনো নাই
গাঁৱৰে এজনী গোটাই তই নিদিলে
মৰিলেও কান্দোতা নাই।

# নিলিখোঁ নিলিখোঁ

কথা/সুৰ ঃ মৃণালকান্তি
'আকৌ হিয়ামন'

নিলিখোঁ নিলিখোঁ
নামটি ঐ কাগজত
ঠি ঠিকনা তোমাৰে
ৰাখিছো মই ভিতৰত
নাথাকে যদিহে হিয়াৰে চকুতে
লিখি কি লাভ হ'ব কোৱা
থাকিলে এনেও থাকিব
জিৰালে জিৰাব
ফুলিলে ফুলিব পাৰিবা
তুমি মোৰ মনৰে বনত।।
য'তেই বা নোৱোৱা য'তেই বা নাথাকা
দি যাব শৰতে তোমাৰে ঠিকনা
দিয়াবা নিদিয়া মনৰে বতৰা
তাতে কিনো আহে যায়
তথাপি হেঁপাহ সাঁতুৰি থাকিবা
উলাহে জিৰোৱা হিয়াৰে চকুত।।
দুচকু মুদিলেই মতলীয়া সপোনে
হিয়াৰে জপনা খুলি সোমাই আহে
আহিব হাঁহিব তোমাতো লাগিব
মিঠা ফাগুনৰে বা
লাগিব বাহিৰত
লাগিব ভিতৰত
যৌৱনৰ অমিয়া ইটোনো পৰত।

# চুপ্ থাক চুপ্ থাক...

কথা/সুৰ ঃ দিগন্ত কলিতা
'আকৌ হিয়ামন'

চুপ্ থাক চুপ্ থাক ছোৱালীৰ মাক
একো নক'বি মোক
কথা শুনিলে জ্বৰ উঠে
চপাই নিলো তোক যিদিনাৰে পৰা
লেঠা নেৰা-নেপেৰা
নুবুজ তই
তথাপি মৰো তোৰেহে মৰমতে।।
ইটো নাই সিটো নাই
বজাৰৰে তালিকা দীঘলীয়া
জোৰাব নোৱাৰো
গাঁঠিটো মোৰে ধনে নাই সাঁচতীয়া
ঘৰ গছকাৰ দিনা কথা দিছিলি কিয়
সুখে-দুখে হ'বিহি মোৰ লগৰীয়া।।
এচিকুট মৰমে লৈ হে'ৰা বুলি
মাতিব নিশিকিলি
দহোটি বছৰে বাহিৰে-ভিতৰে
কেটেৰা মাৰিলি।
ছোৱালীকালৰে কথা পিৰীতিৰে সেই বেথা
মোলৈ মৰো মৰো মন তোৰ
ক'তে এৰিলি।

# অলপ শান্তি দিয়া...

কথা/সুৰ ঃ জুবিন
'যন্ত্ৰ'

অলপ শান্তি দিয়া
অলপ মুক্তি দিয়া
অলপ জিৰণি দিয়া
সপোন চুব দিয়া

মৰণ যজ্ঞৰ ধোঁৱা
স্বাধীনতা বুলি কোৱা
কাৰ বাবে কোৱা
কোনে দেখিব কোনে বুজিব
কোন ৰ'ৰ্গে কোৱা
নিজক সুধি চোৱা
চকু মেলি চোৱা
মৰিশালিৰ বাট নিজে খুলি ল'লা
ঘৰখনি দিয়া
মা-দেউতা দিয়া
ভাই-ভনী দিয়া
দিয়া ঘূৰাই দিয়া

বানক ৰুধি দিয়া
পথাৰ ঘূৰাই দিয়া
ভঁৰাল পূৰাই দিয়া—
— দিব পাৰা যদি তুমি

চকুলো মচি দিয়া
হাঁহি ঘূৰাই দিয়া
বুকু ভৰাই দিয়া
যদি দিব পাৰা কোৱা
অশ্রু শীতল আহিব চকুত
বেদনাৰে জুই
কোনে নুমাব কোনে যুজাব
আছে সকলো শুই
চেঁচা গধূলি চেঁচা পদূলি
চোতালৰে জোন
কাৰ পৰাণত আছে শকতি
ঘূৰাই আনিব সোণ ...। ***

# ৰাতিপুৱা শুই উঠি

কথা/সুৰ ঃ জুবিন
'যন্ত্ৰ'

ৰাতিপুৱা শুই উঠি
যাবৰে যে হয় স্কুললৈ
গধুৰ গধুৰ পঢ়াৰ বোজা
কঢ়িয়াওঁতেই যায় দিন দূৰলৈ
স্কুলৰ শেষত টিউচন কৰি
ঘূৰি আহি একো নাপাওঁ বিচাৰি
হোম-ৱৰ্ক কৰি ভাগৰি
বিছনাৰ কোলাকেই লওঁ সামৰি

আমি যেন যন্ত্ৰ যন্ত্ৰ
একো একোটা যন্ত্ৰ

ৰাতিপুৱা শুই উঠি
চাহত শোহা মাৰি পেপাৰ পঢ়ি
একেই খবৰ একেই ছবি
একেই মৰা-মৰি ঠগা-ঠগি
ন বজাত গা ধুই উঠি
পেট পূজা কৰি কাপোৰ পিন্ধি
অফিচ কৰি দিনটো খাটি
আবেলি ঘূৰি আহো চুঁচৰি

আমি যেন যন্ত্ৰ যন্ত্ৰ
একো একোটা যন্ত্ৰ...

ৰাতিপুৱা শুই উঠি
বাগানত মৰ্নিং ৱাক হাতত ক'ফি
এ চি গাড়ীত বিজনেছ কৰি
দুটামান চহী মাৰি হওঁ চহকী
হয় গধূলি ক্লাবৰ সময়
হাতত হুইস্কি কাষত লোকৰ ঘৈণী
ৰঙা নীলা ৰঙৰ পোহৰ
ঢলং পলং হৈ ঘৰ উভতি

আমি যেন যন্ত্ৰ যন্ত্ৰ
একো একোটা যন্ত্ৰ
ৰাতিপুৱা শুই উঠি
হাত ধৰা ধৰি বুঢ়া-বুঢ়ী
মাত দিবলে' কাৰো সময় নাই
চাহ টুপিলৈ থাকো আশা পালি
বুঢ়া-বুঢ়ীৰ বুজা বুজি
জীৱনজোৰা মৰম থাকো সাৱতি
মায়া এৰি মোহ এৰি
এৰি অহা দিনৰ স্মৃতি সুঁৱৰি

আমি যেন যন্ত্ৰ যন্ত্ৰ
একো একোটা যন্ত্ৰ ...। ***

# মাইনা মাইনা

কথা/সুৰ ঃ জুবিন
'যন্ত্ৰ'

মাইনা মাইনা তুমি মোৰ মনেতৰা
মাইনা মাইনা তুমি মোৰ নাজিতৰা
মাইনা মাইনা গোলাপৰে পাহি ধুনীয়া
'মাইনা মাইনা পদুমৰে কলি ধুনীয়া

কওঁ নকওঁ কওঁ নকওঁ কথা বুকুৰে
চাওঁ নাচাওঁ চাওঁ নাচাওঁ তোমাৰ চকুলে'

ভয় লাগে কিজানি তুমি নোচোৱা মোলে'
আঁতৰাই ৰখা যদি দূৰতে
হিয়া যদিহে ভাঙো তোমাৰ কথাতে
জীয়াই থকাটো হ'বগৈ যাতনা
ৰাতি দিন দিন ৰাতি হৰিলা ঘূমটি
কিনো পাপ কৰিলো নেজানি নুবুজি
যদি ল'ব পাৰা লোৱাহি
মোৰ মৰম আঁকোৱালি
ল'ব দিয়া জিৰণি
দুবাহুত তোমাৰ ...। ✱✱✱

# এই মায়া ধৰাত

কথা/সুৰ ঃ জুবিন
'যন্ত্ৰ'

এই মায়া ধৰাত
দুদিন মাথোঁ থাকিবা তুমি
জীৱন গ'লেই গ'ল
নিবলে' একোকে নেপাবা তুমি

লোৱা লোৱা আৰু লোৱা
খোৱা খোৱা আৰু খোৱা একো নাই
মাৰা মাৰা  আৰু মাৰআ
চেপি চেপি তেজ খোৱা, শূন্য হায়
আমাৰো যি প্ৰাণ
তোমাৰো সেই প্ৰাণ
শিলেৰে খোদিত সময়
মৰম নামৰ নদী
তোমাৰো বাবে বয়
জোৱাৰত সকলো সমান
যিমানেই নেবান্ধা বান্ধোন
সিমানেই জুৰিৰ কান্দোন
নিজৰে শিৰতে কালপুৰু।

তোমাৰো যি সপোন
আমাৰো সপোন
সপোনেৰে চিলোৱা উদৰ
দুখন হাতৰ মুঠিত
একে সমান মাটি
সাজিবলে' একেই কবৰ।

ইফাল-সিফাল তল-ওপৰ
ওখ-চাপৰ চিএৰ-বাখৰ
অৰ্থ যে একো নাই, ই ধুৰুপ। ★★★

# I Love You বুলি

কথা/সুৰ ঃ জুবিন
'যন্ত্ৰ'

I Love You বুলি ক'লোঁ মই
তুমি চাগে নুবুজিলা
কঠিন শিলেৰে হৃদয়
তোমাৰ সঁচাকে জানা
I Need You বুলি ক'লোঁ মই
তুমি চাগে নুবুজিলা
বলিয়া যৌৱনৰ চাকি
নুমাল হঠাতে জানা

তিনি আলিতে লগ পোৱা
দুটি মিঠা কথা
কাজল কাজল কাজল
চকুত সপোন দেখা
চাইকেলত টিউচন যোৱা
পিছে পিছে মই যোৱা
বেঁকাকৈ তুমি চোৱা
তোমালৈ মই চোৱা
তুমি চাগে পাহৰিলা
বুকুতে যে নৰ'লা
তুমি চাগে নুবুজিলা
বুকুতে যে নথ'লা
বুকু আজি উদাস উদাস
উদাস উদাস নৈ

কলেজৰে কেন্টিনত
গজা চিংৰা খোৱা
সকলোৰে জোকোৱা
আছিল জানো মিছা
ৰাতি ৰাতি অকলে
তোমাৰ ফ'টো চোৱা
বুকুতে সপোন গুঁঠা
আজি দেখো মিছা। ****

# মন দোলে ফাগুনৰে বাত...

কথা/সুৰ ঃ প্ৰশান্ত বৰদলৈ
'যন্ত্ৰ'

মন দোলে ফাগুনৰে বাত
ফুল ফুলে অ' পলাশ শিমলু
কি ৰং ৰঙে উতলা নেজানো

অ' মই ৰূপহী নাজিতৰা
অ' মই চুপহি মনোহৰা
অ' পলাশ শিমলু
কি ৰং ৰঙে উতলা নেজানো

সৰা পাতবোৰ যেন সোঁৱৰণী
আকাশে ৰতাহে তাঁৰ আগমনি
অ' মই লাজুকী ৰূপেচৰা
ঐ মোক নেচাবি দূৰৰ পৰা
অ' পলাশ শিমলু
কি ৰং ৰঙে উচলা নেজানো। ***

# মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে...

কথা/সুৰ : জুবিন
'মন্ত্ৰ'

মাজুলীৰ এজনী ছোৱালীয়ে দুখ পালে
সাবটি বহুতকে ইপাৰে-সিপাৰে
দখীয়া ঘাটতে কলিজা থেকেচি
লুইতৰ বুকুতে বুকুখন মেলিদি
ইফালে-সিফালে আনে শুনক বুলি
ঐনিতম এফাঁকি গায়।

চুই চালে চুই চালে বুজিবা
বুকুৰে ভিতৰত কিহৰে খহনীয়া
মন গ'লেই মন গ'লেই মন গ'লেই নোৱাৰা
মচিব জানানে হৃদয়ৰে দোমোজা
কঁপি উঠা দুটি ওঁঠতে
ৰঙা নীলা কথা মনৰে
কাক ক'ব কোনবা কাষতে
শুনিবলে' সময় বা হ'বনে
দহ টকা দহ টকা ফেৰীৰে
কমলা কমলা কমলাবাৰীলে'
আবেলি আবেলি আবেলি আহিলে
গধূলি গধূলি গধূলি মাজুলীলে'
দেখিবা তেওঁৰ চকুযুৰিতে
তেজ ৰঙা নদী দুখনি
দেখিবা তেওঁৰ শেঁতা হাবিত
খহি যোৱা যৌবন কিজানি।

# মনলৈ উভতি আহে ল'ৰালি

**কথা /সুৰ ঃ জুবিন,**
**কথাছবি 'দাগ'**

মনলৈ' উভতি আহে ল'ৰালি
তোৰে মোৰে এটি এটি ধেমালি
আছিলো তোৰে মৰমতে খেলি
মোৰো ভাল লাগে তাকে সুঁৱৰি
মনলৈ ...

তোকে ঐ দেখোঁ মই বুকুৰে এটি এটি সপোন
আবেগে ওপচে ভাবিলে তয়েতো মোৰ আশাৰে জোন
ময়ো দেখোঁ সপোন দিনে-ৰাতিয়ে সোণ
প্ৰায়েই আজিকালি।
ল'ৰালি আজিওচোন আঁতৰা নাই
কিনো কওঁ দাদা ময়ো তোৰেহে ভাই
মনলে'..

কিদৰে পাহৰো তোৰে মৰমকে তোৰে চেনেহকে
কথা দিলোঁ আজি আনিমেই আজুৰি
তোৰে সপোনকে
আগলৈ হ'বি তই মোৰ পৰিচয়
আৰু লাগিছেনো কি?
মোৰো মন তোলৈকে আনিম এজনী
বহুতৰ মাজৰ পৰা বাছি বাছি
কইনা সাজে আহিব নবৌজনী
মানুহে মানুহ ভৰিব ৰভাতলী।। ~~~

# মায়াবিনী ৰাতিৰ বুকুত...

কথাছবি ঃ দাস

মায়াবিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি হিয়াৰ কোণত
তুমি যে মোৰ শুকান মনত
নিয়ৰবে চেঁচা সোপান
নামি অহা ৰ'দৰে নৈ
মোৰ দেহত প্ৰতি পুৱা
ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন
নিজানৰ গান মোৰ শেষ হ'ব
ভাবোঁ তোমাৰ বুকুত।।

প্ৰতি শৰতৰ প্ৰভাতী ফুলে
ক'ব তোমাকেই মোৰ কথা
প্ৰতি মেঘালী নিশা জোনে
ক'ব তোমাকেই মোৰ কথা।।
ধুমুহাৰ .... ভাবোঁ তোমাৰ বুকুত।।

দুচকুত তোমাৰ চালে
সপোন আঁতৰি দিঠক নামে
চুব খুজিলেই মোৰ দুহাতে
দিঠক আঁতৰি সপোন আহে
ধুমুহাৰ সতে... ভাবোঁ তোমাৰ বুকুত।।
মায়াবিনী ...।।

# দাগ মোৰ বুকুতে ...

কথাছবি

দাগ মোৰ বুকুতে দাগ মোৰ চকুতে
দাগ মোৰ কলিজাতে।
দাগ মোৰ তেজতে দাগ দাগ প্ৰাণতে
দাগ দাগ সকলোতে।
দাগেই দাগ জীৱনত দাগ মোৰ এই গান
দাগ মোৰ প্ৰতি চকুলোত
দাগ দাগ দুহাত।
দাগ মোৰ...
প্ৰতি পল তুমি লোৱা
প্ৰতি পল তুমি দিয়া
প্ৰতি পল মোক দেখুওৱা
প্ৰতি পল মোৰ হোৱাত
হৈ হৈ তুমি মোৰ আঁতৰি দূৰত বৈ
বৈ বৈ নিজৰা হৈ সামৰো আশাৰে নৈ
দাগেই দাগ...
প্ৰতি পল তুমি আপোন
প্ৰতি পল তুমি সপোন
প্ৰতি পল মোক জগোৱাত
প্ৰতি পল মোৰ নোহোৱা
হিয়াজুৰি থাকে মোৰ অপেক্ষাৰ বসন্ত
বুকুতে গুপুতে লৈ আশাৰেই আনন্দ ।
দাগেই দাগ....। ***

# এতিয়া জোনাকে

কথা /সুৰ ঃ জুবিন,
'শঙ্খ'

এতিয়া জোনাকে ন মায়া ৰচে
এতিয়া ডাৱৰে ন খেলা পাতে
তুমি অহা বাবেই পোহৰে পাখী মেলে,
সাৰ পালে সপোনে
এতিয়া জোন জ্বলে মোৰ দুচকুতে
এতিয়া ফুল ফুলে ৰঙা কলিজাতে
তুমি আছা কাষতে মন নদী উপচাই
মৰমে বুকু শিপাই

উশাহে-নিশাহে মৰমৰে কথা
থৌকি-বাথৌ হিয়া
বাহিৰে-ভিতৰে উর্মি উর্মি জ্বলে
কামনাৰে ভৰা তৃষা

মেঘে মেঘে যেন উতলা যৌৱন
বেদনা দূৰ আজি, দুচকু জোনাকী ভৰা
আকাশে আকাশে জীৱনৰে ৰং
আজি দেখো দিয়া আছে
ফুলে পাতে শুনো সপোনৰে সুৰ
জোনাকে দুকাষে নাচে
এই মধুক্ষণ নভৰে যেন মন
চোৱা মোৰ দুচকুলে নিজকে বিচাৰি পাবা। ***

# কঁকাল খামুচীয়া

কথা /সুৰ ঃ জুবিন,
'শব্দ'

কঁকাল খামুচীয়া গাল গুলপীয়া
তুমি কোন সৰগৰ পৰী
কজলা চকুৰে পদুমী খোজেৰে
নিলাহি মন মোৰ হৰি
গাঁৱৰে জীয়াৰী থাকিবা আঁতৰি
চুলে মৰিব বিজুলী
ধাননি পথাৰৰ সোণোৱালী শইচত
জিলিকে আমাৰে আশা
ঘৰে ঘৰে বন্তি জ্বলিলে গধূলি
শেৱালী সৰিলেই পুৱা
চহৰৰ ডেকা ল'ৰা হেনো মিছলীয়া
নুবুজে গাঁৱলীয়া সৰল আলসুৱা
নুশুনো ছলাহী কথা
ভুল কৰিছা যদিহে দেখি মোক নেদেখা
নুবুজা কলিজাৰে বেথা
কঁকাল ....
নৈৰে পাৰে পাৰে উৰে আমাৰ মন
হেঁপাহৰ ৰঙীন পখিলা
জোনাক নামিলেই সোণাৰু ফুলিলেই
সপোনে কৰে ৰাসলীলা...
কঁহুৱাৰ মলয়াই নিতে আহি চুই যায়
পদূলিত উৰুৱাই ধুলি

কপৌ পাৰৰ মাত চোতাল শুৱনি
শালিকীৰো গুণগুণনি
তুমি আহিবা নৈৰে ঘাটলে গধূলি
সকলো কম মই খুলি
তুমি জানিবা বুজিবা দেখিবা সকলোঁ
নেভাবিবা মিছলীয়া বুলি । ***

# বৈ বৈ বিনালে

কথা /সুৰ ঃ জুবিন,
'শব্দ'

বৈ বৈ বিনালে নিশায়ে বিনালে
ৰাতি পুৱাবলৈ কিমান পৰ
ডাৱৰে ডাৱৰে এন্ধাৰে শিপালে
জেউতি লুকালে অসীমত
নভবা কথাও হঠাতে হয় ছাগে
পায়ো হেৰুৱালোঁ বুজি পোৱাৰ আগতে
বৈ বৈ বিনালে...
জানো, বুজো, তথাপিও নোৱাৰো
নিজৰ মাজত তোমাতেই সামৰো
সপোনৰ ৰথ আজি হতবাক স্তব্ধ
জীৱনৰ পথ আজি মলিন বিবৰ্ণ
জীৱনৰ যাত্ৰা তোমাতেই বিলীন
বৈ বৈ...
মায়া মাথোঁ এতিয়াৰে যৌৱন
পল অনুপল হেৰুৱাইছোঁ মন
অহোৰাত্ৰি অনাবিল
স্বপ্ন প্ৰভাৱিত বাস্তৱ মোৰ কাষত
ক্ৰন্দন বৰ্ষিত আগত সূৰুযৰ দিবা স্বপ্ন।

# কোনোবাই ৰিঙিয়াই

কথা /সুৰ ঃ জুবিন,
'শব্দ'

কোনোবাই ৰিঙিয়াই
চকুলো চকুতে শুকাই
মনে মোৰ নিচুকাই
চকুলো চকুতে শুকাই
কোনোবাই ৰিঙিয়াই।
ৰাতি ৰাতি লওঁ সাবটি
মদিৰাৰে মৌ বুকু ভৰি
খোজে খোজে যেন পুৱতি
চুব খোজোঁতেই হয় দূৰণি
সপোনৰে ঢৌ দুচকুত বয়
তুমি আছা উটি ভাহি ফুৰি
বেদনাৰ নৈ বুকুত লৈ
মই আছোঁ তোমাকে সুঁৱৰি
নিজৰেই এন্ধাৰত আছোঁহি যে উমলি
কোনাবাই..
জ্বলি জ্বলি গলি যোৱা আৰু কতদিন চাবা তুমি
চকু বিদাৰি ছিঙি মোহাৰি আৰু কত খেল খেলা তুমি
যন্ত্ৰণাৰ শেষ বুকুতে লৈ
আছে মাথোঁ বাকী মোৰ অৱশেষ
চকু মেলিলেই চাব খুজিলেই
ওঁ মাথোঁ একে অন্ধ আৱেশ
পানৰ ছালনা দিঠকো হয় কুঁৱলী
কোনোবাই .. ।

# নক'বা নক'বা

কথা /সুৰ ঃ জুবিন,
'শব্দ'

নক'বা নক'বা মোক কোনো কথা
হিয়া মোৰ জ্বলে
নেজানো নুবুজো নোৱাৰোঁ যে
তোমাকে বুজাবলে'
সিঁচিলা মোৰ বুকুতে আৱেগৰ বৰষা
জ্বলালোঁ মোৰ জীৱন
কৰিলা মন মোৰ চঞ্চল
ৰাতি দিন জীৱন কঠিন
তুমি সপোন অচিন
সিৰাই সিৰাই হৈঁপাহ ৰঙীন
প্ৰতি প্ৰহৰ অসীম অসীম
মোৰ দুচকুত জোনাকতে ৰোৱাহি
জাকে জাকে আশাৰ পখী
নামি আজি তোমাক দেখি
যদি তুমি পোৱা বুজি
নুমুৰাহি দুখৰ চাকি
দিয়া দুবাহুত জিৰাব এখানি। ***

# শব্দ

কথা /সুৰ ঃ জুবিন,
'শব্দ'

এইটোৱে আৰম্ভণি, প্ৰথম আমি শিকিছিলোঁ
বুজি পাইছিলো নিজক নিজৰ অস্তিত্বক, ই প্ৰথম
শব্দ, কথা ক'লোঁ শৈশৱ শিকিলোঁ,
দেখিলোঁ, জানিলোঁ, আমি শব্দৰ আশ্ৰিত
শব্দেৰে পৰিচালিত শব্দতে সমাহিত
হঠাৎ শব্দ ভুল হ'ল এতিয়া আমি কওঁ নিজেই
নাজানো কিমান কওঁ কিমান ৰাখিব পাৰোঁ
আমি নিৰ্লজ্জ....
শব্দ যদি প্ৰেৰণা হয় শব্দ যদি শকতি হয়
শব্দ আজি কিয় শংকিত শব্দ যদি ব্ৰহ্মবৃক্ষ
শব্দ যদি চিৰশুদ্ধ শব্দ আজি কিয় সংকুচিত
শব্দ আজি বাকৰুদ্ধ শব্দ আজি কাৰাৰুদ্ধ
শব্দ আজি নিজেই নিজত আবদ্ধ।
ইউকেলিপটাছ গছৰ দৰে ওখ হ'ব খোজোঁ মই
চিৰদিন চিৰন্তন, আকাশ চুব খোজোঁ মই
কিন্তু কিছুমান ভয়ানক শব্দই মোৰ
অস্তিত্বক বিলীন কৰি মোক শেষ কৰি
জন্ম দিব খোজে কিছুমানক, যাৰ কোনো
জন্ম লোৱাৰ অধিকাৰ নাই তথাপি যুঁজাৰু
মই জন্মগত আমৰণ মোৰ সংকল্প
অস্তিত্ব অপৰাজেয়
শব্দ মানে আজি যুদ্ধ

শব্দ মানে মাথোঁ ক্ষুব্ধ
শব্দই আজি নানে কোনো আদৰ্শ
কিয় শব্দ আহে যাতনা হৈ
শব্দ যদি মৰণৰ নৈশব্দ আজি মৃত অপশিল্প
শব্দ এটি ঘিণ লগা শব্দ শব্দ জন্তু হৈ লিপ্ত
শব্দ মোৰ সৃষ্টিৰ বিলুপ্তিত
মুগ্ধ শব্দ... প্ৰেৰণা. .. সংকুচিত
.... আবদ্ধ
যদিও পৃথিৱী নিঃশব্দ মই মুক্ত সশব্দ।

# জগত পোহৰ কৰি

কথা /সুৰ ঃ জুবিন,
'শব্দ'

জগত পোহৰ কৰি আহিব প্লাৱন
আঁতৰাব অমানিশা
বধিব ৰাৱণ নিকা হ'ব সমাজ
শেষ হ'ব এই পাপ
ফুলি ৰ'ব প্ৰেম শতদল জগত পোহৰ কৰি...
লিখা হ'ব আকৌ নতুন ইতিহাস
ভণ্ড সমাজৰ হ'ব পৰিসৰ
মাতৃৰ আচলত নামিবহি পৰভাত
হিংসাৰ জুই হ'ব ম্লান
উপজিব দেৱজাত দিব পৰিত্ৰাণ
দুচকুত শান্তিৰ শিখা অনিৰ্বাণ
মানৱ প্ৰেমৰ কণা
পাৰিজাত ফুল হৈ
বৰষিব আইৰ চৰণত
জগত ।

# মমৰ শিখাটি

কথা/সুৰ ঃ জুবিন,
'প্ৰেম আৰু প্ৰেম'

মমৰ শিখাটি যে জ্বলে নিজৰে বুকু পুৰি
দিবলৈ' বিলাই আনকে
পোহৰ দহনৰ জ্বালা নিজে সহি
বুজে কোনে মনৰ বেদনা জ্বলি গ'লা
নুবুজে কোনেও বুকুৰে জ্বালা
নোসোধে কোনেও কিয় বাৰু

এই জীৱন আনৰ বাবে মাথোঁ নিজক বিলাই দিয়া
বিনিময়ত প্ৰতিদানত কাৰো পৰা একো নিবিচাৰা
দুখ জ্বলে নীৰৱে নিজকে জ্বলাই
পুৰ পুৰি মনে মনে সুবাস বিলাই
কাকো নজনায়।
মমৰ...

এই জীৱন স্মৃতি কিতাপ
সময় চিত্ৰশিল্পীৰে বুলাই লিখা
নিজ কামৰ হিচাপ নিজে
লিখি আজৰি নিজেই চোৱা
কিবা পালানে বাৰু একো নাপালা
বিলাই আনৰ বাবে দুহাত খালী হৈ ৰয়
নিজকে হেৰুৱায়।।
মমৰ...।

# সোণ ৰূপেৰেও...

কথা /সুৰ ঃ জুবিন,
'কন্যাদান'

সোণ ৰূপেৰে জুখি চাব নোৱাৰি
এয়া অকমাণি আমাৰে পৃথিৱী
বতাহে বতাহে মৰম বৈ থাকে উমলি
সোণ ৰূপেৰেও...
প্ৰতি ওঁঠৰ কথাবোৰ মুকুতাৰে মালা গাঁথে
চেনেহৰে ছবি এয়া আনে দেখা নোপোৱা
মমতা এই দুহাতৰে বুলনিয়ে আনি দিয়ে
চিকুণি চিকুণি সপোন আনে বুজি নোপোৱা
ধুমুহা চাকি লয় মলয়া সিচি বয়
আঁচলতো এই আছে বতৰা
সোণ ৰূপেৰেও ...
মনৰে এনাজৰী বান্ধোনে বান্ধি ধৰি
সুৰুৰে সুৰুৰে বাজি গোৱা উশাহৰে গান
এই মাটি এই আকাশ মানি ল'লোঁ এই সকল
জনমে জনমে খোজো দ সাধনাৰে ধন
বেলি নাজ্বলিলেও জোন নাজ্বলিলেও
জিলিকিব অন্তৰ এই মন
সোণ ৰূপেৰেও...

# অচিনা দেশত ....

**কথা /সুৰ ঃ জুবিন,**
**'কন্যাদান'**

অচিনা দেশত আছিলা তুমি
দূৰণিত আছিলে কোনোবা যে বৈ
আকাশী ৰথেৰে আহি নামিলা তুমি
প্ৰেমৰে কৰবী আঁচলতে বৈ
অচিনা দেশত.
মন আকাশৰ জোনাক তুমি
সাৰদ শুৱনি জোনাকী
তুমি অচিনাকি এগছি চাকি
যেন পোহৰৰে পখী
আকাশী ৰথে আহি নামিলা তুমি
প্ৰেমৰে বোৱতী এটি সুঁতি হৈ
অচিনা দেশত আছিলা তুমি
দূৰণিত আছিলে কোনোবা যে বৈ
অচিনা দেশত
নীলিম সপোন তুমি সাগৰ তীৰত
জিলিমিল জোনাকী মন
প্ৰেমেৰে গুঁঠিলা আহি মিলন মালাধাৰী
জীৱনৰে কৰি ৰণ
আকাশী ৰথেৰে আহি নামিলা তুমি
প্ৰেমৰে বোৱতী এটি সুঁতি হৈ
অচিনা দেশত আছিলা তুমি
দূৰণিত আছিলে কোনোবা যে বৈ
অচিনা দেশত...

# মৰমৰ শিখাটি যে জ্বলে

কথা /সুৰ ঃ জুবিন,

মৰম শিখাটি যে জ্বলে নিজৰে বুকু পুৰি
দিবলৈ বিলাই আনকে পোহৰ
দহনৰ জ্বালা নিজে সহি
বুজে কোনে মমৰ বেদনা জ্বলি গলা
বুকুৰে জানা নোসোধে কোনেও কিয় বাৰু
নোসোধে কোনেও কিয় বাৰু
মমৰ শিখাটি যে জ্বলে নিজৰে বুকু পুৰি
এই জীৱন আনৰ বাবে মাথোঁ
নিজক বিলাই দিয়া
বিনিময়ৰ প্ৰতিদানত কাৰো পৰা একো নিবিচৰা
ধূপ জ্বলে নীৰৱে নিজকে জ্বলাই
পুৰি পুৰি মনে মনে সুৱাস বিলাই
কাকো নজনায়
মমৰ শিখাটি যে জ্বলে নিজৰে বুকু পুৰি
দিবলৈ বিলাই আনকে পোহৰ দহনৰ জ্বালা নিজে সহি
এই জীৱন স্মৃতি কিতাপ সময় চিয়াঁহীৰে বোলাই লিখা
নিজ কামৰ হিচাপ নিজে লিখি আজৰিতে নিজেই চোৱা
কিবা আনৰ বাবে দুহাত খালী হৈ ৰয়
নিজকে হেৰুৱাই
মমৰ শিখাটি যে জ্বলে.. ***

# নাহৰ ২০০২

কথা /সুৰ ঃ জুবিন,
'কন্যাদান'

নাহৰৰে কুমলীয়া পাতে সৰুমাই
তই বাৰু মোৰে কথা বুজিছনে নাই
ঘনে ঘনে তোলৈ ঘনে ঘনে তোলৈ
কিয় মোৰে চকু যায়
ঘনে ঘনে তোলৈ কিয় মোৰে চকু যায়
নাহৰৰে...
দোভাগ ৰাতি কোনে বাৰু সুহুৰি বজায়
চাওঁ বুলি যদিও তই দুৱাৰ খোলা নাই
বুকুৰ মাজত জান ঐ বুকুৰ মাজত
জানো কিবা কিবি লগা নাই
বুকুৰ মাজত জানো কিবা কিবি লগা নাই
দোভাগ ৰাতি ...
নাহৰৰে কুমলীয়া পাতে সৰুমাই।
পুৱতি নিশাৰে সপোন হেনো ফলিয়াই
সপোনতে তোক মনৰ কথা ক'লে কেতিয়াবাই
আজিও চোন জান ঐ মোৰ সপোন
আজিও কিয়বা নফলিয়াই
মোৰ সপোন আজিও কিয়বা নফলিয়াই
পুৱতি নিশাৰে...
আনৰ আগতে মোৰে কথা পাতিছনে নাই
আনে বেয়া বুলি ক'লে দুখ লাগেনে নাই

সঁচাকে তোৰ মোলে
মৰম আছেনে নাই মই ধৰিব পৰা নাই
মৰম আছেনে নাই মই ধৰিব পৰা নাই।
আনৰ আগত...। ***

# বান্ধৈ ঐ হুৱা-দুৱা লাগিলে

কথা /সুৰ ঃ জুবিন,

'কন্যাদান'

বান্ধৈ ঐ হুৱা-দুৱা লাগিলে
তেওঁ ইটো মূৰত মই সিটো মূৰত
প্ৰেম শৰে বুকু বিন্ধিলে।
বান্ধৈ ঐ কি ক'মনো তইঁতক
মেৰিয়াই মেৰিয়াই বান্ধিলে আহি তেওঁ
পিৰীতিৰ পঘাৰে মোক।।

সপোন বুৰোৱা নয়ন
হাঁহিৰে উপচা প্ৰাণ
সুখে উজলোৱা জোন
জীৱনে আনি দিব।
ভাগৰে কটোৱা দেহা তেওঁৰ কোলাতে শুব,
অনুৰাগী কথাৰে মোৰ বুকু জুৰাব।

আশাবোৰ উৰি উৰি

সমযৰে স'তে মিলি
মনে বিচৰা ৰঙেৰে
ৰামধেনু আঁকিব।

খোজতে প্ৰিয়াৰে খোজ
লাজতে প্ৰিয়াৰ লাজ
সখিয়তী সময়ো কাষৰতে ৰয়।

# প্ৰীতিৰ জৰী

কথা/সুৰ ঃ জুবিন
'জীৱন নদীৰ দুটি পাৰ'

প্ৰীতিৰে জৰী
হাততে আজি
বান্ধিলো তোমাক
অ' মোৰ লগৰী
উতলা মোৰো মৰমে বেৰি
ৰাখিব তোমাক অ' মোৰ মৰমী
নোৱাৰো নোৱাৰো যাব কাহানিও
মোকে এৰি আঁতৰি
প্ৰীতিৰে...
অ' মোৰ...
উৰণীয়া আঁচলৰ এটি মিঠা পৰশে
মৰমেৰে সকলো জাৰি জোকাৰি দি দিয়ে
অলীয়া বলীয়া জীয়া জীয়া মোৰ সপোন
তোমাৰে দুবাহুৰে মাজতে উমলি ফুৰে
অনুৰাগে বৰষা নমালে আজি
সেই সপোন সপোন...
অ' নোৱাৰো নোৱাৰো যাব কাহানিও
মোকে এৰি আঁতৰি।
প্ৰীতিৰে ..
তেজমূৰে তেজ কাটো
আছা তুমি উটি-ভাঁহি
জুৰ সুখী জুৰ সজালা আহি তুমি

সুৰৰে হাঁহি
ভালপোৱাৰ মাজতে
কিনো পালো কিনো ল'লো
নাজানো নাজানো...
তোমাকে হিয়াতে ল'লো
তুমি বিনে আজি পল...
কথা ভাবিব নোৱাৰো
ভালপোৱাৰ...
নাজানো...
অ' নোৱাৰো নোৱাৰো।
কাহানিও
প্ৰীতিৰে... ***

# লাই হালে জালে

কথা/সুৰ ঃ জুবিন
'জীৱন নদীৰ দুটি পাৰ'

লাই হালে জালে ফুল চন্দন তুলসী
আবেলিৰ বতাহে ফুল চন্দন তুলসী
ফুল চন্দন তুলসী
ভৰিলনে নভৰিল ৰাধা তোমাৰ কলসী
বিভাৱৰী আমাৰে মিলনৰ
উজাগৰী ৰঙীন সপোনৰ
খিৰিকীৰে জুমি জোনাকে
গীত গাই শুভ প্ৰণয়ৰ
ৰজনী গন্ধাৰ মালা দূৰতে
খুলী থোৱা মৰমী
মিছাতে যাব ছিঙি
আজিৰতো সুৰভি
মাথোঁ তুমি
বিভাৱৰী...
দুটি ওঁঠতে দুয়ো হাততে
কি মৰম থওঁ তোমাত
উঠা নমা বুকুৰে কথা
কিদৰেনো কওঁ তোমাক
উঠা...
কিদৰেনো ক'ত
দুয়োৰে মাজৰে দূৰ দূৰতে থওঁ
তোমাকে সাবটি সকলো পাহৰি

ফুলে ফুলে কিনো সুৰভি
যি এই দেহত
ৰাতিৰ কোলাতে কিনো জিৰণি
যি এই বুকুত তোমাৰ
ৰাতিৰ...
উশাহৰে পৰিচয় পোৱা উশাহতে
ভাগৰি নাভাগৰি বাগৰি নাবাগৰি
বিভাৱৰী...। ***

# উৰ্মি উৰ্মি জ্বলিছো

কথা/সুৰ ঃ জুবিন
'জীৱন নদীৰ দুটি পাৰ'

উৰ্মি উৰ্মি জ্বলিছা
কামনাৰে শলিতা
সপোনৰে কবিতা
তুমি জিউ মোৰ
কিযে বৰণীয়া
উলাহৰে ৰাগী লাগি
উৰে উতনুৱা মোৰ মন
উৰ্মি উৰ্মি
চিনাকি চিনাকি দুচকুৰে হাঁহি
বোৱালা প্ৰেমৰে নদী
বুকুতে যে আহি
বিয়পিব দিয়া ভেজত
আশাৰে বুলনী
সুখে দুখে হোৱাহি মোৰ
জীৱনৰ জুৰণী
কিহে বৰণীয়া
উলাহৰে...
দুহাতে সাবটি
কৰিছা বাউলী
কিনো মৰমেৰে মধু
দিছা আহি বাকি।
প্ৰেৰণীৰে ফুল তুমি
জীৱনৰ ফুলনী
দিন-ৰাতি প্ৰতিটো পল
তুমি গুণগুণনী
কিহে বৰণীয়া
উলাহৰে...। ★★★

# মন গহনত

কথা/সুৰ ঃ জুবিন
'নায়ক'

মন গহনত বিচাৰিলেই পাওঁ
আজি মোৰ মৰমক
বুকু ভৰি মোৰ তোমাৰেই
শোক তাপ মোৰ জীৱনত
সঁচা সপোনে
দিব পাৰে সকলো জীৱনত
আশা হেজাৰ চকুত
সঁচা সপোন
জীৱনে মাথোঁ কথা ক'ব জানে
নোপোৱা দিঠকৰ
মৰমে জানো দিব পাৰে হিয়াকে
সুৰ সৰগত সঁচা সপোনে
দুৰৰীক দেখুৱাই নিথৰ আকাশ
দি থৈ নাযায় একো
সঁচা সপোন
খিৰিকীৰ সিপাৰে জোনাকী ফুলনী
তোমাকে সুঁৱৰি প্ৰতিটো ৰজনী
তোমাৰে বুকুতে থাপিলো নিজকে
শোণিত বাগৰাই ল'লোহি জিৰণি
মৰমে মাথোঁ হায় দিয়েহি পোৰণি
দুচকু ভৰি বয়, এন্ধাৰৰ কঁপনি,
এন্ধাৰৰ কঁপনি ...। ★★★

# মনতনো আজি...

কথাসুৰ ঃ জুবিন
'নায়ক'

মনতনো আজি কিহ্বে নাচোন
উলাহেৰে ধৰে হিয়া দেখোন
তোৰে পৰশতে আজি নামে সপোন
গুণ গুণ গানেৰে নতুন নতুন
প্ৰাণৰে সখা মোৰ ঘূৰি আহিলি
ঘূৰাই আনিলি, মোৰ চকুৰে ঘুমটি
মনতে...
পুৰণি কথাৰে মন নিচুকাই
তোৰে মোৰে মৰমকে ৰাখিম জীয়াই
আজি যেন পাহৰিম সকলো দুখ মোৰ
মিলি যাম তোৰে চেনেহ পাই
হাঁহি-ধেমালিৰে গ'ল কতনা ৰাতি
বুজা-নুবুজাকে ব'ল কত যে ছবি
তথাপি নুনুমাই মৰম চাকি
জ্বলি বয় তিৰ্‌বিৰ্ হৃদয় ঢাকি।
খিৰিকীৰ সিপাৰে আছে বৈ আমালৈ
পৃথিৱীৰ ব'ত সপোন
চকুৰে টিপতে পৃথিৱী আমাৰে
আজি বুকুৰে আপোন
মনতে...
হাতে হাত ধৰি আহিলো গুলাই
দুবাহুৰ শকতিৰে জিকিম সদায়

লাগে মাথোঁ মনৰে মিলন
খোজে খোজে এটি এটি ক্ষণ
দুচকুতে চিক্‌মিক হাঁহি জিলিকাই
সুখেৰে পঁজাতি পোহৰে সজায়
কবি লওঁ আজি পণ একে হোৱাৰ
জীৱনে-মৰণে একে থকাৰ
শান্তিৰ নিজৰা বৈ বৈ বাগৰে
আমাৰে মনৰ মাজত
ৰচে মিলনৰে সঁচা এনাজৰী
বান্ধে প্ৰাণৰে প্ৰাণত
মনতে...। ★★★

# লাহে লাহে

**কথা ঃ দিগন্ত কলিতা /সুৰ ঃ জুবিন**
**'নায়ক'**

লাহে লাহে বাঢ়িছে
লাহে লাহে কমিছে
লাহে লাহে উঠিছে
লাহে লাহে নামিছে
মৰমৰে ধল আজি উশাহতে
নৈয়ে নৈয়ে দেখিছো
ঢৌৱে ঢৌৱে লিখিছো
কিনো জোৱাৰ মোৰে নিশাহতে
লাহে লাহে বাঢিছে অ'..।

নুসুধিবা কথাৰে
নুজুখিবা ভাষাৰে
গুপুতে গুপুতে কিহে দুলি দোলে
খুলি ক'ব নোৱাৰি
কাষ'লে আহি তুমি চাই যোৱাহি
যুগৰে মৰমবোৰ আছো মই সাবটি

জগোৱাহি ৰিব ৰিব্ হাতেৰে
লাহে লাহে বাঢিছে.. ।

নুখুজিবা চকুৰে
নাযাচিবা ওঁঠৰে

মৰমৰ এধানি লাজৰে আমনি
দিব ল'ব নোৱাৰি,
দেখিলে দেখক আকে
শুনিলে শুনক
মাথোঁ হিয়াৰে মৰম মৰমে বুজক
মনৰ কথা বুজিলাহি চাগে...।

# কিনো সুৰীয়া গানেৰে

কথা ঃ হেমন্ত দত্ত /সুৰ ঃ জুবিন
'নায়ক'

কিনো সুৰীয়া গানেৰে
মোৰ মন আজি ভৰিলে
তোমাকে পাই
মোবো মনে জানা
আছিলে যে সদায়
তোমাৰে গানৰে সুৰ
মনতে গুণ গুণাই
কিনো সুৰীয়া গানেৰে ...

বুকুৰে মাজতে কি জুই জ্বলে
দহনো যে মিঠা লাগে
পিৰীতিৰ উমেৰে ফু-দি জ্বলোৱা
আবেগৰে জুই ছাগে
নাই হোৱা এনে কাহানিও
জ্বলা নাই বুকুত
আবেগৰে জুই জ্বলে
অজানিতে উমি উমি বুকুতে
কিনো সুৰীয়া...।

জীৱন লগৰী হ'বলৈ আহিছো
হাত থোৱা হাততে
উজুটি-বিজুতি একোতে নেৰিবা
আধৰুৱা বাটতে
কথা দিলো মই মধু প্ৰহৰত
চকুত থৈ চকুতে
ময়ো কথা দিলো পল-অনুপল
থাকিম তোমাৰ লগতে
কিনো সুৰীয়া...।

# নায়ক হ'ব খুজি...

**কথা : হেমন্ত দত্ত /সুৰ : জুবিন**

**'নায়ক'**

কিনো তই বিচাৰি আজি কিনো পালি
বুজিবলে' আছে কোন
যাকেই আপোন বুলি লওঁ আঁকোৱালি
সিয়েই আঁতৰিলচোন।
কোনো নাই তোৰ কাষতে আজি
আপোন বুলিবলে'
জন-অৰণ্যৰ মাজতো আছ্ অকলশৰে
নায়ক হ'ব খুজি খলনায়ক হ'লি
কিনো বিধি সকৰুণ।।

জীৱনৰে প্ৰতি পল যাৰ বাবে বিলাইছিলি
সিহঁতৰো আজি তোৰ বাবে ভাবিবৰ আহৰি নাই
কালিৰে তোৰ লগৰী আজি যে গ'ল আঁতৰি
ভুলৰ বলি হলি তই।।
নায়ক হ'ব খুজি

মানুহৰে মনবোৰ তই কিয় নিচিনিলি
ফুলনিৰে কাঁইটকে ফুল বুলি তুলিলি
কাঁইটে যে বাকোহা দুহাতৰ তেজ চাই
বেজাৰ কৰি লাভ নাই।।
নায়ক হ'ব খুজি...। ~ ~ ~

# দিহিঙৰ গৰা...

**কথা/সুৰ ঃ দিগন্ত কলিতা**
**'ৰংমন'**

দিহিঙৰ গৰা জহিছে খহিছে
আঁতৰৰ পৰাই দেখাই দেখিছে
মোৰে মন নদীৰ দুয়োটি পাৰ
কিয়নো খহিছে
তুমি দেখিছানে
দেখি ভাবিছানে ?

আলি দোমোজাতে
থমকি ৰ'লোঁ মই
কেনি যাওঁ কি কৰোঁ
দিয়া এটি উপায়
খাবও নোৱাৰো শুবও নোৱাৰো
তুমি যে ৰ'লা মোৰ ভাবনাতে।

নিলগে নিলগে
বুকু জ্বলে পোৰে
দিয়া অনুমতি
আহো কাষলৈ
মৰমৰে ভেটা সাজি দিয়া
মোৰ মন নদীৰ দুয়ো পাৰতে...।

# আজি তুমি নহ'লে

কথা/সুৰ : জুবিন
'ৰংমন'

আজি তুমি নহ'লে মোৰ মন নভৰে
সপোনৰে পখী হৈ নামানা
গুলপীয়া ওঁঠেৰে মিঠা মিঠা চুমাৰে
মোৰে দুবাহুত বোৱানা
এতিয়াও মই দুৰণীৰে সময় হ'লে পাবা নিবিড়
আজি তুমি...
আছিলো অকলে সপোনে নিবিড়ে
অচিনাকি নিশাতে
বুকুৰে উমকে সাঁচিলো তোমালে
বহু বহু যুগৰে।
আজি মন কোমল মেঘৰ দৰে
নিগৰে অশ্রু আবেগৰে
আজি তুমি-
কোনোবা জনমৰ পাহৰা মৰমে
আহিলে ওচৰলে
বুকুৰে আমঠু ৰঙালে ৰঙেৰে
মৰমী চাবনিৰে
আজীৱন তোমাৰ মৰমেই অনল
জ্বলি ৰ'ম তোমাৰেই বুকুৰে হৈ
আজি তুমি...। ★★★

# নিদিয়া নিদিয়া

কথা/সুৰ ঃ মৃণালকান্তি
'শিশু'

নিদিয়া নিদিয়া নিদিয়া
কিয়নো নিদিয়া নিদিয়া
বুকুৰে মাজতে দুখন কলিজা
কিয়নো নিদিয়া তুমি
ডিঙিলৈকে দুখ, সুখ কেতিয়া
ক'ব নোখোজা তুমি
আঁজুৰি নিয়া মোহাৰি দিয়া
হাঁহিব নোৱাৰো তকো চুৰ কৰি নিয়া।

তুমি দিয়া কিনো দিয়া
দুখকে ঢালি দিয়া
তুমি নিয়া, মাথোঁ নিয়া
সুখকে কাঢ়ি নিয়া
ক'লা ক'লা তোমাৰে হিয়া
গৰল উজাৰি আমাকে দিয়া
কিয় বলিয়া এই দুনীয়া

পাৰলৈ তোমাকে খন্তেকীয়া
হাঁহিব নোৱাৰো...।
দুহাততে একা-বেঁকা ৰেখা আঁকি দিয়া

কপালৰে দীঘলীয়া ৰেখা মচি নিয়া
মন গ'লে কৰি দিয়া কাৰোবাক ৰুগীয়া
যুঁজিলে তোমাৰ স'তে প্ৰাণ মাৰি নিয়া
নাহিৰা কাষলে তুমি
ক'লা ক'লা তোমাৰে হিয়া
খেলাৰ পুতলা
হাঁহিব নোৱাৰো...।

# মিঠা মিঠা

**কথা ঃ জীমণি চৌধুৰী /সুৰ ঃ জুবিন**

**'হিয়া দিয়া নিয়া'**

**কণ্ঠ ঃ জুবিন, দেবজিৎ চৌধুৰী আৰু নাৰী কণ্ঠ**

মিঠা মিঠা আজি সপোনৰে
অজানিতে চোৰা মন ভৰে
দূৰণিতে তৰাটিহে যেন
জ্বলিলেহি আজি মনে মনে
অ' হৃদয়তে কিযে মৰমেৰে
বুকুভৰা বহু মৰমেৰে

তুমি মোৰে
তুমি মোৰে যে
কত জনমৰে মোৰ আপোন যে
তুমি সপোন, তুমি সুবাস
মোৰ আকাশৰে তুমি পোহৰ যে
মনে আজি পাখি মেলে
সৌ চোৰা কিনো ৰঙে
হিয়া ভৰা মিঠা মিঠা. .

মোৰ উশাহৰ মোৰ প্ৰণয়ৰ
মোৰ জীৱনৰে তুমি স্পন্দন যে
মোহনীয়া মোৰ তুমিয়ে
স্মৃতিয়ে যে নিতে মোক মাতে
সগোপনে আলফুলে
ৰঙে ৰঙে কিনো হিয়া ভৰে
মিঠা মিঠা...। ***

# নহ'লে পৰিচয়

কথা ঃ হেমন্ত দত্ত /সুৰ ঃ জুবিন
'হিয়া দিয়া নিয়া'

নহ'লে পৰিচয় হিয়াৰে
চিনাকি জানো কোনো হ'ব পাৰে
ল'ৰালিৰ ঘাটে ঘাটে উমলি থাকোঁতেই
অচিনা পানচৈ লাগিলেহি ঘাটতে মোৰ অজানিতে
দুলনি দিলে নুবুজাকৈ মনতে মোৰ গুপুতে
যৌৱনে ক'লে আজি সেয়েই হিয়া দিয়া নিয়া।

প্ৰথম প্ৰেমকে পাহৰিব পাৰিলে
প্ৰেমৰ স্মৃতিকে মোহাৰিব পাৰিলে
তথাপিতো বাৰে বাৰে
ছিগি যাব কিয় খোজে
সুৰ অকাৰণে-অজানিতে
ল'ৰালিৰ ওমলোতে
ভাল গা সুৰ মনে মনে
যৌৱনে ক'লে আজি এয়াই হিয়া দিয়া নিয়া।
ল'ৰালিৰ সুৰকে বিচাৰিহে আহিলো
অচিনা ঘাটতে বিচাৰিযে নাপালো
সময়নো কিয় বাৰু খেলিলেহি লুকা-ভাকু
হায়, বাৰে বাৰে অজানিতে
উভতিলো উকা হাতে
লৈ মাথোঁ মোৰ সোঁৱৰণী।
যৌৱনে ক'লে আজি এয়াই হিয়া দিয়া নিয়া। ***

# বুকু ভৰা

সুৰ ঃ মালবিকা বৰা
'হিয়া দিয়া নিয়া'

বুকু ভৰা এই তৃষা যে
আহা আহানা আঁতৰাও
হিয়া দিয়া নিয়া লোৱাবে
আহা আহানা উটি যাওঁ
কিয়নো ৰ'বা অকলে
অকলে আহা কাষলে
কিয় বাৰু নাগামেই
জীৱনৰে এই মধু গান
মোহনীয় এই দিন যে
হাঁহিৰে আহা সজাওঁ
আজিয়েই দিয়া উজাৰি হিয়া যে আহা কাষলে
পাখি লাহি পখিলাই
কাণে কাণে আহি কৈ যায়
দুদিনীয়া এই জীৱন
নেথাকে জানা সদায়
আজি দিয়া উজাৰি
হিয়াযে আহা কাষলে ...। ✱✱✱

# এতিয়া কাষত হেঁপাহৰ

কথা/সুৰ ঃ জুবিন
'গাৰ্গ'

এতিয়া কাষতে হেঁপাহৰ ফুলনি,
ওপচা ফাগুন হৈ ৰয়
মেঘে মেঘে মন, উৰি ফুৰে দূৰণিত,
নীলাৰে মাজত তুমি মই,
বুকুৰে মাজত উৰে হৈ পখিলা,
চিনাকি সুৰেৰে গুণ্‌গুণনি
এতিয়া কাষত...।
সেউজীয়া হৈ মই, নদীও হৈ মই,
সাগৰো হৈ মই তোমাতো যে মই।।
এতিয়া জোনাকো আহে নতুন হৈ।
ন জোনেৰে ছবি লৈ
এতিয়া কাষত —
বৰষাইও কয়, ৰ'দেও যেন কয়, -
ধুমুহায়ো কয় এতিয়া ফাগুন
প্ৰভাতী সুৰৰ নৈ বুকু সাবটি ৰয়।
গোপনে কয়, তুমি আপোন
এতিয়া...। ★★★

# বৰষা যেতিয়া...

কথা/সুৰ ঃ জুবিন
'ৰং'

বৰষা যেতিয়া নামে বুকুলে
এনে লগে যেন সেয়া তুমিয়েই
সুৰে সুৰে দেহ-মন নাচিলে,
এনে লাগে যেন তাতো তুমিয়েই,
তুমিয়েই ৰচি ৰচি আছা সুৰৰে এনাজৰী,
মায়াবী কবিতাটো তুমিয়েই।।
বৰষা...।।
জোনাকী দেশৰে সাধুকথা, পালো তোমাৰে ওঁঠতে
মায়াবী চাৱনিৰে বহু বেথা পাহৰালা আজি তুমিয়ে
কিদৰে পাৰ হ'ম সীমাৰ সিপাৰে
তোমাক এবাৰ চুবলে'
দেহে-মনে পাবলে'
ল'বলে' তোমাক এবাৰ বুকুতে
আৰু যে মন নভৰে
বৰষা...
কেতিয়াবা কিয় বহু দূৰ, কেতিয়াবা কিয় বহু কাষ।
কেতিয়াবা কিয় বহু পথ, কেতিয়াবা তুমি নাথোঁ দুহাত
নিজৰে মাজতে তোমাকে বিচাৰি
পাওঁ মাথোঁ শুদা হাত
অচিনাকি পৃথিৱীত
নাপালো বিচাৰি সঁচা মন
তুমিহে সঁচা মন।।
বৰষা...। ▲▲▲

# মোৰো যে মনে...

কথা/সুৰ ঃ জুবিন
'বং'

মোৰো যে মনে এতিয়া জানে পোহৰবে চাকি,
দুচকুতে আজি নাই নাই
দূৰে দূৰে আঁৰে আঁৰে আঁউসীৰে
জোনে হাঁহে আজি মোলে চাই চাই
খোজে খোজে প্ৰেমৰে নৈ আজি নীলা হয়।
এবুকু ৰাতি দিলো উজাৰী,
দুহাতে সাবটা মন আজি পুৰণি
দুচকু ভৰি, কজলা ৰাতি দিলোঁ
তোমাৰে হাতত দুখৰে চাকি
তুমি আমি দিঠকো যেন,
এমুঠি ভুল সপোনৰে ছাঁ
সঁচা গানৰ মাজতো যেন আছে মিছা।
সপোন যে মনে—
গানে গানে আজি বহু মিছা কথা
ক'বলে নুখুজিলেও আহে ভাহি
প্ৰাণে প্ৰাণে বহু সঁচা কথা,
কথা যে নুখুজিলেও আহে;
চাপি কোন মায়াৰ কোন নিজৰ কাৰ খবৰ
মোৰো যে মনে...।

কথা/সুৰ : জুবিন

'ৰং'

ৰং তুমি হোৱানে, ৰং তুমি বুজানে
ৰং তুমি দেখানে মৰমৰ
খুজি যদি নুবুজা, দেখি যদি নেদেখা,
শুনি যদি নুশুনা মোৰ মন
বুজা নুবুজা কথা, কোৱা নোকোৱা ভাষা,
মিছাতে কিয় কোৱা
ৰং যদি দেখিছাই মন কিয় দিয়া নাই,
জ্বলি জ্বলি এই হৃদয় হ'ব ছাই
ৰং তুমি—
কাণ পাতি শুনাচোন,
কলিজাতে গুপুতে তুমি আছা প্ৰাণ হৈ
প্ৰাণ যদি গোপনে, সাঁচিচাবে যতনে
সাৱটাহি
কলিজাৰে উম হৈ
ৰং তুমি...। ***

# ভৰ দুপৰীয়া

কথা/সুৰ ঃ আনন্দিৰাম দাস
'ভৰ দুপৰীয়া'

ভৰ দুপৰীয়া দুটি হৰিণীৰ
মাজতে এখনি নৈ
চাই চাই চকুতে চকুলো শুকালে
বুকুতে তৃষ্ণা লৈ।
দুটি হৰিণীৰ...
হুমুনিয়াহতে চাপৰিৰ বুকুতে
জ্বলিলে অগনি ঐ
ইপাৰৰ মলয়াই ঢালিলে পোৰণি
সিপাৰৰ হিয়াতে পৈ
দুটি হৰিণীৰ .
ভৰ দুপৰীয়া এখনি জুৰা নৈ
বয় যে কলকলকৈ
কতনো হিয়াৰ তৃষ্ণা অনন্ত
যায়যে হিয়াতে বৈ
দুটি হৰিণীৰ মাজতে এখনি নৈ
ভৰ দুপৰীয়া .। ...

# গছে ক'ব সুধিলে...

কথা/সুৰ ঃ আনন্দিৰাম দাস
'ভৱ দুপৰীয়া'

গছে ক'ব সুধিলে পাতে ক'ব সুধিলে
পুৰণি পৃথিৱীৰে কথা
জলপানৰ বাটিটো অ' চেনাই মইনা ঐ
গাখীৰে গুড়ে ভৰা অ' চেনাই মইনা ঐ
মাতে তাতোতকৈ চোন মিঠা চেনাই মইনা ঐ
পুৰণি পৃথিৱীৰে কথা।
কোৰৰে চাৰতে সোণৰে চপৰা
পথাৰে জিলিকি থকা
ক'তনো লুকালে অ' চেনাই মইনা ঐ
নীলৰে শৰীৰত
আমাৰে আজোককা চেনাই মইনা ঐ
পুৰণি পৃথিৱীৰে কথা
মাছেনো মাৰিব ওলালে বৰ্গীবাই
ৰূপতনো ৰঙে চৰা
লাচিমে ভাঙনে অ' চেনাই মইনা ঐ
ৰঙতে বলিয়া অ' চেনাই মইনা ঐ
পাৰতে জাঁপিয়াই মৰা চেনাই মইনা ঐ
পুৰণি পৃথিৱীৰে কথা।
আজিনো ওলালে নতুনকৈ মানুহে
নকৈনো পৃথিৱী গঢ়া
বনগীত সুৰীয়া অ' চেনাই মইনা ঐ
পথাৰখন নেদেখা অ' চেনাই মইনা ঐ
ডেকানো কালতে বুঢ়া মইনা চেনাই ঐ
পুৰণি ...। ***

# ৰতাহে সাৰি দিয়া

কথা/সুৰ ঃ আনন্দিৰাম দাস
'ভৱ দুপৰীয়া'

ৰতাহে সাৰি দি যায় অ' মোৰে মইনা
কোঁৱৰৰ ওমলা বাট
ৰ'দৰ জিলিকনিত থাকে জিলেমিলাই
ৰূপহী কুঁৱৰীৰ গা।

কোনে কি বুলিলে ৰূপহ কোঁৱৰক
কৰিব নোৱাৰি সাহ
চাংমাই শালতে মোলান পৰি যায়
ৰূপহী কাঁহীৰে ভাত।
কোঁৱৰৰ ওমলা বাট।

উৰে জাকি মাৰি ৰচকী পখিলী
ৰিব্ ৰিব্ সুৰভি বা
ওলোৱা এবেলি অ' মোৰে মইনা
উমলি আহোঁগে তাত।
ৰতাহে ...।

* * *

# কেকো বাঁও

কথা/সুৰ ঃ আনন্দিৰাম দাস
'ভৱ দুপৰীয়া'

কেকো বাঁও কেকো বাঁও
কেকো নিলে চোৰে
অ' মোৰ কেকো নিলে চোৰে
তই বুঢী নেকান্দিবি তোকে নিব চোৰে।

মুখত দিলো নাচনীজনীৰ মিচিকিয়া হাঁহি
খোপাত দিলোঁ খোপাভৰি কেতেকীৰে পাহি
কাণত দিলোঁ কেৰুযুৰি গলত জোনবিৰি
হাতত দিলো জেতুকা বোল হিয়া চিৰি চিৰি।
কেকো...

ৰংপুৰৰ কেঁচা সোণ মোৰ পূৰ্ণিমাৰ জোন
পেঁপাৰ তাঁৰ সুৰ ফুচুলোৱা কোনে
কেকো নিলে চোৰে অ' মোৰ কেকো নিলে চোৰে
গঞা ভকতক গোচৰ দিলো দণ্ড হ'ল মোৰে
পোৰে খালে জীয়ে খালে মনে মনে থাক।
সাত শতৰুৰে লাই পাব খা খুতৰা শাক।
কেকো ...।

# মাতে পকা ধানে ৰিঙিয়াই

[illegible] কথা/সুৰ ঃ আনন্দিৰাম দাস

'ভৰ দুপৰীয়া'

মতে পকা ধানে ৰিঙিয়াই
বগীতৰা যায় আগুবাই,
বোকোচাত দি যোৰা কেঁচুবাটি আঘোণাই
নিচুকণি গীত গাই, আমাৰে আঘোণা কাই,
বগীতৰা আগুবাই যায়।

হাতত কাঁচিখনি মুখত আমোলখনি,
কঁকালত টঙালি বুকুত মেথনি

তাইৰ আৰু কোনো নাই
অকলেই গুচালে মুখৰ চুৰা-ছাই,
সকামটো পাতিলে ৰজনক্তনাই।

আঘোণাৰ অৱদান অতবোৰ মাটিৰ ধান
কোলাত পালে এটি নাতি ল'ৰা সন্তান
তাইক আৰু লাগে কি?
তাইৰ যদিও আজি আঘোণী নাই
তাইৰ ওচৰত আজি হাত পাতে গএগাই
মাতে পকা ধানে ৰিঙিয়াই ...।

# সেউজীয়া মন

**কথা/সুৰ ঃ জুবিন**

সেউজীয়া মন সেউজীয়া প্ৰাণ
সেউজীয়া যৌৱন সেউজীয়া গান
সেউজীয়া দিন মোৰ সেউজীয়া নিশা
প্ৰতিটো প্ৰহৰ আহি ফুল।
তোমাৰ প্ৰেৰণা আজি প্ৰভাতে প্ৰভাতে
তোমাৰ প্ৰেৰণা আজি তেজে তেজে
অন্ধাৰো লুকাই বুকুত তোমাৰ
বিয়পাই যি পোহৰ সোণালী।
তোমাৰ তুলনা দিব আকাশে-বতাহে
তোমাৰ তুলনা দিব ফুলে পাতে
আছে জুৰি তোমাৰ মনৰ প্ৰীতি। ★★★

# ৰূপহী ৰাংঢালী

কথা ঃ কবুল বৰা /সুৰ ঃ জয়ন্ত দাস
'ৰাংঢালী'

অ' ৰূপহী ৰাংঢালী কঁকাল হালিজালি
যেন মালতীৰ পাহি
তাইৰ চকুযুৰি চাই
মোৰ হিয়া দহি যায়
মাতিলে কাষলে' তাই আঁতৰিহে পলায়।।
বিহুৰ তলীলে মই আহিলোঁ ওলায়
নাচনীৰে মাজতে তোক দেখা পায়
অ' মোৰে তৰাদৈ
নাযাবি মোক এৰি থৈ
যৌৱন যে যায় ভটিয়াই।।
ডিঙিৰে পোৱালমণি হাতৰে খাৰু
খোপাৰে কেতেকী তোক গুঁজিব পাৰোঁ।
অ' নাজিতৰা
পাই তোৰে বতৰা
হওঁ আপোন পাহৰা।।
ৰূপহী ...। ★★★

# এতিয়াও সাৰে আছোঁ মই

কথা /সুৰ ঃ জুবিন
'জুবিনৰ গান'

এতিয়াও সাৰে আছোঁ মই
ধূসৰ প্ৰভাতৰ ক্ষণ গণি
ধুমুহাৰ নিশা আজিও
বাৰে বাৰে দিয়েহি আমনি
কাষত স্মৃতিৰ অলেখ সমাধি
হৃদয়ৰ হাহাকাৰ কিদৰে বুজাওঁ মই
এই পৃথিৱীক।

মৃত্যুৰ সিপাৰে আছোঁ জানো তুমি
একেখন হৃদয় লৈ আছোঁ জানো তুমি
মনত একেটি হাঁহি
পামনে আকৌ বিচাৰি

এতিয়া নাই সময়
দুহাতত ফুল লৈ
আহিবা যাচিবলৈ
শেষ মৰম
এতিয়াও সাৰে আছোঁ মাই..
অশ্ৰু শীতল বৰ সহিব নোৱাৰি

দুচকুত এন্ধাৰ আৰু সিঁচিব
নোৱাৰি
বুকুত উথাল আছে
মুখৰ দৰে কাঁচা তেজ
এতিয়া মই যেন
কোনোবা দুৰ্ৰণিত
আছোঁ বৈ তোমালৈ' অকলশৰে
এতিয়াও সাৰে আছোঁ মই । ---

# এতিয়া আছে মাথোঁ

কথা/সুৰ ঃ জুবিন , 'জুবিনৰ গান'

এতিয়া আছে মাথোঁ
তেজৰঙা এখন নদী
মোৰ জীৱন জুৰি বয়
দুখৰে ঢৌ তুলি
নাই কোনো সীমনা
দুহাতে সানি লওঁ
তপত চকুলো
চকুৰ পতাত আজি
এন্ধাৰ আঁকিলো
বুকু উজাৰি
যায় সময়
নীৰব স্বপ্ন হৈ
বুকু আজি শিল হৈ
শিল হৈ ৰয়
এতিয়া আছে...
সোঁৱৰণীয়ে আজি
ন্দিয়েহি বেদনা
নিজকে বিলাইদি
নেপালো প্ৰেৰণা
কোন সীমনাত আছে
সপোন
মৰমৰ বৰষা হৈ
মনে আজি বাট চাই
শিল হয় ৰয়
এতিয়া...। ~ ~ ~

# তুমি নিদিয়া মোক

কথা/সুৰ ঃ জুবিন
'জুবিনৰ গান'

তুমি নিদিয়া মোক
মৰমবোৰ
জোন তৰা হৈ জ্বলিব
তুমি নোকোৱা সেই
কথাবোৰ
বতাহৰ সুৰে মোক
শুনাব
আকাশে দিব মোক ঠিকনা
মই অকলশৰীয়া
মায়াৰ বান্ধোনে
নোৱাৰে ৰাখিব
মৰমৰ ছলনা নালাগে যাচিব মোক
মিঠা ভাষাৰে
তুমি নোলোৱা মোৰ
মৰমবোৰ
বুকুৰে সুৰ হৈ ওলাব
তুমি নুশুনা সেই
কথাবোৰ
গীতৰে ভাষা হৈ ওলাব
স্মৃতিৰ শিখা বুকুতে জ্বলাই
ওলালো অকলে মই
অ'... মায়াৰ বান্ধোনে

নোৱাৰোঁ বান্ধিব
উকা মোৰ বুকু মাথোঁ
বেদনাৰে ভৰা
নাই একো অনা নাই
তোমাৰ পৰা
চকুলো আছে কিছু
চকুৰে নসৰা
আৰু আছে তুমি
জ্বলোৱা জুইকুৰা
নালাগে কামনা
নালাগে কল্পনা
নালাগে আৰু আজি
মোক মৰম উম সনা
নাই মোৰ আশা
মৌ সৰা ভাষা
আছে মাথোঁ বুকু ভৰা
নিসংগতা

পাহৰি যোৱানা
আমাৰ ভালপোৱা
ভাবা সেয়া ক্ষণিক উন্মাদ
থাকিমে মই এনেদৰে
এনেদৰে অকলশৰে
মায়াৰ বান্ধোনে ...।

# উজাগৰী নিশা

কথা/সুৰ ঃ জুবিন
'জুবিনৰ গান'

উজাগৰী নিশা আৰু
উতলা মন
অচিনাকি হিয়াৰেই
শিহৰণ
কেনেনো আনিব
উকা মন বননিত
বোৱাব মৰমেৰে প্লাৱণ
আৱেগৰ সাগৰত
উঠিছে কত লহৰ
তুমি জানো পাইছা মোৰ
হৃদয়ৰ সেই খবৰ
লাজুকী লতা মনে মোৰ
গোপনে কয় কথাবোৰ
সৰা ফুলেও তোলে সুৰ
ঠুনুকাযে সপোনবোৰ
মৰমৰ জোৱাৰে
বাধাও কৰিব চুৰ
লাজুকি সপোনেৰে
নহ'ব বাসনা পূৰ
আহিবনে জীৱনলে'
নুশুনা মৰমী সুৰ
উজাগৰী...

জেতুকীবুলীয়া মনে
লুকুৱাই থয় যতনে
কলিজাৰে জীয়া
কামনা নেদেখুৱাই সঘনে
এবুকু উপচা প্ৰেমে
নুবুজে নেমানে যে
তোমাৰে মৰমী পৰশ
বিচাৰে মনে মনে তৃষ্ণাৰ এই মধুনিশা
আহিবানে কাষলৈ'
উজাগৰী ...।

# লাহে লাহে অচিনাকি হ'লোঁ আমি

কথা/সুৰ ঃ জুবিন
'জুবিনৰ গান'

লাহে লাহে অচিনাকি হ'লোঁ আমি
খোজে খোজে মৰম আজি পাহৰণি
তেজ সনা জীৱনৰে আৱাহনী
অগনি
লাহে লাহে অচিনাকি হ'লোঁ আমি।

দূৰ দূৰ আজি চিনাকি পৃথিৱী
শুকান আজি সৌ প্ৰেমৰো বনানি
নীলা আকাশত মেঘৰো চকুপানী
লাহে লাহে...

মৌ বৰষা গুণগুণনি আজি
নুশুনো কেনিও কাহানি
প্ৰাণৰ ভাষাৰো নাই ক'তো সঁহাৰি
দেহৰ মায়াবোৰ জীৱনৰ ফুলনি
ক'লা ডাৱৰত ৰ'দৰো উচুপনি
লাহে লাহে অচিনাকি হ'লোঁ আমি..।

# এন্ধাৰ হ'ব নোৱাৰোঁ

কথা/সুৰ ঃ জুবিন
'জুবিনৰ গান'

এন্ধাৰ হ'ব নোৱাৰো
মচি দিব নোখোজো
পাখি মেলা অতীতক
কিদৰে পাহৰোঁ।
এন্ধাৰ হ'ব নোৱাৰোঁ...।

পোহৰ বুলি জিয়ালোঁ
মনে মনে প্ৰাণতে
হাতেৰে চুকি নোপোৱা
জোনৰে ছবি
পাখি মেলি সপোনে
আগচিলে' জীৱনক
কোনোবা দৰদী
আকাশৰ নীলিমাতে
সেই মন আজি যেন
অসীমত লীন হোৱা তৃষা
কিদৰে পাহৰোঁ মই
এন্ধাৰ হ'ব নোৱৰোঁ...

সাগৰ নীলা দচকুত
কি ৰং আনে জীৱনে
নাজানো যদিও দুবাহু আছে মেলি

সঁচা-মিছাৰ সৌমাজত
সাঁতুৰিছো যদিও
খেদি খেদি সপোনে মিঠা চুমা যাচে।
এই মন আজি যেন পোহৰত
প্ৰাণ পোৰা তৃষা
কিদৰে পাহৰোঁ মই
এন্ধাৰ হ'ব নোৱাৰোঁ ...।

# উমি উমি জ্বলালাহি

কথা/সুৰ ঃ জুবিন
'জুবিনৰ গান'

উমি উমি জ্বলালাহি
বুকুজুৰি কামনাৰে জুই
তোমাৰ কোমল পৰশে
দহি দহি পুৰি নিয়ে
দেহা মন তোলে উতলাই
তোমাৰ নিবিড় মৰমে
হেঁপাহে ভৰা এই লগন
দুয়োতে মগন
তুমি দিলা মৰমৰ
মিঠা মিঠা চুমা আঁকি
মৰমৰে এই ৰাতি

ছাটি-ফুটি মন
হৈ অবুজন
দেহাত আজি কিহৰেনো আমনি
তুলিলে হিয়াত সুৰীয়া মাতে
প্ৰেমৰ এই মধুৰীগিনী
তুমি দিলাহি
দুটি নয়নত
যৌৱনৰে আশা আকলুৱা
সেউজীয়া মন কৰিলা মগন
দিয়া সানি মৰম আলসুৱা

তুমি দিয়া এই মৰম
বুকুৰে উমেৰে ল'ম আদৰি
তুমি মোৰ জীৱন লগৰী
সকলো পাহৰি
মৰমৰ লুকাভাকু
খেলোঁ আমি
মিলিজুলি

মৰমে তোমাৰ তুলিলে জোৱাৰ
হিয়া মোৰ দুটি পাৰ ওপচাই
আশা যদি যায় সপোনো হেৰাই
দিবানে হিয়াত মৰমৰ ঠাই
হৃদয়ৰ নৈ
গভীৰলৈ বয়
আহিছে বাৰিষাৰ
ধল লৈ
বুকুখনি হৈ
যদি শিলাময়
নামিলে বোৱাই
মৰমৰ নৈ
তুমি দিয়া...।
সকলোকে এৰি থৈ
প্ৰেমৰ এই নদীয়েদি
যাবা দুয়ো উটি ভাহি ★★★

# চকুৰ লোটকেৰে

**কথা : নীলিম কুমাৰ /সুৰ : মনোজ শৰ্মা**
**কথাছবি : 'আছেনে কোনোবা হিয়াত'**

চকুৰ লোটকেৰে কোনে মোক তিয়াব
আছেনে কোনোবা হিয়াত
আছেঁনে কোনোবা চিনিব নোৱৰা
ভালপোৱা দিব উপচাই।

গোপনে গোপনে আহিছে যিদৰে
হিয়া মোৰ ঘৰলে' সোমায়
নিবিড় মৰমতে আঁকিছে বুকুতে
ৰামধেনু দিবানে শুৱাই।।
চকুৰ লোটকেৰে...

পাৰোঁনে নোৱাৰোঁ আজি মই
সাঁতুৰি যাবলে' জীয়া নৈ
ফুলে ফুলে আজি সুৱাস নাই
ঘনে ঘনে মন ভাগি যায়।

নিজান ঘৰতে মন অকলে অকলে
ৰিণিকি ৰিণিকি তুমি গানে গানে
ৰুইছো পদূলিত শেৱালি প্ৰেমেৰে
আছেনে কোনোবা হিয়াত
মনে মনে আহি আজি

তুলি দিব খোজা তুমি
ভালপোৱা আঁজলি ভৰাই
চকুৰ লোটকেৰে..

পাৰোঁনে নোৱাৰোঁ আমি মই
সাঁতুৰি যাবলে' জীয়া নৈ
ফুলে ফুলে আজি সুবাস নাই
ঘনে ঘনে মন ভাগি যায়...। ***

# বিলত তিৰে বিৰাই

**কথা/সুৰ ঃ স্বৰ্গীয় কমলানন্দ ভট্টাচাৰ্য**
**'বিলত তিৰেবিৰাই'**

বিলত তিৰেবিৰাই পদুমৰ পাহি ঐ
পাতত তিৰেবিৰাই পানী
ধঁ'দত তিৰেবিৰাই জিএলাৰে পাখি ঐ
ফুলনিত ফুলৰে ৰাণী।

আন্ধাৰত জিলিকে জোনাকী পৰুৱা
আকাশত জিলিকে জোন
ক'লাকৈ আকাশত বিজুলী জিলিকে
হিয়াত মোৰ জিলিকে কোন।

কলিজাত যিকুৰা জ্বলে ঐ জীয়া জুই
জিলিকে তাতো ঐ কেঁচা সোণ
(মোৰ) হ'বনে এনে দিন বাজিব ভগা বীণ
হিয়াত মোৰ জ্বলিব পূৰ্ণিমাৰ জোন ...।

# আইনা ভঙাদি...

কথা/সুৰ ঃ দিগন্ত কলিতা
'দিলৰুবা'

আইনা ভঙাদি ভাঙিব হিয়াখনি
লুইতৰে সোঁতে ব'ব চকুপানী
তুমি এৰি আঁতৰি গ'লে
বতৰো নহয়চোন গোমা গোমা
ভালপোৱা কিয় কৰা আধৰুৱা
আইনা
অমিয়া অমিয়া মাত ওঁঠৰে
সি সি যে কি অনুপম
লিহিৰী বিৰিণা পাত দেহাটি
সি যে কি অনুপম
সাজোনে-কাচোনে জোনটিও নহ'লে
তৰাটিও লাগে কম
চাইনো চাই চাই তোমাক দুচকুত
আঁকিহে থ'ম।
বতৰো...
দেৰিকৈ আহিবা আহি নক'বা যাবৰে হ'ল
বুকুতে অগনি জ্বলাই নক'বা যাবৰে হ'ল
যিদৰে উঠিছে নামিব সিদৰে উলাহৰে ঢল।
বুকুৰে মৰম যাচিবলেতো দিয়া
এপল দুপল
বতৰো ...। ★★★

# চোৰা জুমি চোৰা

কথা/সুৰ ঃ দিগন্ত কলিতা
'দিলকবা'

চোৰা জুমি চোৰা
চোৰা জুমি চোৰা জুমি
চোৰা জুমি চোৰা
মোৰে দিলৰুবা
জামানা আঁৰত গৈ দিয়া ভালপোৱা।।
চোৰা জুমি চোৰা তুমি।
চোৰা জুমি চোৰা
মোৰে দিলৰুবা
জামানা আঁৰত গৈ দিয়া ভালপোৱা
চোৰা জুমি চোৰা
নজৰে নজৰক চিনিলে কি হয়
দুই দিল এক হৈ
মুহব্বত নদী বয়।
লাজৰে পৰ্দাৰে তাত কি কাম কোৰা
এই চিনাকিৰে নাম হিয়া দিয়া নিয়া
চোৰা জুমি চোৰা জুমি
চোৰা জুমি চোৰা
মোৰে দিলৰুবা
জামানা আঁৰত গৈ দিয়া ভালপোৱা
চোৰা জুমি চোৰা।
মাহীৰে... মাহীৰে... মাহীৰে... মাহীৰে...
ইবাদত তোমাৰে তোমাতে শেষ হয়

সঁচা সপোনেৰে তোমাকে বিচাৰি পায়।
মৰমৰে যৰমান গানতে দিলো গুঁঠি...
দিন জান তুমি চোৰা বা নোচোৰা
চোৰা জুমি চোৰা জুমি
চোৰা জুমি চোৰা
............
জামানা...
চোৰা জুমি চোৰা
চোৰা চোৰা চোৰা চোৰা
চোৰা জুমি চোৰা ...। ***

# অ' মোৰ সোণ তৰামাই

**কথা/সুৰ ঃ বেদানন্দ দাস**

অ' মোৰ সোণ তৰামাই
তোক আজি কিয় দেখা নাই
বিৰহৰ গম জানো তই পোৱা নাই
বুকু জ্বলি পুৰি যায়
যায়...
বুকু জ্বলি পুৰি যায়।
তোৰ কথা মই ভাবিছো
তোক লৈ বিহু ৰচিছো।
কিয় তোৰ অকণো কাণসাৰ নাই
বুকু জ্বলি পুৰি যায়
যায়...
বুকু জ্বলি পুৰি যায়।
ইচাটি নো বিচাটি ঐ
শুব যে মই নোৱাৰো ঐ
বিৰহে খুন্দা মাৰে ঐ
খাব যে মই নোৱাৰো ঐ
কিয় নুবুজ বুকুৰ সোণ
কিয় হব নিকৰুণ।
তোৰেনো হেঁপাহতে ঐ
মৰিব মই নোৱাৰো ঐ
তোৰে মান নৰকী নাই
বুকু জ্বলি পুৰি যায়
যায়...

বুকু জ্বলি পুৰি যায়।
জোনৰে পোহৰতে ঐ
বুকুৰ এন্ধাৰ নুগুচে ঐ
যৌৱনৰে অগনি ঐ
একোকে যে নুবুজে ঐ
বুজিও তই নুবুজিলি
যৌৱন গ'লে কান্দিবি
যৌৱন হেঁচি ৰাখিলে ঐ
জীৱনৰ ভোক নুগুচে ঐ
কলিতে মৰহি যায়
বুকু জ্বলি পুৰি যায়
যায়...
বুকু জ্বলি পুৰি যায়।
অ' মোৰ সোণ তৰামাই ...।

# জানমণি (বিহু)

**কণ্ঠ ঃ জুবিন**

নদী বাঢ়িলে অ'... উজান উঠিলে ঐ...
গছে বনে ফুলে পাতে বিহু আহিলে অ'
কপৌ পাহে পাহে
মৰম বাঢ়ি আহে
এই মৰম কাৰ বাবে জানানে...
জানমণি তোমাৰ বাবে[২]...
মলয়া বলে ঐ...
কুঁহিপাতো লৰে অ'[২]
নদীৰ ঢৌৱে ঢৌৱে সোঁতে মৰম আনিলে অ'
লাহে লাহে লাহে মৰম বাঢ়ি আহে
এই মৰম কাৰ বাবে জানানে...
জানমণি তোমাৰ বাবে...।

পলাশে হাঁহে ঐ...
ফাগুনক পালে ঐ...
মইও হাঁহিম নাচিম তোমাক কাষতে পালে ঐ...
আশাৰ ফুলো ফুলে
মনৰ ফুলনিতে এই আশা কাৰ বাবে
জুলা জুইতে এই চগা পুৰি মৰে এই...
মইও পৰিলো তোমাৰ প্ৰেমত একো নজনাকৈ
হৃদয় বুজি পালে একো দিব নালাগে
এই হৃদয় কাৰ বাবে জানানে...
জানমণি তোমাৰ বাবে...। ***

# জোনাকী মন

কথা/সুৰ ঃ জুবিন গাৰ্গ,
দিগন্ত ভাৰতী

বগাকৈ বগলী বহলাই বহিছে
বলুকাত বিয়লি বেলা,
অ' বকুল বাগৰিছে ববছা বনতে
বুটলি বিলাওঁগৈ ব'লা।
অ' আমি জোনাকী মন
অ' জোনাকী মন
বহাকৈ বগলী বহলাই বহে
বহিলে বহিব কিনো খাই আহে
চিনাকি তেওঁৰে তোমাৰে মোৰে
মিলনৰ একেটি বাজনা বাজে
নাচে জোনাকী মন।
বেলি আএহ নাও উলাহত
ধুনীয়া মন আমাৰ
বেলি গ'লে জিকেমিকাই
জোনৰ দৰে মনা আমাৰ
এজাৰো ফুলিনো নকৰো বেজাৰ
পাহোৱাল বুকুতে সপোনে হেজাৰ
উছৱৰ বেলিকা হাঁহিতেই হাঁহি
কামৰে বেলিকা কামতেই মগন
অ' জোনাকী মন।
শতক কোন মিতিৰনো কোন
চিনিবলে নাই লেঠা
মনে জানে মনে চিনে

নক'লৈও যায় বুজা।
পাহাৰৰ পাহাৰী ভৈয়ামৰ ভদাই
দুয়োৰে মিলিলে কেনে কিতো বায়
চিনাকি তেওঁৰে তোমাৰে মোৰে
মিলনৰ একেটি বাজনা বাজে
নাচে জোনাকী মন।।

# হুৰ-হুৰ-হুৰ...

কণ্ঠ ঃ জুবিন
'জোনাকী মন'

হুৰ-হুৰ-হুৰাইদে
আপোন পথাৰখন মোকলাই দে।

হুৰ-হুৰ-হুৰাইদে
আপোন পথাৰখন মোকলাই দে।

নমতা আলহী চোতাল ভৰিছে
অনেক কথাৰে তোৰ খোপনি পুতিছে
থলুৱাৰ পৰিচয় নৰ'ব গৈ
থলুৱা বুলি তোৰ চিনাকি দে।
হুৰ-হুৰ-হুৰাইদে
আপোন পথাৰখন মোকলাই দে।

কোন বা কোঁচ, কোনজন ভৈয়াম
কোন আদিবাসী নে পাহাৰীয়া
ধৰি ল' জোৰকৈ একেডাল জৰী
খিলঞ্জীয়া অসমীয়া
ৰজাৰঘীয়াকো জনাদেশ লাগে
ৰাজপাত বিচাৰি আলহীক নেৰে
মাটি ঘৰ পথাৰ আনে খাই ঐ
সিহঁতক তোৰ ধমকিতো দে...
হুৰ-হুৰ-হুৰাইদে
আপোন পথাৰখন মোকলাই দে

চাৰিজন লগে হৈ দল এটি গঢ়িছে
জাতি এক বুলোতা সমাজখন জ্বলিছে,
কাৰ এটি আহে যায়
মাথোঁ তোৰ মোৰ...
হৈছে তেজ ৰঙাকৈ তেজ
টুকুৰা টুকুৰ অসমখন ভাঙিছে
খোৱা কামোৰাকৈ আপোনজন মৰিছে
অসমীয়া খিলঞ্জীয়া
হুৰ-হুৰ-হুৰাইদে
আপোন পথাৰখন মোকলাই দে।

# ঘিলা ঘূৰাদি ঘূৰ...

কণ্ঠ ঃ জুবিন
'জোনাকী মন'

ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী
চিলা উৰাদি উৰ মোৰে নাচনী
ঢোলৰ ছেৱতে ছেউ ৰাখি
উঠতে হাঁহি লৈ ঘামি-জামি
ভাগৰিও নাভাগৰি
কাতি বিহু উৰোৱা ওৰে ৰাতি
ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী
চিলা ৰাদি উৰ মোৰে নাচনী।।

নাদৰ পানীৰে নুজুৰাই গা
নৈত নাসাঁতুৰো মানে
দূৰৰ মৰমে নুচুৱে মন
কাষৰলৈ নাহনে।
লগ সমনীয়া কোনোবাই
জানিলে জানিব কথা নাই।
তই মোৰ ময়ো যে তোৰ হ'ম
ক'চোন চকুতে চকু থৈ।
ঢোলৰ ছেৱতে ছেউ ৰাখি
ওঁঠতে হাঁহি লৈ ঘামি-জামি
ভাগৰিও নাভাগৰি
কাতি বিহু উৰোৱা উৰোৱা ওৰে ৰাতি
ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী

চিলা উৰাদি উৰ মোৰে নাচনী।।

কোন তুৰতিয়ে তুলিছে ফুল
খোপা সাজে জিলিকিছ,
নকৈদেয়া জাপিটো ঘূৰাই
আধা পগলা কৰিছ।
মাৰোঁকৈ মাৰিব নালাগে
এনেয়ে জ্বলিছে কলিজা
তোলৈ সপিছো সকলো
কথাটো এবাৰ ভাবি চা।

ঢোলৰ চেৱতে চেউ ৰাখি
ওঁঠতে হাঁহি লৈ ঘামি-জামি
ভাগৰিও নাভাগৰি
কাতি বিহু উৰোৱা উৰোৱা ওৰে ৰাতি
ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী...

ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী
চিলা উৰাদি উৰ মোৰে নাচনী
ঢোলৰ ছেৱতে ছেউ ৰাখি
ওঁঠতে হাঁহি লৈ ঘামি-জামি
ভাগৰিও নাভাগৰি
কাতি বিহু উৰোৱা উৰোৱা ওৰে ৰাতি
ঘিলা ঘূৰাদি ঘূৰ মোৰে নাচনী
চিলা উৰাদি উৰ মোৰে নাচনী।।

# আগলি বাঁহৰে গগনা বজায়...

**কণ্ঠ ঃ জুবিন**
**'জোনাকী মন'**

আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।
দেখিবৰে পৰা তোমাকো চাওঁ
চকু নাযায় আন কালৈ।
লগৰী বুলোনে ঘুমতি বেলাতে
চিকুৰি সপোনে
তোমাক আনি বুকুতে থওঁ।
আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।

দেখিবৰে পৰা চকু নাযায়
লগৰী বুলোনে
চিকুৰি সপোনে
তোমাক আনি বুকুতে থওঁ।
আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।

ফুটুকীয়া সেই পৰ চোলাটিৰে
তোমাকে পাইছিলো ল'ৰালি।
ফলি, কিতাপ লৈ বহী চিলাম ঐ
পাঠশালাৰে বাকৰিত।

হেঁচুকি থৈ যায় অতীতে

হাতে বাউলি সোঁৱৰণে মাতে
মনতো যায় নিতে গাঁৱলৈ
আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।
চতিয়না জোপা একে আছেনে
তোমাৰে নঙলা মুখতে
দুয়োৰে শৈশৱ লগতে ৰাখি থৈ
কুক-ভাক এতিয়াও খেলানে?[২]
নৈ পৰীয়া বা ৰুণ-জুন
উভতি আহিছোঁ আপোন গাঁৱলৈ
আছা হ'বলা বাট চাই।।

আগলি বাঁহৰে গগণা বজাওঁ
মতে লাহৰী লাহৰী কৈ।
দেখিবৰে পৰা তোমাকে চাওঁ
চকু নাযায় আন কালৈ।
লগৰী বুলোনে ঘুমটি বেলাতে
চিকুৰি সপোনে
তোমাক আনি বুকুতে থওঁ।

আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।
আগলি বাঁহৰে গগণা বজাওঁ
মাতে লাহৰী লাহৰী কৈ।

# এৰি নাযাবি

**কথা/সুৰ ঃ দিগন্ত ভাৰতী**
**'জোনাকী মন'**

এৰি নাযাবি, যাবি লগতে মোক লৈ
তই নহ'লে' হিয়াই নামানে ঐ
চেনেহা চেনেহী কেতিয়ানো কৰিবি
লাহেকৈ বুকুৰে কেতিয়ানো লবিহি
মোৰ মন তোলৈ
কবিতাৰ কথাবোৰ লিখিব নোৱাৰো
মৌ সনা মিঠা গান সুৰাবও নোৱাৰো
মাথোঁ খুজিলেই খুজিছ বিহ
কলিজা তো তোৰ হাতত পাবি
এহালি দুহালি আগুৱাই আহিছো
তোৰ ঘাটতে নাও লগাব খুজিছো
লম আদৰি ঐ।
ইবেলি সিবেলি পুৱা গৈ গধূলি
ইকাষে সিকাষে সপোন তোৰ সাৱটি
উৰিবলে মন পাখি লগাই
প্ৰেম হৱলা এনেকুৱাই
ওপৰা-ওপৰি ভাবনা আহিলে
উফৰা উফৰি কামনা জাগিলে
দুখ নিদিবি ঐ...।

# ওলমি ওলমি

কথা ঃ দিগন্ত ভাৰতী

'জোনাকী মন'

ওলমি ওলমি থাকে
দুই ওঁঠতে হাঁহি
লিজিকে জিলিকা মুকুতা
তৰা দুপাৰি
ঐ না ঐ
মইনা তুমি মোৰ ঘৰৰ লখিমী।
কি সাধিলো কি মৰিলো
পালো যি পালো মৰম তোমাৰ
মোৰ আন্ধাৰত মোৰ কাল ৰাত্ৰি
মচি মচি থলা গৈয়ে জোনাক
ঐ না ঐ .
কলিজাতে মোৰ তেজতে
উঠলি উঠিছে হেঁপাহ
আলফুলেকৈ সাবটি ধৰো
লগে নাপাওঁ উশাহতে উশাহ
ঐ না ঐ...

## এন কে প্ৰডাকশ্যনৰ শিল্পীৰ পৃথিৱীত গৌৰবোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষত নিবেদিত ৰুমাল

# ৰুমাল ৰুমাল

কথা/সুৰ ঃ জুবিন গাৰ্গ
'ৰুমাল'

একবিংশ শতিকাৰ প্ৰেম কাহিনী
ৰুমালৰে ভাঁজিতে স্মৃতিৰে ৰেঙনি
একবিংশ শতিকাৰ মোৰ কাহিনী
ৰুমালৰে সাঁচতে স্মৃতি হৈ মৰমী
ৰুমালৰে ভাঁজে ভাঁজে দুখৰে বিননী
ৰুমালত কাহিনী ৰুমালত জীৱনী
ৰুমালত হুমুনিয়াহ, ৰুমালত উচুপনি
ৰুমাল ৰুমাল ৰুমাল ৰুমাল
এখন ৰঙা ৰুমাল
এখন শেঁতা ৰুমাল
সেই কোন কাহানিতে দেখা এযুৰি কাজল চকু
মনত পৰিলে আজি শোকে খুন্দে বুকু
কৃষ্ণচূড়াৰ তলত স্কুলৰ দুপৰীয়া
ক্লাছৰ ফাঁকে ফাঁকে কতনো উমাল কথা
লুটিযাই চালে জীৱনী পাওঁ মাথোঁ
ৰুমাল ৰুমাল ৰুমাল ৰুমাল
এখন ৰঙা ৰুমাল
এখন শেঁতা ৰুমাল

শীতৰ সেমেকা এটি আবেলি আছে মনত
হঠাতে কাৰোবাক এৰি অহা বেদনা প্ৰাণত
সিক্ত চকুত কাজল, অধৰত বিষাদ কোমল
আজৰি ভৰাই ল'লোঁ সপোন চিকুণ কোমল
এসাগৰ মৰম নিগৰা সেই ৰুমাল
ৰুমাল ৰুমাল ৰুমাল ৰুমাল
এখন ৰঙা ৰুমাল
এখন শেঁতা ৰুমাল। ***

# আই মোৰ ঐ

কথা/সুৰ ঃ জুবিন গাৰ্গ
'কমাল'

আই মোৰ ঐ
কিহৰে জ্বলা জুইত জ্বলি আছ যে তই
মৰি পুৰি পুৰি নিজকে
নিজৰে পুতেৰে বুকুতে হানিছে
কিনো অভিশাপতে
সোণৰে মুখনিত ক'লা ছাই সানিলে
কিনো ঐ বিধানতে।
শত কোটি বছৰ চেনেহী আই মোৰ
সুজি ফুজি আছিলো তোক
জনমে জনমে সাবটি আছিলো
চৰণ কমলাকে তোৰ
হঠাতে কিনো হ'ল থাপনা উকা হ'ল
সুধিবলে কোনো যে নৰল।
কলীয়া ডাৱৰে আবৰি ধৰিলে
জননীৰে দেহা মোৰ।
ঘৰ বিভীষণে এণ্ডাৰ চটিয়ালে
অসমী আইকে মোৰ
কেতিয়া বুজিব কেতিয়া কান্দিব
থাপনা থাপিব আইকে কোনে
আই মোৰ ঐ...।

# হায় হায় মাৰি দিলা

**কথা/সুৰ ঃ জুবিন গাৰ্গ, 'কমাল'**

খিৰিকী মেলোঁতেই চকুৰ প্ৰচাৰত
দেখিলোঁ তোমাকে বেলিৰ পোহৰত
বিজুলী বিজুলী চকুৰ আঘাতত
জীয়াই জীয়াই মাৰিলা
হায় হায় হায় মাৰি দিলা
হায় হায় হায় কিনো লীলা
হায় হায় হায় কি কৰিলা
হায় হায় হায় খুলি খালা
পদুলি মূৰতে আবেলি আবেলি
কাৰ বাবেনো বাটে চোৱা
চোতাল সাৰোঁতে চকুৰ পাকোঁতে
কিহেৰে ইচাৰাতি
ভাবি ভাবি মোৰ পকিলে চুলি
সোনকালে মোক কোৱা খুলি
কৰিছো কোৱা মোক নকৰা ধেমালি
নহ'লে মৰিলো এই বেলি।
নদীৰ পাৰতে পানচৈ ঘাটতে
একেলগে বহি সাধু শুনা
মাঘৰে মেজিতে হাত সেকি সেকি
ক'ত ৰাতি গ'ল ভাবি চোৱা
নাহে জানো উৰি একোকে মনলৈ
কিয়নো পাহৰিলা তুমি কোৱা
দিহিঙে-দিপাঙে তোমাকে বিচাৰি
মনে বিনাই আছে চোৱা। ★★★

# তুমি সুৱাস অসমীৰে

**কথা/সুৰ ঃ জুবিন গাৰ্গ**
**'কমাল'**

তুমি সুৱাস অসমীৰে
তুমি সুৱাস সৃষ্টিৰে
তুমি প্ৰকাশ মুকুতিৰে
সঁচা নিভাঁজ সপোনৰে
তুমি সাহস জীৱনলে
মৰণকো জিনিবলে
তুমি পোহৰ যুগে যুগে
নানা জাতিৰ নানা ৰূপে
ৰূপে ৰসে নাচে গানে
অভিনৱ শত শত ছন্দে
তুমি সুৱাস অসমীৰে...।।
লুইতৰে দুয়োটি পাৰ দুভৰিতে কঁপোৱা
এতিয়া কাহিনী হ'ল মুখে মুখে ৰোৱা
চহৰ নগৰ গাঁও ভেদী স্পন্দন হৈয়ে ৰোৱা
তোমাৰ চৰণ বুকুতে লৈ আমি অসমীয়া
তুমি গুৰু কলাগুৰু।
সুন্দৰৰ পোহৰেৰে আজি আমাক জগোৱা
সোণৰ অসম গঢ়িবলে পথ দেখুওৱা।
তোমাৰ পথেই পথ আমাৰ
চিৰ যুগমীয়া
তুমি গুৰু
কলাগুৰু।

# দুপৰৰ মোহনাত

কথা ঃ দিগন্ত ভাৰতী
'কমাল'

দুপৰৰ মোহনাত দেহাটি উতলা
কমালেৰে বেলিটো বেৰো
চুৰিয়া চোলাযোৰ ঘামতে তিতিলে
ভাগ্যৰে লৰালে জীও
ৰ'দ হালিব গধূলি বিহুকে গাম
ঢোলৰে মাৰি ঘূৰাই গোবিন্দাই ৰাম।
সোণে বাথৰ চেনেহী মোৰ
আছানে বাট চাই সাজি কাছি
লগ পোৱাৰ হেঁপাহতে
উঠিছে নে বুকু নাচি নাচি
দুখনকৈ তামোল খোৱাৰে বাট
মুনিচুনি বেলি ওলামগৈ তাৰ।।

বা ৰিব্ ৰিব্ বতাহতে
সপোন ৰহেদৈ হিয়াত বহে
কিনো সুধিম কিনো কবি
সেই ভাবনা মনত গৰে
বেলি জাগে জাহে জা মোকো লৈ
তোৰো ঘৰ মোৰে খোজ পশ্চিমলৈ।।

# কিদৰে ৰখাই থওঁ

কথা ঃ দিগন্ত ভাৰতী
'কমাল'

কিদৰে ৰখাই থওঁ
মনতো যায় তোমালে
ক্ষমা কৰা মোৰ প্ৰেমক
একো বাধাই নামানে
দিন গধূৰ ৰাতি কাতৰ
তোমাক সপোন অবিহনে
ভালপোৱা চিনিছো মই
সি জীয়াই আছে মাথোঁ দিবলে।
চকুতে দুচকুলৈ প্ৰেমৰে জুই জ্বলিছিল
তুমি কোৱা প্ৰতি কথাত
দোমোজা মোৰ ভাঙিছিল
তেনে কিয় মোৰ গান
দুখত কোলাত তুলি দিলা
হালি পৰা হেঁপাহত
কি আছে কি নাই নেচালা
দিওঁ বুলি দি গ'লা
ভাল পোৱাৰ এবাটি বিষ
সিৰে সিৰে দিয়ে আজি
সি মৰণৰে আশিস
এৰি এৰি সকলোটি
পালে কিনো নেদেখা
হালি পৰা হেঁপাহত
কি আছে নোচোৱা।

# স্বৰ্গদেউ চুকাফা

কথা ঃ মানস ৰবীন
'কমাল'

১২শ ২৮ চনত আহিছিলে ঐ
অসমৰে বৰভেটি বান্ধিছিলে ঐ
খামতি বৰাহি মৰাশ কাছাৰীকে লৈ
সাত-ৰাজে কৰিছিলে মৰমেৰে ঐ
স্বৰ্গদেউ চুকাফাই আঁকিছিলে ঐ
বৰ অসমৰে ছবি যতনেৰে ঐ
টুকুৰা টুকুৰা আজি সেই ছবি ঐ
বৰ অসমখনি সাতেভনী হ'ল।
বৰগীত ভটিমা পাতনি মেলিছিলে
শংকৰে মাধৱে জাতিটো গঢ়িবলে
কীৰ্তন দশম নামঘোষা অংকীয়া ভাওনা
জাতিটোক ভাষাটোক জিনিবলে জগতকে
আজি চোন সকলো আগুৰিহে গ'ল
মই কোঁচ কাৰ্বি, মই বড়ো হ'ল
কিনো ভুল কতে ৰ'ল ভাবিবৰে হ'ল
অসমীয়া হ'বলৈ কোনোৱে নৰ'ল।
স্বৰ্গদেউ চুকাফাৰ সপোন ভাঙি গ'ল
বৰ অসমখনি সাতে ভনী হ'ল।

বিষ্ণু জ্যোতিযেও ক'লে লুইতৰ পানীয়ে
পাহাৰ আৰু ভৈয়ামে ভূপেন মামাই গীত জুৰে
জাতিটোক একতাৰ ডোলেৰে বান্ধিবলে

আজিচোন সকলো আঁতৰিহে গ'ল
দিচাঙৰ ডেকাটি মিচিং হৈয়ে ৰল
জাতি এটা বোলোঁতেই জাতি হ'ল
ভাষা এটা বোলোঁতেই অসম ভাঙি গ'ল
ককালতে টঙালিখন বান্ধিবৰে হ'ল
আকৌ এবাৰ অসমীয়া জাগিবৰ হ'ল। ***

# অমানিশা সাৰে আছে

**কথা : ইবচনলাল বৰুৱা, 'কমাল'**

অমানিশা সাৰে আছে
আৰু সাৰে আছোঁ মই
এটি ছগা উৰি আছে
কেনি জ্বলিছে হৃদয়
নাই শোৱালি নাই
বকুলেও ঋতুলে আছে যে বৈ
খুলি খুলি পাহি সৰা
স্মৃতিয়ে মাথোঁ যাতনা বিলাই।
দূৰ পোহৰ, দূৰ প্ৰহৰ
দূৰ তৰাৰো চহৰ
যেন নিথৰ মন জঠৰ
দিশহাৰা হ'ল চকুৰ
চায় ছবিকে হায়
কৰিছো নেদেখাজনক দোহাই
গলি গলি নদী হোৱা
চকুলোৱে যাচে সাগৰ ধিয়াই

হাঁহি সাথৰ
চকু বাথৰ
চুমি বুকু হ'ল পাঠৰ
মিঠা মাতৰ মিঠা আদৰ
মিঠা আঘাত হ'ল প্ৰাণৰ
নিনাদেৰে আৱাহনী বিয়পাই
কঁপি কঁপি কান্দি উঠা কলিজাই
আজি পৃথিৱী কঁপাই
পৃথিৱী কঁপাই
পৃথিৱী কঁপাই।। ★★★

# ।। জুবিন গাৰ্গৰ জনপ্ৰিয় হিন্দী গীত ।।

## য়া আলি ৰেহেমৱালী

কণ্ঠ ঃ জুবিন, 'গেংষ্টাৰ'

য়া আলি ৰেহেমৱালী য়া আলি য়াৰ পে কুৰবা
হেঁ, চভি য়া আলি মগৰৱালী
য়া আলি, য়ে মেৰি ঝা য়ে জিন্দেগী
ইস্ক পে হা, মিটা আ দু, লুটা আ দু, মে য়ে আপনি খুদি,
য়া পে হা লুটা আ দু, মিটা আ দু, মে য়ে হাচতি,
য়া আলি ৰেহেমৱালী য়া আলি য়াৰ পে কুৰবা হেঁ চভি
য়া আলি মগৰৱালী য়া আলি আলি য়ে মেৰি ঝায়ে জিন্দেগী।

মুঝে কুছ পল হে পুৰবত কে ফাকি হাম কে হি চাহত কে
ৰেহে বেচেন দিল কবটক মিলে কুছ পল হেঁ ৰাহট কে
চাহত পে ইস্ক পে হা মিটা আ দু, লুটা আ দু, মে' আপনি খুদি
য়াৰ পে হা লুটা আ দু, মিটা আ দু, মে য়ে হাচতি
য়া আলি ৰেহেমৱালী য়া আলি য়াৰ পে কুৰবা হেঁ চভি
য়া আলি মগৰৱালী য়া আলি আলি য়ে মেৰি ঝায়ে জিন্দেগী।

বিনা তেৰে না এক পল হ' না বিন তেৰে কভি কল হ'
য়ে দিল বন জায়ে পথৰ কা না য়েচেমে কই হালচাল হ'
চনম পে হা ইস্ক পে হা মিটা আ দু, লুটা আ দু, মে আপনি খুদি
কচম চে হা লুতা দু, মিটা আ দু, মে য়ে হাচতি
য়া আলি ৰেহেমৱালী য়া আলি য়া পে কুৰবা
হেঁ, চভি য়া আলি মগৰৱালী, য়া আলি,
য়া আলি, ঝা য়ে জিন্দেগী
নে না নি না নে...। ★★★

# ইস্ক নামাজি...

**কণ্ঠ/সুৰ ঃ জুবিন, 'ষ্ট্ৰিংছ'**

ইস্ক নামাজি ইস্ক হে কাবা কৰলে' ইস্ক কা ছাজদা
ইস্ককা ৰুকুৱা চবছে উচ্চা ৰবদি ইচ মে বাচতা
ইস্ক ঝুলুম ভি হে, ইস্ক মাঝা ভি হে, ইস্ক চিতম ভি হে' ইস্ক চাজাভি হে,
য়ে দুৱা কিচক' অ'হি জানে...
ইস্ক নামাজি ইস্ক হে কাবা কৰলে' ইস্ক কা ছাজদা।।

জিচনে ইস্ক কা দৰদ চমায়ে
অ' দিল চুখ কা চাগৰ হে'
যৌ এক বাৰ ইস্ক মে' ডুবা
চাহ কৰ ভি না নিকলা হে',
এক ডৰিয়া মে এক মতি হে,
ইস্ক ক' তকলিব ভি হ'তি হে'
প্যাৰ কে পাৱন ভাগ মে'।
ইস্ক নামাজি ইস্ক হে কাবা কৰলে' ইস্ক কা ছাজদা।।

ইস্ক মহব্বত অ' ক্যা জানে
জিচনে কভি না ইস্ক কিয়া
দৰদে উলফত মে' ভি মাঝা হে'
ইক ঘূন মে' নে' ইচিকা প্যাৰ
য়ে ৰবত হি ৰাধা কিচমত চে মিলে
য়ে থা য়ে জেহেৰ ৰগ ৰগ মে' চলে
চবচে হে ৰেহে আনজানা...

ইস্ক নামাজি ইস্ক হে কাবা কৰলে' ইস্ক কা ছাজদা
ইস্ককা ৰুকুৱা চবছে উচ্চা ৰবদি ইচ মে বাচতা
ইস্ক ঝুলুম ভি হে, ইস্ক মাঝা ভি হে, ইস্ক চিতম ভি হে' ইস্ক চাজাভি হে,
য়ে দুৱা কিচক' অ'হি জানে... ⁂

# ভিনি ভিনি ভৌৰ...

কণ্ঠ/সুৰ ঃ জুবিন
গাৰ্গ

ভিনি ভিনি ভৌৰ ভ'ৰে ভাজৌ
ৰাম ৰম ৰাম ৰাম
মাংগে য়েহি বৰ চভিক' গলেচে লগায়ে
বুদ্ধি কি শুদ্ধি কৰে নাম য়ে
ৰাম ৰাম ৰাম ৰাম
আৰ'ইসি নাম ক' মিলকে
হম ধ্যায়ে-গায়ে

অ' আপনা হুয়া হ' অ' আজনবী
মনচে মে'ৰে প্যাৰ পায়ে চভি
বিষ্টকে ফুল'চে য়ে ধৰকণে মেহকায়ে
ভিনি ভিনি ভৌৰ ভ'ৰে ভাজৌ
ৰাম ৰাম ৰাম ৰাম
মাংগে য়েহি বৰ চভিক' গলেচে লগায়ে।

জিচনে ৰচে ধৰতি অম্বৰ য়াহা
জিচনে ৰচে পৰ্বত সাগৰ য়াহা
জিচ ব্ৰহ্মা চে মোক্ষ হে হাম উচি মে চমায়ে,

ভিনি ভিনি ভৌৰ ভ'ৰে ভাজৌ
ৰাম ৰাম ৰাম ৰাম
মাংগে য়েহি বৰ চভিক' গলেচে লগায়ে।

# বিগ ব্ৰাদাৰ

**কণ্ঠ ঃ জুবিন**

জাগ লাল লাল লাল লাল
লাল লাল দিখে হে মুঝকো
জাগ লাল লাল...২
তেৰে ইস্কে চে মালামাল তেৰে জগি
তেৰে ইস্ক চে মালামাল কেহে তেৰে জামাল
জাগ লাল লাল লাল লাল
লাল লাল দিখে হে মুঝকো

জিন্দেগী কদম কদম পে দেতি হেয়
ইউ কো ধোকা, উচকি বাত বনজাতি হেয়
জো না গৱায়ে মৌকা
হতি হ্যে জিত উচকি জিচে জিত পে ভৰছা
জিন্দেগী কদম কদম পে
দেতি হ্যে য়ু কৌ ধোকা
উচকি বাত বনজানি হ্যে
জো না গৱায়ে মৌকা

তু চচ কে সাথ হে তো
খোদা হ্যে তেৰে সাথ

দুব না হো জিচকো উচে
তিন কে কা চাহাৰা
তেৰে না তুমকো পৰেগা

গৰ্ভ চাহো তুম কিনাৰা
লাগে নিচানা পে জোগি
বদলেগি তো বহি তকদিৰ
সচকি ৰাহে চলনেবালি
বীৰ কহে উচে ফিৰ ফকিৰ
জাগ লাল লাল লাল লাল
লাল লাল দিখে হে মুঝকো।।

# প্যাৰ কি ছাইড এফেক্টছ

কণ্ঠ ঃ জুবিন

জানে ক্যা জানে মন বাৱৰা
জানে ক্যা জানে মন বাৱৰা
আখিয়ন মেৰে চাৱন চাৰা
আখিয়ন মেৰে চাৱন চাৰা
জানে ক্যা জানে মন বাৱৰা২
আখিয়ন মেৰে চাৱন চাৰা২

চৌগন আচল চৌদা হোৰ হোৱে২
চাজন আচু বন মে ক্যা জোৰ হোৱে২
ক্যা জোৰ হোৱে
অপনে জিয়া পে
মনকো মনালে মনচাৰা
জানে ক্যা জানে মন বাৱৰা২
আখিয়ন মেৰে চাৱন চাৰা২

পৱন পূৰ্ব মে ইউ উৰতা যাৱে২
বাটৰা ছান্দা চে মন জুৰতা জাৱে২
অৱে হাৱা কা
জো কা ফিৰ এইচা টুটে পটন কি দৰচা
জানে ক্যা জানে মন বাৱৰা২
আখিয়ন মেৰে চাৱন চাৰা২ ...

# আই চি ইউ

**কণ্ঠ ঃ জুবিন**

চুভা চুভা য়ে ক্যা হুৱা
না জানে কিউ অব মে হাৰাও মে
চল ৰহা হু
নই চুভা নই জগা নই তৰা চে
নই দিচাউ মে চল ৰহা হু
নই নই হ্যে মেৰি
নজৰ য়াহে নজৰে নই
না দেখতে খাব মে চল ৰহা হু
চুভা চুভা য়ে ক্যা...

নই নই নজৰ মে দেখতা হু
য়ে গুণ গুণাতা হু আচমা য়া মুঝকো
ৰাতি ফিজা জাহা কে চাথ মে চল ৰহা হু
চুভা চুভা য়ে ক্যা হুৱা...

জো অভি হ্যে উচকো জিলে
জো জিয়া ৱহ জি লিয়া
ৱহ নাছা হ্যে এক নয়া জো
না কিয়া তো ক্যা জিয়া
হৰপল কো পিকে অগৰ
দিল না ভৰ লিয়া
চুভা চুভা য়ে ক্যা হুৱা...।।

# উৰতে পৰিন্দো

কণ্ঠ ঃ জুবিন

উৰতে পৰিন্দো কে চং ইচক'ভী উৰলে দো
নীলে নীলে বাদল কা ৰং ইচক' চুনে দ'
দুনীয়া কে পিঞ্জৰে কা য়ে ভী পৰিন্দো হ্যে
য়ে ভি ত' য়ে ভী ত' আশা কা বন্দে হ্যে
উঁৰণে দ' উৰণে দ' উৰণে দ' অ'...২

ডাল পৰ ঝুমতে পট্টো মে জানা হ্যে
ফুল' ম্যে কলিয়ো ম্যে মলি কী চান হ্যে
আচমান কা মকান ইচনে বনায়া হ্যে
ইচকে হী নুৰ কা অস্ক অনচান হ্যে
য়ে এক এইচা কেলেণ্ডাৰ
খত্‌ৰে ম্যে জেইচে চমুন্দৰ
উৰণে দ' উৰণে দ' উৰণে দ' অ'২...

মস্ক হ্যে য়ে মলং পৰৱা কোয়ি নহি
য়ে খুলা আচমান ইচ্‌কি ভি হে জামিন
ইচকি ৰে গুজৰ কা হে য়ে হমচফৰ
জিচ জগহ্‌ দিল কৰে ৰুকতা হ্যে বচ ৰহি
উমৰ ভৰ জাগা না চোয়া
য়ে অপনি ধু মেজো খয়া
উঁৰতে পৰিন্দো কে
নীলে নীলে...
দুনীয়া...
য়ে ভি তো...২
উৰণে দ' উৰণে দ' উৰণে দ' অ'...২

# জিন্দেগী কহি গুম হে

জিন্দেগী
কণ্ঠ ঃ জুবিন

জিন্দেগী কহি গুম হে
উচকী য়াদ' মে
উচকা হি মঞ্জৰ হে
মেৰে দিন ৰাত মে
মেৰে খুদা উচে বতা
লমহা লমহা ইউ ধুন্দে
বচ উচক' য়ে নজৰ
জনে কেইচা হে উচকী চাহত কা অচৰ
চাৰে ফলক মে চাৰি জমিন পে
মানা উচিক' চনাম অ'... অ'
মেৰি ৰাফায়ে মেৰি দুনীয়া
ৰহি হে মেৰা কৰম
মেৰে খুদা...
উচে বতা...
চুনি চুনি থি ৰাহে
জো মুচকুৰাগে লগি
ৰাতে জ' আন্দেৰি ৰহ জিল মিলানে লগী
ব' মেৰি আচিকি
ৱ' মেৰি দিল হে'
ৱ' মেৰি চাচে
ৱ' মেৰি জিন্দেগী
মেৰি খুদা...
উচে বতা... ★★★

# জীয়া লাগে না

জিন্দেগী
কণ্ঠ ঃ জুবিন

জীয়া লাগে না মেৰা কহি ভী তুঝ বিন
দিন বো নহি বাবু জৰা ভী ইন দিন
উৰণে লাগা হু আচমান পে অব তো
পৰ হে অধুৰি যে খৱাইচে তেৰে বিন
দুৰি কভি তেৰি অব না চহি জায়ে
অ' মাহে চব তুঝ বিন কৰু মে ক্যা
দেখ নজৰ তচবুৰ কি হৰ এক পল
হ' কাফিয়ত কুচ এইচি তু চাথ চাথ চল
তেৰা-খায়াল ৰোচন ৰহে খায়াল মে
এহ্চাচ বন কে ইউ মেৰি চাচো মে ধল
জজবাত পে মেৰে চাহে বেখুদি
আঁখ পে নিচান দিদাৰ কে
দুৰি কভী অ...

হে মকচৰ চি চৌৰ জৰা য়ে জিন্দেগী
লমহে গুজৰ দু ইস্ক মে হাচি খুচি
জবটক ৰহে জাহা মে চলে চিলচিলে
য়ে চিলচিলা হে দৰ অচলে ৰ'হ হে বন্দেগী
নক্সে কদম তেৰে বচ হৱা পে হো
চবনম গলে লগে প্যাৰ চে
দুৰি কভি তেৰি অ'...। ★★★

# নজৰে কৰম হো

জিন্দেগী
কণ্ঠ ঃ জুবিন

দিল কা চুৰুৰ হ্যে তু আখ' কা নুৰ হ্যে
উটনা হ্যে পাচ মেৰে জীতনা তু দুৰ হ্যে
হোগা তুজ বিন না এক পল মেৰা
...........
নজৰে কৰম হ' মুঝপে খুদাৰা
মেৰি তলব হ্যে তু মেবা জুনুন
তেৰি ঝলক ৰুহ্ কা চুকুন
তুঝে জুদা জিন্দেগী কুচ নেহি
দিল কে তুঝ আইনে মে ৰাখু
হোগা তুঝ বিন না এক পল মেৰা,
নজৰে কৰম হ' মুঝপে খুদাৰা
তু জো চলে মেৰি চাচে চলে
চুবহ্ উগে ঔৰ চাম ধলে
তু হ্যে মেৰে চাথ তো হ্ম চফৰ
ৰুখ পে হাৱাৰো কে চাচে জলে

হোগা তুঝ বিন না এক পল মেৰা গুজাৰা
নজৰে কৰম হো মুঝপে খুদাৰা
দিল কা চুৰুৰ হ্যে তু আখ' কা নুৰ হ্যে
উটনা হ্যে পাচ মেৰে জীতনা তু দুৰ হ্যে
হোগা তুজ বিন না এক পল মেৰা। ~ ~ ~

# জীয়া ৰে জীয়া ৰে

জিন্দেগী

কণ্ঠ ঃ জুবিন

কব চে বুলায়ে দিল দেকে চদায়ে ৰে
ৰাস্তা নিখৰে দিখৰে দিল পলকে বিচায়ে ৰে
উজল নিগাহো চে
তু কাহা কাহা আজা ৰে য়াহা
জীয়াৰে জীয়াৰে, লাগে না জীয়াৰে।

মঞ্জৰ মঞ্জৰ ৰেত কা সাগৰ
দিল এক প্যাচা ৰাহি
চৰঝ নাজাৰা এক না দেখা
জবচে মিলিহে জুদাই

জিচম হু মে তু জান হে মেৰি
বেখুদি আচিকি হে মেৰি
তেৰে বিন কুচ না ভায়ে লৌট আ
জীয়া ৰে জীয়া...

খাবাব হাচিন জে', চনঝেৰে হ'
চৌৰ গয়ে, চব নেনা
পল পল মৌৰ মৌৰ কে ধলতী হে
কালি ঘনেৰি ৰেনা


জীচম হু মে তু জান হে মেৰি
জিনে কী ৱজহ হে মেৰি
তেৰে বিন কুছ না ভায়ে লৌট আ
জীয়া ৰে জীয়া...। ***

# জুবিনৰ হাতত আন্তৰিকতাৰে

▢ দেৱপ্ৰসাদ তালুকদাৰ

এটি তৰাই পোহৰালে তোমাৰ মুখ
তাকে দেখি উজলি উঠিল
অনেক তৰা
ঠাহ খাই পৰিল তৰাৰে ৰাতিৰ আকাশ
তৰাৰ পোহৰ চুবলে হাত মেলিলে
বাজি উঠে গুণ গুণ গুণ
তোমাৰে গান
তোমাৰ গান
নিৰলতো বাজি থাকে
বুকুৰে বুকুৰে
তোমাৰ গানে
ছবি হৈ
ধৰা দিয়ে, অনুভৱী মনে
কবিতা কবিতা লগা গানে
সাৰে আছে প্ৰতি
পলে পলে
প্ৰতিটো ঋতুৰ
অহা-যোৱা বাটে বাটে।

• • •



স্মৃতিৰ
এখিলা
পাত
স্মৃতিৰ
এখিলা পাত
জুবিন
স্মৃতিৰ
এখিলা
পাত

# জীৱনৰ দুখৰীয়া চন্দৰ স্মৃতি





[illegible] জুবিন গাৰ্গ জীৱনৰ পথা পাৰতৈ' গ্ৰন্থৰ সম্পাদক মন্টু শইকীয়া (সোঁফালে) আৰু [illegible] মোহন শৰ্মা (বাওঁফালে)
ফটো- মানিক বৰা



[illegible] জুবিন গাৰ্গ, [illegible]



[illegible]


# ।। সময়ৰ ঢেউকাত জীৱন...।।




'নায়ক' ছবিৰ ৰেকৰ্ডিংৰ সময়ত জানে শামেলা চেন, গৌতম চক্ৰৱৰ্তী, জুবিন



গানে কি আনে সুৰৰ সোপানে সোপানে'ৰ... শ্ৰী হিৰণ্য কামত জুবিন গাৰ্গ





## ।। ৰূপালী পৰ্দাৰ সোণালী স্মৃতি ।।





'তুমি মোৰ মাথোঁ মোৰ' ছবিত জুবিন গাৰ্গ আৰু জেৰিফা ৱাহিদ



'দীনবন্ধু' ছবিত জুবিন গাৰ্গ আৰু নিশিতা গোস্বামী




# জুবিনৰ পৰিয়ালৰ ফটোগ্ৰাফীক ক'লাজ







## ॥ মনলৈ উভটি আহে ল'ৰালি ॥





[illegible] : পিতৃ-মাতৃ আৰু [illegible] সৈতে শিশু জুবিন, জংকি আৰু [illegible]



অপত্য স্নেহ : দেউতাকৰ কোলাত জুবিন আৰু জংকি



# সংগীত সরোবরত আমি সাংস্কৃতিক সেনানী





কাব্য মই, গান মই
শব্দ মই, ছন্দ মই
সুৰ মই, তাল মই
নৃত্য মই, লয় মই



## ।। পাখী মেলা অতীতক কিদৰে পাহৰোঁ...।।

